অৰ্দ্ধ আকাশৰ জিলিঙনি
আৰু
অনেক আকাশৰ তৰা

নিৰুপমা বৰগোহাঞি

GOVT. OF ASSAM
Call No ....
DIRECTORATE OF LIBRARY SERVICES

কিৰণ প্ৰকাশন
ধেমাজি

Ardha Aakashar Jilingani Aru Anek Aakashar Tora : A collection of articles written by Mrs. Nirupama Borgohain, Published by Naba Kalita on behalf of Kiran Prakashan, D.K.Market, Dhemaji-787057.

Price Rs. 50.00

প্ৰথম প্ৰকাশ ঃ ২০০৬ চন

প্ৰকাশক ঃ
নব কলিতা
কিৰণ প্ৰকাশন
ডি.কে.মাৰ্কেট, ধেমাজি
ধেমাজি - ৭৮৭০৫৭

বেটুপাত ঃ পদ্ম সিং

ডি.টি.পি. ঃ ৰূপ ৰেখা

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰিত ঃ
ধেমাজি অফ্‌চেট প্ৰিন্টাৰ্চ
ৰতনপুৰ, ধেমাজি
ফোন ঃ ২২৪২৮৮/২২৪৩৭৮

উচর্গা

ড° প্ৰমোদ শইকীয়া

আৰু

মইনীৰ

হাতত

অলেখ মধুৰ স্মৃতিৰ সোঁৱৰণত...

- মামী

আৰম্ভণিতে কিছু ক'বলগীয়া কথা...

মোৰ শেহতীয়া ৰচনাখনত সন্নিবিষ্ট সংকলন/ লেখাবোৰৰ হিচাপত বিস্তৃতি ১৯৭৭ চনৰ পৰা ২০০৪ চনলৈ অৰ্থাৎ প্ৰায় ত্ৰিশ বছৰ কাল ধৰি যিবোৰ লেখা লেখিছো সেই লেখাবোৰৰ কেইটামান বাছি লৈ সংকলনখন যুগুত কৰিলো। কিতাপখনৰ নামটোৰেই নিশ্চয় গ্ৰন্থখনৰ বিষয়বস্তুৰ সম্যক ধাৰণা দিব পাৰি । হয়, মই দেশী-বিদেশী নানা তাৰকাৰ জীৱন আৰু কৃতিক সামৰি এই ৰচনা সংকলনখন প্ৰকাশ কৰিবলৈ ওলাইছো আৰু সেই প্ৰকাশৰ ভাৰ লৈ ওলাই অহা ধেমাজিৰ নবীন উদ্যোগী প্ৰকাশক নব কলিতাক আন্তৰিক কৃতজ্ঞতা জনালো । প্ৰায়েই শুনিবলৈ পাওঁ আগৰে পৰা বাহিৰা কিতাপ পত্ৰৰ প্ৰতি অনীহা থকা অসমীয়া মানুহৰ সেই অনীহা বাঢ়িহে গৈছে, গতিকে প্ৰকাশক সকলেও যে দুই এক অতি জনপ্ৰিয় সাহিত্যিকৰ বাহিৰে আমাৰ দৰে লেখকৰ কিতাপ প্ৰকাশ কৰিবলৈ অনীহা দেখুৱায় সি সত্য । গতিকে সেই পৰিপ্ৰেক্ষিতত নব কলিতাৰ গ্ৰন্থৰ প্ৰতি এক বিশেষ শ্ৰদ্ধা আৰু ভালপোৱা আছে বাবেহে যে এনেকৈ 'আপাঠ্যপুস্তক' প্ৰকাশ কৰি আছে তাক স্বীকাৰ কৰিবই লাগিব আৰু আমি অসমীয়া ভাষা-সাহিত্যৰ বেদীত নিজকে উচৰ্গা কৰি অহাসকলে তেওঁক তাৰ বাবে বিশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনাবই লাগিব ।

এই সংকলন উলিওৱাত মোৰ বিশেষ সন্তুষ্টি ও তৃপ্তি হ'ল এয়ে যে ১৯৭৭ চনতে চি.পি.স্নাই লেখা 'ভেৰাইটি অব্ মে'ন' নামৰ গ্ৰন্থখন পঢ়ি আপ্লুত হৈ তাৰ ভেটিত দৈনিক অসমত লেখা ছটা প্ৰবন্ধ মই ইয়াত সন্নিবিষ্ট কৰিব পাৰিলো । তেতিয়া বহুতে, এনেকে কবি নীলমণি ফুকনেও সেইকেইটা পঢ়ি বেছ ভালপোৱা বুলি জনাইছিল। কিন্তু মই সেই ৰচনা কেইখন মোৰ তেতিয়াৰ উদাসীন মানসিকতাৰ বাবে হেৰুৱাই পেলাইছিলো । কিন্তু এতিয়া মোৰ বৰপুত্ৰসম ড° জিতেন দাসে বহুত কষ্ট কৰি সেইকেইটা সংগ্ৰহ কৰি দিছে, দৰাচলতে তেওঁৰ আগ্ৰহৰ বাবেহে এই লেখাকেইটা গ্ৰন্থখনত সন্নিবিষ্ট কৰিব পাৰিলো। তাৰবাবে তেওঁক কিন্তু কৃতজ্ঞতা বা ধন্যবাদ একো নজনাওঁ, পুত্ৰৰ ওচৰত জানো মাতৃয়ে ঋণ স্বীকাৰ কৰে ?

কিমধিকমতি
বিনীত
নিৰুপমা বৰগোহাঞি

সূচীপত্র

★ দায়বদ্ধ লেখিকা মহাশ্বেতা দেৱীৰ অৰণ্যেৰ অধিকাৰ ৭
★ অসমীয়া লেখিকাৰ সাহিত্য চৰ্চা ১২
★ জেফ্রি আৰ্চাৰৰ কেইটামান গল্প আৰু তেওঁৰ বৰ্ণময় জীৱন ২৩
★ বংকিমচন্দ্ৰৰ আনন্দমঠ,বন্দে মাতৰম্ আৰু শান্তি ৩০
★ ইচমত চুগটাই,'লিহাফ' আৰু প্ৰাসংগিক কিছু কথা ৪৯
★ বজ্ৰকঠিন মনৰ 'নীলিমা বাইদেউ' ৫৫
★ প্ৰেত যোনী আৰু চিত্ৰা মুদগল ৬১
★ নৱনীতাৰ সুখ-দুখ ৬৫
★ নতুন জন্ম পোৱা স্কাৰলেট্ ও'হাৰা ৭০
★ পৃথিৱীৰ প্ৰথম মহিলা ফেমিনিষ্ট দ্যূপাঁ বাৰুন দ্যুদেভঁ ৭৫
★ পল ৰ'বছন ৮০
★ চেখভৰ খুহুতীয়া গল্প ৮৪
★ দুই পুৰুষ ঃ কৃতী পুত্ৰৰ কৃতী পিতা সুকুমাৰ ৰায় আৰু সত্যজিৎ ৰায় ৯১
★ লয়েড জৰ্জ ১০৯
★ অবৈজ্ঞানিক ভাৰতবৰ্ষ ১১৪
★ এশ বছৰীয়া হাঁহিৰ থুনুপাক ১২৩
★ যি গ্ৰন্থ প্ৰকাশ নহ'ল ১২৭
★ উইনষ্টন চাৰ্চিল ১৩১
★ জি এইচ হাৰ্ডি ১৩৭
★ চি.পি. স্নৰ চকুত বিভিন্ন মানুহ ১৪১

দায়বদ্ধ লেখিকা মহাশ্বেতা দেৱীৰ

অৰণ্যেৰ অধিকাৰ

"লেখক হিচাপে, সমকালীন সামাজিক মানুহ হিচাপে, এজন বস্তুবাদী ঐতিহাসিকৰ সমস্ত দায়- দায়িত্ব বহন কৰিবলৈ আমি সদায় অঙ্গীকাৰবদ্ধ। দায়িত্ব অঙ্গীকাৰৰ অপৰাধ সমাজে কেতিয়াও ক্ষমা নকৰে। মোৰ বীৰছা কেন্দ্ৰিক উপন্যাস সেই অঙ্গীকাৰৰে ফলশ্ৰুতি।"
- মহাশ্বেতা দেৱী ঃ 'অৰণ্যেৰ অধিকাৰ'ৰ ভূমিকাৰ পৰা উদ্ধৃত।

প্ৰায় চাৰি বছৰমান আগতে বঙ্গদেশৰ এজন লেখক তৰুণ সান্যালৰ লগত কেবা ঘণ্টাও কথা বতৰা পতাৰ সুযোগ ঘটিছিল। তেখেতৰ লগত কথা পাতি খুব উপকৃত হৈছিলোঁ আৰু 'নীলাচল'ৰ পাতত নানা প্ৰসংগত তেখেতৰ বহুতো মন্তব্য উদ্ধৃত কৰিছিলোঁ। কবি হীৰেন ভট্টাচাৰ্যই আমাৰ ঘৰলৈ লৈ অনা সেই প্ৰগতিবাদী লেখকগৰাকীয়ে কথা-প্ৰসংগত মোক কৈছিল যে কেৱল সাপ্তাহিক 'দেশ' পত্ৰিকা পঢ়ি আমি বঙ্গদেশৰ সাহিত্যৰ আচল পৰিচয় পাব নোৱাৰোঁ।

আজি ইমান দিনৰ মূৰত তৰুণ সান্যালৰ সেই মন্তব্যষাৰ মনলৈ অহাৰ কাৰণ হ'ল -'দেশ'ত কোনো দিন লেখা প্ৰকাশ হোৱা নেদেখা মহাশ্বেতা দেৱী নামৰ বঙালী লেখিকা গৰাকীৰ দুখন কিতাপ পঢ়িলো। মাত্ৰ দুখন কিতাপ - 'হাজাৰ চৌৰাশীৰ মা' আৰু 'অৰণ্যেৰ অধিকাৰ'; কিন্তু চৰুত উতলি থকা ভাত সুসিদ্ধ হৈছে নে নাই চাবলৈ যেনেকৈ এটা বা দুটা ভাত টিপি চালেই যথেষ্ট হয়, তেনেকৈ এগৰাকী লেখিকাৰ সাহিত্য কৰ্মৰ উৎকৰ্ষ বিচাৰ কৰাৰ বাবেও বোধহয় এই দুখনেই (এনেকি এখনেই) যথেষ্ট। মহাশ্বেতা দেৱীৰ লেখাৰ কথা অবশ্যে বহুত দিনৰে পৰা শুনি আহিছিলোঁ, শুনি আহিছিলোঁ যে তেওঁ এগৰাকী অতি শক্তিশালী লেখিকা, বিদুষী লেখিকা - কিন্তু যিহেতু মোৰ বাংলা সাহিত্যৰ লগত বৰ্তমান পৰিচয় বেছিভাগ সময় 'দেশ'ৰ মাধ্যমতে হৈ আহিছে, সেইবাবে মহাশ্বেতা দেৱীৰ কোনো কিতাপ অতদিনে পঢ়া নাছিলো। এইবাৰ হঠাতে একেলগে এই দুখন কিতাপ পঢ়িবলৈ পালোঁ তৰুণ লেখক হেমন্ত বৰ্মনে আনি দিয়াৰ বাবে, নহলে কোনো দিনেই হয়তো মোৰ মহাশ্বেতা দেৱীৰ দৰে লেখিকাৰ ৰচনাৰ লগত পৰিচিত হোৱাৰ সৌভাগ্য নহ'লহেঁতেন।

'নীলাচল'ৰ পাতত আগতেও দুগৰাকী প্ৰসিদ্ধা বঙালী লেখিকাৰ বিষয়ে লেখিছিলোঁ। কিন্তু আশাপূৰ্ণা দেৱী আৰু মৈত্ৰেয়ী দেৱীতকৈ সম্পূৰ্ণ এক বেলেগ ধৰণৰ শ্ৰদ্ধা জাগিল এতিয়া মহাশ্বেতা দেৱীৰ উপন্যাস পঢ়ি। মহাশ্বেতা দেৱী কি ধৰণৰ লেখিকা, তাৰ সামান্য

পৰিচয় ওলাব এই ক্ষুদ্ৰ নিবন্ধৰ আৰম্ভনিৰ উদ্ধৃতিথিনিৰ পৰা । উনৈশ শতিকাৰ শেষ আৰু কুৰি শতিকাৰ আৰম্ভণিত মুণ্ডা লোকসকলৰ মাজত ব্ৰিটিছ ৰাজ আৰু সামন্তবাদৰ শোষণৰ বিৰুদ্ধে বিদ্ৰোহৰ জুই জলোৱা বীৰছা মুণ্ডাক লৈ লেখা 'অৰণ্যেৰ অধিকাৰ' নামক উপন্যাসখনৰ ভুমিকাৰপৰা আৰু অলপ উদ্ধৃতি দিলে মহাশ্বেতা দেবীৰ ৰচনাৰ গুণা গুণ আৰু স্পষ্টৰূপত প্ৰতীয়মন হ'ব , বুজা যাব তেওঁ কিমান ছিৰিয়াছ সাহিত্যিক-"ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত বীৰছা মুণ্ডাৰ নাম আৰু বিদ্ৰোহ সকলো অৰ্থতেই স্মৰণীয় আৰু তাৎপৰ্য্যময় ।এই দেশৰ যি সামাজিক আৰু অৰ্থনৈতিক পটভুমিকাত তেওঁৰ জন্ম আৰু অভ্যুত্থান , সি কেৱল মাত্ৰ এক বিদেশী চৰকাৰ আৰু তাৰ শোষণৰ বিৰুদ্ধেই বিদ্ৰো হ নহয়, একেলগতে এই বিদ্ৰোহ সমকালীন ফিউডেল প্ৰথাৰ বিৰুদ্ধেও ।এই সমুদায় ইতিহাসৰ বিবেচনা ভিন্ন বীৰছা মুণ্ডা আৰু তেওঁৰ অভ্যুত্থানৰ যথাৰ্থ বিবেচনা অসম্ভৱ ।

"লেখক হিচাপে, সমকালীন সামাজিক মানুহ হিচাপে (আৰম্ভণিৰ উদ্ধৃতি)...........কিন্তু জীৱন, বিদ্ৰোহ, যিকোনো চলমান তাৰ সত্য কোনো কালে কোনো দেশত নেতাৰ মৃত্যুতেই শেষ হৈ নাযায়।কালে কালান্তৰে উত্তৰাধিকাৰৰ ধাৰাপথত অব্যাহত থাকে তাৰ অগ্ৰগতি ।বিদ্ৰোহৰ পৰা জন্ম লয় বিপ্লৱে ...."।

এই ভুমিকাই সুচাইছে যে মহাশ্বেতা দেবীৰ উপন্যাসখন ইতিহাস আশ্ৰয়ী এখন ৰাজনৈতিক উপন্যাস ।গতিকে ঔপন্যাসিক হিচপে তেওঁৰ দায়িত্ব আৰু কৰ্ম অতিশয় কঠিন ।সত্য ঘটনাক লৈ এনে লেখা লিখিব লাগিব যি নীৰস ঐতিহাসিক বা ৰাজনৈতিক দলিল বা ৰাজনৈতিক বক্তব্যৰ ফুলজাৰি নহৈ হয় এক সাহিত্য কৰ্ম- যাৰ শিল্প গুণ অটুট থাকিব লাগিব কাহিনীৰ ঐতিহাসিক সত্যক অপলাপ নকৰি, যুক্তিৰ কষটি শিলত ৰাজনৈতিক বক্তব্যৰ বস্তুনিষ্ঠ সত্যতা যাচাই কৰি ।

শ্ৰী মতী মহাশ্বেতা দেবীৰ ঐতিহাসিক আৰু ৰাজনৈতিক উপন্যাস পঢ়ি অভিভূত হোৱাৰ কাৰণো হ'ল এই - তথ্যগত নানান সংবাদ পৰিবেশিত হোৱাৰ উপৰিও সাহিত্য - কৰ্ম হিচাপেও এই দুখন কিতাপে যি উৎকৰ্ষ লাভ কৰিছে সি তেওঁক এক বিৰল সাহিত্যিক মৰ্যাদাৰে বিভূষিত কৰিব পাৰিছে ।' অৰণ্যেৰ অধিকাৰ'খন পঢ়ি গলে ঠায়ে ঠায়ে এনে লাগে যেন কবিতা পঢ়িছোঁ , অথচ তাৰ মাজতেই জ্বলি উঠে শোষকৰ প্ৰতি প্ৰচণ্ড ক্ৰোধ আৰু শোষিতৰ প্ৰতি অপাৰ কৰুণা ।ভাষাৰ সৌন্দৰ্য্য অটুট ৰাখিবলৈ মুণ্ডাসকলৰ ব্যৱহৃত বাংলা ভাষাতেই কিছু উদ্ধৃতি দিলোঁ নমুনা হিচাপে -" মুণ্ডাটা হে আমি ।মিছনে শিখাল ইংৰাজীৰ মত ভাষা নাই, সে ভাষায় হাজাৰ লক্ষ শব্দ ।আমাৰ মুণ্ডাৰীতে অত শব্দ নাই হে। লিখবাৰ অক্ষৰ নাই । যত শব্দ দেখ , সব মোদেৰ আঁত ছিড়া , ৰক্তে ভিজায়ে সিৰ্জানো।মোৰা লিখিনা , গান সিজাই লিখাৰ অক্ষৰ যাৰ নাই সে নাকি বৰ্বৰ , অসভ্যটা ।

তেমন বৰ্বৰ, অসভ্য মুণ্ডাৰে আমি সাহেবদেৰ সামনে দাড় কৰায়াছি গুলতি নুড়ি হাতে ।" .... "আমি ভগবান হে । মিছনে জেনাছি যিশু একখানা ৰুটি হতে অগনন মানুষৰে খাওয়ায়ছিল, আনন্দ পাঁড়ে শিখায়াছে প্ৰহ্লাদেৰ ভক্তিতে থাম ফেটে নৰসিংহ হয়ে বিষ্ণু বাৰ হয়াছিল । হা দেখ, আমি তাদেৰ তুল্য হে। ...." মুণ্ডাসকলৰ প্ৰতি সহানুভূতিশীল ৰাঁচী জেলৰ ডেপুটি ছুপাৰ, বীৰছা মুণ্ডাৰ মিছনত পঢ়া সময়ৰ সহপাঠী অমূল্যবাবুৰ কথা কিছুমানে মন মগজত আলোড়ন তুলিব পাৰে " চাওঁতাল - কোলখেৰোৱাৰ - চৰ্দাৰসকলেই জিকিছে, কিয়নো প্ৰতিটো পৰাজয়ে প্ৰমাণ কৰি দিছে বিজেতাৰ নাম ৰেকৰ্ডত থাকে, বিজিতৰ নাম মানুহৰ তেজত - বঞ্চনাত - ক্ষুধাত - দাৰিদ্ৰ্যত - শোষণত ধানৰ পুলিৰ দৰে ৰোপিত হৈ থাকে, সেই নাম বাচি থাকে ক'লা মানুহৰ গানে গানে, স্মৃতিত, ঘাটোৰ (ভাতৰ অভাৱত বেছিভাগ মুণ্ডাই চীনাঘাঁহৰ গুটিৰে ৰান্ধি খোৱা অখাদ্য বিশেষ) বিস্বাদত, উলংগ মুণ্ডা শিশুৰ বিবৰ্ণ ছালত, মুণ্ডা জননীৰ স্ফীত উদৰ আৰু মহাজনৰ ধানৰ বস্তা একেলগে কঢ়িওৱাৰ পৰিশ্ৰমত"। আকৌ একেবাৰে শেষত, বীৰছাৰ মৃত্যুৰ পিছত, 'বৃটিছ জাষ্টিছ'ৰ ভেকো ভাওনা দেখুৱাই বিদ্ৰোহী মুণ্ডাসকলক নানা শাস্তি দি ১৯০০ চনৰ ঐতিহাসিক 'মুণ্ডা ৰায়ট' নিস্পিষ্ট কৰি পেলোৱাৰ পিছত অমূল্যবাবুৱে মুণ্ডা গাওঁ এখনৰ হাবিত বহি বহি স্বগতোক্তি কৰিছে - "শিলাময় মাটি, নিষ্ফলা গছৰ জংলী বন, দিগন্ত জুৰি ঢউখেলোৱা উদ্ধত পাহাৰ । মোৰ গাত লাগিছে হিমশীতল বতাহ সেইবোৰ সকলোৱে মোক কৈ আছে 'আমি যেনেকৈ চিৰকালৰ, সংগ্ৰাম, বীৰছাৰ সংগ্ৰামো তেনে । একোৱেই শেষ নহয় পৃথিবীত মুণ্ডাৰী দেশ - মাটি- পাথৰ পাহাৰ -বন নদী -ঋতুৰ পিছত ঋতুৰ আগমন - সংগ্ৰামো শেষ নহয়, শেষ হ'ব নোৱাৰে । পৰাজয়ৰ সংগ্ৰাম শেষ নহয়। থাকি যায়, কিয়নো মানুহ থাকে, আমি থাকোঁ' .... ।" এইদৰেই মুণ্ডাসকলৰ অৰণ্য জননীয়েও অমূল্যবাবুক প্ৰতীয়মান কৰিব খোজে বীৰছ'ৰ মৃত্যুৰ পিছতো মুণ্ডাসকলৰ মনৰ মাজত জীয়াই থকা বিশ্বাসটোকেই যে 'ভগবান'ৰ মৰণ নাই 'উলগুলান'ৰ (বিপ্লব) শেষ নাই ।

এতিয়া থূলমূলকৈ 'অৰণ্যেৰ অধিকাৰ'ৰ কাহিনীভাগৰ পৰিচয় দিয়া যাওঁক : দাৰিদ্ৰ্যৰ তাড়নাত এখনৰ পিছত এখনকৈ উলহাতি, বামবা, চালকাড় গাওঁলৈ অন্ন- (অধিক শুদ্ধকৈ হ'ব ঘাটো) সংস্থানৰ আশাত অহা সুগানা মুণ্ডাৰ 'কপালত জুই, পেটত জুই, মনত জুই। সকলো জুই তেওঁ মানি লৈছে । তেওঁৰ মাজত কোনো প্ৰতিবাদ নাই । কিন্তু ইমান জুই জানো একেবাৰে নুমায় ?' নুনুমায়, অন্ততঃ সুগানা মুণ্ডাৰ পাঁচটা সন্তানৰ ভিতৰত বীৰছা মুণ্ডাৰ মনত প্ৰতিবাদৰ-জুই জ্বলি থাকে । সি বাঁহী বজাই গভীৰ অৰণ্যত ঘূৰি ফুৰে আৰু ভাবে - এই যে অৰণ্য জননী 'দিকু' (অৰ্থাৎ বহিৰাগত । 'মুণ্ডাসকলে জানে, দিকুৰ হাতোৰা বাঘৰ হাতোৰাতকৈ ভয়ংকৰ। সেই হাতোৰা মুণ্ডাৰ ইহকাল-পৰকালৰ ওপৰত উদ্যত ।') সকলৰ দ্বাৰা ধৰ্ষিতা হৈছে, অশুচি হৈছে আৰু ফলত মুণ্ডাসকল নিজ ঘৰতে পৰবাসী হৈছে,

নিজৰ খুদকাট্টি(প্ৰথমৰে পৰা অধিকাৰ কৰি থকা)গাঁৱৰ পৰা বিতাড়িত হৈছে, তাতাতো দূৰৰে কথা,নিমখবিহীন ঘাটোৰ দৰে বিস্বাদ খাদ্য মিলাবৰ বাবেও প্ৰাণান্তকৰ পৰিশ্ৰম কৰিব লগা হৈছে-ইয়াৰ প্ৰতিকাৰ কৰা যায় কিভাবে ? কি ভাবে অৰণ্য-জননীক পুনৰ শুচি কৰিব পৰা যায়, সেই জননীৰ দুখৰ অশ্ৰু মছিব পৰা যায়? আদিতে কিন্তু এই অৰণ্যৰ সম্পূৰ্ণ অধিকাৰ মুণ্ডা সকলৰ হাতত আছিল, বিৰছাৰ পুৰ্বপুৰুষ 'চুটু আৰু নাগুৱে মুণ্ডাৰী পট্টণ গঢ়িছিল-বাঘ-বৰাগাহৰি-ভালুক অধ্যুষিত শাল-গজাড়-পলাশ-কুসুম-পিয়াল - পিয়াছাল-ছিধা-শিশম গছৰ জঙ্গল আৰু কিশোৰী ধৰিত্ৰীৰ উদ্বেল কুসুমিত বুকুৰ নাতি উচ্চ পাহাৰেৰে ঢকা যি অপৰূপ, অপৰূপ দেশ, তাৰ নাম দিছিল ছোট নাগপুৰ'। সেই মুণ্ডাসকলৰ দেৱতা হ'ল সিংবোঙা । কিন্তু দৰিদ্ৰতাৰ তাড়নাত মুণ্ডাসকলৰ বহুতে আদি ধৰ্ম এৰি ওচৰৰ মিছনাৰীৰ অনুষ্ঠানবোৰলৈ গৈ খৃষ্টান হয় , কিন্তু সুযোগ পালেই বহুতে আহি পুনৰ আদি দেবতাক ভজেহি । সি যি কি নহওঁক , বীৰছা গৈ তেনে এখন মিছনত কিছুদিন পঢ়াশুনা কৰিলে- কিন্তু এবাৰ তাৰ উপলব্ধি হ'ল যে 'সব টৌপি এক হ্যায় ' - অৰ্থাৎ সকলো চাহেবেই দিকু - শাসনাধিষ্ঠ চৰকাৰেই হওক বা মিছনৰ ধৰ্ম যাজকেই হওক। আচলতে এই সকলোৰে অশিক্ষিত 'বৰ্বৰ ' মুণ্ডাসকলৰ প্ৰতি ঘৃণা আৰু অৱজ্ঞাৰ সীমা নাই - যাজক-সকলৰ 'Kingdom of Heaven' -অৰ মহৎ চিত্ৰখনৰ ভণ্ডামীও বীৰছাই বুজি উঠিলে আৰু তেতিয়া সি মিছন ত্যাগ কৰি গুছি আহি এই অৰণ্য অধিবাসীসকলক সকলোধৰণৰ শোষণকাৰীৰ - চাহেব চৰকাৰ, দেশী মহাজন ,ধনী খেতিয়কৰ - বিৰুদ্ধে যুঁজিবলৈ সংগঠিত কৰিব ধৰিলে ।বীৰছা সৰল আৰু নানা কুসংস্কাৰেৰে পৰি পূৰ্ণ অশিক্ষিত মুণ্ডাসকলৰ পৰম বিশ্বাসভ'জন হৈ উঠিল দুটা অগ্নিপৰীক্ষাত উত্তীৰ্ণ হৈঃ এবাৰ গাঁৱৰ পৰা হাইজা আঁতৰালে, এবাৰ বসন্ত আঁতৰালে । মিছনত শিকি অহা স্বাস্থ্যবিধিৰে বাস্তৱ প্ৰয়োগ কৰি বীৰছাই এই অসাধ্য সাধন কৰিলে ।ইয়াৰ পিছত বীৰছা হৈ পৰিল মুণ্ডাসকলৰ 'ধৰতী আবা (পৃথিবী পিতা), ভগবান -যি ভগবানে 'উলগুলা'নৰ দ্বাৰা মুণ্ডাসকলক 'অৰণ্যৰ অধিকাৰ ঘূৰাই দিব ।

ইয়াৰ পিছত ব্ৰিটিছৰ বন্দুকৰ সতে বিষকাঁড় ধেনু , বলোৱা চাল বৰ্ষাধাৰী মুণ্ডাসকল, মুখামুখি হ'ল - কিন্তু বীৰছাৰ যিমানেই আত্মবিশ্বাস নেথাকক যিমানেই আধুনিক গেৰিলা পদ্ধতিত মুণ্ডাসকলক যুদ্ধৰ প্ৰশিক্ষণ নিদিয়ক , যিমানেই ঐক্যবদ্ধ নহওক আবলুছ কাঠৰ দৰে মজবুত গঠনৰ ক'লা মানু হবোৰ - ব্ৰিটিছৰ আধুনিক অস্ত্ৰ - শস্ত্ৰৰ আগত সম্ভৱ নে বিষকাঁড়ৰ দ্বাৰা জয় লাভ কৰা ? গতিকে মুণ্ডা - বিদ্ৰোহ দমন কৰা হ'ল , পাঁচশ টকাৰ পুৰস্কাৰৰ লোভত বীৰছাক দলৰ মানুহেই বিশ্বাসঘাতকতা কৰি ব্ৰিটিছক শোধাই দিলে আৰু ৰাঁচী জেলৰ ভিতৰত 'ছলিটাৰী চেল'ত আবদ্ধ কৰি ৰখা মজবুত স্বাস্থ্যৰ পচিশ বছৰীয়া বীৰছা মুণ্ডা ওৰফে বীৰছা দাউদৰ (মিছনত খ্ৰীষ্টান হোৱাৰ পিছত পোৱা পদবী) অতি

ৰহস্যময় ধৰণে শৰীৰ ভাঙি আহিল আৰু ১৯০০চনৰ জুন মাহত তেজ বমি কৰি মৃত্যু হ'ল । কিন্তু ধৰ্মানুযায়ী কবৰ নিদি বীৰছাক পুৰি পেলোৱা হ'ল। ইয়াৰ গূঢ় কাৰণ হয়তো এইটোৱে যে পিছত বীৰছাৰ দেহৰ পোষ্টমৰ্টেমৰ দাবী উঠিলে চৰকাৰ বিপদত পৰি যাব পাৰে । ইয়াৰ পিছত লাহে লাহে মুণ্ডা বিদ্ৰোহৰ জুই নুমাই আহিল ব্ৰিটিছ চৰকাৰৰ নানা অত্যাচাৰত । জেলৰ ভিতৰতে বহুজনৰ বিনাবিচাৰতে মৃত্যু হৈছিল আৰু ৰাঁচি আৰু সিংভূমত ৪৮২ জন মুণ্ডাৰ বিচাৰৰ পিছত বহুতৰ ফাঁচি আৰু যাবজ্জীৱন কাৰাদণ্ড হোৱাৰ পিছত মুণ্ডা ৰায়ট কেছৰ সমাপ্তি ঘটিছিল।

৩০০ পৃষ্ঠাতকৈও বেছি পৃষ্ঠাৰ 'অৰণ্যেৰ অধিকাৰ'ৰ থুলমূলকৈ এইটোৱে কাহিনী । মহাশ্বেতা দে বীয়ে তাক লেখিছে অতি দক্ষতাৰে , অতি শক্তিশালী ভাষাৰে - মাজে মাজে সেই ভাষা আবেগময় , কবিত্ব-পূৰ্ণ, মাজে মাজে ক্ৰোধত উদ্দীপ্ত । মুণ্ডাসকলৰ জীৱন-ধাৰাৰ সমস্ত খুঁটিনাটি লেখিকাই অদ্ভুত পৰ্যবেক্ষণ দক্ষতাৰে অংকিত কৰিছে , চৰিত্ৰবোৰৰ গাত তেজ-মাংসৰ সঞ্চাৰ কৰিছে, সিহঁতৰ পূজা- পাৰ্বণ , গীত-মাত কিম্বদন্তী-সকলোৰে লগত লেখিকাৰ ঘনিষ্ঠ পৰিচিতি প্ৰকাশ পাইছে । মহাশ্বেতা দেৱীয়ে এই কিতাপখন লিখোতে কিমান পৰিশ্ৰম কৰিছে তাৰ প্ৰমাণ নানা ভাবে ওলাইছে । মুণ্ডাসকলক দমন কৰিবলৈ দিয়া বিভিন্ন চৰকাৰী নিৰ্দেশবোৰ , ওপৰ মহলৰ চাহাব বিষয়া সকলৰ মাজত চলা চিঠিৰ নানা আদান-প্ৰদান, বিচাৰৰ সময়ৰ সাক্ষী, 'দি ষ্টেটছ মেন,' 'দি বেঙ্গলী' আদি কাকতে মুণ্ডাসকলৰ সপক্ষে লেখা ৰিপৰ্ট ,ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম সভাপতি ডব্লিউ, চি.বেনাৰ্জীয়ে মুণ্ডাসকলৰ সপক্ষে কৰা বিভিন্ন ওকালতি আৰু সমৰ্থন,ইংৰাজ বেৰিষ্টাৰ জেকবে প্ৰথমৰে পৰা অসফল কিন্তু প্ৰাণপণে মুণ্ডা সকলৰৈহে কৰা ওকালতি -আদি তথ্যৰে এই উপন্যাস খন মুণ্ডা-বিদ্ৰোহৰ এক প্ৰামাণ্য দলিল হিচাপেও অতি মূল্যবান । অৱশ্যে আজি কালি দেশী-বিদেশী উপন্যাসবোৰ বিভিন্ন তথ্য সম্বলিত হৈ বহু ক্ষেত্ৰত কিছু সংবাদ পত্ৰ ধৰ্মীয় হৈ উঠাও দেখা গৈছে । কিন্তু মহাশ্বেতা দেৱীৰ এনে লেখাৰ বিশেষ আকৰ্ষণ মোৰ বাবে এইটোৱে যে তেওঁ সমাজৰ দলিত , নিপীড়িত ,দুঃখী ,তাপী মানুহৰ বাবে কলম হাতত লৈছে আৰু সেই লেখাত ফুটি উঠিছে অতি আন্তৰিক সংবেদনশীলতা , অথচ ইমান নিষ্পেষণ আৰু পৰাজয়ৰ মাজতো দৃষ্টি আবদ্ধ কৰি ৰাখিছে ভৱিষ্যতৰ উজ্জ্বল সূৰ্য্যৰ পিনে : 'ভগবান (বীৰছা) বলাছে , একদিন আমি ফিৰে জন্ম নিবহে । হোলিৰ আগুন জ্বলায়ে আগুনে আগুন কৰা দিব বুন্দু , তামাৰ , কেওনঝাৰ, গাংপুৰ আৰ বালিমা ।" বেৰিষ্টাৰ জেকবে ম্ৰিয়মান অমূল্য বাবুক সান্ত্বনা দিছিল -'তথাপিও জানিবা , সকলো যুদ্ধ , সকলো আন্দোলন কেতিয়া ব্যৰ্থ হ'ল , কেতিয়া সাৰ্থক ,তাক এক অংকৰ নিয়মত হিচাব কৰিব নোৱাৰি ।"

অসমীয়া লেখিকাৰ সাহিত্য চৰ্চা

অসমীয়া লেখিকাৰ সাহিত্য চৰ্চাৰ কালছোৱা বৰ সুদীৰ্ঘ নহয় । সামগ্ৰিকভাৱে অসমীয়া সাহিত্যৰ ইতিহাস অনুধাবন কৰিলে আমি দেখা পাওঁ যে পুৰুষ লেখকৰ তুলনাত মহিলা লেখকৰ লেখনী একপ্ৰকাৰ অবচীন । খৃষ্টীয় দশম - একাদশ শতিকাত অসমীয়া ভাষাই ৰূপ ল'বলৈ ধৰাৰ সময়ত সেই কালছোৱাৰ পৰা প্ৰায় আধুনিক যুগলৈ অসমীয়া লেখিকাই সাহিত্য চৰ্চা কৰাৰ কোনো নিদৰ্শন পোৱা নেযায় - ভবানীপুৰীয়া গোপাল আতাৰ জীয়ৰী আই পদ্মপ্ৰিয়াক বাদ দি । এইগৰাকী গীত ৰচয়িত্ৰীৰ বাহিৰেও আমি আইসকলে গোৱা আইনাম , অপেচৰীৰ গীত , সুবচনীৰ গীত , গোঁসানী পূজাৰ গীত , লখিমী সবাহৰ গীত আদিৰ কথাও উল্লেখ কৰিব পাৰো - যদিও বিভিন্ন লোকাচাৰ আশ্ৰিত বিশেষভাৱে মহিলাৰ সবাহ আদিত গোৱা এই গীতবোৰ কিন্তু মহিলাৰ দ্বাৰা ৰচিত মৌখিক সাহিত্যহে ।

অসমীয়া লেখিকাৰ উল্লেখযোগ্য লিখনী বুলিলে আমাৰ সৰ্বাগ্ৰে মনলৈ আহে আনন্দৰাম ঢেকিয়াল ফুকনৰ জীয়ৰী পদ্মাৱতী দেৱী ফুকননীৰ উপন্যাস বুলি জনাজাত সুধৰ্মাৰ উপাখ্যানলৈ, যদিও উপন্যাসৰ সংজ্ঞা মানিলে এইখনক সঠিক উপন্যাস বুলিও ক'ব নোৱাৰি । এই উপন্যাসৰ ৰচনাকাল ১৮৮০চন । এওঁ কবিতাও লিখিছিল ।

অসমীয়া সাহিত্যলৈ লেখিকাৰ প্ৰথম গুৰুত্বপূৰ্ণ অৱদান হ'ল কাব্য সাহিতলৈ । এই ক্ষেত্ৰত প্ৰথমে মনলৈ আহে ধৰ্মেশ্বৰী দেৱী বৰুৱানীলৈ (১৮৯২- ১৯৬০) । গুৱাহাটীৰ এই মহিলা কবিগৰাকীয়ে আজীৱন প্ৰায় পংগু অৱস্থাতে জীৱন কটাই শয্যাগত অৱস্থাতেই কাব্য সাহিতলৈ অৰিহণা যোগাই আছিল । সাংসাৰিক জীৱনতো তেওঁ সুখৰ মুখ দেখা পোৱা নাছিল । কিন্তু সকলো দুখ- যন্ত্ৰণাকে যেন তেওঁ সৰস্বতীৰ সাধনাত লাগি থাকি এফলীয়া কৰি থ'ব পাৰিছিল । তেওঁৰ দুখন খণ্ড কবিতাৰ সংগ্ৰহ হ'ল 'ফুলৰ শৰাই ' (১৯২৯) আৰু 'প্ৰাণৰ পৰশ ' (১৯৫২) । ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাত যাইকৈ আধ্যাত্মিক সুৰেই ফুটি উঠিছে , তেওঁ ইহকালৰ সকলো জ্বালা - যন্ত্ৰণা পৰকালত নিবৃত্ত হ'ব বুলি পৰম বিশ্বাসেৰে ভগৱানৰ চৰণতে নিজকে নিবেদন কৰি থৈছে ।

আৰু অনেক আকাশৰ তৰা

অসমৰ আন এক লেখত ল'বলগীয়া কবি হ'ল নলিনীবালা দেৱী (১৮৯৮- ১৯৭৭)। এৱেঁই সাহিত্য অকাডেমীৰ বঁটাৰে সন্মানিত হোৱা আৰু সাহিত্য সভাৰ সভানেত্ৰী হোৱা অসমৰ প্ৰথম সাহিত্যিকা । নলিনীবালা দেৱীয়ে 'অলকানন্দা ' নামৰ কবিতা পুথিখনৰ বাবে ১৯৬৮চনত এই বঁটা লাভ কৰিছিল । এক অদ্ভুত কথা লক্ষ্য কৰা যায় যে অসমৰ বিখ্যাত কবি কেইগৰাকীৰ ব্যক্তিগত জীৱন দুখেৰে পৰিপূৰ্ণ । নলিনীবালা মাত্ৰ উনৈশ বছৰ বয়সতে বিধৱা হৈছিল পাচঁটা সন্তানক লৈ, শেষত তাৰো দুজন পুত্ৰৰ মৃত্যু হৈছিল । স্বনামধন্য পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জীয়ৰীয়ে কাব্যৰ জগতখনত আশ্ৰয় লৈছিল আধ্যাত্মিক কবিতা ৰচনাৰ যোগেদি । তেওঁৰ ৰচিত অতীন্দ্ৰিয় ভাবৰ কাব্যগন্থ কেইখন হ'ল - 'সন্ধিয়াৰ সুৰ '(১৯২৮), ' সপোনৰ সুৰ'(১৯৪৮),'পৰশমনি'(১৯৫৭), 'যুগদেৱতা ' (১৯৫৮),'জাগৃতি ' (১৯৬২) আৰু ১৯৬৪ চনত প্ৰকাশ পোৱা 'অলকানন্দা'খন । অন্যান্য গ্ৰন্থ হ'ল পিতৃৰ স্মৃতিত লিখা 'স্মৃতি তীৰ্থ ' আৰু 'বিশ্বদীপা 'আৰু 'চৰ্দাৰ পেটেল ' নামৰ দুখন জীৱনী গ্ৰন্থ । তেওঁৰ শেষ বয়সৰ গ্ৰন্থ কেইখন হ'ল 'অন্তিমৰ সুৰ', 'এৰি অহা দিনবোৰ ' আৰু 'শান্তি পথ' । নলিনীবালাৰ কেবাখনো নাট আৰু কবিতাৰ পুথিও হাতে লেখা অৱস্থাত অপ্ৰকাশিত হৈ পৰি আছে ।

ইয়াৰ পিছত নাম ল'ব লাগিব যমুনেশ্বৰী খাটনিয়াৰৰ (১৮৯৮ - ১৯২৩) যি গল্প কবিতা দুয়োটাতে বিৰল প্ৰতিভাৰ স্বাক্ষৰ ৰাখি মাত্ৰ ছাবিশ বছৰ বয়সতে মৃত্যু বৰণ কৰিব লগা হ'ল । তেওঁ নলিনীবালাৰ সমসাময়িক আছিল । সম্ভৱতঃ তেওঁ উনৈশ শতিকাৰ শেষ ভাগত লিখা ' কলঙ্কী' নামৰ গল্পটোৱেই লেখিকাই লিখা অসমীয়া প্ৰথম চুটিগল্প ।'অৰুণ' নামেৰে তেওঁৰ এখন কাব্যগ্ৰন্থ প্ৰকাশ পাইছিল ।

যমুনেশ্বৰীৰ কিছু আগতে জন্ম লভি (১৮৯৪)বাৰম্ন বছৰ বয়সত মৃত্যু হোৱা আন এগৰাকী লেখিকা কমলালয়া কাকতিয়ে গ্ৰন্থ প্ৰকাশ নকৰিলেও প্ৰথম অসমীয়া মহিলাৰ ছপা আলোচনী ঘৰ জেউতি প্ৰকাশ কৰি মহিলাৰ সাহিত্য-সাংবাদিকতাৰ জগতখনত এক যুগমীয়া আসন লাভ কৰিছে । ঘৰ জেউতিৰ পাতত 'বেগম লুটফান্নিছা' নামৰ এক ঐতিহাসিক কাহিনী প্ৰকাশ কৰাকে ধৰি আন বহুতো লিখনীও প্ৰকাশ কৰিছিল ।

এইবাৰ যিগৰাকী লেখিকাৰ বিষয়ে আলোচনা কৰিম সেই গৰাকীক প্ৰথম অসমীয়া নাৰীবাদী লেখিকা বুলি নিঃসন্দেহে ক'ব পৰা যায় । আ বাহনত প্ৰকাশ পোৱা দুটা গল্প 'আকুল পথিক ' আৰু 'দৈৱজ্ঞ দুহিতা 'ত (বিশেষকৈ'দৈৱজ্ঞ দুহিতা'ত) পুৰুষ প্ৰধান সমাজত মহিলাক কৰা বঞ্চনা আৰু অত্যাচাৰৰ বিৰুদ্ধে তেওঁ ৰ কলমে যেন অগ্নিহে বৰষিছে । তেওঁৰ একমাত্ৰ প্ৰকাশিত উপন্যাস (১৯৩৭) পিতৃ ভিঠা অসমীয়া লেখিকাৰ প্ৰথম নাৰীবাদী উপন্যাস বুলি ক'ব পাৰি । তেওঁৰ এনে আৰু উপন্যাস অপ্ৰকাশিত হৈ ৰ'ল । তেওঁ কবিতা,নাটক, প্ৰবন্ধ আদি বিভিন্ন লিখনীৰে অসমীয়া সাহিত্যলৈ অৰিহণা

যোগাইছিল । ১৯০১ চনত জন্ম হোৱা এই গৰাকী অগ্নি কন্যাৰ ১৯৭২ চনত মৃত্যু হয় ।

হেমলতা দত্ত আন এগৰাকী উল্লেখযোগ্য লেখিকা (১৯০৮ - ১৯৯১)যি ভ্ৰমণ কাহিনী , শিশু সাহিত্য আৰু জীৱনৰ স্মৃতি কথাকে ধৰি পাঁচখনকৈ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।

তেওঁৰে প্ৰায় সমসাময়িক আন এগৰাকী লেখিকা (১৯১৩ - ১৯৯১) হ'ল পদ্মকুমাৰী গোহাঁই । তেওঁ গল্প সংকলন , উপন্যাস আৰু কবিতা সংগ্ৰহকে ধৰি পাচঁখন গ্ৰন্থৰ ৰচয়িত্ৰী ।

এই সময়ৰে আন এগৰাকী উল্লেখযোগ্য লেখিকা হ'ল আজলী তৰা নেওগ (১৯১৩ - ১৯৪৬)। বিখ্যাত সাহিত্যিকদ্বয় বেণুধৰ ৰাজখোৱা আৰু ডিম্বেশ্বৰ নেওগৰ যথাক্ৰমে জীয়ৰী আৰু পত্নী আজলী তৰাৰ কম বয়সতে মৃত্যু হ'লেও জীৱনী আৰু শিশু সাহিত্যকে ধৰি এৰোঁ পাচঁখন গ্ৰন্থ ৰচনা কৰি গৈছে । আজলী তৰা নেওগতকৈ মাত্ৰ তিনি বছৰ পিছত জন্ম গ্ৰহণ কৰা (১৯১৬ - ১৯৯০) স্নেহ দেৱী অসমৰ এগৰাকী আগশাৰীৰ গল্পকাৰ । প্ৰথমতে কবিতাৰে লেখিকা জীৱন আৰম্ভ কৰা স্নেহ দেৱীয়ে শেষত গল্প লিখাতে আত্মনিয়োগ কৰি থাকিল , অৱশ্যে তেওঁ কেইখনমান ৰেডিঅ' নাটকো লিখিছিল । স্নেহ দেৱীৰ মুঠতে চাৰিখন গল্প- সংকলন প্ৰকাশ হৈছে - সেইবোৰ হ'ল , 'কৃষ্ণ দ্বিতীয়াৰ জোনাক' ,'স্নেহ দেৱীৰ গল্প' , 'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প' আৰু 'স্নেহ দেৱীৰ একুঁকি গল্প' । এই গৰাকী প্ৰথিতযশা অথচ অল্প - শিক্ষিতা লেখিকাই অতি উচ্চমানৰ গল্প লেখিও কেৱল অসম সাহিত্য সভাৰ বাসন্তী দেৱী পুৰস্কাৰটো জীৱিত কালত লাভ কৰিলে যদিও সাহিত্য অকাডেমীৰ বটাঁটো লাভ কৰিলে মৰণোওৰ কালতহে । অতি পৰিতাপৰ কথা যে অসমীয়া পাঁচ গৰাকী সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত লেখিকাৰ ভিতৰত এগৰাকী হোৱাৰ দৰে বিৰল সন্মান লাভ কৰিলেও এই গৰাকী আত্মপ্ৰচাৰত অনভিজ্ঞ লেখিকাই জীয়াই থকা কালত সেই পুৰস্কাৰৰ মুখ দেখা নাপালে।

দিব্যপ্ৰভা ভৰালীও আন এগৰাকী লেখিকা , যাৰ তিনিখন অসমীয়া আৰু এখন বাংলা কবিতা সংকলন প্ৰকাশ হৈছে ।

স্নেহ দেৱীৰ পিছতেই এই শতিকাৰ যুদ্ধোত্তৰ যুগৰ (দ্বিতীয় মহাসমৰৰ পিছৰ) আন এগৰাকী বিশিষ্টৰ লেখিকা হ'ল নীলিমা দত্ত (১৯২৫) । মেধাবী ছাত্ৰী অধ্যাপিকা নীলিমা দত্তই সাহিত্যৰ প্ৰায় সকলো শাখালৈকে অৰিহণা আগবঢ়াইছে । তেওঁৰ প্ৰথম উপন্যাস আকাশবন্তি আৰু শেহতীয়া উপন্যাস অগ্নিকন্যাকে ধৰি সাতখনমান উপন্যাস , পাঁচ খন কবিতাৰ সংকলন , শিশু সাহিত্য বিষয়ক পাঁচখন পুথি, দুখন অনুবাদ গ্ৰন্থ আৰু এখন আত্মজীৱনী লিখি প্ৰকাশ কৰি উলিয়াইছে । অজস্ৰ প্ৰবন্ধ পাতিও লিখি আছে । সমগ্ৰ জীৱনৰ সাহিত্য কৰ্মৰ বাবে নীলিমা দত্তই প্ৰবীণা শইকীয়া বঁটাহে লাভ কৰিছে , তাৰ

বাহিৰে আন কোনো বঁটা পোৱা নাই ।

এই যুগৰে আন এগৰাকী উল্লেখযোগ্য লেখিকা হ'ল প্ৰয়াত অনু বৰুৱা । তেওঁৰ স্বামী স্বনামধন্য লেখক , ৰাজনীতিবিদ হেম বৰুৱা । এইগৰাকী লেখিকাই গল্প, উপন্যাস , প্ৰবন্ধ ,শিশু পুথি ,ভ্ৰমণ কাহিনী অনুবাদকে ধৰি একৈশখন গ্ৰন্থ ৰচনা কৰি গৈছে । মোৰ ধাৰণা অনু বৰুৱাই তেওঁৰ অবদানৰ বাবে যথেষ্ট স্বীকৃতি নাপালে , অসমীয়া সাহিত্যত একপ্ৰকাৰ অবহেলিতাই হৈ ৰ'ল ।

এওঁৰ প্ৰায় সমসাময়িক আন এগৰাকী লেখিকা হ'ল শ্ৰী মতী নিৰুপমা ফুকন (১৯২৮)। এওঁ অনুবাদিকা হিচাপেই প্ৰখ্যাত , যাইকৈ হিন্দী ভাষাৰ পৰা অনুবাদ কৰি খ্যাতি লাভ কৰা লেখিকাই যোৱা বছৰ প্ৰেমচাদৰ 'গোদান'খন অনুবাদ কৰি সাহিত্য অকাডেমীৰ অনুবাদকৰ বঁটা লাভ কৰিছে । অনুবাদ , শিশু সাহিত্য আদিকে ধৰি এওঁৰ মুঠ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা প্ৰায় পচিঁশখনমান ।

প্ৰায় সমসাময়িক আন কেইগৰাকীমান লেখিকা হ'ল সুপ্ৰভা গোস্বামী , লীলা দেবী আদি । লীলা দেবীয়ে লা মিজাৰেবল্‌খন অসমীয়ালৈ অনুবাদ কৰিছে , এওঁ মৌলিক গল্পকে ধৰি অনুবাদ গল্পও প্ৰকাশ কৰিছে । আন এগৰাকী উল্লেখযোগ্য লেখিকাৰো নাম ল'ব লাগিব - তেওঁ হ'ল বৰপেটাৰ ছাকিনা খাতুন ।

যুদ্ধোত্তৰ যুগৰ পৰা আজিলৈকে অসমৰ বহুতো মহিলাই হাতত কলম লৈছে - যুদ্ধোত্তৰ আগৰ কালৰ তুলনাত এওঁলোকে গুণগত আৰু সংখ্যাগত দুয়োটা ক্ষেত্ৰতে অভাবনীয়ভাবে আগবাঢ়ি গৈছে । এইটো কথাত তেওঁলোকক প্ৰশংসো নকৰিও নোৱাৰি যে পুৰুষপ্ৰধান সমাজত নানা ধৰণৰ অবিচাৰৰ মুখামুখি হৈও, সংসাৰৰ নানা ঘৰুৱা জঞ্জাল কাটি কৰি থৈও তেওঁলোকে পৰম উৎসাহেৰে সাহিত্য চৰ্চাত ব্ৰতী হৈ আছে । বৰ্তমান যুগৰ লেখিকাসকলৰ কেইগৰাকীমানৰ সাহিত্যৰ মান পুৰুষ লেখকৰ শ্ৰেষ্ঠ কেইজনমানৰ সমান স্তৰৰ বুলি ক'লেও বোধহয় অত্যুক্তি কৰা নহ'ব ।

অসমীয়া সাহিত্যলৈ নানা ধৰণে বৰঙণি আগবঢ়োৱা এগৰাকী লেখিকা হ'ল অধ্যাপিকা প্ৰীতি বৰুৱা (১৯৩১) । এওঁ সদৌ অসম লেখিকা সন্থাৰো জন্মদাত্ৰী । গল্প সংকলন , নাটক, অনুবাদ গ্ৰন্থকে আদি কৰি এওঁৰ প্ৰায় সোতৰখনমান গ্ৰন্থ প্ৰকাশ হৈছে । তদুপৰি এওঁ মনোবিকাশ চ'ৰাৰ 'মন' নামৰ এখন আলোচনি আৰু 'আকাশ' নামৰ এখন শিশু আলোচনীৰো সম্পাদন কৰিছিল ।

ডঃ লক্ষহীৰা দাসেও শিশু গ্ৰন্থ , কবিতাৰ পুথি, অনুবাদ কবিতা - উপন্যাসকে ধৰি ভালেমান গ্ৰন্থ ৰচনা কৰিছে । এই গৰাকী মেধাবী ছাত্ৰীয়ে সৰুৰে পৰা নিজে গান ৰচনা কৰি তাক সুৰ দি গায়ো আহিছে ।

আৰু অনেক আকাশৰ তৰা

অসমৰ আন এগৰাকী স্বনামধন্য লেখিকা হ'ল ডঃ নিৰ্মলপ্ৰভা বৰদলৈ । এওঁ ঘাইকৈ কবি হিচাপেই খ্যাতি লাভ কৰি লেও কেবাখনো শিশু গ্ৰন্থ , আৰু গৱেষণামুলক গ্ৰন্থও প্ৰণয়ন কৰিছে । নলিনীবালা দেৱীৰ পিছতে নিৰ্মলপ্ৰভাই অসম সাহিত্য সভাৰ সভানেত্ৰীৰ দৰে সন্মানীয় পদো অলংকৃত কৰিছে । দৰাচলতে পুৰুষৰ প্ৰাধান্য থকা সাহিত্য সভালৈ আজিকোপতি এই দুগৰাকী সভানেত্ৰীহে নিৰ্বাচিত হৈছে - নীলিমা দত্তৰ দৰে অতি যোগ্য ব্যক্তিকো আজি কোপতি এই সন্মানৰ পৰা বঞ্চিত কৰি ৰখা হৈছে । ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে বিভিন্ন বটাঁৰ লগতে সাহিত্য অকাডেমীৰ বঁটাও লাভ কৰিছিল । এই বঁটা লাভ কৰোতা তেওঁ দ্বিতীয় অসমীয়া লেখিকা ।

এই নিবন্ধৰ লেখিকায়ো কেবাখনো উপন্যাস ,গল্প সংকলন ,ৰচনা সংকলন ,অনুবাদ গ্ৰন্থ , আত্মজীৱনী আদি লেখিছে । সাহিত্য অকাডেমী আৰু আন কিবাকিবি বঁটাও এই লেখিকাই লাভ কৰিছে ।

যোৰহাটৰ লেখিকা প্ৰয়াত ফাটেমা খাতুন ৰক্ষণশীল সমাজৰ পৰা সাহসেৰে ওলাই অহা এগৰাকী অতি উৎসাহী লেখিকা আছিল ।

প্ৰয়াত ডলী তালুকদাৰো এগৰাকী সুলেখিকা আছিল । তেওঁ দুখন গল্প গ্ৰন্থ প্ৰকাশ কৰিছিল । তেওঁ এগৰাকী সংবেদনশীল গল্পকাৰ আছিল ।

আন এগৰাকী গুৰুত্বপুৰ্ণ লেখিকা হ'ল হিৰন্ময়ী দেৱী । তেওঁ কবিতা সংগ্ৰহ, জীৱনী, অনুবাদ আদি নানা গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে । ৰুণু বৰুৱা এগৰাকী গল্প লেখিকা আৰু উপন্যাসিকা । দিপালী ডেকাৰো গল্প সাহিত্যলৈ প্ৰভুত বৰঙণি আছে ।

অসমৰ খ্যাতনামা মনোৰোগ বিশেষজ্ঞ ডাঃদিপালী দত্তয়ো নিৰৱচ্ছিন্ন ভাৱে সাহিত্য সাধনা কৰি আহিছে । মানসিক নানা সমস্যা লৈ তেওঁ লিখা গল্পৰে এখন সংকলনো প্ৰকাশ কৰিছে ।

অসমীয়া লেখিকাৰ জগত খনত শূন্যতাৰ সৃষ্টি কৰি প্ৰায় অকালতে মৃত্যুক সাবটি লোৱা প্ৰবীণা শইকীয়া আছিল এগৰাকী পৰিশ্ৰমী আৰু ছিৰিয়াছ লেখিকা । যদিও জীৱন কালত যথাযোগ্য স্বীকৃতি নাপালে । তেওঁ উপন্যাস, গল্প সংকলন, অনুবাদ গ্ৰন্থকে ধৰি ভলেমান গ্ৰন্থ ৰচনা কৰি গৈছে । প্ৰবীণা শইকীয়া আছিল এগৰাকী উচ্চমানৰ কবিও । একে সময়ৰ আন এগৰাকী উল্লেখযোগ্য লেখিকা হ'ল মিনতি চৌধুৰী । তেওঁৰ কবিতা আৰু পদ্যৰ সংকলন প্ৰকাশ হৈছে ।

আন এগৰাকী সংবেদনশীল লেখিকা হ'ল চিত্ৰলতা ফুকন । অসম লেখিকা সন্থাৰ সভানেত্ৰী এইগৰাকী লেখিকাই কেবাখনো উপন্যাস,গল্প সংকলন, কবিতা সংকলন ,শিশু

গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।

ডঃ অনিমা দত্ত অসমৰ আন এগৰাকী মেধাবী লেখিকা। তেওঁ ঘাইকৈ গল্প লেখিকা। কেইবাখনো গল্প সংকলন প্ৰকাশ পোৱাৰ উপৰি তেওঁ প্ৰবন্ধৰ গুৰুত্বপূৰ্ণ সংকলনেৰেও অসমীয়া ভাষা সাহিত্যলৈ অৰিহণা যোগাইছে।

তোষপ্ৰভা কলিতা আন এগৰাকী অসমীয়া লেখিকা যি ঘাইকৈ কেবাখনো কবিতাৰ সংকলন ,অনুবাদ গ্ৰন্থ আৰু শিশু সাহিত্যৰ অৱদানেৰে অসমৰ সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

প্ৰায় এই সময়ৰে আন যি গৰাকী লেখিকাই গল্প, উপন্যাস ,অনুবাদ প্ৰবন্ধ-পাতিৰে অসমৰ ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিছে তেওঁ হ'ল স্বনামধন্য পিতৃ অম্বিকাগিৰি ৰায়চৌধুৰীৰ কন্যা শুচিব্ৰতা ৰায়চৌধুৰী।

অসমীয়া সাহিত্যলৈ ক্লাছিকধৰ্মী লিখনীৰে অৰিহনা যোগোৱা কেশদা মহন্ত এগৰাকী ছিৰিয়াছ লেখিকা। তেওঁ কেবাখনো উচ্চ খাপৰ প্ৰবন্ধৰ কিতাপ প্ৰকাশ কৰাৰ উপৰিও শিশুৰ বাবেও বহুতো গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।

ডঃ নীলিমা শৰ্মা আন এগৰাকী গুৰুত্বপূৰ্ণ লেখিকা। তেওঁ ঘাইকৈ গল্প ৰচয়িত্ৰী। তেওঁৰ কেবাখনো গল্প সংকলন প্ৰকাশ পাইছে। পিছে এওঁৰ বৰ্তমান কলম যেন থমকি ৰৈছে। তেনেকৈয়ে কলম থমকি ৰৈছে ডঃ মঞ্জুমালা দাস, আৰতি দাস বৈৰাগী আৰু মিনতি হাজৰিকাৰো।তেওঁলোকে এসময়ত যথেষ্টসংখ্যক সংবেদনশীল গল্প লেখি সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আনহাতে তেওঁলোকৰে প্ৰায় সমসাময়িক লেখিকা ফুল বৰাৰ কলমে বিৰতি নোহোৱাকৈ লেখিয়েই আছে। তেওঁ অগ্ৰদূতৰ এগৰাকী স্তম্ভ শিতান লেখিকাও।

অসমীয়া সাহিত্যৰ এগৰাকী খ্যাতিমান লেখিকা হ'ল ডঃ মামণি ৰয়ছম গোস্বামী। তেওঁ কেইখনমান শক্তিশালী উপন্যাস , গল্প সংকলন আৰু এখন সাহসী আত্মজীৱনীৰে অসমীয়া ভাষা সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে ।অসমীয়া লেখক-লেখিকাৰ ভিতৰত তেওঁৰেই সৰহসংখ্যক গ্ৰন্থ ইংৰাজী, হিন্দী আদি ভাষালৈ অনূদিত হৈছে। নানান বঁটা লাভ কৰা মামণি ৰয়ছমে সাহিত্য অকাডেমীৰ বঁটাও লাভ কৰিছে।

প্ৰণতি গোস্বামীও এই সময়ৰ এগৰাকী উচ্চ পৰ্যায়ৰ গল্প লেখিকা।

ডঃ অপৰ্ণা মহন্ত আন এগৰাকী মেধাবী লেখিকা। তেওঁ ঘাইকৈ মননশীল লেখা লিখে। ইতিমধ্যে তেওঁৰ তিনিখন চিন্তা উদ্ৰেককাৰী প্ৰবন্ধ সংকলন প্ৰকাশ পাইছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ অপৰ্ণা মহন্তৰে ইংৰাজী বিভাগৰ সহকৰ্মী ড০ তিলোত্তমা মিশ্ৰই দুখন উপন্যাস আৰু এখন ইংৰাজী প্ৰবন্ধ সংকলন প্ৰকাশ কৰিছে। তেওঁৰ বিখ্যাত জীৱনীভিত্তিক উপন্যাস স্বৰ্ণলতাৰ বাবে লেখিকাগৰাকীয়ে ভাৰতীয় ভাষা পৰিষদৰ বঁটা লাভ কৰিছে ।

অসমীয়া লেখিকাই নানা ধৰণৰ লিখনীৰ লগতে ভ্ৰমণ কাহিনীও লিখি ভ্ৰমণ সাহিত্যলৈ অৰিহণা যোগাইছে । দীপিকা ভট্টাচাৰ্যৰ হিমালয় ভ্ৰমণ , ডঃ অনিমা গুহ , ডঃ তৃষ্ণা মহন্ত , জ্ঞানদাবালা বৰুৱা আদিৰ বিদেশ ভ্ৰমণ কাহিনীবোৰ উল্লেখযোগ্য । অতি কম সময়ৰ ভিতৰতে অসমৰ এগৰাকী ছিৰিয়াছ নিবন্ধকাৰ হিচাপে ডঃ গুহই খ্যাতি আৰ্জিছে ।

ডঃ ৰেণু দেৱীও এগৰাকী সুলেখিকা, নিবন্ধকাৰ । তেওঁৰো ভালেকেইখন গ্ৰন্থ প্ৰকাশ হৈছে । অসমত বৰ্তমান কেবাগৰাকীয়ে একোটা শিতানত লেখি আছে । ডঃ নিৰ্মলপ্ৰভা বৰদলৈ , এই নিবন্ধৰ লেখিকা ; ডাঃ দিপালী দত্ত , ডঃ ৰেণু দেৱী , ফুল বৰা , দিপীকা ভট্টাচাৰ্য (এওঁ ঘাইকৈ ইতিহাসৰ কাহিনী লিখে), ইনু দেৱী বৰুৱা আদি লেখিকাই নিজস্ব শিতানত বিভিন্ন কাকত - পত্ৰত লিখি আছে । ৰূপ চৰ্চাৰ বিষয়ে মধুস্মিতা পাটোৱাৰী , ৰুণু হাজৰিকা আদিয়ে লিখি খ্যাতি আৰ্জিছে ।

ডঃ মনোৰমা বৰগোহাঞিও এই সময়ৰে এগৰাকী যশস্বী লেখিকা । তেওঁ কবিতা , চুটি গল্প , গান আৰু প্ৰবন্ধকে ধৰি কেবাখনো সংকলন প্ৰকাশ কৰিছে । তেওঁ সৰু ল'ৰা - ছোৱালীৰ বাবেও কবিতা সংকলন প্ৰকাশ কৰিছে ।

এই সময়ৰে আন এগৰাকী যশস্বী লেখিকা হ'ল পূৰবী বৰমুদৈ । এওঁ ঘাইকৈ গল্প - উপন্যাস লিখি আহিছে । ইতিমধ্যে তেওঁৰ দুখন গল্প সংকলন আৰু উপন্যাস গ্ৰন্থ আকাৰে প্ৰকাশ পাইছে ।

ডঃ কৰবী ডেকা হাজৰিকাৰো অসমীয়া সাহিত্যলৈ অৰিহণা বুজন পৰিমাণৰ । তেওঁ কবিতা সংকলন , প্ৰবন্ধ সংকলন, শিশু আৰু চেমনীয়াৰ বাবে গল্প সংকলনকে ধৰি কেবাখনো গ্ৰন্থৰ ৰচয়িত্ৰী ।

অসমীয়া কাহিনী সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদানেৰে সেই সাহিত্যৰ ভঁৰাল চহকী কৰা এগৰাকী অতি সক্ৰিয় আৰু গুৰুত্বপূৰ্ণ লেখিকা হ'ল ডঃ অৰূপা পটঙ্গীয়া কলিতা । তেওঁ ' অয়নান্ত'কে ধৰি তিনি খন উপন্যাস আৰু দুখনমান গল্প সংকলন প্ৰকাশ কৰিছে । অৰূপাই কথা পুৰস্কাৰ আৰু শৈলেশ চন্দ্ৰ দাশগুপ্ত বঁটাও লাভ কৰিছে ।

অমলা শৰ্মা চৌধুৰীও অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট গল্পকাৰ । ডঃ লিলি ৰাজবংশীৰো নাম ল'ব লাগিব ।

পলমকৈ লেখিবলৈ আৰম্ভ কৰিলেও শক্তিশালী লিখনীৰে কম সময়ৰ ভিতৰতে অসমীয়া গল্প- সাহিত্যত নিজৰ স্থিতি মজবুত কৰা ফুল গোস্বামীৰ এখন গল্প- সংকলন প্ৰকাশ পাইছে । তেৱোঁ 'কথা' পুৰস্কাৰ লাভ কৰিছে । ফুল গোস্বামীতকৈযো আগৰে পৰা লেখি থকা আন এগৰাকী শক্তিশালী লেখিকা হ'ল নবনীতা গগৈ । এওঁৰ গল্পই বেছ আলোড়ন তুলিছিল ।

বৰ্তমানৰ অসমীযা সাহিত্যত লেখিকাৰ সৰব উপস্থিতি মন কৰিবলগীয়া । কেৱল সংখ্যাগত দিশতেই নহয়, তেওঁলোকৰ বহুতেই গুণগত দিশতো নিজৰ স্বাক্ষৰ ৰাখিব পাৰিছে । এওঁলোকৰ কেইবাগৰাকীও ঘাইকৈ কবি । এওঁলোকৰ ভিতৰত বয়োজ্যেষ্ঠ লেখিকাসকল হ'ল- লুটফা হানুম চেলিমা বেগম, অনুপমা বসুমতাৰী, অৰ্চনা পূজাৰী, অনুপমা দত্ত শইকীয়া, সুমিত্ৰা গোস্বামী, মীৰা ঠাকুৰ , ৰাজু বৰুৱা, হৰপ্ৰিয়া বৰুকিয়াল বৰগোঁহাঞি আদি কবিৰ নাম ল'ব পাৰি । অনুপমা বসুমতাৰীয়ে জাতীয় ভাষা পৰিষদৰ বঁটা লাভ কৰিছে । এওঁলোকৰ কেবাগৰাকীৰো কবিতা সংকলন প্ৰকাশ পাইছে ।

আশী - নব্বৈ দশকত আত্মপ্ৰকাশ কৰা লেখিকা সকলৰ খতিয়ান ল'বলৈ গ'লে এক সুদীৰ্ঘ তালিকাই প্ৰকাশ কৰিব লাগিব । এই সময়ত লেখিকাসকলে যেন নতুন শক্তি আৰু প্ৰেৰণাৰে বলীয়ান হৈ অতি নিষ্ঠাৰে সাহিত্য চৰ্চাত মনোনিবেশ কৰিবলৈ আগবাঢ়ি আহিছিল । এওঁলোকৰ বহুতেই ঘৰ - সংসাৰ , চাকৰি - সকলো দায়িত্ব পালন কৰি আহিও সাহিত্য - চৰ্চাত ব্ৰতী হৈছেহি । তেওঁলোকৰ এই উৎসাহত ইন্ধন যোগাইছে লেখিকা সন্থা আৰু সমাৰোহ নামৰ দুখন মহিলাৰ সাহিত্যিক অনুষ্ঠানেও । এই সংস্থা দুটাই অনাদৃত লেখিকাসকলক লেখনীৰ বাবে উৎসাহ যোগাবলৈ নানা প্ৰতিযোগিতা পাতি , নানা স্মৃতি গ্ৰন্থ , আলোচনী আদি প্ৰকাশ কৰি তেওঁলোকৰ লিখনীবোৰ প্ৰকাশৰ ব্যৱস্থা কৰিছে । অৱশ্যে সেইবোৰ সাহিত্য পদবাক্য হৈছে নে নাই সেয়া বেলেগ কথা । এই মহিলাৰ সংস্থা দুটাই ন-পুৰণি লেখিকাৰ গল্প, কবিতা ,জীৱনী আদিৰ সংকলন প্ৰকাশ কৰি , গাইগুটীয়া লেখনীৰ গ্ৰন্থ প্ৰকাশ কৰি , লেখিকাসকলৰ লিখনীৰ মূল্যায়ন সম্পৰ্কিত গ্ৰন্থ প্ৰকাশ কৰি সঁচায়ে অতি প্ৰশংসনীয় কাম কৰিছে । তদুপৰি অসমৰ নানা ঠাইত নানা অধিবেশন পাতি , আলোচনা চক্ৰ পাতি লেখিকা সকলক কেৱল উৎসাহ যোগোৱাই নহয় , অসমৰ বিভিন্ন ঠাইৰ লেখিকাসকলৰ মাজত এক সম্প্ৰীতিৰ সেতুও গঢ়ি তুলিছে । তদুপৰি এই অনুষ্ঠান দুটাই গল্প , কবিতা , শিশু সাহিত্য , প্ৰবন্ধ আদিৰ নানা প্ৰতিযোগিতা পাতি , পুৰস্কাৰৰ ব্যৱস্থা কৰি ন - লেখিকা সকলক অতি উদগনি দিছে । অসম সাহিত্য সভাই লেখিকাসকলক নানা ধৰণে যি অবহেলা আৰু বঞ্চনা কৰি আহিছে , একপ্ৰকাৰ সেই ক্ষোভতে বোধহয়

অসমৰ লেখিকা সকলে এনেকুৱা ' কেৱল লেখিকাৰ বাবে ' জাতীয় বিকল্প অনুষ্ঠান গঢ়ি তুলিছে।

এইখিনিতে আমাৰ লেখিকাসকলৰ ক্ষোভৰ হকে আমিও এষাৰ মাত নেমাতি নোৱাৰো । এই পুৰুষৰ প্ৰাধান্য বৰ্তি থকা সমাজখনত অসমৰ নাৰীসকল নানা ধৰণৰ বঞ্চনাৰ মাজেৰে জীৱন নিৰ্বাহ কৰিব লগা হয় । সাহিত্যৰ ক্ষেত্ৰতো দেখা যায় যে অসম সাহিত্য সভাৰ যিবোৰ উচ্চ পৰ্যায়ৰ বঁটা তাৰ পৰা আমাৰ প্ৰসিদ্ধ লেখিকা সকলো বঞ্চিত হৈ আহিছে । আজিকোপতি কোনো লেখিকাই মেগৰ বঁটা নাপালে , এসময়ৰ প্ৰকাশন পৰিষদৰ বঁটাটোৰ পৰাও লেখিকাসকল বঞ্চিত হৈ ৰ'ল , নীলিমা দত্ত ,প্ৰীতি বৰুৱা আদিৰ দৰে যোগ্য মহিলা সকলক সাহিত্য সভাৰ সভাপতি পদৰ বাবে নিৰ্বাচিত কৰা নহ'ল . সম্পাদিকা হিচাপেও নিৰ্বা চিত নহ'ল , অত বছৰ সাংবাদিকতা কৰি আজিও আৰু অতবোৰ দৈনিক , সাপ্তাহিক , পষেকীয়া ওলোৱাৰ পিছতো । সেই মহিলা সাংবাদিকসকলে কোনো এখন কাকতৰ সম্পাদক কিয় , সহকাৰী সম্পাদ ক হিচাপেও মনোনয়ন নাপালে । অথচ আমাৰ লেখিকাসকল নিজ ৰাজ্যত একপ্ৰকাৰ অনাদৃত হৈ ৰ'লেও সৰ্বভাৰতীয় পৰ্য্যায়ত কিন্তু স্বীকৃতি লাভ কৰিছে। তেওঁলোকে সাহিত্য অকাডেমীৰ বঁটা লাভ কৰিছে, 'কথা' বঁটা লাভ কৰিছে ,শাশ্বতী বঁটা লাভ কৰিছে, ভাৰতীয় [illegible] পৰিষদ বঁটা লাভ কৰিছে। নিশ্চয় আৰু কিবাকিবি স্বীকৃতিও সৰ্বভাৰতীয় পৰ্য্যায়ত লাভ কৰিছে - যিবোৰৰ বিষয়ে মই হয়তো নজনাকৈ আছো ।

সৰ্বশেষত মই আজিৰ প্ৰজন্মৰ লেখিকাসকলৰ প্ৰসংগলৈ আহিব খুজিছো ।

এওঁলোকৰ ভিতৰত বয়সৰ বহুত তাৰতম্য থাকিব পাৰে , তথাপি সাম্পতিক কালৰ সক্ৰিয় লেখিকা হিচাপে এওঁলোকক আজিৰ প্ৰজন্মৰ লেখিকা বুলি বহল ভিত্তিত অলোচনা কৰিব ওলালো । বৰ্তমান লেখিকা সন্থাৰ অতিশয় ব্যস্ত তিনিগৰাকী লেখিকাক মই 'ত্ৰিমূৰ্তি ' নামেৰে অভিহিত কৰো । এওঁলোক হ'ল হৰপ্ৰিয়া বাৰুকিয়াল বৰগোঁহাঞি , অৰুপা বৰুৱা আৰু মীৰা ঠাকুৰ । গল্প, কবিতা , উপন্যাস ,প্ৰবন্ধ , শিশু সাহিত্য আদি সকলোবিধেই লেখা সক্ৰিয়ভাৱে লেখি আছে । (লেখিকা সন্থাৰ সভানেত্ৰী চিত্ৰলতা ফুকনৰ কথা আগতেই উল্লেখ কৰি আহিছো) ।

অসমীয়া সাহিতাত বলিষ্ঠ পদক্ষেপ ৰখা আন কেইগৰাকীমান এই পজন্মৰ লেখিকা হ'ল ৰীতা চৌধৰী , বন্দিতা ফুকন , অনুৰাধা শৰ্মা পূজাৰী , অৰুন্ধতী দত্ত , মনোৰমা দাস মেধি , জা হ্নবী খাউণ্ড , বন্তি বৰপুজাৰী , মাধুৰিমা বৰুৱা , ৰেণু বৰ্মন , ইলু দেৱী বৰুৱা , বকুলী বৈশ্য , মাইনী মহন্ত , মনালিছা শইকীয়া , অনিতা গোস্বামী , জীমণি চৌধৰী , দিপালী শৰ্মা , নৱ মালতী চক্ৰবৰ্তী আদি । অৱশ্যে এওঁলোক সকলোবোৰ সম - পৰ্যায়ৰ

লেখিকা ন হয় - কিন্তু সেইবোৰ বিচাৰ কৰাৰ ভাৰ সমালোচকৰহে, মই কেৱল লেখিকাসকলৰ এটা খতিয়ানহে লৈছো । এওঁলোকৰ ভিতৰত ৰীতা চৌধৰী, বন্দিতা ফুকন, অনুৰাধা শৰ্মা পূজাৰী, অৰুন্ধতী দত্তৰ কেবাখনো গল্প আৰু উপন্যাস সংকলন ওলাইছে । অনুৰাধা শৰ্মা পূজাৰী এগৰাকী জনপ্ৰিয় সাংবাদিকো । নানান মননশীল প্ৰবন্ধ লেখা [illegible]কা শৰ্মাৰো নাম উল্লেখ কৰিব লাগিব । আন এগৰাকী উল্লেখযোগ্য প্ৰবন্ধকাৰ আৰু উপন্যাস লেখিকা হ'ল সুমিত্ৰা হাজৰিকা । অনুৰাধা, অৰুন্ধতী আৰু মাধুৰিমাই মডেলিং কাৰাগাৰৰ জীৱন আৰু মোৱামৰীয়া বিদ্ৰোহৰ ওপৰত উপন্যাস লিখি অসমীয়া সাহিত্যলৈ ভিন্নসুৰী অৱদান আগবঢাইছে। ইলু দেৱী বৰুৱাই কাৰাগাৰৰ জীৱনৰ ওপৰত স্মৃতিভিত্তিক কাহিনী লেখিও এক নতুন মাত্ৰা আনিছে । মাধুৰী চৌধুৰীয়ে বেলতলাৰ ৰাজবাৰীক ধৰি সান্ত্বনাময়ী মজুমদাৰে যাজ্ঞসেনী নাম দি দ্ৰৌপদীৰ জীৱন আধাৰিত এক বৃহৎ উপন্যাস লিখি উলিয়াছে । মনোৰমা দাস মেধিক আজিৰ গল্পকাৰ সকলৰ ভিতৰত মই যথেষ্ট উচ্চ স্থান দিব খোজো । একেবাৰে কম বয়সীয়া গল্পকাৰ হ'ল মৌচুমী কন্দলী, বয়স অনুপাতে তেওঁ যথেষ্ট মননশীল গল্প লিখিছে । সোঁৱৰণীৰে এখন মূল্যবান গ্ৰন্থ লিখি উলিয়াইছে । ডঃ নমিতা ডেকাই ভালেকেইখন মূল্যবান সমীক্ষাত্মক গ্ৰন্থ সম্পাদনা কৰি উলিয়াইছে ।

অসমত লেখিকা সন্থাৰ বাহিৰেও লেখিকা সমাৰোহ নামৰ আন এক লেখিকাৰ অনুষ্ঠান আছে । এওঁলোক অতি সক্ৰিয় । এওঁলোকে নানা মূল্যবান গ্ৰন্থ প্ৰকাশ কৰিছে। লেখিকা নামৰ নিয়মিতভাৱে আলোচনী এখনো উলিয়াই আছে । লেখিকাৰ জীৱনী, পুষ্পলতা দাসৰ অভিনন্দন গ্ৰন্থ আদিও প্ৰকাশ কৰিছে । এওঁলোকৰ ভিতৰত উল্লেখযোগ্য লেখিকা হ'ল - নিৰুপমা মিশ্ৰ, মাধুৰী কলিতা চৌধুৰী, সুনীতি সোণোৱাল, বিনীতা দত্ত আদি । নিৰুপমা মিশ্ৰ শিশু সাহিত্যৰ এগৰাকী উল্লেখযোগ্য লেখিকা । তেওঁ শিশু গ্ৰন্থ লেখি নানা ধৰণৰ পুৰস্কাৰো লাভ কৰিছে ।

অসমীয়া লেখিকাসকলৰ ভিতৰত শিশু সাহিত্যৰ গ্ৰন্থ প্ৰণেতাসকলৰ সংখ্যা ইমান বেছি যে অকল সেইসকলৰ কথাৰেই এটা সুদীৰ্ঘ প্ৰবন্ধ লেখিব পাৰি । ইতিমধ্যে উল্লেখ কৰি অহা ভালেকেইগৰাকী লেখিকায়ো শিশু সাহিত্যলৈও উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে । কিন্তু এই সীমিত পৰিসৰৰ নিবন্ধটোত তেওঁলোকৰ সকলোৰে বিষয়ে লেখা সম্ভৱ নহয় বাবে ইয়াত সেই আলোচনাৰ পৰা বিৰত থাকিলো । কেৱল থোৰতে বিশিষ্টা লেখিকা এলি আহমেদৰ নামটো উল্লেখ কৰি থ'লো ।

বৰ্তমান ভাৰতবৰ্ষত ইংৰাজী ভাষাত সাহিত্য ৰচনা কৰাৰ প্ৰাদুৰ্ভাৱ ঘটিছে, আমাৰ অসমকো যেন তাৰ ঢৌৱে কোবাই গৈছে । ইংৰাজী ভাষাত বিভিন্ন বিষয়ৰ লেখা লেখিকাৰ কথা ক'বলৈ গৈ আমাৰ সৰ্বাগ্ৰে মিত্ৰা ফুকনৰ কথা মনলৈ আহে । তেওঁ গল্প লেখিকা

আৰু সাংবাদিক । আনএগৰাকী ইংৰাজী ভাষাত গল্প লেখা, অসম ট্ৰিবিউন কাকতৰ সহকাৰী সম্পাদিকা হ'ল ইন্দ্ৰানী ৰায়মেধি । ড° শ্ৰুতিমালা দুৱৰায়ো ইংৰাজী ভাষাত গল্প লিখে,এওঁ অৱশ্যে অসমীযাতো গল্প লিখে । এই দুয়োগৰাকী লেখিকাৰে ইংৰাজীত গল্প সংকলন প্ৰকাশ পাইছে ।

শেষত মই কেইটামান কথা ক'ব খোজো । অসমীয়া সাহিত্যত বৰ্তমান লেখিকাৰ লেখাৰ যেন এক জোঁৱাৰ উঠিছে । আমাৰ চাম লেখিকাৰ এওঁলোকেই উত্তৰসুৰী । পুৰুষ-প্ৰধান সমাজখনৰ সকলো বাধা-বিপত্তি নেওচি এওঁলোক নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ অসমীয়া ভাষা-সাহিত্যত নিজৰ স্বাক্ষৰ ৰাখিবলৈ যিদৰে পৰম উৎসাহেৰে আগবাঢ়ি আহিছে সি সঁচাযে অভিনন্দন যোগ্য । অৱশ্যে এওঁলোকৰ বহুতৰে আত্মবিশ্বাস বৰ বেছি প্ৰবল , ভুকুতে যেন কল পকাব পাৰে । কিন্তু জীৱনৰ সকলো সৃষ্টিশীল কামতে সাধনাৰ বিকল্প নাই । তদুপৰি উচ্চস্তৰৰ গ্ৰন্থ অধ্যয়ন নকৰিলে কোনেও তুলনাৰ দ্বাৰা নিজৰ সীমাবদ্ধতাৰ কথা গম নেপায় । বেছি ভাগ অসমীযা লেখিকাৰ লিখনী পঢ়িলে কিন্তু তেওঁলোকক অধ্যয়নশীল যেন নালাগে ।

সৰ্বশেষত মই নিজৰ সীমানদ্ধতাৰ কথাও স্বীকাৰ কৰিব খোজো । অসমীয়া লেখিকাৰ খতিয়ান লোৱা , তেওঁলোকৰ বিষয়ে সম্যক ধাৰণা কৰাৰ যোগ্যতা মোৰ নাই । তথাপি সম্পাদকৰ হেঁচাত পৰি এই দুৰূহ কামটো হাতত ল'ব লগা হৈছে । এটা কথাত মোৰ কোনো সন্দেহ নাই যে অনিচ্ছাকৃতভাৱে হ'লেও বহুতো যোগ্য লেখিকাক মই এই আলোচনাৰ মাজলৈ আনিব পৰা নাই । মোৰ এই ক্ৰটিৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা ভিক্ষা কৰিলো । ক্ষমা ভিক্ষা কৰিলো প্ৰয়াত লেখিকাসকলৰ পৰিয়ালৰ ওচৰতো । ভৱিষ্যতে যেন মোতকৈ যোগ্য ব্যক্তিয়ে লেখিকাৰ সাহিত্য চৰ্চাৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰবন্ধ লিখে ।

পৰিশিষ্ট ঃ অসমৰ পূৰাতত্ত্ব বিভাগৰ সঞ্চালক ডঃ জিতেন্দ্ৰ দাসৰ মতে প্ৰথম অসমীয়া লেখিকা হ'ল বাগেজাৰীহে , পদ্মপ্ৰিয়া নহয় । ১৯৯৪চনৰ ২২জুলাইৰ 'আজিৰ অসম'ত তেওঁ এই বিষয়ে লিখা কথাখিনি উদ্ধৃত কৰি দিয়া হ'ল ঃ

'অসমীয়া ভাষাৰ প্ৰথম মহিলা কবি পদ্মপ্ৰিয়া নহয় বাগেজাৰীহে । আজিৰ বকো - ছয়গাৱঁৰ মাজত অৱস্থিত বুৰঞ্জীখ্যাত 'বাগেজাৰী ৰাজ্য'ৰ বিদুষী ৰাজকন্যা 'জাৰী'ৰ দ্বাৰা ৰচিত গীতসমূহেই 'বাগেজাৰী ' গীত হিচাপে প্ৰখ্যাত হৈ পৰিছিল । বাগেজাৰী ৰাভাৰ ককায়েক বিশ্বসিংহৰ ৰাজত্ব কালৰ (১৫১৫ —১৫৪০) ভিতৰতে গীতসমূহ ৰচিত হৈছিল বুলি ঠাবৰ কৰিব পাৰি । আনহাতে , ভবানীপুৰীয়া গোপাল আতাৰ কন্যা কমলাপ্ৰিয়া বা পদ্মপ্ৰিয়াৰ সময় অন্তত ঃ ১৫৪০খৃঃৰ আগৰ বুলিব নোৱাৰি । গতিকে আমাৰ সাহিত্যৰ ইতিহাসত তেওঁ প্ৰথম লিখিকা নহৈ দ্বিতীয় লিখিকা হিচাপেহে স্থান পোৱা উচিত ।'

জেফ্রি আৰ্চাৰৰ কেইটামান গল্প আৰু তেওঁৰ বৰ্ণময় জীৱন

জেফ্রি আৰ্চাৰ এজন বিশ্ববিখ্যাত থ্ৰীলাৰ লেখক । তেওঁ গল্প আৰু উপন্যাসকে ধৰি কেইবাখনো এনেকুৱা ৰহস্য কাহিনী লিখিছে । মই মাজে মাজে সময় বা হাতৰ কাষত পালে মনোৰঞ্জনৰ বাবে জেফ্রি আৰ্চাৰৰ (বা আন কোনোবা ৰহস্য কাহিনীৰ লেখকৰো) কিতাপ - পত্ৰ পঢ়ো । অলপতে তেওঁৰ শেহতীয়া গল্পৰ সংকলন এখন হাতত পৰাত সেইখন পঢ়িবলৈ আৰম্ভ কৰি দিলো, অৱশ্যে তেতিয়া মোৰ হাতত খুব আজৰি সময় নাছিল , তথাপি জেফ্রি আৰ্চাৰৰ ভুমিকাটো পঢ়ি মোৰ কিতাপখন পঢ়িবলৈ মন গ'ল আৰু মন গ'ল কিতাপখন সম্পৰ্কে বেটুপাতৰ শেষ পাতটোত থকা বিভিন্ন সমালোচনাৰ উদ্ধৃতি পঢ়ি ।

To Cut a Long Story Short নামৰ এই গল্প -সংকলনখনৰ ভুমিকাত জেফ্রি আৰ্চাৰে লেখিছে যে তেওঁ সমগ্ৰ পৃথিৱী ঘূৰি থকা সময়ত অ'ত -ত'ত শুনা কৌতূহলোদ্দীপক গল্প আৰু সচাঁ কাহিনী কেতবোৰৰ লগতে নিজৰ গল্পকেতবোৰো সন্নিবিষ্ট কৰি কিতাপখন প্ৰকাশ কৰিছে । সচাঁ কাহিনীবোৰ সূচীপত্ৰত ভৰোবাৰ সময়ত তাত একোটা ষ্টাৰ মাৰ্ক দি লৈছে যাতে আমি কোনবোৰ সচাঁ আৰু কোনবোৰ কাল্পনিক বুজিব পাৰো । এইখিনিতে এটা কথা কৈ লওঁ যে দুই -এটা সচাঁ কাহিনী পঢ়ি মোৰ মনলৈ জীৱনত বহুতবাৰ অহাৰ দৰে এই আপ্তবাক্যষাৰ আৰু এবাৰ মনলৈ আহিল যে facts are stranger than fictions.

সংকলনখনত জেফ্রি আৰ্চাৰে প্ৰথমতে ভৰোৱা গল্পটোৰ নাম হ'ল -Death Speaks । ছপা আখৰত মাত্ৰ এটা পৃষ্ঠাও নহয় - ইমানেই চুটি এই গল্পটো । কিন্তু গল্পটোৱে তেওঁক হেনো ইমানেই মুগ্ধ কৰিলে যে তাক তেওঁ কিতাপখনৰ প্ৰথমতে স্থান নিদি নোৱাৰিলে । কিন্তু গল্পটোৰ মূল লেখক কোন সেইটো হ'লে তেওঁ কোনোমতে

উলিয়াব নোৱাৰিলে । সেই গল্পটো কোনোবা আৰব দেশীয় লেখকে লেখা আছিল , সেইটোৱে আগতওে কোনো কোনো লেখকৰ মনোজগতক জোকাৰি গৈছিল - তাৰ প্ৰমাণ পোৱা যায় ছমাৰছেট মমৰ শ্বেপ্পী (sheppey)নামৰ নাটকখনত তাৰ প্ৰমাণ পোৱা যায় জন অ' হাৰাৰ Appointment in Samarra নামৰ কিতাপখনৰ ভূমিকাত । Death Speaks গল্পটো সম্পৰ্কে নিশ্চয় পাঠকৰ কৌতূহল হ'ব গতিকে আজি সেই গল্পটোকে প্ৰথমতে অনুবাদ কৰি পাঠকৰ আগত শাৰদীয় উপহাৰ হিচাপে পেচ কৰিম । পিচে তাৰ আগতে To Cut a Long Story Short নামৰ গ্ৰন্থখনৰ বিষয়ে সমালোচকসকলে দিয়া মন্তব্যৰ দুই - এটা উদ্ধৃতি দিয়া যাওক ।

'Cunning plots ,silken style, Archer plays a Cat and Mouse game with the Reader' - Newyork Times'Archer has a gift for plot that can only be described as genius'- daily Telegraph .

'probably the greatest story terrer of our age' -Mail on Sundey .

'Stylish witty and constantly entertaining , Jeffrey Archer has a natural aptitude for short stories'- The Times. ২০০০চনত প্ৰকাশ হোৱা এই গল্প সংকলনখন জেফ্ৰি আৰ্চাৰৰ পঞ্চম গল্প সংকলন । তাৰ আগৰ গল্প সংকলনবোৰ হ'ল - A Quiver full of Arrows , A twist in the Tale, Twelve Red Herrings আৰু The Collected Short - Stories . এইবোৰৰ ভিতৰত মই আগতে A Twist in the Tale খন পঢ়িছিলো। এইবাৰ মই Death Speaks নামৰ গল্পটো অনুবাদ কৰি আগবঢ়ালোঃ

এসময়ত বাগদাদত এজন সদাগৰ আছিল । এদিনাখন তেওঁৰ লগুৱাক বজাৰলৈ কিবাকিবি বস্তু কিনি আনিবলৈ পঠোৱাৰ কিছু পিচতে সেই লগুৱাই ভয়ত একেবাৰে শেঁতা পৰি আৰু কঁপি কঁপি গিৰিহঁতৰ ওচৰলৈ ঢাপলি মেলি আহি কৈছিল ,প্ৰভু , মই এইমাত্ৰ বজাৰ পাওঁতে মানুহৰ মাজত এজনী তিৰোতাই মোক ঠেলা মৰা যেন পাই ঘুৰি চাই দেখিলো যে তেনেকৈ মোক ঠেলামৰা তিৰোতাজনী স্বয়ং মৃত্যু । তাই মোলৈ চাইছিল আৰু ভয় দেখুৱাইছিল । গতিকে আপুনি মোক আপোনাৰ ঘোঁৰাটো ধাৰলৈ দিয়ক যাতে মই এই চহৰৰ পৰা সোনকালে আঁতৰি গৈ মোৰ ভাগ্যক এৰাব পাৰো । মই ছামাৰালৈ গুচি যাম, তাত মৃত্যুৱে মোক বিচাৰি নাপাব । মালিকে ঘোঁৰাটো ধাৰলৈ দিয়াত সি তাত উঠি Spurr -ত ভৰি সুমুৱাই ঘোঁৰাক প্ৰাণপণে ঢেঁকুৰাই গুচি গৈছিল । তাৰপিচত সদাগৰ

নিজে বজাৰলৈ গৈছিল আৰু তাত মানুহৰ ভিৰৰ মাজত মোক থিয় হৈ থকা দেখা পাই ওচৰলৈ আহি সুধিছিল, তুমি যেতিয়া ৰাতিপুৱা মোৰ লগুৱাক দেখিছিলা তেতিয়া কিয় তাক ভয় দেখুওৱা অংগি-ভংগি কৰিছিলা ? মই কৈছিলো , সেয়াতো কেৱল আচৰিত হোৱা ভংগিমাহে আছিল । মই তাক বাগদাদত দেখি আচৰিত হৈছিলো , কাৰণ আজি ৰাতি তাৰ লগত মোৰ ছামাৰাতহে দেখা হোৱাৰ কথা আছিল ।

এই সংকলনটোৰ আৰু দুটা অতি চুটি গল্প আছে , তাৰে এটাৰ নামLetter ,আনটোৰ নাম Love At First Sight । Letter টো কাল্পনিক , আনটো সঁচা ঘটনাৰ ওপৰত ভেটি কৰি লেখা , গতিকে সঁচা ঘটনাৰ গল্পটোকে এইবাৰ কওঁ ।

সত্য ঘটনা , হেজাৰ হওঁক আমাৰ বাবে বেছি কৌতুহলোদ্দীপক হয় ।এই গল্পৰ নায়কৰ নাম এণ্ড্ৰু আৰু নায়িকাৰ নাম ক্লেয়াৰ ।

লেখকে প্ৰথম পুৰুষত লেখা গল্পটোৰ নায়ক এণ্ড্ৰু এজন অতি ব্যস্ত মানুহ,তেওঁ সাধাৰণতে অতি গুৰুত্ব নপৰিলে নিজৰ কাম এৰি ক'লৈকো নাযায় ।কিন্তু এবাৰ এটা অতি গুৰুত্বপূৰ্ণ কথাত (য'ত তেওঁৰ নিজৰ যথেষ্ট লাভৰ সম্ভাৱনা প্ৰকট) এজন মানুহক তেওঁৰ অফিচলৈ লগ ধৰিবলৈ যাবলৈ ওলাল ।

ঘটনাটো লণ্ডন চহৰৰ । নিৰ্দিষ্ট সময়ত সেই বিশেষ ব্যক্তিজনক লগ ধৰিবলৈ তেওঁ টিউব ৰে'লপথেৰে যাবলৈ ওলাই 'পাতাল' লৈ নামি গৈ ট্ৰেনৰ বাবে বাট চাই ৰ'ল । তেনেতে তেওঁ দেখিলে যে বিপৰীত পিনৰ পৰা অহা ট্ৰেনৰ বাবে সিফালৰ প্লেট ফৰ্মত এজনী ছোৱালী বৈ আছে । এণ্ড্ৰু থৰ লাগি ৰ'ল - তেওঁৰ ধাৰণা হ'ল যে জীৱনত তেওঁ ইমান আকৰ্ষণীয় চেহেৰাৰ দ্বিতীয় এজনী ছোৱালী আৰু লগ পোৱা নাই । এণ্ড্ৰু ইমানেই বিস্ময়-বিমুগ্ধ হ'ল যে যথাসময়ত তেওঁ উঠিবলগা ট্ৰেন আহিলেও, গ'লো , কিন্তু সেই ট্ৰেইনত তেওঁৰ আৰু উঠা নহ'ল ।একে সময়তে বিপৰীত ফালৰ পৰা ট্ৰেইনখনো একেদৰে আহিল আৰু গ'ল আৰু ট্ৰেইন দুখন আঁতৰি যোৱাত দৃশ্যমান হোৱা সিখন প্লেটফৰ্মলৈ চাই পঠিয়াই এণ্ড্ৰুৱে আচৰিত হৈ দেখিলে যে ছোৱালীজনীও একে ঠাইতে থিয় হৈ আছে, অৰ্থাৎ ছোৱালীজনীও ট্ৰেইনত নুঠিল ।এইবাৰ তাই এণ্ড্ৰুৰ পিনে চাই অলপ হাঁহি যেনো কৰিলে ।

জেফ্ৰি আৰ্চাৰে কাহিনীটো শেষ কৰি লিখিছে - পাঠকে ভাবিব পাৰে , মই ঘটনাটো কেনেকৈ জানিলো । অলপতে মই যে এণ্ড্ৰু আৰু ক্লেয়াৰৰ দহ বছৰীয়া বিবাহ বাৰ্ষিকীত যোগ দি আহিলো ।

জেফ্ৰি আৰ্চাৰৰ এই গল্প কেইটাৰ বিষয়ে লিখি থৈছিলো বহুত দিন আগতেই , কিন্তু তেতিয়া কল্পনাই কৰিব পৰা নাছিলো যে এদিন এই লেখকজন নিজেও এক ৰোমাঞ্চকৰ

কাহিনীৰ নায়ক(অৱশ্যে তেওঁক খলনায়ক বোলাহে উচিত হ'ব) হৈ বাতৰি কাকত , সংবাদ মাধ্যমত আলোড়ন তুলিব । মোৰ ভাবিলে আচৰিত লাগে যে ইমান মেধাবী, ইমান সংবেদনশীল লেখক একোজনে কেনেকৈ ইমান বেয়া কাম কৰিব পাৰে ,আচৰিত লাগে ইমান মান-সন্মান ,ইমান বিষয়-বস্তু লাভ কৰাৰ পিচতো তেওঁলোকে কি লোভৰ বশবৰ্তী হৈ এনেকৈ পতিত হ'ব পাৰে ।

৬১ বছৰ বয়সীয়া লৰ্ড জেফ্ৰি আৰ্চাৰ আছিল এসময়ৰ ব্ৰিটিছ প্ৰধানমন্ত্ৰী 'লৌহমানৱী' বুলি খ্যাত মাৰ্গাৰেট থেচ্চাৰৰ অতি প্ৰিয়পাত্ৰ । তেওঁ ৰক্ষণশীল দলৰ ডেপুটি চেয়াৰমেন আৰু হাউচ অব লৰ্ডচৰ এম পি আছিল ।কিন্তু ষ্টক মাৰ্কেটৰ শ্বেয়াৰৰ লোকচান ভৰা এটা ঘটনাত তেওঁৰ হেনো ধাৰৰ পৰিমাণ ইমানেই বাঢ়িল যে সেই ধাৰ পৰিশোধ কৰাৰ বাবে বৃহৎ অংকৰ ধন ঘটিবলৈকে আৰ্চাৰে কলম হাতত তুলি ল'লে আৰু পাৰ্লামেণ্টৰ সদস্য পদ ইস্তফা দিলে । সেয়া আছিল ১৯৭৪চনৰ ঘটনা । মানুহজনৰ যে আত্মবিশ্বাস অতি প্ৰবল আছিল সেই কথা এই ঘটনাৰ পৰাই বুজা যায় আৰু কলম হাতত লৈ তেওঁ নিজৰ যোগ্যতাও প্ৰতিপন্ন কৰিব পাৰিছিল । বন্ধুসকলে অৱশ্যে কৈছিল যে তেওঁ এনেকি কোনো এটা শব্দৰ বানানেই নাজানে - তেওঁ আকৌ কিহৰ লেখক হ'ব । কিন্তু সকলোকে আচৰিত মনাই জেফ্ৰি আৰ্চাৰ এজন অতি সফল লেখক হৈ উঠিছিল , তেওঁৰ কিতাপ হেনো 'ট্ৰাকে ট্ৰাকে ' বিক্ৰী হৈছিল । তেওঁৰ প্ৰথম অতি সফল কিতাপখন আছিল - 'Not a penny more, not a penny less.' পৰৱৰ্তী কিতাপবোৰেও শেষত তেওঁক ইংলেণ্ডৰ সবাতোকৈ বেছিকৈ কিতাপ বিক্ৰী হোৱা লেখক হিচাবে প্ৰতিষ্ঠিত কৰিছিল আৰু এইদৰে তেওঁৰ প্ৰায় সত্তৰ মিলিয়ন ডলাৰ অৰ্থ জমা হৈছিল ।

এইদৰে ধনে - মানে জেফ্ৰি আৰ্চাৰ সফলতাৰ উচ্চ শিখৰত উঠিবলৈ ধৰিলে কেৱল কিতাপ লেখিয়েই । তেওঁৰ ঘৰুৱা পাৰ্টি বোৰলৈ কেবিনেট মন্ত্ৰীকে ধৰি সমাজৰ বৰমূৰীয়াসকলৰ আগমন ঘটিছিল । কিন্তু লগে লগে তেওঁৰ কিছুমান কাৰ্যকলাপৰ বিষয়ে ফুচফুচনিও আৰম্ভ হৈ গৈছিল , যেনে কুৰ্দ বিদ্ৰোহত উদ্বাস্তু হোৱাসকলৰ বাবে তেওঁৰ উদ্যোগত সংগৃহীত হোৱা ধন হেনো বেছিভাগ তেৱেঁ আত্মসাৎ কৰিছিল , ব্ৰিটিছ আঞ্চলিক টেলিভিছন , এংলিয়াত তেওঁ ক্ৰয় কৰা অংশক লৈও ১৯৯৪চনত একধৰণৰ সন্দেহৰ বাতাবৰণ সৃষ্টি হৈছিল । এবাৰ চাৰিযোৰ ছুট চুৰি কৰাৰ বাবেও ধৰা পৰিছিল । অৰ্থাৎ শ্বপ্‌লিফ্‌টিং কৰিছিল । এনেদৰে নানা অশুভ কাৰ্যৰ লগত আৰ্চাৰৰ নামটো সংযুক্ত হ'ব ধৰিছিল । তেওঁ নাৰীঘটিত কেলেংকাৰীৰ পৰাও মুক্ত হ'ব পৰা নাছিল । দৰাচলতে ইয়ে তেওঁক অনিবাৰ্য ধ্বংসৰ মুখলৈ ঠেলি দিছিল ।

আমি সকলোৱে এই বছৰৰে জুলাই মাহত জেফ্ৰি আৰ্চাৰক লণ্ডনৰ অ'ল্ড বেইলী আদালতে মিছা সাক্ষী দিয়া আৰু আদালতক বিপথে পৰিচালিত কৰিব খোজাৰ অপৰাধত

চাৰি বছৰ সশ্ৰম কাৰাদণ্ড বিহাৰ 'গৰম ' খবৰ বাতৰি কাকতত পঢ়িবলৈ পাইছিলো । তেওঁৰ শাস্তি এশ গৰু খালে বাঘৰো মৰণ হোৱাৰ লেখীয়া হ'ল ।এই চাৰি বছৰৰ ভিতৰত প্ৰথম দুবছৰ দহমাহ কাৰাগাৰত কটাব লাগিব আৰু বাকী ষোল্ল মাহ কাৰাগাৰৰ বাহিৰত বিশেষ অনুজ্ঞাপত্ৰ লৈ কটাব লাগিব , কিন্তু সেই সময়ত যদি তেওঁ আৰু কিবা অপৰাধ সংঘটিত কৰে তেন্তে পুনৰ তেওঁক জে'লত নিক্ষেপ কৰা হ'ব ।

'নাৰী নৰকস্য দ্বাৰ '- মহিলাৰ বাবে অতি অৱমাননাকৰ এইষাৰ কথা শেষত কেনেকৈ জেফ্ৰি আৰ্চাৰৰ জীৱনত সত্য এইবাৰ তাৰ কাহিনী কোৱা যাওক ।

১৯৮৭চনতে আৰম্ভ হৈছিল আৰ্চাৰৰ এই নৰকযাত্ৰা ।তেওঁ তেতিয়া কনজাৰভেটিভ পাৰ্টিৰ ডেপুটি চেয়াৰমেন আৰু ধ্বংসৰ আৰম্ভণিৰ সেই বিশেষ দিনটোত মানুহজনে এলবিয়ন হোটেলত দহ মিনিট যৌন সুখ উপভোগ কৰিছিল মণিকা কগলান নামৰ দেহোপজীৱিনী এগৰাকীৰ লগত , তাৰ বাবদ আৰ্চাৰে তাইক দিছিল ৭০ পাউণ্ড । এইজনী মণিকাৰ কাহিনী পৃথিৱীৰ বহুতো হতভগীয়া নাৰীৰ সমগোত্ৰীয়া । তাই এক বনুৱা পৰিয়ালৰ নানা সংকটৰ মাজত জীৱন কটোৱা ছোৱালী আছিল। ১৫বছৰত স্কুল ত্যাগ কৰিবলৈ বাধ্য হোৱা ছোৱালীজনী ১৬ বছৰত কোনোবা পুৰুষৰ যৌন কামনাৰ বলি হৈছিল আৰু ১৭বছৰৰ পৰা বেশ্যাবৃত্তি গ্ৰহণ কৰিবলগা হৈছিল ।ৰাজনীতিজ্ঞ , ব্যৱসায়ী , উকীল - সকলো বৃত্তিৰ মানুহেই আছিল মণিকাৰ ' গ্ৰাহক ' আৰু কনজাৰভেটিভ দলৰ ডেপুটি চেয়াৰমেনজনেও নিজকে এজন সাধাৰণ গাড়ী বিক্ৰেতা হিচাপে পৰিচয় দি মণিকাৰ 'গ্ৰাহক 'হৈ আহিছিল ।

পিচে আৰ্চাৰৰ দুৰ্ভাগ্য যে আজিজ কুৰ্থা নামৰ এজন ভাৰতীয় ব্যৱসায়ীয়ে তেওঁক মনিকাৰ লগত হোটেলত সোমোৱা দেখা পালে আৰু তেতিয়াৰ পৰাই আৰম্ভ হ'ল আচাৰৰ ভাগ্য বিড়ম্বনা । লণ্ডনৰ ' ডেইলী ষ্টাৰ ' কাকতে এই ঘটনাটো সদৰী কৰি প্ৰকাশ কৰিলে আৰু তেতিয়া আৰ্চাৰে এই বাতৰি অস্বীকাৰ কৰি কাকতখনৰ বিৰুদ্ধে গোচৰ তৰে আৰু গোচৰত জিকি প্ৰায় ৩.৪ কোটি টকা ক্ষতিপূৰণ লাভ কৰে।

এই মোকৰ্দমাৰ সময়ত আদালতত সাক্ষ্যদান কৰে মণিকা কগলান আৰু আৰ্চাৰৰ পত্নী মেৰী আৰ্চাৰে ।'পতিব্ৰতা ' মেৰীয়ে গিৰিয়েকৰ সপক্ষে সাক্ষ্যদান কৰি গিৰিয়েকক বচাই দিলে ।মেৰী আৰ্চাৰ , হিলাৰী ক্লিণ্টন আদি মহিলা হ'ল সেই মানসিকতাৰে পুষ্ট যি বিখ্যাত স্বামীৰ ছত্ৰছায়াত থকি জীৱনৰ খ্যাতি , ক্ষমতা , সম্পদ ভোগ কৰি খাব খোজে , গতিকে তেওঁলোকে স্বামীসকলৰ 'বিপদ'ৰ সময়ত তেওঁলোকক পৰিত্যাগ নকৰে । ১৯৮৭ চনৰ মোকৰ্দমাটোৰ জয়লাভৰ পিচত মেৰী আৰ্চাৰে হেনো এনেধৰণৰ উক্তিও কৰিছিল -
' Strict Sexual fidelity doesn't rank that high on my scale of importance of things .'

এই প্ৰতাপী , বিত্তশালিনী মেৰী আৰ্চাৰৰ আগত বেচেৰী মণিকাইনো কেনেকৈ তিষ্ঠিব । তাই সাক্ষ্যদানৰ সময়ত বাৰে বাৰে কৰুণভাৱে চিঞৰিছিল - 'মই এজনী বেশ্যা সচাঁ , কিন্তু মই কাৰো একো অপকাৰ কৰিবলৈ যোৱা নাই । মই মিছলীয়া নহওঁ , কিন্তু তেওঁ (জেফ্ৰি আৰ্চাৰলৈ দেখুৱাই) হ'লে মিছলীয়া ।'

পিচে জয় হৈছিল আৰ্চাৰৰে আৰু এনেকৈ কাঠগৰাত সাক্ষী হিচাপে থিয় দিবলগীয়া হোৱা মণিকাৰ একপ্ৰকাৰ সৰ্বনাশ হৈছিল । তাইৰ চৈধ্য বছৰীয়া ল'ৰা এটা আছিল । ৰবীন নামৰ সেই পুত্ৰক মাকে নিজৰ 'কলংক'ৰ কথা লুকুৱাই দেহ বিক্ৰীৰ টকাৰে দূৰৈৰ স্কুলত ৰাখি পঢ়ুৱাইছিল । (ঠিক যেন গল্প- উপন্যাস- চিনেমাৰ ট্ৰেজিক নায়িকাৰ কাহিনী), কিন্তু পোন্ধৰ বছৰীয়া ল'ৰাটোৱে যেতিয়া ইংলেণ্ডত হৈ-চৈ লগা সেই বিখ্যাত গোচৰটোৰ কথা কাকতত পঢ়িছিল তেতিয়া মাকৰ পৰিচয়ে তাৰ অকণমানি জীৱন - জগতলৈ মহা বিপৰ্যয় আনি দিছিল । মোকৰ্দমাত আৰ্চাৰ জয়ী হোৱাৰ পিচত মণিকাও বাটে- পথে ওলাব নোৱাৰাৰ দৰে হৈছিল , মানুহে নানা ঠাট্ৰা - বিদ্ৰূপ - ককৰ্থনাৰে তাইৰ জীৱন বিষময় কৰি তুলিছিল , আমেৰিকাৰ মণিকাই প্ৰেছিডেণ্টৰ লগত লেটিপেটি কৰি একধৰণৰ 'চেলিব্ৰিটি'হে হৈ পৰিল , কিন্তু ইংলেণ্ডৰ মণিকাই সাধাৰণ 'গ্ৰাহক' বুলিয়ে জনা ডেপুটি চেয়াৰমেনজনক বৃত্তিগতভাৱে দেহদান কৰিবলৈ গৈ চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব লগা হ'ল ।

শেষলৈকে মণিকাৰ জীৱনক দুৰ্ভাগ্যয়ে আৱৰি ৰাখিলে । অৱশেষত যেতিয়া জেফ্ৰি আৰ্চাৰৰ পুনৰ বিচাৰ হৈ অপৰাধী প্ৰমাণিত হ'ল , সেই 'জয়'ক আদৰিবলৈ মণিকা আৰু জীয়াই থকা নাছিল , দুবছৰ আগতে লণ্ডনৰ এজন গাড়ীচালকৰ গাড়ীৰ চেপাত তাইৰ মৃত্যু হৈছিল । অৱশ্যে তাইৰ মৃত্যুৰ দুবছৰ আগতে, পুনৰ আৰম্ভ হোৱা বিচাৰখন দেখি তাই কৈছিল -'মই যেনেকৈ আৰ্তনাদ কৰিবলগীয়া হৈছিলো . তেওঁৰো যেন একে দশা হয় ।

এতিয়া আৰ্চাৰ অপৰাধী সাব্যস্ত হোৱা বিচাৰখনৰ কথালৈ অহা যাওক । প্ৰথমবাৰ সেই বিচাৰত জয়লাভৰ পিছত চৈধ্য বছৰ পাৰ হৈ গৈছিল; হঠাৎ নতুনকৈ সেই বিচাৰ পুনৰ আৰম্ভ কৰা হ'ল । কাৰণ জেফ্ৰি আৰ্চাৰৰ প্ৰাক্তন বন্ধু টেড ফ্ৰাঞ্চিছে স্বীকাৰোক্তি দিলে যে 'ডেইলী ষ্টাৰ' কাকতৰ অভিযোগ সত্য নহয় -এই বুলি তেওঁ আদালতত যি সাক্ষী দিছিল সি মিছা আছিল । প্ৰকৃততে ফ্ৰাঞ্চিছৰ এই সত্য প্ৰকাশৰ ফলতে লাহে লাহে বিচিত্ৰ ঘটনাৰ দুৱাৰ খোল খাই গ'ল আৰু বিভিন্ন তিৰোতাই আৰ্চাৰৰ বিৰুদ্ধে যিবোৰ অভিযোগ বিচাৰকক্ষত উত্থাপন কৰিব ধৰিলে তাৰ ফলতে 'স্বনামধন্য' সাহিত্যিকজনৰ জীৱনত যেন মণিকা কগলানৰ অভিশাপ ফলপ্ৰসূ হ'ল । হাতত হাত কেৰেয়া লগাই জেফ্ৰি আৰ্চাৰক সাধাৰণ কয়দীৰ দৰে জে'ললৈ নিক্ষেপ কৰাৰ ৰায়দান কৰা হ'ল ।

এতিয়া কোন তিৰোতাই কি সাক্ষী দিছিল তাৰ সংক্ষেপে বৰ্ণনা কৰা যাওক ।

এওঁলোকৰ সাক্ষ্যদানৰ সুদীৰ্ঘ দুমাহ সময় জেফ্রি আৰ্চাৰ আদালতৰ কাঠগৰাত থিয় দি ৰ'বলগীয়া হৈছিল ।এইখিনিতে উল্লেখনীয় আমোদজনক তথা প্ৰহসনমূলক ঘটনা এটাও কৈ লওঁ । বিচাৰ চলি থকা সময়তে অভিযুক্ত আৰ্চাৰৰ নাটক The Accused (অভিযুক্ত) লণ্ডনৰ ওৱেষ্ট এণ্ডত চলি আছিল (এতিয়াও বোধ হয় চলি আছে) ।

আৰ্চাৰৰ প্ৰাক্তন সচিব এঞ্জেলা পেপিয়াৰ্টে কৈছিল যে আৰ্চাৰে তেওঁৰ ১৯৬৬চনৰ ডায়েৰী জাল কৰিবলৈ বাধ্য কৰিছিল , বিভিন্ন ছোৱালী বন্ধুৰ বাবে হৰেক ৰকমৰ উপহাৰ কিনা ,ঘৈণীয়েকক প্ৰতাৰণা কৰা আদি কামত সহায় কৰিবলৈ বাধ্য কৰিছিল । কিন্তু ১৯৮৭ চনত এঞ্জেলাক এইবোৰ কামৰ বাবে দিয়া নানা বোনাছ আৰ্চাৰে এই অভিযোগত বন্ধ কৰি দিছিল যে তেওঁৰ বান্ধৱীবোৰৰ উপহাৰ আদিৰ বাবে দিয়া টকা - পইচাৰ এটা বৃহৎ অংশ এঞ্জেলাই আত্মসাৎ কৰিছে । আৰ্চাৰক শাস্তিদানৰ ৰায়ত এঞ্জেলাই প্ৰকাশ কৰা এই তথ্য- পাতিৰ যথেষ্ট ভূমিকা আছিল ।

আৰ্চাৰৰ ভূত পূৰ্ব ৰক্ষিতা কল কহনেও তেওঁৰ বিৰুদ্ধে যথেষ্ট বিধ্বংসী সাক্ষ্যদান কৰিছিল । আঠ বছৰ তেওঁৰ ৰক্ষিতা হৈ থকা তিৰোতাজনীয়ে আৰ্চাৰৰ লণ্ডনৰ আৰু বিদেশৰো পাৰ্টিবোৰ সংগঠিত কৰিছিল , সেই সময়ত আৰ্চাৰৰ পত্নী অতি সন্তৰ্পণে তেওঁলোকৰ গ্ৰেণ্টচেষ্টাৰৰ ঘৰত - আত্মগোপন কৰাৰ দৰে থাকিছিল -'পতিভক্তি'ৰ পৰাকাষ্ঠা দেখুৱাই । পিচে ১৯৮৪ চনত জেফ্রি আৰ্চাৰ যেতিয়া এম পি হ'ল আৰু পাৰ্টিৰ ডেপুটি চেযাৰমেন হোৱাৰ সম্ভাৱনাও দেখা পালে তেতিয়া নিজকে পৰিশোধিত কৰাৰ উদ্দেশ্যেৰে কলাকহনক পৰিত্যাগ কৰিলে । ৭৫মিনিট দিয়া সাক্ষ্যদানৰ পিচত এই প্ৰাক্তন ৰক্ষিতাগৰাকী যেতিয়া বিচাৰালয় এৰি থৈ গৈছিল তেতিয়া আৰ্চাৰৰ ওচৰত সহায় - সহানুভূতিৰ হাত আগবঢ়াই ৰৈ থকা একমাত্ৰ নাৰী বোধহয় মেৰী আৰ্চাৰেই আছিল ।

জেফ্রি আৰ্চাৰৰ দৰে প্ৰভাৱশালী ব্যক্তি আৰু অতি জনপ্ৰিয় লেখকজনৰ এই বিচাৰ আৰু শাস্তিয়ে উন্নত দেশবোৰ যে এক দৃঢ় মেৰুদণ্ডেৰে ন্যায়-নীতিত খোপনি পুতি থাকিব পাৰিছে , সেই কথাকে সূচায় । তাৰ বিপৰীতে আমাৰ দুৰ্ভগীয়া দেশত আইনৰ সুৰুঙাৰে সাৰি গৈ কেনেকৈ সমাজৰ তেজ শোহা ভণ্ড দেশপ্ৰেমিকবোৰ বিভিন্ন অপৰাধৰ বাবে জে'ললৈ নগৈ দেশৰ ক্ষমতাৰ বাঘজৰী হাতত লৈ দেশহে শাসন কৰি থাকে তাৰ নিদৰ্শনত মন অত্যন্ত ক্ষোভিত আৰু ব্যথিত হৈ পৰে আৰু তেতিয়া Saint Joan নামৰ বাৰ্নাৰ্ড শ্বৰ নাটকৰ শেষত ধ্বনিত হোৱা আৰ্তনাদকে অলপ ইফাল সিফাল কৰি অনুকৰণ কৰি ক'বৰ মন যায় - 'Oh God, when shall we be ready to punish the Criminals?'

বংকিমচন্দ্ৰৰ আনন্দমঠ, বন্দে মাতৰম্ আৰু শান্তি

বিশ্বৰ সাহিত্য জগতত দুখন মহৎ গ্ৰন্থৰ একধৰণৰ পথিকৃৎ হিচাপে নাম লোৱা হয়। সেই দুখনৰ এখন হ'ল - মেক্সিম গৰ্কীৰ 'মাদাৰ' আৰু আনখন হ'ল আমাৰ ভাৰত তথা বংগৰ বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ 'আনন্দমঠ' । এই দুখন গ্ৰন্থই দুটা জাতিক নতুন প্ৰেৰণাৰে উদ্দীপিত কৰিছিল , সেই প্ৰেৰণাৰে বলীয়ান হৈ তেওঁলোকে এনে আন্দোলনৰ জন্ম দিছিল , যি আন্দোলনৰ ফলত দুখন দেশৰ নৱজন্ম হৈছিল বুলি ক'লেও বোধহয় অত্যুক্তি কৰা নহ'ব । 'আনন্দমঠ' বংগদেশৰ স্বাধীনতা আন্দোলনৰ একপ্ৰকাৰ জন্মদাতা স্বৰূপ হৈছিল ।এদিন সেই আন্দোলনে স্বাধীন ভাৰতৰো সূত্ৰপাত ঘটাইছিল ।আনহাতে মেক্সীম গৰ্কীৰ 'মাদাৰ'খনে ছোভিয়েট ইউনিয়নৰ জন্মৰ বাট কাটিছিল ।

বংগৰ সাহিত্য জগতত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে নিজৰ আসনখন সুপ্ৰতিষ্ঠিত কৰি লৈছিল 'আনন্দমঠ' লিখাৰো বহুত আগতে । তেওঁক বাংলা সাহিত্যৰ একধৰণৰ পথিকৃৎ বুলি ক'ব পাৰি ।ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ সম্পৰ্কে এনেদৰে কৈছিল - 'তেওঁ যে আমাৰ বাবে নতুন পথ তৈয়াৰ কৰি দি গৈছিল কেৱল সেয়ে নহয়, সেই পথেৰে আগুৱাবৰ বাবে ৰথখনো তৈয়াৰ কৰি দি গৈছে ।' সঁচায়ে, এই কৃতিত্ব অতি বেছি অতুলনীয় বুলি ক'বই লাগিব - পথ আৰু সেই পথত চলা যান নিৰ্মাণকাৰী এই দুইবিধ ক্ষমতাৰ অধিকাৰী ব্যক্তি সচৰাচৰ এওঁলোক হ'ল ক্ষণজন্মা ব্যক্তি ।

বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ এক প্ৰধান কৃতিত্বৰ লগতে 'আনন্দমঠ'ৰো কৃতিত্ব সাঙোৰ খাই আছে । সেই সময়ত বংগদেশত গদ্য সাহিত্যৰ প্ৰায় অস্তিত্বই নাছিল বুলি ক'ব পাৰি । যি আছিল সি এক এনে অদ্ভুত সানমিহলি আৰু আড়ষ্ট ভাষা আছিল যে তাক সাহিত্য বুলি ক'বই নোৱাৰি । তেনে অৱস্থাতে বংকিমচন্দ্ৰই যেতিয়া 'দুৰ্গেশনন্দিনী' নামেৰে তেওঁৰ প্ৰথম উপন্যাসখন প্ৰকাশ কৰে তেতিয়া শিক্ষিত বঙালী সম্প্ৰদায়ে তাৰ ভাব আৰু ভাষা -

বিশেষকৈ ভাষা দেখি বিমোহিত হৈ গৈছিল । কোৱা বাহুল্য , পৰিণত বয়সত তেওঁ যেতিয়া 'আনন্দমঠ'খন লিখি উলিয়াইছিল তেতিয়া সেই গ্ৰন্থই নানা মহৎ দিশৰ লগত ভাষাৰ ক্ষেত্ৰতো উৎকৰ্ষ লাভ কৰিছিল ।

'আনন্দমঠ'খন প্ৰথমতে বংকিমচন্দ্ৰই নিজে সম্পাদনা কৰা মাহেকীয়া আলোচনী 'বঙ্গ- দৰ্শনত ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল আৰু তাৰপিছত ১৮৮২ খ্ৰীষ্টাব্দত কিতাপ আকাৰে তাক প্ৰকাশ কৰে । তেওঁ এই গ্ৰন্থখন লিখাৰ সময়ত আমাৰ দেশত প্ৰায় কোনেও স্বাধীনতাৰ কথা ভাবিবও নোৱাৰিছিল - সেইফালৰ পৰাও এই 'আনন্দমঠ'খন দেশৰ এখন শ্ৰেষ্ঠ গ্ৰন্থ , পথ প্ৰদৰ্শক গ্ৰন্থ হিচাপে চিৰকাল অমৰ হৈ থাকিব । এই গ্ৰন্থতেই তেওঁ ভাৰতবৰ্ষৰ বাবে অমৰ মন্ত্ৰ স্বৰূপে 'বন্দে- মাতৰম্' গীতটিৰ সৃষ্টি কৰে , যি গীতৰ উদাত্ত ধ্বনিত অনুপ্ৰাণিত হৈ বহুতো বঙালী বীৰে স্বাধীনতাৰ ৰণত মৃত্যুক আলিংগন কৰিছিল হেলাৰঙে , যি গীতৰ ধ্বনিত হিমালয়ৰপৰা কুমাৰিকা পৰ্যন্ত আমাৰ দেশৰ জনগণ উদ্বুদ্ধ হৈ স্বাধীনতাৰ বেদীত আত্মজাহ দিবলৈ সাজু হৈছিল । সঁচায়ে কি সুন্দৰ আৰু সুললিত এই 'বন্দে মাতৰম্' গীতটো , প্ৰতিটো শব্দই কি কবিত্বময় ,কি প্ৰাণদায়িনী । দেশমাতৃৰ বন্দনা ভাৰতৰ আৰু কোনো স্বদেশপ্ৰেমৰ গীততেই এনেদৰে মূৰ্ত হৈ উঠা নাই । বাৰে বাৰে শুনিলেও যেন এই 'বন্দে-মাতৰম্' গীতে আমাৰ হেপাঁহ পলুৱাব নোৱাৰে ঃ

বন্দে মাতৰম্ ।
সুজলাং সুফলাং মলয়জ শীতলাং
শস্য শ্যামলাং মাতৰম ।
শুভ্ৰ-জোৎস্না পুলকিত যামিনীম্
ফুল্ল কুসুমিত-দ্ৰমদল শোভিনীম্
সুহাসিনীং সুমধুৰ ভাষিণীম্
সুখাদং বৰদাং মাতৰম্ ।।

সমগ্ৰ গীতটো যেতিয়া স্মৰণলৈ আহে, তেতিয়া তাৰ প্ৰতিটো শব্দই যেন দেশ মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু ভালপোৱাৰে আমাৰ শিৰ নত কৰি পেলায় , এনে লাগে যেন এই গীতটিত বৰ্ণিত দেশখনৰ বাবে হেলাৰঙে প্ৰাণ বিসৰ্জন দিব পাৰি । 'আনন্দমঠ'ৰ কাহিনীটো পঢ়িলে আমি তেনে মনোভাৱ বাস্তৱত ৰূপায়িত হোৱাও দেখা পাওঁ । 'এই নদ-নদী, গিৰি -পৰ্বতময় দেশ-ই কেৱল মাটি নহয় , জড় পদাৰ্থ নহয় ,এই দেশ হ'ল বিশ্বজননীৰ প্ৰতিক, এই দেশ হ'ল আমাৰ সকলো ভক্তি, সকলো শ্ৰদ্ধা, সকলো পূজা- অৰ্ঘ্যৰ জীৱন্ত দেৱী , তেওঁৰ বাবেই জীৱন , তেওঁৰ বাবে প্ৰয়োজন হ'লে মৰণো সুন্দৰ হয় ।'বংগৰ সুখ্যাত লেখক নৃপেন্দ্ৰকৃষ্ণ চট্টোপাধ্যায়ৰ মতে এইটোৱেই হ'ল 'আনন্দমঠ'ৰ মৰ্ম কথা । গ্ৰন্থখনৰ

চৰিত্ৰবোৰৰ মাজেদি এই মৰ্মকথা সুন্দৰভাৱে প্ৰতিফলিত হৈছে ।

ভাৰতবৰ্ষত তেতিয়া ইংৰাজ ৰাজত্ব । ৰাজধানী হ'ল কলিকতা চহৰ । ভাৰতীয় তথা বংগৰ জনগণৰ ওপৰত সেই বগা শাসকৰ শোষণ আৰু নানাবিধ অত্যাচাৰ আছিল সীমাহীন। তাৰ প্ৰতিকাৰৰ অৰ্থে এদল গেৰুৱা বসন পৰিহিত সন্ন্যাসীয়ে হাতত অস্ত্ৰ লৈছিল আৰু সত্যানন্দ নামৰ মহাপুৰুষ এজনৰ তলত 'সন্তান' অথাৎ দেশমাতৃৰ সন্তান নাম লৈ ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হৈছিল । ভিন্ন ভিন্ন দেৱীৰ মূৰ্তি থকা এটা মন্দিৰত তেওঁলোক সমৱেত হৈছিল। সেই দেৱী আছিল দেশমাতৃৰ নানা ৰূপৰ প্ৰতীক। মন্দিৰটোক ঘেৰি তেওঁলোকে সুৰক্ষিত আবাসস্থলো সাজি লৈছিল আৰু সমগ্ৰ প্ৰকল্পটোক 'আনন্দমঠ' বুলি অভিহিত কৰা হৈছিল । সত্যানন্দৰ সৌঁহাত স্বৰূপ আছিল ভৱানন্দ আৰু জীৱানন্দ । পিছত জীৱানন্দৰ পত্নী শান্তিৰ শৌৰ্য-বীৰ্য দেখি পুৰুষবেশ পৰিহিতা শান্তিকো সত্যানন্দই নবীনানন্দ নাম দি এজন সন্তান হিচাপে স্বীকৃতি দিছিল । পিছত পদচিহ্ন নামৰ গাওঁ এখনৰ আঢ্যৱন্ত ব্যক্তি মহেন্দ্ৰও সন্তানৰ দলভুক্ত হৈছিল আৰু নিজৰ বিশাল অট্টালিকাটো তেওঁ ইংৰাজৰ বিৰুদ্ধে যুঁজিবলৈ কামান তৈয়াৰ কৰা কাৰখানাত পৰিণত কৰিছিল ।

সন্তানদলৰ ইংৰাজৰ লগত ছেগা-চোৰোকাকৈ কেবাখনো সৰু-সুৰা যুদ্ধ হৈছিল - কেতিয়াবা সন্তান দল হাৰে , কেতিয়াবা ইংৰাজসকল হাৰে । অৱশেষত শেষ বৃহৎ যুদ্ধখন ইংৰাজৰ পিনৰপৰা পৰিচালিত হৈছিল কেপ্তেইন টমাছৰদ্বাৰা আৰু সন্তানসকলক নেতৃত্ব দিছিল জীৱানন্দই । কিন্তু ভৱানন্দয়ো তাত আগভাগ লৈছিল আৰু শত্ৰুৰ গুলী লাগি ভৱানন্দ নিহত হৈছিল । কিন্তু কেৱল ভৱানন্দই নহয় , শত্ৰুৰ কামানৰ আগত শত-সহস্ৰ সন্তানে প্ৰাণ দিবলগীয়া হৈছিল । অৱশ্যে বংকিমচন্দ্ৰই শেষত ইংৰাজৰে পৰাজয় দেখুৱাইছিল আৰু কেপ্তেইন টমাছৰ দৰে সুদক্ষ সেনাপতিয়ে সেই পৰাজয় বৰণ কৰি নিহত হৈছিল ।

এয়ে হ'ল থুলমুলকৈ 'আনন্দমঠৰ' কাহিনী । এই মহৎ গ্ৰন্থখনৰ কথা ভাৱিলে আৰু এটা কথাত আচৰিত লাগে যে বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে ইংৰাজৰ অধীনত মেজিষ্ট্ৰেট হিচাপে কাৰ্যনিৰ্বাহ কৰিলেও তেওঁ ইংৰাজৰ বিৰুদ্ধে যুঁজ কৰি দেশ স্বাধীন কৰিবলৈ ওলোৱা দেশপ্ৰেমমূলক এই গ্ৰন্থখন ৰচনা কৰাৰ সাহস কৰিছিল । অৱশ্যে ইংৰাজৰ চকুত ধূলি দিবৰ বাবে গ্ৰন্থখনৰ শেষত তেওঁ সন্ন্যাসীৰ মুখত কোম্পানী ৰাজত্বৰ আৱশ্যকতাৰ প্ৰসংগও টানি আনিছিল ।

'আনন্দমঠ'ৰ কাহিনীটো সম্পূৰ্ণ কাল্পনিকো নহয় । সঁচাসঁচিকৈয়ে এদল সন্ন্যাসীয়ে দেশৰ স্বাধীনতা অৰ্জন কৰিবৰ বাবে বংগদেশত এবাৰ এটা বিপ্লৱৰ আয়োজন কৰিছিল। সেয়ে এই কথা ক'ব পাৰি যে বংকিমচন্দ্ৰই কল্পনা আৰু বাস্তৱক সাঙুৰি 'আনন্দমঠ'খন ৰচনা কৰিছিল ।

সৰ্বশেষত মই এটা কথা উল্লেখ কৰিব খোজো ঃ মই বংকিমচন্দ্ৰৰ 'আনন্দমঠ'খনক এক বিশেষ শ্ৰদ্ধাৰ চকুৰে চাওঁ আৰু সেই কথাৰ বাবে নিজে এগৰাকী নাৰী হিচাপে বংকিমচন্দ্ৰৰ প্ৰতি মোৰ প্ৰণিপাত জনাওঁ । 'আনন্দমঠ'খন আলোচনা কৰি আমি দেখিছোঁ যে তাত মহিলা এগৰাকীকো সন্তান অৰ্থাৎ সৈনিক হিচাপে বিশেষ এক স্থান দিয়া হৈছে। যি সময়ত নাৰীক এনে মৰ্যাদা দিয়া হ'ল সেই সময়ত আজিতকৈ নাৰী ক'ত অনগ্ৰসৰ আছিল, তেতিয়া নাৰী আছিল প্ৰায় অসূৰ্যস্পশা´, তেনে অৱস্থাত যে বংকিমচন্দ্ৰই শান্তি নামৰ চৰিত্ৰ এটা সৃষ্টি কৰি তেওঁক পুৰুষৰ সমানেই শৌৰ্য- বীৰ্যৰে ভৰা এক সন্তানৰ আসনত বহুৱালে সি সঁচাকৈয়ে অতি অভাৱনীয়, আমাৰ বাবে গৌৰৱ আৰু আনন্দৰ কথা । এই বিশেষ কথাটোৰ বাবেও 'আনন্দমঠ'খন মোৰ অতি আদৰৰ গ্ৰন্থ হৈ ৰ'ব, চিৰদিনৰ বাবে।

কোনে কিয় লেখে

মই কিয় লেখোঁ এনে এটা প্ৰশ্ন নানাজনৰ পৰা ,নানা অনুষ্ঠানৰ পৰা , নানা কাকত-আলোচনীৰ পৰা শুনি উত্তৰ দিব লগা হয়, কেৱল মইয়ে নে, কম বেছি পৰিমাণে সকলো লেখকেই এই প্ৰশ্নৰ সন্মুখীন হয় । এই প্ৰশ্নৰ উত্তৰ নানাজনে নানাধৰণে দিয়ে - কোনোবাই চুটিকৈ দিয়ে , কোনোবাই দীঘলকৈ দিয়ে ,কোনোবাই গুৰুত্বসহকাৰে দিয়ে , কোনোবাই লঘুভাৱে দিয়ে আৰু কোনোবাই বা নিদিয়েই । অসমৰ সাহিত্যিকসকলে কোনে কি উত্তৰ দি আহিছে সেইবোৰ মোৰ ভালকৈ মনত নাই ,কিন্তু সৌৰভ চলিহাৰটো মনত আছে - কাৰণ সি আছিল অতি সংক্ষিপ্ত উত্তৰ আৰু সেইবাবে কিছু অভিনৱো ঃ তেওঁ কৈছিল - 'ছপাবলৈ'। সঁচায়েতো ,আমি কম বেছি পৰিমাণে সকলোৱেতো ছপাবলৈকে লেখোঁ । পিছে ইয়াত লুকাই থকা লঘু সুৰটোৰ সত্বেও কম যে আমাৰ বাবে কিন্তু ছপোৱাটোৱে সঁচাকৈয়ে প্ৰধান কথা । ছপা আখৰত নামটো দেখিলে ভাল নালাগে বুলি কোনোবা সাহিত্যিকে বুকুত হাত দি ক'ব পাৰিবনে ? মই অন্তত নোৱাৰো, প্ৰায় গোটেই জীৱনটোৱে কাকত-পত্ৰ , আলোচনীত মোৰ নামটো ছপা হৈ ওলাই আছে - তথাপি তাৰ প্ৰতি মোহটো আঁতৰিছে বুলি ক'ব নোৱাৰো । তিনিবছৰমান আগতে মোক শিৱসাগৰ গ্ৰন্থমেলালৈ আমন্ত্ৰণ কৰি নিছিল আৰু তাত মোৰ স'তে এটা অন্তৰংগ আলাপ হৈছিল । প্ৰশ্নকৰ্তা এজন যুৱকে সুধিছিল -(এইখিনিতে এটা কথা কৈ থওঁ যে সেই অন্তৰংগ অনুষ্ঠানটোৱে মোক বৰ তৃপ্তি দিছিল -প্ৰশ্নবোৰ বেছ বুদ্ধিদীপ্ত আৰু আমোদজনক আছিল) মোৰ এতিয়াও কাকতে-পত্ৰে নামটো দেখিলে ভাল লাগেনে নালাগে , মই লগেলগেই অলপো ইতস্ততঃ নকৰি কৈ উঠিছিলো যে ভাল লাগে , এতিয়াও ভাল লাগে ।

আৰু অনেক আকাশৰ তৰা

পিছে ছপাবলৈকে বা ছপা আখৰত নামটো দেখিবলৈকে অৰ্থাৎ এনে এটা আপাত-গুৰুত্বহীন কাৰণতে লেখক সকলে নিশ্চয় নেলেখে -তাৰ নিশ্চয় আন বহুতো কাৰণ থাকে । মোৰো নানা কাৰণ থাকে যাৰ বাবে মই হাতত কলম তুলি লওঁ । পিছে আজি মই নিজে কিয় লিখো সেই বিষয়ে ক'বলৈ ওলোৱা নাই, আনে কিয় লেখে তাকহে লিখিম । অলপতে এখন কিতাপ পঢ়িবলৈ পালো । বংগৰ প্ৰবাদপ্ৰতিম লেখক সুভাষ মুখোপাধ্যায়ে প্ৰণব বিশ্বাসৰ লগত সম্পাদনা কৰা সেই কিতাপখনৰ নাম হ'ল ' কেন লিখি' । ৩০০ পৃষ্ঠাৰ কিতাপখন ২০০২ চনত কলকাতা পুস্তক মেলাত প্ৰকাশ হৈ ওলাইছিল । সেইখনৰ উছৰ্গা পৃষ্ঠাত লিখা আছে এইদৰে - 'একবিংশ শতকেৰ সমুদায় পাঠক - পাঠিকাদেৰ কৰকমলে ' । ভূমিকা লিখিছে সুভাষ মুখোপাধ্যায়ে , তাৰ কেইশাৰীমান কথা অসমীয়াত অনুবাদ কৰি দিলো ঃ এই সংকলনৰ যিগৰাকী বয়োজ্যেষ্ঠ তেওঁৰ জন্ম ১৯০৪ চনত , যি বয়োকনিষ্ঠ , তেওঁৰ জন্ম১৯৬২ চন । এই সময়সীমাৰ ভিতৰত জন্ম আশীজন লেখকৰ জবানবন্দীৰ পৰা বিদায়ী বিংশ শতাব্দীৰ এটা ভাবচ্ছবি একবিংশ শতকৰ হাতত আমি তুলি দিব খোজো । সেই ছবি যেনেকৈ সৃজনৰ , তেনেকৈ মননৰ । যেনেকৈ প্ৰবীণৰ , তেনেকৈ নবীনৰ ....'

আজি মই এই ৮০ জন লেখকৰ কেইজনমানৰ লেখাৰ কিছু প্ৰাসংগিক কথা উদ্ধৃত কৰি বংগৰ সেইসকল লেখকেনো কিয় লেখে , সেই বিষয়েহে কিছু কথা লিখিম। এই ৮০ জনৰ ভিতৰত মই বাছি লম সেইসকল লেখকৰ নাম যিসকল কেৱল কম-বেছি পৰিমাণে নহয় , অসমৰ বহুত মানুহেও তেওঁলোকক ভালকৈ জানে- হয় তেওঁলোকৰ লেখা পঢ়ি , নহয় অন্যান্য কাৰণে । জীবনানন্দ দাস , মহাশ্বেতা দেৱী , সুনীল গংগোপাধ্যায়, নৱনীতা দেৱসেন আদিয়ে কিয় লেখে সেই কথা লিখিম তেওঁলোকৰ লেখাৰ লগত অসমৰ বহুত লেখকৰ - পাঠকৰ পৰিচিতি আছে বাবে, আনহাতে অন্নদাশংকৰ ৰায় , হীৰেন্দ্ৰ নাথ মুখোপাধ্যায় , সৌমিত্ৰ চট্টোপাধ্যায়ৰ কথা । অৱশ্যে কোৱা বাহুল্য যে মই কেৱল প্ৰাসংগিক খণ্ড কেতবোৰহে উদ্ধৃত কৰিম ।

১৮৯৯ চনত জন্ম লাভ কৰি ১৯৫৪চনত কলকাতাত এটা ট্ৰাম দুৰ্ঘটনাত মৃত্যু হোৱা (ঘটনাক্ৰমে সেইদিনা কলকাতাত ময়ো উপস্থিত আছিলো,কাৰণ তাত তেতিয়া মই এম এ পঢ়ি আছিলো)'বনলতা সেন'নামৰ কবিতাৰ অমৰ স্ৰষ্টা জীবনানন্দ দাসে তেওঁৰ লেখাৰ কথাত যিখিনি কথা লিখিছিল তাৰ আৰম্ভণি আছিল এনেকুৱা ঃ'জীৱনক চেৰাই গৈ কোনো মানবীয় অভিজ্ঞতা সম্ভব নেকি ? আকাশ-পাতাল সকলো উপলব্ধি কৰি ল'ব খোজা কবিৰ অভিজ্ঞতাওতো মানবীয়.......যিসকলে ভাবে যে কবিতা যি কোনো সময়তেই সৃষ্টি হ'ব পাৰে,কাৰণ কবিতা সমীচীন গদ্য বা বহুদৰ্শী সম্পাদকীয় মন্তব্যৰ দৰে -কবিতা সম্পৰ্কে তেওঁলোকৰ ধাৰণা অন্যৰকম হ'বই।...মোৰ সৃষ্টি পন্থাও সূৰ্য্য আৰু তপতীক

আশ্ৰয় কৰি ;হয়তো তপতীকেই বেছি অৱলম্বন কৰিছোঁ- কোনো এক ভৱিষ্যতত বিশেষ ভাৱে সূৰ্যাশ্ৰয়ী হোৱাৰ বাবে । কবিতা কি,-কি তাৰ কাম ,-কেনেকৈ কবিতা গ্ৰহণ কৰিব লাগিব -এই সকলোবোৰ প্ৰশ্ন সম্পৰ্কে কবি আৰু পাঠকৰ ধাৰণাক্ৰমে আৰু পৰিচ্ছন্ন নহ'লে উ ভয় পক্ষই অস্বস্তি বোধ কৰিব ....।'

কবি জীবনানন্দৰ এই কঠিন দাৰ্শনিকগন্ধী কথাবোৰ ইয়াতে সামৰি এইবাৰ মহাশ্বেতা দেৱীৰ কথালৈ আহোঁ ।তেওঁৰ লেখাটোৰ এটা শিৰোনামা আছে- 'না লিখে উপায় নেই।' ১৯২৬ চনত জন্মগ্ৰহণ কৰা , জ্ঞানপীঠ বঁটা বিজয়ী এইগৰাকী লেখিকাৰ কেইষাৰমান কথা হ'ল - 'সেই মানুহে কেতিয়া লেখিব ? ' অৰ্থাৎ মহাশ্বেতা দেৱীয়েনো লেখিব কেতিয়া - তেওঁৰ যে ভাৰতবৰ্ষৰ অ'ত ত'ত নিষ্পেষিত মানুহৰ মুক্তিৰ বাবে দৌৰাদৌৰি কৰি থাকোতেই যায় । তথাপি মহাশ্বেতা দেৱীয়ে লিখে , অজস্ৰ লেখাই লিখে । কাৰণ ? তেওঁৰ ভাষাতে কওঁ - তথাপি তাই লেখে , কাৰণ ' কিয় লেখোঁ ' প্ৰশ্নটোৰ খাঁটি উত্তৰ হ'ল লেখা তাই জীৱিকা । লেখিয়ে খায় । আৰু এটা উত্তৰ হ'ল - লিখাৰ বাহিৰে তাই কিয়েই বা কৰিলেহেঁতেন । যেতিয়া তাইৰ বয়স আঠাইশ তেতিয়া তায়ো অইন কাম একোকে নাজানিছিল। প্ৰথম কিতাপ ছপা হৈছিল ত্ৰিশ বছৰ বয়সত ।...তথাপি এটা কথা জানো , তাই যি হৈছে, লেখি লেখিয়েই হৈছে । লেখালেখিত, উকা কাগজত আখৰ বহুওৱাত তাইৰ গভীৰ বিশ্বাস । তাইৰ যিবোৰ লেখা ভাল ,সেইবোৰ লেখাত সেই সময়ৰ মানুহজনী সম্পূৰ্ণ হ'ব পাৰিছে.... লেখে অনন্যোপায় হৈ । নেলেখি উপায় নাই , সেই বাবে লেখে......

১৯৩৪ চনত জন্ম লাভ কৰা , অসমতো অতি জনপ্ৰিয় লেখক সুনীল গংগোপাধ্যায়ে তেওঁৰ কথা আৰম্ভ কৰিছে এনেদৰে - ' কিয় লিখোঁ-এই প্ৰশ্ন যদি মোক চব্বিশ - পঁচিশ বছৰ বয়সত কৰা হ'লহেঁতেন -তেন্তে তেতিয়া উত্তৰটো একধৰণৰ হ'লহেঁতেনে, চল্লিশ - বিয়াল্লিশ বছৰত অন্যৰকমৰ । এতিয়া হয়তো আৰু একৰকম । এই বিষয়ৰ কোনো স্থিৰ সত্য নাই । ...... স্কুলৰ বয়সৰ পৰাই মোক কিতাপ পঢ়াৰ বিৰাট নিচাই ধৰিছিল । কিন্তু কিতাপ পঢ়োতাইতো আৰু লেখক নহয়, মোৰ সেই বয়সত লেখক হোৱাৰ কোনো উচ্চাকাংক্ষা নাছিল .....সেই ছোৱালীজনীৰ মনোৰঞ্জনৰ বাবেই কবিতা ছপোৱাৰ কথা প্ৰথমতে মোৰ মনলৈ আহে । মোৰ প্ৰথম কবিতাটো ছপা হয় 'দেশ' পত্ৰিকাত , ১৯৫১ চনত · তেতিয়া মই মেট্ৰিক পৰীক্ষা দি উঠিছোঁ মাত্ৰ ।.....শেষ পৰ্যন্ত মই অস্বীকাৰ কৰিব পৰা নাছিলোঁ যে কবিতা লিখাৰ মুহূৰ্তবোৰেই হ'ল মোৰ জীৱনৰ সকলোতকৈ ভাল লগা মুহূৰ্ত ।..... গ্ৰাসাচ্ছাদনৰ বাবে পত্ৰ - পত্ৰিকাত গদ্য লেখিবলৈ আৰম্ভ কৰিব লগা হৈছিল । বাৰে বাৰে নিজৰ নামৰ লেখা সম্পাদকসকলে কিয় ছপা কৰিব সেয়ে আৰু তিনিটা ছদ্মনাম উদ্ভাৱন কৰিবলগীয়া হৈছিল - নীল লোহিত , সনাতন পাঠক আৰু নীল উপাধ্যায় ।..... ইমান গদ্য লেখাৰ সুবাদতেই 'দেশ' পত্ৰিকাৰ শাৰদীয় সংখ্যাত উপন্যাস লিখাৰ

আমন্ত্ৰণ আহে .... কবিতাৰ কিতাপো ছপাইছোঁ , কিন্তু এখনৰ পাছত এখন উপন্যাসৰ হেচাঁত যেন কবিতাৰ কিতাপ তলত পৰি গৈছে । কেইবছৰমান পাছত গম পালোঁ ,মই পূৰাপূৰি লেখক হৈ গৈছো । আজীৱন লিখি যোৱাই মোৰ নিয়তি ।.....

এইবাৰ আহো নবনীতা দেৱসেনৰ কথালৈ । (জন্ম ১৯৩৮) । কিয় 'লিখাৰ' তেওঁ এক নিজস্ব শিৰোনামা দিছে - 'ভালো লাগে , তাই লিখি ।' তেওঁ লেখাটো আৰম্ভ কৰিছে এইখিনি কথাৰে — 'কিয় লেখো ? কিয় আকৌ ? সেই এটা মুদ্ৰাদোষ । অকলশৰীয়া ঘৰত অকলশৰীয়া ছোৱালীজনী ডাঙৰ হৈ উঠিছো । কলকলাই কাৰ লগত কথা পাতিম ? বহী - পেন্সিলৰ দৰে এনে সংগী আৰু আছেনে ? সৰুতেই জানি পেলাইছো যে লেখা -লেখা খেলাটো মোৰ সকলোতকৈ প্ৰিয় খেলা , তাত দ্বিতীয় এজন খেলুৱৈৰ প্ৰয়োজন নহয় । তাত তুমিই তোমাৰ বছ । আৰু এই লেখা -লেখা খেলাৰ সকলোতকৈ ডাঙৰ 'যাদু -কী -খেল নো কি ? তুমি অকলে ঘৰত বহি বহি লেখিয়েই বহুতো মানুহৰ ঘৰৰ মানুহ হৈ পৰিব পাৰা । এই লেখাৰ কল্যাণত মই যিমান মানুহৰ নিঃচৰ্ত ভালপোৱা পাইছো (যোগ্যতা থাকক বা নাথাকক)তাতকৈ ডাঙৰ প্ৰাপ্তি জীৱনত আৰুনো কি হ'ব পাৰিলেহেঁতেন ? লেখোঁ, ভাল লাগে , সেয়ে লেখোঁ । লেখি ভালপোৱাও পাওঁ -সেয়ে লেখোঁ । লেখাৰ মাজতে মোৰ প্ৰকৃত জীয়াই থকা ।................মই জানো লেখাৰ মাজতে মোৰ জীয়াই থকা , অইন যিবোৰ কৰোঁ সেইবোৰ সকলো মিছামিছিকৈ কৰোঁ । সকলো অনৰ্থক । সেইবোৰৰ ভিতৰত আচল 'মই'টোৱে নাই .... আকৌ এবাৰ কওঁ , ভাগ্যে লিখোঁ বাবেই জানো মই বাঁচি বৰ্তি থকা নাই ? লেখাই বাৰে বাৰে মোক এক টান মাৰি পোহৰ - বতাহৰ মাজলৈ উঠাই লৈ আহিছে , ডাঙৰ ৰাস্তাৰ ওপৰৰ আন্ধাৰ গাঁত , গভীৰ খাদত বাগৰি পৰিব দিয়া নাই । আশাপূৰ্ণা দেৱীয়ে কৈছে - তেওঁ আই সৰস্বতীৰ ষ্টেনোগ্ৰাফাৰ। আৰু মোৰ ক্ষেত্ৰত আই সৰস্বতীয়েই যেতিয়াই - তেতিয়াই মোৰ এম্বুলেন্সৰ ড্ৰাইভাৰ হৈ যাব লগা হৈছে । নহ'লে ইমানদিনে ক'ৰবাত নহয় ক'ৰবাত হাতভৰি ভাঙি 'দ' হৈ পৰি থাকিলোহেঁতেন ।

বাংলা সাহিত্যৰ ইতিহাস লিখিবলৈ গৈ পণ্ডিতসকলে মোৰ নাম যে পাহৰি যাব জানোঁ । কিন্তু ইয়াকো জানো , কিছু কিছু অপণ্ডিত পাঠকৰ প্ৰাণত মোৰ ঠাই থাকিব । সেয়ে লেখো ।'

নবনীতা দেৱসেনৰ বক্তব্যৰ লগত মোৰ নিজৰো বক্তব্য বৰ বিশেষভাবে মিলি যোৱা যেন লগা বাবেই তেওঁৰ লেখাৰ দীঘলীয়া উদ্ধৃতি দিলো ।

এতিয়া মই দ্বিতীয় পৰ্বটো আৰম্ভ কৰোঁ - অৰ্থাৎ মোৰ ব্যক্তিগত ইচ্ছানুযায়ী বাকীকেইজনৰ কথা লেখা পৰ্ব । তাৰ ভিতৰত প্ৰথমতে আৰম্ভ কৰিব খোজো অলপতে

প্ৰয়াত হোৱা এশ বছৰ অতিক্ৰম কৰা সাহিত্যিক অন্নদা শংকৰ ৰায়েনো কিয় লেখিছিল সেই কথাৰে । মই 'সাপ্তাহিক নীলাচল'ত চাকৰি কৰি থকা সময়ত তেওঁ এবাৰ সেই কাকতৰ স্বত্বাধিকাৰী প্ৰয়াত মুনীন দত্তবৰুৱাৰ আমন্ত্ৰণক্ৰমে গুৱাহাটীলৈ আহি মালিগাঁৱত তেওঁলোকৰ ঘৰতে আছিল । তাহানিৰ আই চি এছ বিষয়া (তেওঁ পাছত তাৰ পৰা পদত্যাগ কৰিছিল) অতিশয় ভদ্ৰলোক সাহিত্যিকজনৰ লগত আমাৰ একধৰণৰ এটা ঘনিষ্ঠতাই হৈছিল । তেওঁ আমাক উপহাৰ দিয়া স্বৰচিত 'সুখ' নামৰ উপহাৰখন এতিয়াও সযতনে সাঁচি থৈছোঁ । অসমপ্ৰেমী , অসমৰ ভাষা- সাহিত্যৰ সপক্ষে বহুত কথা লিখা এই সাহিত্যিকজনে এই নানা কাৰণত মোৰ ব্যক্তিগত বাছনিত প্ৰথমেই ঠাই পাইছে । এতিয়া তেওঁনো কিয় লেখে তাৰ অলপ উদ্ধৃতি দিয়া যাওক। তেওঁৰো লেখাৰ এটা শিৰোনামা আছে - যিটো হ'ল- 'স্থায়িত্বেৰ জন্য লিখি'। তেওঁ লেখাটো আৰম্ভ কৰিছে এই কথাৰে - 'ছপাৰ আখৰত নিজৰ নামটো দেখাৰ ব্যাকুলতাই মোক প্ৰথমে লৈ যায় এখন ইংৰাজী আলোচনীৰ পাতলৈ , তেৰ নে চৈধ্য বছৰ বয়সত । যোল্ল বছৰ বয়সত স্কুলৰ পৰা পুৰস্কাৰ পাইছিলোঁ টলষ্টয়ৰ 'টোয়েন্টি থ্ৰী টেলছ' । তাৰ পৰা এটা গল্প অনুবাদ কৰি পঠাই দিওঁ 'প্ৰবাসী'ৰ সম্পাদকৰ নামত । লেখাটো লগে লগে প্ৰকাশ হয় । মণি অৰ্ডাৰত পাঁচ টকা পাৰিশ্ৰমিক পাওঁ ।.........

কিয় লেখো ? ইয়াৰ উত্তৰ এক কথাত -স্থায়িত্বৰ বাবে লেখোঁ । সাহিত্যৰ ভিতৰত এটা স্থায়িত্বৰ ভাব আছে । অ বশ্যে এইটোও আশা কৰা নেযায় যে সকলো ৰচনাই স্থায়ী হ'ব । সেই অহংকাৰ মোৰ নাই । তথাপি অবিৰাম সাধনাৰ ফলত মই এই কথা ক'ব পাৰোঁ যে মোৰ কিবা নহয় কিবা ৰচনা স্থায়ী হ'ব ।নহ'লেও মই লেখিম ।কাৰণ সেইটোৱে হৈছে মোৰ নিচা আৰু পেছা ।

এইবাৰ লেখো হীৰেন্দ্ৰনাথ মুখোপাধ্যায়ৰ কথা। ১৯০৭ চনত জন্ম গ্ৰহণ কৰা এই অসাধাৰণ ব্যক্তিজন এতিয়াও জীয়াই আছে । আজীৱন কম্যুনিষ্টকৰ্মী এইগৰাকী ব্যক্তিৰ প্ৰতিভা ইমানেই বিৰাট যে ভাৰতৰ কংগ্ৰেছী চৰকাৰেও তেওঁক পদ্মবিভূষণ উপাধি প্ৰদান কৰিবলৈ একপ্ৰকাৰ বাধ্য হোৱাৰ দৰেই হৈছিল । সচাঁয়ে উলাই কৰিব নোৱাৰা বিধৰ তেওঁৰ আকাশচুম্বী প্ৰতিভা , পাণ্ডিত্য । অথচ মানুহজন অতিশয় নম্ৰ আৰু নিৰহংকাৰী যাৰ বাবে এজন বিশিষ্ট লোকে তেওঁৰ বিষয়ে এনেদৰে কৈছিল - A gentle colossus .তেওঁ সাংসদ থকা কালত তেওঁৰ বাগ্মিতাৰ পাণ্ডিত্যৰ প্ৰকাশত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱেও মুগ্ধভাৱে তেওঁৰ ভাষণ শুনিছিল । তেওঁ পদ্মবিভূষণ সন্মান পোৱাৰ উপলক্ষে গিৰিশ মঞ্চত যি সম্বৰ্ধনা সভা হৈছিল (আশীৰ দশকত) তালৈ ঘটনাক্ৰমে মোকো মতা হৈছিল। সেই সময়ত মই মঞ্চলৈ উঠি গৈ আনে ফুলৰ মালা পিন্ধোৱাৰ বিপৰীতে এখন

ফুলৰ গামোচা তেওঁৰ ডিঙিত মেৰিয়াই দিছিলো, ওচৰতে বহি থকা তেওঁৰ এক বিখ্যাত সতীৰ্থই হাঁহি মাৰি কোৱা কথাষাৰ মোৰ এতিয়াও মনত পৰে - 'তোমাকে বেশ মানিয়েছে হে ।' অধ্যাপক মুখাৰ্জীয়ে ডিঙিৰ ফুলৰ মালাবোৰ খুলি থৈছিল যদিও মোক আনন্দিত কৰি গামোচাখন সভাৰ শেষলৈকে ডিঙিৰ পৰা আঁতৰোৱা নাছিল । সেই সময়ত মই 'দৈনিক জনভূমি'ৰ মোৰ 'নানাৰঙী' নামৰ শিতান এটাত 'অসমীয়া গামোচাৰে সুশোভিত অধ্যাপক মুখাৰ্জী নামেৰে এটা লেখাও লিখিছিলো যিটো সম্প্ৰতি 'ষ্টুডেণ্ট ষ্ট'ৰছে প্ৰকাশ কৰা মোৰ 'স্বৰ্গ - মৰ্ত্য - পাতাল ' নামৰ ৰচনা সংকলন এখনত অন্তৰ্ভুক্ত কৰিছো ।

এইহেন মানুহজনে কিয় লেখে সেই কথা মোৰ জানিবলৈ আৰু জনাবলৈতো আগ্ৰহ হ'বই । বিনয়ী মানুহজনে আৰম্ভ কৰিছে এইখিনি কথাৰে - 'সাহিত্য জগতৰ একান্ত এক 'অন্তেবাসী'ৰ (শিষ্যৰ)বাহিৰে মই আৰু একো নহওঁ । ই বিনয়ৰ কথা নহয় , এইটো তথ্য । সম্প্ৰতি,কিছু আকস্মিকভাৱেই মোৰ বহু বছৰ জুৰি সিঁচৰিত হৈ থকা লিখা- মেলাক লৈ কেইজনমানে আগ্ৰহ দেখুওৱাত অলপ হয়তো তুষ্ট হৈছো , কিন্তু ইতো তুচ্ছ ঘটনা । সাহিত্যিকসকলৰ ভিতৰত যিসকলৰ বহুজনৰ চিত্ত জয় কৰাৰ সৌভাগ্য হৈছে আৰু বাস্তৱিকতেই যিসকল সৃজনী প্ৰতিভাৰ অধিকাৰী , তেওঁলোকেহে যদি খোলামনেৰে 'কেন লিখি ' প্ৰশ্নৰ উত্তৰত স্বদেশ - স্বকাল -স্ব সমাজ আৰু হয়তো লগে লগে যথাসম্ভৱ সৰ্ববিশ্বৰ বিষয়ে কিবা কয় - তেতিয়া হ'লে তাৰ মূল্য হ'ব বহুত বেছি ।..... ইমানৰ পাছত উত্তৰ দিওঁ কিয় 'মৰিবলৈ' ইমান দিন ধৰি লেখিছো আৰু আজিও লেখি আছো । এইবোৰ লেখাৰ বাবে কিমান যে কাগজ লাগিছে আৰু কিমান গছৰ মৰণ ঘটিছে । (সিদিনা দেখিলো এক পৰিৱেশ বিজ্ঞানীৰ মন্তব্য যে আমাৰ দেশৰ সকলোৱে যদি 'চাহেব' দেশবোৰৰ অনুকৰণত দৈনন্দিন এক স্বাভাৱিক প্ৰক্ৰিয়াৰ বাবে 'টয়লেট পেপাৰ' ব্যৱহাৰ কৰিব ধৰে তেতিয়া হ'লে আৰু ক'তো গছ নাথাকিব ।) .... তথাপিও মোৰ দৰে জীৱনান্তত অৱস্থিত এজনে লেখি আছোঁ , মাজে মাজে অবসন্ন হৈ 'আৰু নেলিখো' বুলি সংকল্প কৰিও আকৌ লেখিছো - কিয় ? অজুহাত হিচাপে ৰবীন্দ্ৰনাথৰ কথাই উল্লেখ কৰিম - 'মনুষ্যত্বৰ অন্তহীন প্ৰতিকাৰহীন পৰাভবক চৰম বুলি বিশ্বাস কৰিবলৈ মই ৰাজী নহওঁ ।' এইটোৱে হ'ল এই অধম অনুৱৰ্তীৰো জবাবদিহি ।'

এইবাৰ আহোঁ সৌমিত্ৰ চট্টোপাধ্যায়ৰ (জন্ম ১৯৩৫) কথালৈ । এই অতি সুদৰ্শন আৰু প্ৰতিভাৱান অভিনেতাজনে যেতিয়া সত্যজিৎ ৰায়ে বিভূতি ভূষণ বন্দোপাধ্যায়ৰ 'অপু'ৰ 'ত্ৰিলজি'ৰ 'অপুৰ সংসাৰ' আৰু 'অপৰাজিত' চিনেমাৰ যোগেদি আত্মপ্ৰকাশ কৰিছিল তেতিয়া অভিনেতাজনৰ ইমানেই 'ফেন'ৰ জন্ম হ'ল যে এনেকি অসমতো বহুতো নৱজাতক পুত্ৰ সন্তানৰ নাম সৌমিত্ৰ দিয়া হৈছিল , এনেকি ময়ো বৰপুত্ৰৰ নাম প্ৰথমতে অনিন্দ্যৰ সলনি সৌমিত্ৰই দিছিলো , কিন্তু পিছত গড্ডলিকা প্ৰবাহত উটি যোৱা বুলি

ধিক্কাৰ উপজি তাৰ নাম সলালো । যিহওঁক ,সৌমিত্ৰ কেৱল সু - অভিনেতাই নহয় , তেওঁ এজন বিশিষ্ট কবি আৰু লেখকো। মই তেওঁৰ এজন 'ফেন, বিশেষকৈ সত্যজিৎ ৰায়ৰ 'ফেলুদা ' ছিৰিজৰ প্ৰত্যেকখন চিনেমা চাইছো আৰু 'ফেলুদাৰূপী সৌমিত্ৰৰ অভিনয় মুগ্ধতাৰে উপভোগ কৰিছো । গতিকে তেওঁৰ দৰে ঘাইকৈ এজন অভিনেতাইনো কিয় লেখে সি কৌতূহলোদ্দীপক হ'ব বুলিয়েই তেওঁক বাছনি কৰিছো । এতিয়া তেওঁৰ বক্তব্যৰ অংশ বিশেষ উদ্ধৃত কৰা যাওক ।তেওঁৰ লেখাৰো এটা শিৰোনামা আছে যিটো হ'ল 'ঋণশোধেৰ জন্য ' । সৌমিত্ৰই আৰম্ভ কৰিছে এইকেইটা কথাৰে ঃ

'লেখাই যিসকলৰ কাম, পূৰাপূৰি যি লেখক মই নিশ্চয় তেওঁলোকৰ ভিতৰত নপৰো । মোৰ বেছি ভাগ সময় যি কামত ব্যয় হৈছে সি হ'ল অভিনয় কৰাত । সেই কামটো যি পৰিৱেশত অধিকাংশ সময় কৰিব লগা হয় , তাত লেখাৰ দৰে মানসিক অৱস্থা তৈয়াৰ কৰাই মুস্কিল । তথাপিও মাজে মাজে যেতিয়া লেখি আহিছো - তেতিয়া কিয় লেখো সেই প্ৰশ্নৰ উত্তৰ দিয়াৰ দায়িত্ব এটাতো থাকিয়েই যায় ।.... এটা ঋণবোধে মোক নিৰন্তৰ অসন্তুষ্ট আৰু বিচলিত কৰি ৰাখে। মই লেখো , কাৰণ মই ঋণী । মানুহে মোক যিমানখিনি দিছে জন্ম-মৃত্যুৰ অন্ধকাৰ বন্ধনীৰ ভিতৰত এই পৰমাশ্চৰ্য মানব জীৱনতো মানুহেই দিছে । তাৰ আনন্দ - বেদনাৰ যাবতীয় আস্বাদতো মানুহৰ পৰাই পোৱা । এই সকলোবোৰেইতো মানব জন্মৰ ঋণ । সেই ঋণ লেখি শোধ কৰিব বিচাৰো। মনত ভাব হ'ব ধৰে যে জীৱনৰ পৰা , মানুহঁৰ পৰা যি পাইছো তাৰ কণামাত্ৰ অন্তত ঃ ফিৰাই দিওঁ লেখি । মোৰ অভিজ্ঞতাৰ অংশীদাৰ কৰি লওঁ আৰু বহুত বহুত মানুহক । সেই বাবেই বোধহয় লেখো । সেইবাবেই বোধহয় অভিনয়ো কৰো ।'

এই লেখাটোত মই আশীজন লেখকৰ ভিতৰত মাত্ৰ ছজন লেখকক বাছি ল'লো। আৰু কতজন বিশিষ্ট লেখকে কত মনোগ্ৰাহী লেখা লিখিছে , সেই সকলোবোৰৰ নহ'লেও আৰু কেইজনমানৰ কথা সুমুৱাব পৰা গ'লহেঁতেন । কিন্তু একে বিষয়ৰ ওপৰত লেখা পঢ়ি পঢ়ি পাঠক বিৰক্ত হ'ব বুলি মোৰ এই ৰচনাৰ ইয়াতে ইতি কৰিলো।

অনন্য পুত্ৰ ঃ অনন্যা মাতৃ

আমি স্কুল- কলেজত পঢ়ি থাকোঁতে ঘাইকৈ বাংলা গানৰে প্ৰচলন আছিল, অসমীয়াৰো আছিল , কিন্তু তুলনাত কম , হিন্দী গানতো আৰু কম । তেতিয়া আমি শুনা বা মাজে মাজে নিজেও গুণগুণোৱা এটা বাংলা গানৰ শাৰী আছিল এইটো ঃ জীবনে যাৰে তুমি দাওনি মালা , মৰণে কেন তাৰে দিতে এলে ফুল ?

প্ৰয়াত মেদিনী চৌধুৰীৰ কথা ভাবিবলৈ গৈ মোৰ আজি বহুত বছৰৰ মূৰত এই

গানটোলৈ মনত পৰি গ'ল । মই কিন্তু জীৱনত নিজৰ সীমিত সামৰ্থ্যৰে তেওঁক 'ফুলৰ মালা ' যাচিছিলোঁ আৰু এতিয়া মৰণৰ পিছতো তেওঁলৈ 'একাঁজলি ফুল' আগবঢ়াইছোঁ , প্ৰীতিৰে , শ্ৰদ্ধাৰে । পিছে মই মৃত্যুৰ পিছত মানুহক শ্ৰদ্ধা-ভালপোৱা জনোৱাতকৈ জীয়াই থকা কালত জনোৱাটোহে বেছি উত্তম বুলি ভাবোঁ । তাৰ কাৰণ - মৃত্যুৰ পিছত মানুহ ক'লৈ যায়, তেওঁৰ অস্তিত্বই বা থাকে নে নাথাকে , আমি নাজানো (ধাৰ্মিক সকলে অৱশ্যে পৰজন্ম - পূৰ্বজন্ম , সৰগ -নৰক এইবোৰ নানা কথা কয় - অৰ্থাৎ তেওঁলোকৰ মতে মৃত্যুৰ পিছতো মানুহ নিঃশেষ হৈ নেযায় । কিন্তু এইবোৰৰ কোনো প্ৰমাণ নাই আৰু প্ৰমাণ বিনে মই কথাবোৰৰ বিশ্বাস কৰিবলৈ টান পাওঁ), গতিকে মানুহে তেওঁৰ যি প্ৰাপ্য, যি সন্মান ,যি স্বীকৃতি - তাক জীয়াই থাকোঁতেই পাব লাগে বুলি ভাবোঁ । এনে স্বীকৃতি পালে তেওঁ আৰু বেছি উৎসাহেৰে কাম কৰি যোৱাৰ প্ৰেৰণা পায় ।

তথাপি মৰণৰ পিছতো মানুহে স্বীকৃতি পোৱাটোক একেবাৰে উলাই কৰিব নোৱাঁৰো , তেওঁৰ জন্মভূমিলৈ যি অৱদান সেয়া আৰু অলপ নিকপকপীয়া হয় , দেশৰ ঐতিহ্যৰ অংশ হয় । তদুপৰি আৰু এটা ডাঙৰ কথা এয়ে যে তেওঁৰ পৰিয়ালৰ মনত দুখৰ মাজতো এটা গৌৰৱবোধ ওপজে, সেই গৌৰৱৰ আওপকীয়া -ভাৱে হ'লেও অংশীদাৰ হৈ পৰে ।

জীয়াই থাকোঁতে মই মেদিনী চৌধুৰীৰ বিষয়ে অ'ত - ত'ত বহুতবাৰ লেখিছিলোঁ,প্ৰশংসাৰ লগতে আক্ষেপেৰেই ঘাইকৈ লেখি ছিলোঁ । তেওঁৰ দৰে লেখক এজনক বহুত বছৰ সাহিত্য অকাডেমীৰ পুৰস্কাৰৰ পৰা বঞ্চিত কৰি ৰখা বুলিয়েই মই ঘাইকৈ আক্ষেপ কৰিছিলোঁ ঃ তেওঁৰ দৰে অসমৰ বিভিন্ন দিশলৈ সাহিত্য কৰ্মেৰে অৰিহণা যোগোৱা লেখকনো কেইজন আছে ? 'অনন্য প্ৰান্তৰ'ৰ দৰে অনন্য কিতাপ লেখা দিনৰে পৰা আজিলৈ তেওঁ অসমীয়া ভাষা - সংস্কৃতিলৈনো কম বৰঙণি আগ বঢ়াইছেনে ? নানা দিশেৰে সেই বৰঙণি , অনন্য , নানাৰঙী । অসমৰ ইতিহাস ,ভূগোল .সাহিত্য , সংস্কৃতিৰ তেওঁৰ দৰে গভীৰ জ্ঞান থকা মানুহ অসমৰ সাহিত্যিকসকলৰ মাজত কমেই আছে । তেওঁৰ কিতাপবোৰৰ নামেই সেই কথা জলজল-পটপটকৈ দেখুৱাই দিয়ে । 'বণ্ডুকাবেহাৰ' (মাধৱদেৱৰ জীৱন আধাৰিত উপন্যাস), ফেৰেংগাদাও (বিষ্ণু ৰাভাৰ জীৱন আধাৰিত উপন্যাস),তাত নদী নাছিল (বড়ো জনগোষ্ঠীৰ গাওঁ এখনৰ জীৱনগাঁথাৰ উপন্যাস) নামৰ বিশেষ ধৰণৰ উপন্যাস - কেইখনৰ বাহিৰেও তেওঁৰ অন্যান্য গ্ৰন্থসমূহৰ ভিতৰতো আছে আৰু কেইখনমান উপন্যাস, ভ্ৰমণ কাহিনী আৰু প্ৰবন্ধৰ কিতাপ য'ত এই অনন্য বৈশিষ্ট্য প্ৰকট ঃ 'অৰণ্য আদিম ', 'যুগ যুগ গুৱাহাটি ', 'যাদুঘৰৰ কীৰ্তিমুখ', 'লুইত ,বৰাক আৰু ইছলাম ', 'বস্ত্ৰদাহ ','খোলাকাটিৰ তাল' (বজ্ৰনাথ শৰ্মাক লৈ লিখা), 'য়াজ্জু নদীৰ পাৰ', 'চীনৰ ছাত্ৰ আন্দোলন ', 'সন্ত্ৰাসবাদ','জপনা', 'চোৰ', 'মণিৰাম পাটৰ কেনি গ'ল', 'শতিকাৰ

চাঞ্চল্যকৰ স্কুপটো' 'ছন্মাৰু', 'প্ৰত্যাহ্বান', 'সপোন সপোন লাগে', 'ফাগুনত আজাৰৰ ফুল','বিপন্ন সময়', 'সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ প্ৰেক্ষাপটত শংকৰদেৱৰ মূল্যায়ন ' আদি ।ইংৰাজীতো তেওঁ গ্ৰন্থ ৰচনা কৰিছে - সেইবোৰ হ'ল - ট্ৰাইবছ্ অব আচাম প্লেইনছ , বড়ো ডিমাছা অব আছামছ, মেকিং অব এ লীডাৰ ।

মেদিনী চৌধুৰীৰ সাহিত্য -কৰ্ম বা তেওঁৰ সামগ্ৰিক সৃষ্টিৰ বিষয়ে মই ক'বলৈ ওলোৱা নাই, কাৰণ , বিভিন্ন লেখকে তেওঁৰ মৃত্যুৰ আগতে নহ'লেও মৃত্যুৰ পিছত তেওঁৰ প্ৰতিভা সম্পৰ্কে অ'ত - ত'ত নানা লেখা লেখিছে বা আৰু লিখি থাকিব । মই কেৱল তেওঁৰ সাহিত্য কৰ্ম সম্পৰ্কে এষাৰ কথাই ক'ব খোজো যে স্বাজোত্তৰ যুগত তেৱেঁ অসমীয়া সাহিত্যৰ এজন শ্ৰেষ্ঠ বুৰঞ্জীমূলক উপন্যাস লেখা ঔপন্যাসিক আৰু সংখ্যাগত হিচাপেও আটাইতকৈ বেছি তেনে উপন্যাস লেখিছে । তেওঁৰ দৰে ইমান অধ্যয়ন কৰা ঔপন্যাসিকো নাই বুলি মোৰ ধাৰণা - প্ৰত্যেকখন উপন্যাসেই তেওঁৰ নানা বিষয়ৰ ওপৰত অধ্যয়নৰ স্বাক্ষৰ ৰাখিছে ।

মেদিনী চৌধুৰী আছিল এজন বৰ্ণাঢ্য ব্যক্তিত্বৰ মানুহ, অলপ ৰহস্যময় ব্যক্তিও। তেওঁক কত বছৰৰ পৰা জানিছিলোঁ অথচ সদায় এনে এটা অনুভূতি জাগি থাকিছিল যে তেওঁৰ সতে ঘনিষ্ঠতাতো যেন এখন আঁৰ বেৰ থাকিয়েই গৈছিল । তেওঁ আমাৰ আগত যেন কেতিয়াও খোলাখুলিকৈ মনৰ কথা নক'লে । তেওঁৰ দৰে গুৰুত্বপূৰ্ণ লেখক এজনে যে অসমত যথাযথ গুৰুত্ব নাপালে সেই কথা লৈ তেওঁৰ কি ক্ষোভ বা দুখ আছিল সেই কথা কেতিয়াও আমাক মুখ ফুটাই নক'লে - মই কেতিয়াবা সেই কথা উলিয়ালেও তেওঁ তাক যেন এক প্ৰকাৰ নুশুনাৰ ভাওয়েই ধৰিছিল - অথচ মাজতে তেওঁ যেতিয়া মেদিনী চৌধুৰী নেলেখি মেদিনী নাৰ্জী বুলি লেখিব আৰম্ভ কৰিলে তেতিয়াই আমি তেওঁৰ ক্ষোভ আৰু অভিমানৰ কথা বুজি পাইছিলোঁ ।বড়ো গোষ্ঠীৰ মানুহ হ'লেও তেওঁৰ আৰু যোগেশ দাসৰ অসমীয়া ভাষা - সাহিত্যৰ প্ৰতি যি বিৰাট বৰঙণি তাৰ স্বীকৃতি যোগেশ দাসে পালেও মেদিনী চৌধুৰীয়ে হ'লে নাপালে । তেওঁক প্ৰয়াত দাসৰ দৰে সাহিত্য সভাৰ সভাপতি পতা ন'হ'ল , মেগৰৰ অসম ভেলী পুৰস্কাৰ বা কমলকুমাৰী বৰুৱা স্মাৰক বঁটা আগবঢ়োৱা নহ'ল আৰু সাহিত্য অকাডেমীৰ পুৰস্কাৰো পালে সেই ১৯৯৯ চনতহে । মেদিনী চৌধুৰীক কিয় এনেকৈ অৱহেলা কৰা হ'ল মই বুজি নাপাওঁ , তেওঁৰ মৃত্যুৰ সময়ত শীলভদ্ৰই কৰা এই মন্তব্যটোতে অলপ সত্যতা নিহিত হৈ আছে নেকি যে এক বিশেষ গোষ্ঠীভুক্ত নহ'লে মানুহে জীৱিত কালত উপযুক্ত স্বীকৃতিৰ পৰা বঞ্চিত হয় । মেদিনী চৌধুৰী ৰ ক্ষেত্ৰতো সেয়াই হ'ল ।শীলভদ্ৰৰ এই কথাকেইটাৰ লগতে একপ্ৰকাৰ প্ৰাসংগিকভাৱে আৰু দুজনমান এনে গোষ্ঠীভুক্ত নোহোৱা আৰু নিজৰ বিশিষ্ট অৱিহণাৰ

পিছতো বঞ্চিত হৈ ৰোৱা বয়োজ্যেষ্ঠ লেখকৰ দুজন হ'ল - পদ্ম বৰকটকী আৰু বীৰেশ্বৰ বৰুৱা ।অসমীয়াই যেন এওঁলোক দুজনক প্ৰাপ্য স্বীকৃতি দিয়া নাই ।

মেদিনী চৌধুৰীয়ে যে সাহিত্য অকাডেমীৰ বঁটাটোৰ পৰা বহুত দিন বঞ্চিত হৈ আছিল সেই কথাটো লৈ মই বাতৰিকাকতত কেইবাৰো ক্ষোভ প্ৰকাশ কৰি লেখিছিলোঁ। মই সেই মানুহজনীকে যেতিয়া সাহিত্য অকাডেমীয়ে সেইবাৰ জুৰি ব'ৰ্ডৰ তিনিজন সদস্যৰ এজন কৰি আমন্ত্ৰণ জনালে তেতিয়া মই এই কথাতে আনন্দিত হ'লোঁ যে এইবাৰ যদি শেষ পৰ্যায়ৰ বাছনিত উঠা তিনিখন কিতাপৰ ভিতৰত এখন মেদিনী চৌধুৰীৰ হয় তেন্তে মই তেওঁৰখন বাছনি কৰিব পাৰিম ।সিদিনা সৰ্বশেষ সিদ্ধান্তৰ বাবে গুৱাহাটীৰ চাৰ্কিট হাউছত সাহিত্য অকাডেমীৰ আঞ্চলিক সভাপতি ৰামকুমাৰ মুখোপাধ্যায় , সাহিত্য অকাডেমীৰ পৰিষদৰ সদস্য নৱকান্ত বৰুৱা আৰু মোৰে সৈতে দুজন জুৰি উপস্থিত হৈছিলোঁ - তৃতীয়জন অনুপস্থিত আছিল আৰু তেওঁৰ বাছনি এখন চিঠিৰে জনাই পঠিয়াইছিল ।মূৰকত দেখা গৈছিল যে আমি তিনিও তিনিজন বেলেগ বেলেগ লেখকৰ নাম ছুপাৰিশ কৰিছোঁ ।সেই তিনিখন কিতাপৰ ভিতৰত ভাগ্যক্ৰমে এখন আছিল মেদিনী চৌধুৰীৰ 'বিপন্ন সময়' আৰু স্বাভাৱিকতে মই সেইখন ছুপাৰিশ কৰিছিলোঁ ।তেতিয়া নৱকান্ত বৰুৱাই মোৰ লগৰ আনজন সদস্যাকো মোৰ লগত একমত হ'বলৈ অনুৰোধ কৰিলে আৰু ক'লে যে মেদিনী চৌধুৰীক বহুত দিন বঞ্চিত কৰি ৰখা হৈছে ।তাৰ পিছত তেওঁ এনে এষাৰ কথা ক'লে যিষাৰ মনত পৰিলে মই বিষাদেৰে ভাবোঁ - জীৱন -মৰণৰ কথানো কোনে নিশ্চিতভাৱে ক'ব পাৰে । নৱকান্ত বৰুৱাই কৈছিল -and he dying...তাৰ পিছতো কিন্তু মেদিনী চৌধুৰী আৰু চাৰি বছৰেই জীয়াই থাকিল আৰু নৱকান্ত বৰুৱাৰ মৃত্যু হ'ল তেওঁতকৈ আগতেই ।সি যি কি নহওক জীৱনত জুৰী ব'ৰ্ডৰ প্ৰথমবাৰৰ বাবে সদস্য হোৱাৰ সেইদিনা এটা সাৰ্থকতা লাভ হৈছিল ।

মেদিনী চৌধুৰীৰ লগত মোৰ আগৰে পৰা চা-চিনাকি কিন্তু নাছিল . বিয়াৰ পিছতহে বৰগোহাঞিৰ বিশিষ্ট বন্ধু হিচাপে তেওঁৰ সতে আৰু তেওঁৰ পৰিয়ালৰ সতেও আমাৰ ঘনিষ্ঠতা হৈছিল ।এইবোৰ কাহিনী মই নানা ঠাইত নানাভাৱে বৰ্ণাইছোঁ , গতিকে চৰ্বিত - চৰ্বন কৰিব নোখোজোঁ ।কেৱল এটা কথাকে ক'ব খোজোঁ যে ল'ৰা-ছোৱালীৰ জীৱনক গঢ় দিয়াত মাক দেউতাকৰ যে ডাঙৰ ভূমিকা থাকে বা মাক-দেউতাকৰ কিবা গুণৰ যে ল'ৰাছোৱালীও উত্তৰাধিকাৰ হয় তাৰ প্ৰমাণ আমি যেনেকৈ বহুতো মনীষীৰ জীৱন-কাহিনী পঢ়ি গম পাওঁ তেনে কথা একেদৰে গম পাইছিলোঁ চৌধুৰীৰ পৰা তেওঁৰ মাকৰ কথা শুনি আৰু পিছত সেই মাকক সোঁশৰীৰে লগ পাই।

গতিকে আজি মই মেদিনী চৌধুৰীৰ লগতে একপ্ৰকাৰৰ অনন্য সাধাৰণ মাকৰ কথাও ক'ব খুজিছোঁ ।বহুতেই নিশ্চয় তেওঁৰ মাকৰ কথা নেজানে কিন্তু জানিবলৈ আগ্ৰহ

অনুভৱ কৰে - এনে এজন জনগোষ্ঠীয় লেখকৰ মাক নিশ্চয় ৰামছা গাঁৱৰ (চৌধুৰীৰ নিজৰ গাওঁ , য'ত তেওঁৰ দেউতাক হিতৰাম চৌধুৰী মৌজাদাৰ আছিল)কোনো বড়ো - কছাৰী পৰিয়ালৰ লেখা-পঢ়া নজনা ছোৱালী হ'ব - সাধাৰণতে মানুহে বোধহয় এনেকৈয়ে ভাবে , ময়ো ভাবিছিলোঁ । তথাপি প্ৰত্যেক বিশিষ্ট মানুহৰ 'হাড়িৰ খবৰো ' জানিবলৈ জনসাধাৰণৰ কৌতূহল থাকে । মোৰো কৌতূহল আছিল যদিও চৌধুৰীক তেওঁৰ গাঁৱৰ ঘৰৰ কথা সুধিবলৈ ভাল নেলাগিছিল আৰু লগতে এই কথাও ঠিক যে তেওঁৰ লগত ঘনিষ্ঠতা হ'লেও তেওঁ যেন নিজৰ সমুখত এখন আঁৰ - বেৰো ৰাখি থয় -যিটো কথা অলপ আগতে উল্লেখ কৰি আহিছোঁ ।

পিছে এদিন ঘটনাক্ৰমে সেই আঁৰ-বেৰখন যেন আঁতৰি গৈছিল । প্ৰায় দহ বছৰমান আগৰ কথা নেকি. চৌধুৰী তেতিয়া আমি থকা যোৰপুখুৰী পাৰৰ ঘৰলৈ সময় পালে মাজে মাজে আহিছিল আৰু গহীন, ৰসাল -সকলোধৰণৰ কথা -বতৰা পাতি সময়বোৰ মধুৰ কৰি তুলিছিল । এদিন আমি কথা পাতিছিলোঁ আজিকালিৰ প্ৰশ্ৰয়কাৰী মাক-দেউতাকৰ বিষয়ে - ল'ৰা -ছোৱালীক যে অন্যায় কৰিলেও বিশেষ খং নকৰে বা শাসন নকৰে । তেতিয়া চৌধুৰীয়ে কৈছিল- 'আমি সৰু থাকোঁতে গাৱঁৰ কোনোবা ল'ৰাৰ লগত কাজিয়া কৰি অহা বুলি গম পালে আমাৰ মায়ে দোষী নে নিৰ্দোষী সেইটো বিচাৰ নকৰি আমাকে ডবিয়াইছিল বোলে তই ভাল হ'লে লোকৰ ল'ৰাৰ লগত কেলেই কাজিয়া কৰিবলৈ যাবি ?'

মই তেতিয়া চৌধুৰীৰ গাঁৱৰ মাতৃ-পিতৃকুলৰ পৰিয়ালৰ কাৰো কথাই একো নেজানিছিলোঁ , কেৱল পূৰ্বতে উল্লেখ কৰি অহাৰ দৰে তেওঁৰ মাক ৰামছা গাঁৱৰে অশিক্ষিতা বা স্বল্প-শিক্ষিতা বড়ো জনগোষ্ঠীৰ ছোৱালী বুলি ভাবি থৈছিলোঁ ।

যি হওক, সিদিনা মেদিনী চৌধুৰীৰ মাকৰ তেনে এক 'গান্ধাৰী'সুলভ দৃষ্টিভংগীৰ পৰিচয় পাই মই অলপ সসম্ভ্ৰমেৰেই সুধিছিলোঁ - 'আপোনাৰ মাক জীয়াই আছেনে নাই ?' প্ৰশ্নটো সুধি মই তেওঁৰ বয়সৰ কথা ভাবি মাকৰ ইতিমধ্যে মৃত্যু হোৱা বুলিয়েই ভাবিছিলোঁ। কিন্তু চৌধুৰীয়ে কৈছিল যে তেওঁৰ মাক সুস্বাস্থ্যৰে জীয়াই আছে ।

তাৰ পিছত কেইটামান বছৰ বাগৰি গৈছিল । তেতিয়া বহাগ বিহু আহিছিল আৰু মই সৰু পুত্ৰ প্ৰদীপ্তক লৈ তেওঁলোকৰ চানমাৰী কলনীৰ হাউছিং ব'ৰ্ডৰ ঘৰলৈ পৰিয়ালটোক বিহুৰ ওলগ জনাবলৈ গৈছিলোঁ । চৌধুৰীয়ে কথাই কথাই ক'লে যে তেওঁৰ মাকো আহি তেওঁলোকৰ লগত আছেহি ,যথেষ্ট বয়স হ'ল মাকৰ, ৯৩ বছৰেই হ'ল । মইতো বিস্ময়ত হতবাক হৈ যোৱাৰ দৰে হ'লোঁ । তেওঁক এবাৰ চোৱাৰ ইচ্ছা প্ৰকাশ কৰাত চৌধুৰীৰ বোৱাৰীয়েকে মোক ভিতৰৰ কোঠালী এটালৈ লৈ গৈছিল । বিছনাত শুই আছিল শুভ্ৰ কেশৰ এগৰাকী বৃদ্ধা,মুখখন যেন সম্পূৰ্ণ সোলা । তথাপি মোক চিনাকি কৰাই দিওঁতে বেছ টনটনীয়া মাতেৰেই কৈছিল - 'চকুৰে ভালকৈ মনিবই নোৱাৰোঁ , বৰ অসুবিধা ।' পিছে

নাতিবোৱাৰীয়েকে হাঁহি হাঁহি কৈছিল -'আইতাই কিন্তু এতিয়াও খুব কিতাপ পঢ়ে । সৌ যে ওচৰৰ চেল্‌ফত কিতাপৰ দমটো আছে, সেইবোৰ পঢ়ি থাকে । খোৱা-লোৱাও ঠিকেই আছে... '

মই সিদিনা যেন লগে লগেই গম পাইছিলোঁ - এয়া মই এগৰাকী অনন্য সাধাৰণ মাতৃৰ সমুখত থিয় হৈ আছোঁ - এই মাতৃৰ পুত্ৰ মেদিনী চৌধুৰী হোৱাটো যেন অতি স্বাভাৱিক কথা ।

আমি পিছত আকৌ এদিন আহিম বুলি কৈ চৌধুৰী পৰিয়ালৰ পৰা বিদায় মাগিছিলোঁ আৰু সেইমতে আকৌ এদিন গৈ তেওঁলোকৰ ঘৰ ওলাইছিলোঁগৈ । সিদিনা মাকক ড্ৰইংৰুমতে লগ পাইছিলোঁ আৰু আগৰ বন্দৱস্তমতে প্ৰদীপ্তই মোক তাতে বৃদ্ধাৰ ওচৰত বহুৱাই থৈ ওচৰৰ ক'ৰবালৈ গৈ পিছত আহি ঘৰলৈ লৈ যোৱাৰ কথা আছিল -সি ভাবিছিল যে দুই 'বৃদ্ধা'ৰ কথা-বতৰা শুনি থাকি সি আমনি পাব । কিন্তু মেদিনী চৌধুৰীৰ মাকৰ কথা - বতৰাত পুতেকৰ দৰেই এনে সন্মোহনী শক্তি আছিল যে (বহুত বছৰৰ আগতে বংগৰ বিখ্যাত কবি নীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীয়ে ডিগবৈলৈ গৈ তেতিয়া মাৰ্ঘেৰিটাত পলিটিকেল অফিচাৰ হৈ থকা মেদিনী চৌধুৰীক লগ পাই পিছত 'দেশ'সাপ্তাহিকত সেই দিনকেইটাৰ স্মৃতি - চাৰণ কৰি একে ধৰণৰ কথাকে লিখিছিল যে ভদ্ৰলোকে এনে মনোগ্ৰাহী, ৰসালকৈ কথা-বতৰা কয় যে মানুহক ওচৰলৈ টানে) প্ৰদীপ্তয়ো মন্ত্ৰমুগ্ধৰ দৰে ক'লৈকো নগৈ তেওঁৰ কথা শুনি বহি ৰ'ল । তেওঁৰ এটাও দাঁত নাছিল সঁচা ,কিন্তু কথাবোৰ আছিল ডেকা মানুহৰ দৰেই স্পষ্ট, তদুপৰি তেওঁ এবাৰো প্ৰসংগৰ পৰা আঁতৰি যোৱা নাছিল- কোনো লাগ-বান্ধ নোহোৱা কথা কোৱা নাছিল । কেৱল মাজে মাজে কৈছিল -'মোৰ শিক্ষা-দীক্ষা নাই , মই ভালকৈ কথা ক'ব নাজানো ।'

পিছে তেওঁৰ লগত কথা পাতি আৰু তেওঁক সুধি সুধি মই তেওঁৰ বিষয়ে যিখিনি কথা জানিলোঁ - সি মোক আচৰিত মনালে (পুতেকেও আচৰিত মনাইছিল -আমাৰ লগত তেওঁৰ কত দিনৰ বন্ধুত্ব , অথচ এদিনৰ বাবেও মাকৰ বিষয়ে এটাও কথা কোৱা নাছিল ,কেৱল সিদিনা ল'ৰালিকালত কোনোবা বন্ধুৰ লগত কাজিয়া কৰি আহিলে তেওঁকে ডবিওৱা কথাটোৰ বাহিৰে)।

মেদিনী চৌধুৰীৰ মাক সৰলাবালা চৌধুৰী আছিল সোণাৰাম দাসৰ কন্যা (অৰ্থাৎ তেওঁ ট্ৰাইবেল ছোৱালী নাছিল) । সোণাৰাম দাস আছিল এজন জেইলৰ । চানমাৰিৰ ইঞ্জিনীয়াৰিং ইনষ্টিটিউটৰ পিছফালে থকা টিলা এটাত তেওঁৰ ঘৰ-মাটি আছিল -অৱশ্যে তাৰ মালিক এতিয়া মংগলদৈৰ সুখ্যাত শিৱ শৰ্মাৰ পৰিয়াল । সোণাৰাম দাস যেতিয়া গুৱাহাটীৰ পৰা তেজপুৰলৈ বদলি হৈ গৈছিল তেতিয়া তেওঁৰ কন্যা সৰলাবালা দাসৰ

বয়স আছিল আঠ বছৰ । তেজপুৰত তেতিয়া বাংলা মাধ্যমৰ স্কুলহে আছিল , সোণাৰাম দাসে জীয়েকক সেই স্কুলতে নাম লগাই দিছিল । সৰলাবালাই তাত তিনি বছৰ পঢ়িছিল , তাৰ পিছত তেজপুৰত ছোৱালী মাধ্যমৰ স্কুল স্থাপিত হোৱাত তেওঁক দেউতাকে নি তাতে নামভৰ্তি কৰি দিছিল ।

১৯১৫ চনত সৰলাবালাই বৃত্তি লাভ কৰি প্ৰাইমেৰী পৰীক্ষা পাছ কৰিছিল । তেতিয়া নগাওঁ আৰু তেজপুৰ চহৰৰ মাজত এটাই মাত্ৰ বৃত্তিআছিল আৰু তেঁৱেই সেই মূল্যবান বৃত্তিটো লাভ কৰিছিল । তাৰ বাবে যিটো মেডেল পাইছিল- মেদিনী চৌধুৰীয়ে কিন্তু সেইদিনা তেওঁৰ নিজক নজহোৱা মানসিকতা আমাৰ আগ্ৰহত পৰিহাৰ কৰি মাকে বৃত্তি পাই পোৱা মেডেলটো আমাক আনি দেখুৱাইছিল (সেইটো বোধহয় তেওঁৰ লগতে আছিল)যত এটা পিঠিত এইখিনি কথা-Awarded to Srimati Saralabala Dasi of Tezpur Assamese Girl's School আৰু আনটো পিঠিত এইখিনি কথা - Col.Gray Memorial Medel.L.B.Examination.1915. খোদিত কৰা আছিল । কোৱা বাহুল্য আমি দুয়ো মাক-পুতেকে অবাক আৰু মুগ্ধ নয়নেৰে সেই মেডেলটো চাই আছিলোঁ।

পিছে ছোৱালীৰ শিক্ষাক কোনে গুৰুত্ব দিয়ে -বিশেষকৈ তেতিয়াৰ দিনত । গতিকে সৰলাবালাক নৱমমানতে ৰামছা গাঁৱৰ মৌজাদাৰৰ পুত্ৰ হিতৰাম চৌধুৰীৰ লগত বিয়া দিছিল । সেই মেধাবী ছোৱালীজনীৰ ,জ্ঞান লাভৰ প্ৰতি আকুলতা থকা ছোৱালীজনীৰ পঢ়া-শুনাৰ তাতেই ইতি পৰিছিল আৰু গাঁৱৰ বোৱাৰী হৈ জীৱনটো পাৰ কৰি দিছিল । সেই কথা স্মৰণ কৰি তেওঁ আমাক আক্ষেপ কৰি কৈছিল যে পঢ়িবলৈ ইমান ইচ্ছা থকাতো তেওঁ পঢ়িব নোৱাৰিলে. আজিৰ দিন হোৱা হ'লে তেওঁ এই বিয়াৰ বিৰুদ্ধে সজোৰে প্ৰতিবাদ কৰিলেহেঁতেন ।

কিন্তু প্ৰতিবাদ কৰিবতো নোৱাৰিলে, বিয়া হৈ গ'ল আৰু এখন গাঁৱৰ মৌজাদাৰ এজনৰ ঘৰত একপ্ৰকাৰৰ অত্যাচাৰিতা বোৱাৰী হৈ যৌৱনকাল পাৰ কৰি দিলে । তেওঁ আছিল ঘৰৰ ডাঙৰ বোৱাৰী ,গতিকে তেওঁৰ ওপৰত ঘৰৰ বেছি দায়িত্ব পৰিছিল । চহৰৰ পঢ়া-শুনা কৰা ছোৱালী আছিল , গতিকে বেছি ঘৰুৱা বন শিকা নাছিল ,গাঁৱৰ কামতো আৰু নাজানিছিল । শাহুৱেক আছিল নিৰ্দয়, তেওঁৰ স্বামীৰ আৰু শহুৰেকৰ অবৰ্তমানত সৰলাবালাক ফলাখৰিৰে মাৰি পিঠিৰ ছাল ছিগি দিছিল-তেওঁ সেই অত্যাচাৰৰ কথা কাকো নকৈ বোলে নীৰৱে সহ্য কৰি থাকিছিল ।

মই তেওঁক এবাৰ সুধিছিলোঁ যে তেওঁ তেজপুৰৰ আগৰৱালা পৰিয়ালৰ কাৰোবাক চিনি পায় নেকি । তেতিয়া তেওঁ কৈছিল যে হৰিবিলাস আগৰৱালাক দেখিছিল -'তেনেই

চুটি-চাপৰ মানুহ । পৰিবাৰো একেই চুটি-চাপৰ আছিল।

আমি তেওঁৰ পৰা সেই সময়ৰ তেজপুৰ চহৰৰ কথা জানিবলৈ বিচাৰিছিলোঁ । তেতিয়া তেওঁ কৈছিল -'তেতিয়া তেজপুৰত লক্ষ্মীনাথ বেজবৰুৱা আছিল । মানুহজনৰ বৰ ভয় । কাৰোবাৰ ঘৰলৈ ফুৰিবলৈ গ'লে গধুলি অকলে উভতি আহিব নোৱাৰিছিল, লগত কোনোবা থাকিব লাগিব । আকৌ নিজৰ ঘৰত সোমাই দুৱাৰখনত খিলি লগাই দিয়াৰ পিছতহে তেখেতে সংগীজনক যাবলৈ দিছিল । আমাৰ ঘৰলৈকো আহে,দেউতাই তেখেতক উভতিবৰ পৰত জেলৰে পুলিচ এজনক লগত দি ঘৰলৈ পঠিয়ায়।'

এইবাৰ মেদিনী চৌধুৰীয়ে কৈছিল -'মাই, তই এইবাৰ এওঁলোকক পদ্মনাথ গোহাঞিবৰুৱাৰ কথা কচোন।'

পুতেকৰ কথাত সৰলাবালা চৌধুৰীয়ে হাঁহি এটা মাৰি পুনৰ আগৰ দৰেই শুৱলাকৈ ক'বলৈ ধৰিলে-'পদ্মনাথ গোহাঞিবৰুৱা তেজপুৰৰ কলীবাৰীত আছিল । বিয়াও কৰাইছিল কলীবাৰীৰে ছোৱালী । লক্ষ্মীনাথ দাসৰ ছোৱালী । কেওঁট জাতি, সেয়ে বিয়াৰ পিছত মাকৰ ঘৰলৈ গ'লে জীয়েক আৰু পাকঘৰত সোমাব পৰা নাছিল।'

কথাটো শুনি মই বৰ আচৰিত হৈ সুধিছিলোঁ-'জীয়েকক পাকঘৰত সোমাব দিয়া নাছিল? কিয়?' সোলামুখৰ ৯৩ বছৰীয়া বৃদ্ধাগৰাকীয়ে আৰু এটা হাঁহি মাৰিছিল আৰু কৈছিল - 'কেওঁটৰ ঘৰত আহোম হৈ যোৱা ছোৱালীক কিয় সোমাব দিব ? পদ্মনাথ শহুৰেকৰ ঘৰলৈতো যোৱাই নাছিল । পদ্মনাথ পিছে প্ৰথমতে গঁগৈহে আছিল আৰু শেষত হ'লগৈ একেবাৰে অনাৰেবল্ শ্ৰী যুত পদ্মনাথ গোহাঞিবৰুৱা ।'

ইয়াৰ পিছত জাত - পাতৰে প্ৰসংগক লৈ তেওঁ মোক এনে এটা কথা কৈছিল যিটো মোৰ মনত বিষাদেৰে অংকিত হৈ আছে । তেতিয়া আমি চাহ - ঠাহ খাই উঠিছিলোঁ আৰু চৌধুৰীৰ পত্নী পানু চৌধুৰীয়ে আমাক বটাত তামোল আগবঢ়াই দিছিল আৰু শাহুৱেকক খুন্দি দিছিল । সেই তামোল হাতত লৈ সৰলাবালাই মোক হঠাতে কৈ উঠিছিল - 'আগতে বামুণে কছাৰী মানুহক কেনেকৈ তামোল দিছিল জানা ? এনেকৈ - তেওঁ মোক হাত স্পৰ্শ নকৰাকৈ ওপৰৰ পৰা হাতত বস্তু পেলাই দিয়াৰ ভংগীমা কৰি সেই কথা বুজাইছিল । মই তেতিয়া ক্ষোভেৰে ভাবিছিলোঁ - অসমীয়া জাতিটো এনেকৈ ভাঙি থানবান হোৱাৰ গুৰিতেতো অন্যান্য অনুন্নত জাতি , ট্ৰাইবেলসকলৰ প্ৰতি এই ঘৃণা , উন্নাসিকতা , তুচ্ছ-তাচ্ছিল্যৰ ভাবো অন্যতম প্ৰধান কাৰণ ।

ইয়াৰ পিছত আৰু নানা কথা পাতি তেওঁক মই স্কুলীয়া দিনত পঢ়া কিবা কিতাপৰ কথা মনত আছেনে সুধিছিলোঁ । তেওঁ তেতিয়া লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'

আৰু মফিজুদ্দিন আহমেদৰ ' জ্ঞান-মালিনী 'ৰ কথা কৈছিল । মই তেওঁক আকৌ সুধিছিলোঁ -তেওঁতো তেতিয়াৰ দিনৰ তুলনাত এগৰাকী শিক্ষিতা মাকেই আছিল - সকলো ল'ৰা -ছোৱালীকেইটাৰ পঢ়া-শুনা চাই-চিতি দিছিলনে ? তেতিয়া বৃদ্ধাই হাঁহি এটা মাৰি কৈছিল যে তেওঁ সচাঁকৈয়ে অজ্ঞ মানুহ , সন্তানক কেনেকৈ পঢ়ুৱাব । (মই এই কথা প্ৰথমৰে পৰা লক্ষ্য কৰি আহিছিলোঁ যে চৌধুৰীৰ মাকে নিজকে সচাঁয়ে আজিৰ তুলনাত অশিক্ষিতা বুলি ভাবি লৈ কেবাবাৰো বিনয়েৰে নিজকে জ্ঞানহীনা বুলি কৈ আছিল - তেতিয়া মই বিষাদেৰে এই কথা নেভাবি পৰা নাছিলোঁ যে এতিয়াও তেওঁ যিমান বাহিৰা কিথাপ পঢ়ে আজিৰ বহুতো তথাকথিত উচ্চ ডিগ্ৰীধাৰী মহিলাই সিমান কিতাপ নপঢ়ে ।)

পিছে এইবাৰ চৌধুৰীয়ে মাকৰ কথাত প্ৰতিবাদ কৰি উঠিছিল আৰু কৈছিল- 'তই আমাক ক'ত নপঢ়ুৱাকৈ আছিলি ? যাদৱচন্দ্ৰ পাটিগণিতৰ পৰা অংক শিকোৱা নাছিলিনে ?'

মই তেওঁক পুনৰ পঢ়া-শুনাৰ কথাৰেই প্ৰশ্ন কৰিছিলোঁ - 'আপুনি বোলে এতিয়াও বাহিৰা কিতাপ পঢ়ে ?কিতাপৰ নিচা তেন্তে এতিয়াও আছে?'

বৃদ্ধাই পুনৰ মধুৰভাৱে হাঁহিছিল আৰু কৈছিল - 'এৰা, কিতাপৰ প্ৰতি মোৰ বৰ ৰাপ । এতিয়াও মনোগ্ৰাহী কিতাপ এখন পালে মোক আৰু একো নালাগে ।'(পিছত মোক প্ৰদীপুই কৈছিল যে বৃদ্ধাৰ কথাবোৰ শুনি সিতো আপ্লুত হৈছিলেই ,সচৰাচৰ আনে ব্যৱহাৰ নকৰা 'মনোগ্ৰাহী' শব্দটো শুনিও তাৰ বৰ ভাল লাগিছিল ।)

সিদিনা মোৰ মনটো হৰ্ষ-বিষাদ দুয়োবিধ অনুভূতিৰেই পূৰ্ণ হৈ গৈছিল - বিষাদত মগ্ন হৈছিল এইবাবেই যে সমাজত নাৰীক মৰ্যাদা নিদিয়া বাবে এগৰাকী সম্ভাৱনাপূৰ্ণ মহিলাৰ জ্ঞান-লিপ্সাৰ টেটু চেপি ধৰা হৈছিল আৰু হৰ্ষৰ কাৰণ আছিল সেই সন্ধিয়াটো দুগৰাকী অনন্য মাতৃ-পুত্ৰৰ ৰসাল আৰু জ্ঞানেৰে পূৰ্ণ কথা -বতৰা আৰু পৰিয়ালটোৰ আন্তৰিক আপ্যায়ন । আগতেও মেদিনী চৌধুৰীৰ ঘৰলৈ যেতিয়াই গৈছোঁ তেতিয়াই তেওঁৰ গৃহিণীয়ে আমাক নানা সুখাদ্য কৰি খুৱাইছে ।

সিদিনাও আমাক লুচি,আলু ভাজি,মিঠাই আদিৰে আপ্যায়িত কৰা হৈছিল । সৰলাবালা চৌধুৰীয়েও আমাৰ দলৈই সকলোবোৰ বস্তু খাইছিল ,কিন্তু তেওঁৰ পুতেকক দিয়া হৈছিল দুটুকুৰা পাউৰুটি । মই সেই কথা উনুকিয়াওতে চৌধুৰীয়ে কপট ক্ষোভেৰে কৈছিল - 'মাৰ যেএকো বেমাৰ নাই-গেষ্ট্ৰিক নাই ,প্ৰেছাৰ নাই ,কফৰ বেমাৰ নাই বাবে সকলো খাব পাৰে , কিন্তু মই পেটৰ বাবে সেই ভজা -চজাবোৰ খাব নোৱাৰোঁ ।'

যি হওক- সিদিনা মই বাৰে বাৰে এই কথাও ভাবিছিলোঁ যে এই অসমত এনে মাক পুতেক আমাৰ প্ৰজন্মৰ সাহিত্যিকৰ মাজত আন আৰু কোনো বোধহয় নাই ।

শেষত সিদিনা সন্ধিয়াৰ এটা সৰু কাহিনী কৈ প্ৰয়াত ৰসিক সাহিত্যিক-গৰাকীলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়াই এই লেখাটোৰ সামৰণি মাৰোঁ । মোৰ পুত্ৰই সুধিছিল -'মেদিনী মামা, (কিয় জানো মোৰ পুত্ৰই তেওঁক মামা বোলাৰ বিপৰীতে তেওঁৰ সন্তানে মোক খুৰী বুলি মাতে) আমি মাঘেৰিটালৈ যাওঁতে আপোনাৰ যিটো বন্দুকেৰে চৰাই চিকাৰ কৰিছিল,সেই বন্দুকটো আছেনে ?'

'পুলিচত জমা দি থৈছোঁ ,পিছে এতিয়া উলিয়াই বিক্ৰী কৰি দিম বুলি ভাবিছোঁ , কাৰণ এতিয়াতো অসমত মানুহ চিকাৰ কৰাৰ বাহিৰে বন্দুক আন জীৱ-জন্তু চিকাৰ কৰা কামত নালাগে ।' চৌধুৰীয়ে কপট গাম্ভীৰ্যৰে কৈছিল ।

ইচমত চুগটাই, 'লিহাফ' আৰু প্ৰাসংগিক কিছু কথা

ইচমত চুগটাই এগৰাকী বিখ্যাত উৰ্দু পথিকৃৎ ব্যক্তি । সমগ্ৰ ভাৰতীয় সাহিত্যতে 'ভয়ংকৰ বিপ্লৱী' লেখিকা বুলি জনাজাত এই লেখিকাগৰাকীৰ লেখাৰ বৈশিষ্ট্য হ'ল এয়ে যে তেওঁ নাৰী-পুৰুষৰ চিৰন্তন ৰক্ষণশীল আৰু গতানুগতিক সম্পৰ্কৰ বিপৰীতে অগতানুগতিক আৰু সাহসী সম্পৰ্কক লৈ গল্প-উপন্যাস লিখিছিল, ধৰ্মৰ বিষয়তো তেওঁ বিপ্লৱাত্মক দৃষ্টিভংগী প্ৰকাশ কৰিছিল ।১৯৪২ চনতে তেওঁ 'লিহা ফ'(লেপ)নামৰ গল্প লেখি নাৰীৰ সমকামিতা বিষয়টো সাহিত্যত উপস্থাপন কৰিছিল ।

ইচমত চুগটাইৰ ১৯১৫ চনত উত্তৰ প্ৰদেশৰ বাদাউন নামৰ ঠাই এখনত জন্ম হৈছিল । তেওঁৰ দেউতাক এজন বিচাৰক আছিল । তেওঁ পঢ়াশুনাত অতি বুদ্ধিমতী আছিল যি বুদ্ধিৰ চমক লিখনীবোৰত প্ৰকট হৈছিল ।'লিহাফ' নামৰ গল্পটোৱে তেওঁৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল আৰু তেতিয়া তেওঁ বিতৰ্কিত হোৱাৰ লগতে খ্যাতিৰ পথেদিও আগবাঢ়িছিল । তেওঁ বহুতো উপন্যাসো লিখিছিল, সেইবোৰ হ'ল 'তেৰহি লকীৰ','জিড্ডী', 'চৌদাই' আৰু 'এক কাট্ৰা খুন' - ইয়াৰ ভিতৰত তেওঁৰ আটাইতকৈ বিখ্যাত উপন্যাসখন হ'ল - 'তেৰহী লকীৰ' । তেওঁৰ বিখ্যাত গল্পবোৰৰ ভিতৰত আটাইতকৈ বিখ্যাত গল্প কেইটামান হ'ল - 'লিহাফ', 'দন কী খুছবো' আৰু 'চৌথি কা জোৰহা ।'

এই বিখ্যাত লেখিকাগৰাকীৰ ১৯৯১ চনত মৃত্যু হৈছিল ।

'লিহাফ' গল্পটো লিখি উঠাৰ পিছত সেইটো ইচমত চুগটায়ে 'আদাৱ-ই-লটীফ' বোলা আলোচনী এখনলৈ পঠাই দিছিল যিটো লগে লগেই প্ৰকাশ হৈ গৈছিল । সেই সময়ত ইচমত চুগটাই অবিবাহিতাই হৈ আছিল কিন্তু তেওঁৰ বন্ধু ছহীদৰ লগত বিয়াৰ বন্দবস্ত হৈ আছিল । ছহীদক তেওঁ গল্পটো লিখি উঠাৰ পিছত পঢ়িবলৈ দিছিল আৰু তেতিয়া তেওঁৰ প্ৰেমাস্পদে গল্পটো বেয়া হোৱা বুলি গহীনাই মন্তব্য দিছিল ।

ইয়াৰ পিছত তেওঁলোকৰ বিয়া হৈছিল আৰু বোম্বে চহৰত বসবাস কৰিবলৈ লৈছিল । তেতিয়া ভাৰতবৰ্ষ পৰাধীন আৰু অখণ্ড হৈয়ে আছিল ।

বোম্বেত থকা বাবে ইচমতহঁতে উত্তৰ ভাৰতৰ পিনে তেওঁৰ এই নাৰীৰ সমকামিতাক লৈ লিখা গল্পটোৱে গোড়া মুছলমানৰ দুনিয়াত কি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল তাৰ কোনো ভু-কে পোৱা নাছিল । ইতিমধ্যে দুটা বছৰ অতিক্ৰম হৈছিল আৰু ইচমত চুগটাই এজনী কন্যা সন্তানৰ মাকো হৈছিল । তাৰ পাছত ১৯৪৪ চনত তেওঁলৈ লাহোৰ ক'ৰ্টৰ পৰা চমন আহিছিল আৰু সেই চমনৰ যোগেদি তেওঁক সেই ক'ৰ্টত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছিল । তেওঁৰ অপৰাধ হ'ল তেওঁ 'লিহাফ' নামেৰে এটা অশ্লীল গল্প লিখিছে ।

পিছে বিচাৰকৰ সন্মুখত থিয় হ'বলৈ কেৱল লেখিকাকে মাতি পঠোৱা হোৱা নাছিল , প্ৰেছৰ বাবে গল্পটো কপি কৰি দিয়া মানুহজনক আৰু প্ৰকাশককো একেলগে চমন দিয়া হৈছিল । কপি কৰাজনৰ অৱস্থাহে সঁচায়ে পুতৌ লগা হৈছিল । কাৰণ ইচমত চুগটায়ে তেওঁক গল্পটো কেনে লাগিছিল বুলি সোধাত মানুহজনে এনেদৰে উত্তৰ দিছিল -'মই নাজানো। মইতো গল্পটো পঢ়া নাই ।'

'কিন্তু কিন্তু.....আপুনিতো গল্পটো কপি কৰিছিল ।' ইচমতে আচৰিত হৈ প্ৰশ্ন কৰিছিল ।

'মই প্ৰত্যেকটো শব্দ বেলেগে বেলেগে চাওঁ তাৰ অৰ্থ কি হ'ব নেভাবোঁ ।'

'আচৰিত । পিছে ছপা হৈ যোৱাৰ পিছতো আপুনি নপঢ়ে নেকি ?

'পঢ়ো, পিছে তাত কিবা ভুল আছে নেকি সেই কথা চাবলৈহে পঢ়ো ।'

'প্ৰত্যেকটো শব্দ বেলেগ বেলেগকৈ পঢ়ে ?'

'এৰা,কপি কৰা মানুহজনে অস্বস্তিৰে উত্তৰ দি তলমূৰ কৰিছিল । মানুহজনৰ বাবে ইচমত চুগটাইৰ বৰ দুখ লাগিছিল ,পুতৌ উপজিছিল - যিজন মানুহে তেওঁৰ গল্পটো কেৱল কপিহে কৰিছে সেইজন মানুহকো অশ্লীলতাৰ অভিযোগত বিচাৰৰ কাঠগড়াত থিয় কৰাইছে - বিচাৰৰ নামত ইযে কি এক প্ৰহসন,অৰ্থহীন হাৰাশাস্তি ।

পিছে সেই ১৯৪২ চনতে এগৰাকী সম্ভ্ৰান্ত পৰিয়ালৰ মুছলমান গাভৰুৱে লেছবিয়ানিজম্ অৰ্থাৎ ছোৱালীৰ সমকামিতাক লৈ গল্প লেখিলে যে সমাজৰ হুলস্থুল লাগি যাব - সি সহজে বোধগম্য । সেই সময়ৰ পিছত অৰ্দ্ধ শতিকা পাৰ হৈ যোৱাৰ পিছতো নাৰীৰ মাজত সেই একে অবৈধ সম্পৰ্কক লৈ দীপা মেহতাই 'ফায়াৰ' নামৰ যিখন চিনেমা কৰিলে তাক লৈয়ো কম হুলস্থুল নহ'ল । সেই কালৰ পৰা চাবলৈ গ'লে তেতিয়াৰ পৰ্দানশীন মুছলমান সমাজৰ ছোৱালী এজনীয়ে 'লিহাফ'ৰ দৰে গল্পটো লিখি সচাঁয়ে

মৰসাহৰ পৰিচয় দিছিল ।

পিছে ইচমত চুগটাইৰ বিচাৰ চলিছিল যদিও গল্পটো অশ্লীল বুলি প্ৰমাণিত কৰিব নোৱাৰাত তেওঁ মুক্তি পাইছিল । তেওঁৰ কেছটো আদালতত চলাৰ সময়ত সাক্ষী আৰু উকীলৰ মাজত যি ধৰণৰ কথা -বতৰা চলিছিল সেইবোৰ বেছ কৌতুহলোদ্দীপক । তলত তাৰ কিছু অংশ উদ্ধৃত কৰি দিয়া হ'ল যেতিয়া ইচমত চুগটাইৰ উকীলে সাক্ষীক গল্পটোৰ কোন অংশটোনো অশ্লীল সেই প্ৰশ্ন সুধিছিল আৰু সাক্ষীয়ে বিবুধিত পৰি উত্তৰ দিছিল এনে ধৰণে ঃ

'এই যে প্ৰেমাস্পদক আকৰ্ষিত কৰে বুলি বাক্যটো আছে-এই বাক্যটো অশ্লীল ।'

'ইয়াৰ কোনটো শব্দ অশ্লীল ?প্ৰেমাস্পদটো নে আকৰ্ষিত কৰাটো ?'

'প্ৰেমাস্পদটো'- সাক্ষীজনে যেন অলপ ইতস্তত ঃকৰি উত্তৰটো দিছিল ।

'বিচাৰক মহোদয়, প্ৰেমাস্পদ শব্দটো পৃথিৱীৰ মহান কবিসকলে সদায়ে বহুল পৰিমাণে ব্যৱহাৰ কৰি আহিছে । ইয়াক এনেকি মহাপুৰুষজনাৰ বিষয়ে লিখা নাট-কবিতাবোৰতো ব্যৱহাৰ কৰা হয় । ভগৱানক ভয়-ভক্তি কৰা মানুহবোৰে ইয়াক যথেষ্ট ওপৰত স্থান দিয়ে ।'

'কিন্তু ছোৱালীবোৰে তেওঁলোকৰ পিনে প্ৰেমাস্পদক আকৰ্ষণ কৰা কথাটো অশ্লীল ।'

' কিয় ?'

'কাৰণ -কাৰণ ভাল ছোৱালীবোৰে এনে কৰাটো আপত্তিজনক ।'

'আৰু ছোৱালীবোৰ যদি ভাল নহয় এনে কৰাটো আপত্তিজনক নহয় নেকি ?'

'মানে ... .. নহয়"

'মোৰ মক্কেলে যিবোৰ ছোৱালী ভাল নহয় সেই ছোৱালীবোৰৰ কথাহে লিখিছে। মহোদয়া, আপুনি জানো বেয়া ছোৱালীবোৰেহে প্ৰেমিকক আকৰ্ষণ কৰে বুলি লিখা নাই ?'

'হয় লিখিছোঁ ।'

'হয়, এই কথাটো অশ্লীল নহ'বও পাৰে । কিন্তু এক সম্ভ্ৰান্ত পৰিয়ালৰ এগৰাকী শিক্ষিতা মহিলাই এইবোৰ কথা লিখাটো গৰিহণাৰ যোগ্য ।' সাক্ষীজনে বজ্ৰনিৰ্ঘোষ স্বৰেৰে কৈ উঠিছিল ।

'আপুনি তাৰবাবে যিমান গৰিহণা দিযেদি থাকক । কিন্তু ই আইনৰ আওতালৈ নাহে ।'

ইচমত চুগটায়ে কেছটোত জয় লাভ কৰিছিল । কিন্তু ইতিমধ্যে তেওঁ ভালেখিনি

'বিষ' গলাধঃকৰণ কৰিবলগীয়া হৈছিল । তেওঁলৈ অজস্ৰ বেনামী চিঠি আহিছিল - যিবোৰত তেওঁক অশ্লীল গল্প লিখা বুলি গালি-শপনি পৰা হৈছিল । সেইবোৰৰ ভাষাহে প্ৰকৃততে অতি অশ্লীল আছিল, প্ৰহসনৰ কথা আছিল এইটোৱে ।

ইফালে ইচমত চুগটাইৰ শহুৰেকৰ ঘৰৰ মানুহবোৰো তেওঁৰ ওপৰত অসন্তুষ্ট হৈ উঠিছিল । শহুৰেকে পুতেকলৈ লিখিছিল - 'বোৱাৰীক যুক্তি সহকাৰে বুজাবা । তেওঁ যাতে দিনে-ৰাতিয়ে মহাপুৰুষজনা আৰু আল্লাৰ নাম জপি থাকে । মকৰ্দমা লগা কথাটোৱেই যথেষ্ট বেয়া - তাতে আকৌ অশ্লীলতাৰ মকৰ্দমা । আমাৰ খুবেই চিন্তা লাগিছে .... ,

গল্পটো লিখা লৈ পুৰুষ প্ৰধান সমাজখনৰ শিক্ষিত, সংস্কৃতিবান প্ৰতিভূৱে কৰা মন্তব্যও বেছ কৌতুহলোদ্দীপক । তেনে এজন ব্যক্তি আছিল মহম্মদ আছলাম নামৰ এজন নামী সাহিত্যিক । তেওঁৰ ঘৰ আছিল লাহোৰত । তেওঁ ইচমত চুগটাইহঁতৰ বিশেষ বন্ধুও আছিল,সেয়ে অশ্লীলতাত অভিযুক্ত হৈ লাহোৰৰ বিচাৰালয়ত উপস্থিত হ'বলগীয়া হোৱা লেখিকাগৰাকীয়ে বোম্বাইৰ পৰা গৈ সেই বন্ধুৰ ঘৰতে আলহী হৈছিল । কিন্তু মহম্মদ আছলামে তেওঁক বন্ধুত্বৰ কোনো ৰক্ষণাবেক্ষণ দিয়াতকৈ এটা অশ্লীল গল্প লিখা বুলি খঙেৰে অভিযোগ কৰিবলৈহে আৰম্ভ কৰি দিছিল । ইচমত চুগটায়েও ওলোটাই তেওঁকো সেই একে অশ্লীল লিখনী লিখা বুলি প্ৰত্যুত্তৰ দিছিল । এই সম্পৰ্কে এই লেখক - লেখিকা দুগৰাকীৰ উত্তৰ প্ৰত্যুত্তৰখিনি তলত লিপিবদ্ধ কৰা হ'ল - যিখিনি পঢ়ি পাঠকে লেখিকাগৰাকীৰ যুক্তিবাদী মনৰ আৰু মহম্মদ আছলামৰ পুৰুষ প্ৰধান সমাজৰ গোড়া আৰু নাৰীক পুৰুষৰ তুলনাত কম অধিকাৰৰ অংশীদাৰ বুলি অৱমাননা কৰা মনোবৃত্তিৰ পৰিচয় পাব ।

ইচমত চুগটাই ঃ আৰু আপুনি আপোনাৰ 'গুনাহ্ কী ৰাতে' নামৰ গল্পত ইমান জঘন্য অশ্লীল শব্দবোৰ ব্যৱহাৰ কৰিছে । আপুনি এনেকি কেৱল সুৰসুৰি তুলিবলৈকে যৌন ক্ৰিয়া-কৰ্মৰ পুংখানুপুংখ বিৱৰণো দিছে ।

মহম্মদ অছলাম ঃ মোৰ কথাটো বেলেগ । মই এজন পুৰুষ।

ইচমত চুগটাই ঃ তাৰবাবে মই দায়ী নেকি ?

মহম্মদ আছলাম (খঙত ৰঙাছিঙা পৰি)ঃ তাৰ মানে কি ?

ইচমত চুগটাই ঃতাৰ মানে হ'ল-ভগবানে আপোনাক এজন পুৰুষ কৰি সৃষ্টি কৰিছে,তাত মোৰ হাত নাই আৰু তেওঁ মোক এজনী তিৰোতা কৰি সৃষ্টি কৰিছে ,তাতো মোৰ হাত নাই । আপোনাৰ যি মন যায় লিখাৰ অধিকাৰ আছে ,তাৰ বাবে আপুনি মোৰ অনুমতি ল'ব নালাগে । একেদৰে মোৰ বিচৰা ধৰণে লিখিবলৈ আপোনাৰ অনুমতি বিচৰাৰ কোনো প্ৰয়োজন অনুভ ব নকৰোঁ ।

মহম্মদ আছলাম ঃ কিন্তু আপুনিতো এক ভদ্ৰ, সম্ভ্ৰান্ত পৰিয়ালৰ এগৰাকী শিক্ষিতা ছোৱালী ?

ইচমত চুগটাই ঃ আপুনিও শিক্ষিত । আপুনিও সম্ভ্ৰান্ত মুছলমান পৰিয়ালৰ সন্তান।

মহম্মদ আছলামঃ আপুনি পুৰুষৰ লগত প্ৰতিযোগিতা কৰিব খোজে নেকি ?
ইচমত চুগটাই ঃ কেতিয়াও নোখোজো । মই ক্লাছত সদায়ে ল'ৰাবোৰতকৈ বেছি নম্বৰ পাবলৈ চেষ্টা কৰিছিলোঁ আৰু প্ৰায়ে তাত সফল হৈছিলোঁ ।

এইবাৰ মহম্মদ আছলাম খঙতে একো নাই হৈ গৈছিল । ইচমত চুগটাইৰ হেনো এনে লাগিছিল যেন তেওঁক সেই পুৰুষজনে মাৰ মাৰি দিব, অথবা তেওঁৰ খঙতে স্ফীত হৈ উঠা ৰক্তবাহী শিৰা ছিগি যাব ।গতিকে এইবাৰ লেখিকাগৰাকীয়ে সুৰ নৰম কৰি কৈছিল ঃ'আছলাম চাহেব, আচলতে মোক কোনেও কোৱা নাই যে 'লিহাফ'ৰ লগত জড়িত বিষয়বস্তুক লৈ লিখাটো পাপ । মই কোনো কিতাপতো পঢ়া নাই যে এনে ধৰণৰ .... ৰোগ.... ভুলৰ বিষয়ে লিখাটো উচিত নহয় । হয়তো মোৰ মনটো আব্দুৰ ৰহমান চুগটাইৰ দৰে কোনো শিল্পীৰ তুলিকাৰ দৰে নহয়, কেৱল এটা কেমেৰাৰ দৰেহে যি বাস্তৱৰ ছবি যথাযথভাৱে তুলি যায় । মোৰ মনটো হয়তো ইমানেই আবেগ বিহ্বল হৈ পৰে যে কলমডালো মোৰ হাতত অসহায় হৈ পৰে । মন আৰু কলমৰ মাজত এই আহযাহটোত কোনেও প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে ।'

মহম্মদ আছলাম ঃ'আপোনাক কোনো ধৰ্মীয় শিক্ষা দিয়া হোৱা নাছিল নেকি ?'

ইচমত চুগটাই ঃ'আছলাম চাহেব, মই 'বেহিস্তি জেৱৰ' খন পঢ়িছোঁ । তাত যে কি খোলাখুলিভাৱে কথাবোৰ লিখা হৈছে .....' কথাখিনি ইচমত চুগটায়ে অতি নিৰীহ মুখ ভংগী কৰি কৈছিল । আছলাম চাহেব অলপ যেন বিচলিত হৈ পৰিছিল । ইচমত চুগটায়ে পুনৰ কৈ গৈছিল-'মই শৈশৱত সেইখন পঢ়িতো একেবাৰে বজ্ৰাহত হোৱাৰ দৰে হৈছিলোঁ । তাৰ কথাবোৰ মোৰ বৰ অশ্লীল যেন লাগিছিল । কিন্তু বি.এ পৰীক্ষাৰ পিছত পুনৰ যেতিয়া সেইখন পঢ়িলোঁ তেতিয়া মই বুজি পালোঁ যে সেইবোৰ লেতেৰা কথা নহয় বৰং সেইবোৰ জীৱনৰ ইমান গুৰুত্বপূৰ্ণ কথা যে তাক সকলো প্ৰজ্ঞাবান মানুহেই জনা উচিত ।....এৰা ,মানুহে ইচ্ছা কৰিলে মনস্তত্ব আৰু ডাক্তৰী শাস্ত্ৰৰ কিছুমান কথাও অশ্লীল বা লেতেৰা বুলি তাৰ ওপৰত মোহৰ মাৰিব পাৰে ।'

বিয়াৰ আগতে ইচমত চুগটাই কিছুদিন আলিগড়ত ককায়েকৰ লগত আছিল । তেতিয়াই তেওঁ 'লিহাফ'ত লিখা ঘটনাটো প্ৰত্যক্ষ কৰিছিল । তাৰ এজন নবাবৰ একাধিক পত্নীৰ ভিতৰত এজনী আছিল তেওঁৰ গল্পৰ তৰুণী নায়িকা, যি স্বামীৰ সংসৰ্গৰ পৰা দিনৰ পিছত দিন বঞ্চিত হৈ থাকিছিল । সেই বাবেই হয়তো তেওঁ লিগিৰীজনীৰ লগত সমকামী

সম্পৰ্ক স্থাপন কৰিছিল । ইচমত চুগটায়ে গল্পটো যথেষ্ট সংযত আৰু নৈব্যক্তিকভাৱে লিখিছে, তেওঁৰ সেই বঞ্চিতা নাৰীৰ প্ৰতি পৰিপক্ক লেখকৰ দৰেই কোনো পক্ষপাত ফুটি ওলোৱা নাই , অথচ যিকোনো দৰদী পাঠকে সেই সমকামী নাৰী গৰাকীক ঘৃণা নকৰি বা ধিক্কাৰ নিদি সহানুভূতিশীল হৈহে পৰিব । এনে বঞ্চিতা নাৰীৰ প্ৰতি সহানুভূতিশীল হৈয়েতো ফৈইজ আহমেদ ফৈইজৰ দৰে বিখ্যাত কবিয়ে এই কবিতা লিখিছেঃ

In the name of those married women...... whose decked up bodies

Atrophied on loveless

deceitful beds .

পৃথিৱীত আজি সমকামী পুৰুষ-নাৰীক আগৰ দৰে নিন্দা আৰু ঘৃণাৰ চকুৰে চোৱা নহয় । ই একধৰণৰ অস্বাভাৱিক যৌন প্ৰবৃত্তি -যিটোৰ বাবে মানুহৰ নিজৰ দোষ নাই , তেওঁৰ জন্মগত শাৰীৰিক ক্ষুধাৰে বিকৃতি এই সমকামিতা ।কিন্তু এসময়ত এনে দিনো আছিল যেতিয়া অস্কাৰ ওৱাইল্ডৰ দৰে অতি বিখ্যাত সাহিত্যিককো ,সমকামিতাৰ অপৰাধত অভিযুক্ত কৰি জে'লত ভৰোৱা হৈছিল ।

অৱশ্যে আমাৰ ভাৰতবৰ্ষত এই বিষয়ে এতিয়াও নেতিবাচক মনোভাব আছে- যাৰবাবে দীপা মেহতাৰ সমকামী নাৰীক লৈ প্ৰস্তুত কৰা 'ফায়াৰ' নামৰ চিনেমাখনে প্ৰতিবাদৰ জোঁৱাৰ তুলিছিল । আজিৰ ভাৰতবৰ্ষতে যদি এনে প্ৰতিক্ৰিয়া হয়-তেন্তে পঞ্চাশ বছৰৰ আগৰ ভাৰতবৰ্ষত গোড়া মুছলমান সমাজত এজনী লেখিকাই এই বিষয় বস্তুক লৈ লিখা গল্প এটাত কি ধৰণৰ প্ৰতিক্ৰিয়া, কি ধৰণৰ প্ৰতিবাদৰ জোঁৱাৰ উঠিব পাৰে সি সহজেই অনুমেয় । ভাবিলে সঁচায়ে বিস্ময়ত অভিভূত হৈ যাব লাগে যে সেই অৰ্ধশতিকাৰ আগতেই এজনী ছোৱালীয়ে -তাকো এক ৰক্ষণশীল মুছলমান পৰিয়ালৰ এনেকুৱা এক বিষয়বস্তু লৈ গল্প লিখাৰ দৰে সাহসী আৰু বৈপ্লৱিক মানসিকতাৰ পৰিচয় দিব পাৰিছিল । এই বৈপ্লৱিক মানসিকতাৰ বিৰুদ্ধে পিছে আজিৰ দিনতো আমাৰ সমাজৰ এচাম ৰক্ষণশীল আৰু নাৰীৰ প্ৰতি ভণ্ড সহানুভূতি আৰু সন্মান প্ৰদৰ্শন কৰা গোষ্ঠীয়ে জেহাদ ঘোষণা কৰি আছে । ইয়াৰ শেহতীয়া নিদৰ্শন দেখা গৈছে দীপা মেহতাৰ 'ওৱাটাৰ' নামৰ চিনেমাখনৰ বেনাৰছত হ'বলগীয়া শ্বুটিঙৰ কথাত ।

বজ্ৰকঠিন মনৰ

নীলিমা বাইদেউ

(নীলিমা দত্তৰ স্মৃতিত উৎসৰ্গীত)

আমাৰ অসমৰ লেখিকাসকল কম বেছি পৰিমাণে অৱহেলিতাই- সেই কথা মই সদায় কৈ আহিছোঁ আৰু দুৰ্ভাগ্যৰ বিষয় যে ভৱিষ্যতেও বোধহয় কৈ থাকিব লাগিব। কোন নহয় অৱহেলিতা? মামণি ৰয়ছম গোস্বামী, নীলিমা দত্ত ,প্ৰীতি বৰুৱা,প্ৰবীণা শইকীয়া, তোষপ্ৰভা কলিতা ,দীপিকা ভট্টাচাৰ্য আদি সকলোৰে ক্ষেত্ৰতে দেখিছোঁ প্ৰাপ্য স্বীকৃতিৰ পৰা তেওঁলোকক বঞ্চিত কৰি ৰখা হৈছে। হয়,মামণিও এসময়ত অৱহেলিতাই আছিল- সাহিত্য অকাডেমিৰ পুৰস্কাৰ পাবৰ সময়ত ছেন্টিনেল বাতৰি কাকতত তেওঁৰ যি সাক্ষাৎকাৰ ওলাইছিল তাত তেওঁ ক্ষোভেৰে কৈছিল যে তেতিয়ালৈকে বোলে কোনো পুৰুষ সমালোচকে তেওঁক গুৰুত্বই দিয়া নাছিল, তেওঁৰ কিতাপ পঢ়াৰ যোগ্য বুলি ভবা নাছিল । এনেকি সিদিনা জ্ঞানপীঠ পুৰস্কাৰ পাওঁতে প্ৰেছ ক্লাবে দিয়া সম্বৰ্ধনা সভাত মোৰ প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল যে আজিলৈকে তেওঁ সাহিত্য সভাৰ কোনো পুৰস্কাৰেই পোৱা নাই ।

যোৱা দুই জানুৱাৰীৰ দিনা গুৱাহাটিৰ খাৰঘুলিত প্ৰয়াত হোৱা সুলেখিকা নীলিমা দত্ত বাইদেউৰ বিষয়ে অলপ লেখিবলৈ গৈ মোৰ এইবোৰ কথাই মনলৈ আহিছে । লগতে এই খাৰঘুলিৰে আন এগৰাকী লেখিকা প্ৰয়াত প্ৰবীণা শইকীয়াৰ কথাও মনত পৰি গৈছে -আচৰিত ধৰণে একে মইতে থকা দুয়োগৰাকীৰ সাহিত্য-প্ৰতিভা আৰু ভাগ্যৰ লগত যেন কিবা এটা মিল আছে। দুয়ো আছিল একাধাৰে কবি,ঔপন্যাসিকা ,প্ৰাবন্ধিক আৰু অনুবাদিকা - অৱশ্যে প্ৰবীণা শইকিয়া আছিল ঘাইকৈ গল্পকাৰ আৰু নীলিমা দত্ত ঔপন্যাসিকা । নীলিমা দত্ত বাইদেৱে উইল ডুৰাণ্টৰ 'Story of philosophy'ৰ দৰে মহৎ আৰু বৃহৎ গ্ৰন্থ অনুবাদ কৰি তাৰ যেন কোনো স্বীকৃতিয়েই নেপালে, আৰু প্ৰবীণা শইকীয়া ? মইতো ভাবোঁ যে আন নালাগে - এলিচৰ যি দুখন গ্ৰন্থ তেওঁ অনুবাদ কৰি উলিয়াইছিল - অকল তাৰ বাবেই তেওঁ অসমীয়া সাহিত্যত এখন চিৰস্থায়ী আসন লাভ কৰাৰ যোগ্যতা অৰ্জন কৰিছে।

এতিয়া নীলিমা দত্ত বাইদেউৰ কথালৈকে পুনৰ আহোঁ । নিজে মহিলা হোৱা বাবে জানো যে তেওঁলোকে সাহিত্য-চৰ্চা কৰিবলৈ গ'লে নানা কাৰণত পুৰুষতকৈ বেছি প্ৰতিবন্ধকতাৰ সন্মুখীন হ'বলগীয়া হয়। মই ৰবীন্দ্ৰনাথৰ এই দাৰ্শনিক কবিতা ফাকি একেবাৰে ব্যৱহাৰিক অৰ্থতে প্ৰয়োগ কৰি ক'ব খোজোঁ - 'অলৌকিক আনন্দেৰে বেদনা ভাৰ/বিধাতা যাহাৰে দেন,তাৰ বক্ষে বেদনা অপাৰ ।' মহিলাৰ মনত এই অলৌকিক আনন্দ-বেদনাই ভৰ কৰিলে বৰ অসুবিধা । পুৰুষ হ'লে তেওঁ সংসাৰৰ ঘৰখন চলোৱাৰ বহুতো কাম-বনৰ পৰা মুক্ত হৈ একান্ত মনে লেখা-পঢ়া কৰি যাব পাৰে (মই বহুতো বুলিহে কৈছোঁ,সকলো বুলি কোৱা নাই) মহিলাই কিন্তু নোৱাৰে । তেওঁলোকে যিমানেই নাৰীবাদৰ ধ্বজা নুৰুৱাওক কিয়, সংসাৰৰ সিংহভাগ দায়িত্ব তেওঁলোকেই ল'ব লাগিব - বিশেষকৈ সন্তানক প্ৰতিপালন কৰা আৰু পাকঘৰৰ ভাৰ লোৱা ক্ষেত্ৰত । চাকৰিয়াল মহিলাই চাকৰি কৰি সংসাৰ চলাই পিছত আকৌ সাহিত্য-চৰ্চা কৰিবলৈ গ'লে আৰু এবিধ সমস্যাৰ সন্মুখীন হ'ব লগা হয়। তাৰ পিছতো সেই মহিলা আৰু অন্য এটা সংকটতো পৰিব লগা হ'ব পাৰে (একপ্ৰকাৰে সকলোতকৈ ভয়ংকৰ সংকট) যদিহে সংসাৰৰ ভাৰ অকলে বহন কৰা দায়িত্বভাৰ মূৰত পৰে ,অৰ্থোপাৰ্জনেৰেও সন্তানক প্ৰতিপালন কৰাৰ দৰে দুৰূহ কাৰ্য স্বামীৰ বিয়োগৰ বাবে কৰিব লগা হয়। নীলিমা দত্ত বাইদেউ এই সকলোবোৰ আহুকালৰ মুখামুখি হ'বলগীয়া হৈছিল । চাকৰি কৰা ,ঘৰ চলোৱা,স্বামী অবিহনে দুটা পুত্ৰ সন্তানক ডাঙৰ কৰা - সচাঁয়ে তেওঁ বৰ এলাপেচা দায়িত্ব বহন কৰিবলগা হোৱা নাছিল। কিন্তু তাৰ মাজতো তেওঁ একান্তমনে জ্ঞানৰ সাধনা কৰি গৈছিল, কবিতা লিখিছিল ,উপন্যাস লিখিছিল,প্ৰবন্ধ লিখিছিল,শিশুৰ বাবে লিখিছিল,দৰ্শনৰ দুৰূহ বিষয়ৰ ওপৰত পাঠ্যপুথি লিখিছিল,অনুবাদ কৰিছিল,আত্মকথা লিখিছিল ইত্যাদি ইত্যাদি । মুঠতে যেতিয়াই সময় পাইছিল বাইদেৱে লেখা-পঢ়াৰ কামতে নিমজ্জিত হৈ থাকিছিল । স্বামীৰ লগত তেওঁৰ নানা কথাত মনোমালিন্যও হৈছিল,কিন্তু সেই স্বামীৰ প্ৰতিভাৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আছিল অপৰিসীম ,সেয়ে'ৰতনপুৰৰ ৰত্ন ভবানন্দ দত্ত' নামৰ জীৱনীখন লিখি উলিয়াইছিল , ভবানন্দ দত্তৰ অ'ত ত'ত সিচৰিত হৈ থকা লেখাবোৰ সংগ্ৰহ কৰি তাক কিতাপৰ আকাৰে প্ৰকাশ কৰিছিল, স্বামীৰ স্মৃতিসভা সংগঠিত কৰিছিল ।

পিছে এইগৰাকী লেখিকাক অসমে সঠিক মৰ্যাদা নিদিলে । বঁটা- বাহন নাপালে যেন আজিৰ দিনত সাহিত্যকক মূল্য দিয়া নহয়। বঁটা পালেহে যেন মানুহে তেওঁৰ বিষয়ে জানে ,তেওঁৰ কিতাপ কিনে । সেইবাবে আজিৰ বহুতো লেখকৰ মনত স্বাভাৱিকতে বঁটা পোৱাৰ হেঁপাহ এটা জাগৰূক হৈ থাকেই। নীলিমা দত্ত বাইদেউৰ মনতো নিশ্চয় সেই হেঁপাহ আছিল,গতিকে 'কেৱল মহিলাৰ বাবে' বুলি অভিহিত কৰিব পৰা বঁটাবোৰহে পাবলৈ সক্ষম হোৱা বাইদেৱে(অসম সাহিত্য সভাৰ বাসন্তী দেৱী বৰদলৈ বঁটা আৰু লেখিকা সংস্থাৰ

প্ৰবীণা শইকীয়া বঁটা)তাতেই যেন আনন্দ পাইছিল। তথাপি তেওঁৰ মনত তাৰো ওপৰলৈ উঠোৱা হেঁপাহ এটা থকাটোও অতি স্বাভাৱিক আৰু তাৰ বাবে তেওঁৰ যোগ্যতা নাছিল বুলি ক'ব নোৱাৰি ।নীলিমা দত্ত বাইদেৱে অসম সাহিত্য সভাৰ সভানেত্ৰী হোৱাৰ সপোন দেখিছিল বুলি আমি জানো। তাৰ বাবে তেওঁৰ জানো যোগ্যতা নাছিল তথাপিছে এইখন এনেহে পুৰুষৰ দ্বাৰা শাসিত সমাজ যে য'ত সাংবাদিক,গীতিকাৰ আদি সকলোৱেও সাহিত্য সভাৰ সভাপতি হোৱাৰ যোগ্যতা অৰ্জন কৰে, তাত আচল সাহিত্যিক হোৱা সত্বেও কোনো কোনোৱে যে সেই সভাপতি পদ লাভ কৰাৰ মৰ্যাদাৰ পৰা বঞ্চিত হয় -কেৱল মহিলা হোৱা বাবেই নহয়নে?

বহুত দিনৰ পৰা লিখিকাৰ এনে নানা বঞ্চনাৰ কথাকে লিখি আহিছোঁ যদিও সকলোবোৰ গালো-বালো খোলাকাটিৰ তালৰ দৰেই হৈ আহিছে ।কেতিয়াবা ভাবো এই নিষ্ফল প্ৰতিবাদবোৰ আৰু নকৰোঁ, কিন্তু 'ধৰ্মযুদ্ধ' সদায় চলাই যাবই লাগিব-অন্ততঃ যি সকলে তাক নিজৰ জীৱনৰ এক ধৰণৰ ব্ৰত বুলি ভাবে ।

আজি পুনৰ এই ক্ষোভ বোৰ উথলি উঠিছে নীলিমা বাইদেউ প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈ থকাৰ নানা বেদনা বুকুত লৈয়ে এই পৃথিৱীৰ পৰা মেলানি মাগিব লগা হোৱা কথাত ।বিশেষকৈ যি গৰাকী নাৰী আছিল একান্ত ভাৱে সাহিত্য-সংস্কৃতিত উৎসৰ্গীকৃত-প্ৰাণ, অসুখ-বিসুখ নেওচিও যি গৰাকী মহিলা জ্ঞানৰ সাধনাত অহৰহ মগ্ন হৈ থাকিছিল, সেই গৰাকী নাৰীৰ বঞ্চনা বিশেষকৈ বুকুত বাজে। মৃত্যুৰ আগতে কেইমাহমান ধৰি তেওঁ প্ৰায় শয্যাগত হৈ থাকিলেও , হাতৰ অৱস্থা থৰক-বৰক হ'লেও বোলে মেজৰ ওচৰত বহি লেখা- পঢ়া কৰাৰ চেষ্টা কৰিছিল, হেঁপাহ কৰিছিল,আৰোগ্য হৈ উঠাৰ পিছত হাতত পুনৰ কলম লোৱাৰ আশা কৰিছিল ।

আজি তেখেতলৈ মোৰ অন্তৰৰ শ্ৰদ্ধাঞ্জলি যাচি এই আশাকে কৰি ব'লোঁ যে বাইদেউ যি আশাভংগৰ বেদনা লৈ অসমৰ সাহিত্য জগতৰ পৰা বিদায় ল'ব লগা হ'ল সি যেন আমাৰ ভাষা সাহিত্যৰ কাণ্ডাৰী সকলৰ চকু মেল খুৱাবলৈ সক্ষম হয় আৰু ক্ষন্তেক থমকি ৰৈ তেওঁলোক আত্ম সমালোচনাত ব্ৰতী হয়, লেখিকাক যথাযোগ্য মৰ্য্যাদা দিয়াত সচেষ্ট হয় ।তেখেতৰ মৃত্যুৰ পিছত এখন বাতৰি কাকতত এজন লেখকে এই কথা লেখিছে যে তেওঁকে ধৰি আৰু চাৰি পাঁচজনমান পুৰুষে বাইদেউক সাহিত্যসভাৰ সভানেত্ৰী পতাৰ প্ৰস্তাৱ আগবঢ়াইছিল, গতিকে আমি লেখিকাই যথাযোগ্য স্বীকৃতি নোপোৱাত সকলো পুৰুষক যেন দায়ী নকৰোঁ,কৰা উচিত নহয় ।সেই কথা মানো, কিন্তু যিসকল ৰথমুৰীয়া পুৰুষ অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ কাণ্ডাৰী হৈ বহি আছে ,তেওঁলোকৰ বাবেই ঘাইকৈ মহিলাই তেওঁলোকৰ প্ৰাপ্য স্বীকৃতি নেপায়,নীলিমা দত্ত বাইদেৱে নাপালে ।

এতিয়া এই সুযোগ পালেই উচ্চাৰিত কৰি থকা মোৰ 'নাৰীবাদী প্ৰতিবাদৰ' বক্তব্যৰ

পৰা আঁতৰি আহি প্ৰয়াত লেখিকাগৰাকীৰ জীৱনৰ অইন কথালৈ আহোঁ ।,মই তেওঁক যিমান দিনৰ পৰা জানো তাতকৈ বহুত আগৰে পৰা তেওঁৰ স্বামী ভবানন্দ দত্তকহে জানিছিলোঁ । আমাৰ যোৰপুখুৰী পাৰৰ পৈত্রিক ঘৰৰ ওচৰতে এতিয়া 'মেঘমল্লাৰ'নামৰ 'এপাৰ্টমেণ্ট হাউছ'টো থকা ঠাইতে প্ৰয়াত ধীৰু ভূঞাইঁতৰ অসম আৰ্হিৰ ঘৰটো কমল নাৰায়ণ দেৱে মৰণৰ দিনলৈ ভাৰা কৰি আছিল আৰু মই অষ্টম শ্ৰেণীত পঢ়ি থকা সময়ত তেখেতৰ পত্নী নলিনী বাইদেউৰ ওচৰলৈ গৈ ঘৰতে হিন্দী পঢ়িছিলোঁ । তেনেকৈয়ে তাত প্ৰগতিশীল আলোচনী জয়ন্তীৰ 'ত্ৰিমূৰ্তি' কমল নাৰায়ণ দেৱ, চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু ভবানন্দ দত্তৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহিছিলোঁ । অসমীয়া সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱা এই বিহাৰী পণ্ডিত কমল নাৰায়ণ দেৱৰ লগত মোৰ কৈশোৰৰ এছোৱা কাল কি উচ্চ চিন্তা - চৰ্চাৰে , কি মাধুৰ্যেৰে অতিবাহিত হৈছিল সেই স্মৃতিৰ ৰোমন্থন মই কেবাঠাইতো কৰিছোঁ । সি যি কি নহওক, মই তেনেকৈ ভবানন্দ দত্তৰ লগতো পৰিচিত হৈছিলোঁ আৰু ৰবীন্দ্ৰ-কাব্যৰ অনুৰাগী হিচাপে মই মাজে-সময়ে তেওঁক অনুৰোধ কৰিছিলোঁ -'দত্তদা ,এটা ৰবীন্দ্ৰনাথৰ কবিতা আবৃত্তি কৰি শুনাওক না' (ভবানন্দ দত্তক কমল নাৰায়ণ দেৱৰ খুলশালীয়েক লীলাই দত্তদা বুলি সম্বোধন কৰাত ময়ো একে সম্বোধন কৰিছিলোঁ,দেৱকো একেদৰে ভিনদেউ বুলি মাতিছিলোঁ। লীলাই বায়েকৰ ঘৰতে থাকি টি চি স্কুলত মোৰ একে ক্লাছতে পঢ়িছিল)। দত্তদাৰ যে ৰবীন্দ্ৰকাব্য সলসলীয়াকৈ মুখস্থ আছিল তেনে হয়, আবৃত্তিৰ অতি উপযুক্ততাৰে মাতটোও গলগলীয়া আছিল ।

১৯৪৬ চনত কমল নাৰায়ণ দেৱৰ টাইফয়েডত অকাল মৃত্যু হোৱাৰ পিছত তেওঁলোকৰ আলোচনাচক্ৰ 'ৰূপান্তৰ চক্ৰ'খনো সংসাৰখন ভাঙি যোৱাৰ পিছতে বোধহয় ভাঙি গৈছিল । নলিনী বাইদেউহঁত সেই ঘৰ এৰি থৈ গুচি গৈছিল আৰু তাৰ পিছৰে পৰা ভবানন্দ দত্তৰ লগতো মোৰ কোনো সংযোগ নোহোৱা হৈছিল ।পিছত তেওঁক তেনে ঘৰুৱা ভাৱে লগ পাইছিলোঁ বিয়া-বাৰু কৰি পত্নী নীলিমা বাইদেউ আৰু দুই শিশু-পুত্ৰ মলয় - নিলয়ৰ লগত উজান বজাৰত ঘৰ ভাৰা কৰি থকা সময়ত। কিন্তু দুই এবাৰ সেই ঘৰলৈ যোৱাৰ পিছত মই আৰু তেওঁলোকক লগ পোৱা নাছিলোঁ। ইতিমধ্যে মই কলিকতালৈ পঢ়িবলৈ গৈছিলোঁ আৰু পিছত চাকৰিৰ বাবে,বিয়াৰ বাবে গুৱাহাটীৰ পৰা আঁতৰে আঁতৰেই থকিছিলোঁ । ভবানন্দ দত্তক তাৰ পিছত আৰু বোধহয় লগেই পোৱা নাছিলোঁ আৰু এদিন তেওঁৰ অকাল মৃত্যুৰ খবৰহে পাইছিলোঁ ।নীলিমা বাইদেউৰ লগতো মোৰ কোনো সম্পৰ্ক নাছিল, তাৰ এটা কাৰণ মই কেতিয়াও সন্দিকৈ কলেজৰ ছাত্ৰী নাছিলোঁ বা তাৰ অধ্যাপিকাও নাছিলোঁ যে মোৰ শিক্ষয়িত্ৰী বা সহকৰ্মী হিচাপে লগ পাম।

কিন্তু পিছলৈ মেলে-মিটিঙে লগ পোৱা মানুহজনীক মই ওচৰৰ পৰা জনাৰ সুযোগ পাবলৈ ধৰিলোঁ আৰু তেওঁৰ স্বভাৱৰ তেজস্বিতাৰ এটা দিশ মোৰ চকুৰ আগত উন্মোচিত

হ'বলৈ ধৰিলে। এটা ঘটনাৰ কথা মোৰ আজিও জলজল-পটপটকৈ মনত পৰে। অসমৰ ভাষা-সাহিত্যৰ ভৱিষ্য সম্পৰ্কে নেচনেল বুক ট্ৰাষ্টে গুৱাহাটীৰ ষ্টেডিয়াম গে'ষ্ট হাউছত এখন অভিবৰ্ত্তন পাতিছিল য'ত বহুতৰ লগতে মই আৰু নীলিমা বাইদেৱো উপস্থিত আছিলোঁ। তাত মই কিবা এষাৰ কথা ক'বলৈ উঠোঁতে অলপ পিছত সেয়া (অৱশ্যে চমু কৰিবলৈ কোৱাৰ সেইটো কাৰণ বুলি মই অনুমানহে কৰিছিলোঁ) তেতিয়া নীলিমা বাইদেউ ঘপকৈ উঠি কৈছিল- 'নিৰুপমাক যি ৰুলিং দিলে সেয়া অইন পুৰুষ বক্তাৰ ক্ষেত্ৰত কিন্তু আপোনাক প্ৰয়োগ কৰা দেখা নাপালোঁ ।এইবাৰৰ পৰা মই হাতৰ ঘড়ীটোলৈ চাই থাকিম , আপুনি নিৰুপমাক যি সময় দিলে সেয়া কিন্তু প্ৰতিজন বক্তাৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব লাগিব ।.........'

এই তেজস্বিনী মহিলাৰ অন্তৰত কিন্তু মৰমৰ নিজৰা এটা বৈ থাকিছিল, মানুহক খুৱাই-ধুৱাই বৰ ভাল পাইছিল, নিজে হেনো বৰ ভাল ৰান্ধিছিলও । মই শেষবাৰলৈ যেতিয়া তেওঁক চাবলৈ গৈছিলোঁ তেতিয়া মানুহজনীৰ মাজে মাজে বোধ ৰহিত অৱস্থাও হৈছিল, তাৰ মাজতে তেওঁ দুবাৰ -তিনিবাৰ কৈ উঠিছিল - নিৰুপমাক চাহ দিলিনে ? তেওঁৰ এই মৰমিয়াল অন্তৰৰ পৰিচয়ত মোৰ মনলৈ আহি যায় বাইদেউৰ মাকৰো একেধৰণৰ স্বভাৱৰ কথা। তাহানি শিলঘাটৰ পৰা তেজপুৰলৈ ফেৰি জাহাজ চলাচল কৰিছিল, সেই জাহাজ ধৰিবলৈ অহা বহুত মানুহ হেনো বাইদেউহঁতৰ সেই শিলঘাটৰ পৈত্ৰিক ঘৰত মাজে মাজে জিৰণি লৈছিল আৰু তেতিয়া বাইদেউৰ মাকে তেওঁলোকক আদৰ-সাদৰকৈ চাহৰ যোগান ধৰিছিল। কাপ-প্লেটৰ নাটনি হয়,কেতিয়াবা বৰ বেছি মানুহৰে সমাগম হয়,তেতিয়া বাটি,গিলাচ,নালভঙা কাপ-সকলোতে বাধ্য হৈ চাহ যাচে। নীলিমা বাইদেৱে এদিন মাকৰ এই বিশাল হৃদয়খনৰ কথা কৈ মোক কৈছিল - "মাইঁতে তেতিয়া যিমান আলহী-অতিথিক শুশ্ৰূষা কৰিছিল দেখি বিস্ময় মানিব লাগে । আজিৰ মহিলাই লোকৰ কাৰণেনো কি কষ্ট কৰে - মাইঁতে কেতিয়াবা ফেৰী মিছ কৰা অচিনাকী আলহীকো কি সোধ-পোচ কৰি ৰাতিৰ বাবে আশ্ৰয় দিয়ে দেখিছিলোঁ নহয়.......'মই পিছত নীলিমা বাইদেউৰ মাক-দেউতাকৰ এই ছবি গ্ৰীক ৰূপকথাৰ ফিলিমন-বছিছৰ দৰেই মোৰ 'কেকটাছৰ ফুল' নামৰ উপন্যাসখনত অংকিত কৰিছিলোঁ ।

নীলিমা বাইদেউৰ গাৰ্হস্থ্য জীৱন সুখৰ নাছিল, অন্তত ঃকিছু অসুখ-অশান্তিতো লাগিয়েই থাকিছিল যাৰ বাবে তেওঁ সৰু ল'ৰা দুটাক লৈ স্বামীৰ পৰা আঁতৰি বেলেগে ঘৰ লৈ থাকিছিল । কিন্তু ভবানন্দ দত্তৰ জীৱনী লিখা, তেওঁৰ লেখাবোৰ সংগ্ৰহ কৰি ছপাই উলিওৱা-এইবোৰ কাম কিমান হৃদয় ঢালি দি তেওঁ কৰিছিল আমি তাক জানো। তেওঁৰ এই 'পতি-প্ৰেম'ৰ নিৰ্দশনৰ কথা ভাবিলে মোৰ কবি আৰ্ণেষ্ট ডহুনৰ এটা কবিতাৰ এই বাক্যষাৰেই মনলৈ আহি যায় -'I had been faithfull to thee Cynara, in my fashion...'নীলিমা বাইদেউৰ উদ্যোগতে চাৰি বছৰমান আগৰ পৰা ভবানন্দ দত্তৰ স্মৃতিচাৰণ সভাবোৰ অনুষ্ঠিত হৈছিল, যোৱাবাৰ তেওঁ অসুখীয়া অৱস্থাৰে তাত গৈ

উপস্থিত হৈছিল আৰু হুৰাওৰাবে কান্দিছিল । 'নিজস্ব নিয়ম'ত স্বামীৰ প্ৰতি অনুগত হৈ বোৱা বাইদেউৰ বিষয়ে আৰু এটা কথাও প্ৰাসংগিকভাবে মনলৈ আহি গৈছে, এই ঘটনাটো মই সুমিত্ৰা হাজৰিকাৰ পৰা শুনা । সুমিত্ৰাই এপেৰ বেংকত কাম কৰে । মাজে মাজে বাইদেউ তালৈ গৈছিল আৰু অসুখীয়া মানুহজনী ইমান স্বাৱলম্বী হৈ (পুতেক-বোৱাৰীয়েকৰো বাধা নেমানি) বেংকলৈ যোৱা কথাত সুমিত্ৰাই যেতিয়া কয় যে বাইদেউ কষ্ট কৰি আহিব নালাগে, সুমিত্ৰায়ে সকলো কৰি দিব , তে তিয়া হেনো তেওঁ হাঁহি মাৰি কয় -" মই এনেকৈ ওলাই আঁহিছো বাবেই বাহিৰৰ পৃথিৱীৰ ৰূপটো দেখিছোঁ নহয়-এই যে সোণাৰু গছডাল ফুলি জাতিষ্কাৰ হৈ আছে , তোমাৰ ইয়ালৈ নাহিলে এই অপৰূপ ৰূপটো জানো দেখিলোহেঁতেন ?" যি হওক , এদিন বাইদেৱে সুমিত্ৰাৰ ওচৰলৈ কেক্ এটা লৈ গৈছিল আৰু তেতিয়া সুমিত্ৰাই কিয় তেনেকৈ কেক্‌টো আনিলে বুলি সোধাত তেওঁ সলজ্জ হাঁহি এটা মাৰি কৈছিল -'আজি আমাৰ বিবাহ বাৰ্ষিকী আছিল নহয় ।' মই যেন কল্পনাতে দেখা পাওঁ-শোঁটোৰা পৰা ছালেৰে বৃদ্ধাগৰাকীৰ মাধন বৰণৰ গালত অতীতৰ কিছুমান প্ৰেমময় মধুৰ মুহূৰ্তৰ স্মৃতিয়ে কেনেকৈ সেন্দুৰৰ বোল সানিছিল ।

নীলিমা বাইদেউ জীৱনত বহুতো দুৰ্যোগৰ সন্মুখীন হৈছে, তেওঁৰ দৰে সংকটৰ সময় বোধহয় আমাৰ অসমৰ কোনো এগৰাকী লেখিকাৰে জীৱনলৈ অহা নাছিল , কিন্তু তেওঁ অসীম ধৈৰ্য্য আৰু সাহসেৰে সেই সংকটৰ মুখামুখি হোৱা বুলি শুনিছোঁ । তেওঁৰ চৰিত্ৰৰ এই বজ্ৰ-কঠিন দৃঢ়তাৰ বাবেই মই তেওঁক আটাইতকৈ শ্ৰদ্ধা কৰোঁ আৰু ঘাইকৈ এই কথাটোৰ বাবেই খাৰঘুলিৰে এই নিঃকিন লেখিকাগৰাকীয়ে তেওঁলৈ (যি নিজেও সেই খাৰঘুলিৰে অধিবাসী) অন্তৰৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ।

প্ৰেত যোনী আৰু চিত্ৰা মুদগল

নিতু অৰ্থাৎ অনিতা নামৰ ষোৰালীজনী দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰী, এবাৰ বায়েকৰ স্বামীগৃহ ভূপালৰ পৰা ফুৰি আহোঁতে তাই উঠি অহা ট্ৰেইনখন দুৰ্ঘটনাত পতিত হ'ল আৰু এশজন যাত্ৰী নিহত হ'ল । নিতু ৰক্ষা পৰিছিল আৰু দুৰ্ঘটনা স্থলীৰ পৰা কেইজনমানৰ লগত এখন টেক্সি ভাৰা কৰি ঘৰলৈ উভতি আহোঁতে সহযাত্ৰীসকল ঠায়ে ঠায়ে নামি যোৱাত তাই এডোখৰ ৰাস্তা টেক্সিখনত অকলে আহিব লগা হৈছিল। আৰু তেতিয়া টেক্সি চালকে তাইক অত্যাচাৰ কৰাৰ চেষ্টা কৰিছিল । পিছে সাহসী নিতুৱে প্ৰাণ পণ যুঁজ কৰি নিজকে ড্ৰাইভাৰৰ খপ্পৰৰ পৰা উদ্ধাৰ কৰি অনাই নহয়, ওচৰৰ পুলিচ থানালৈ গৈ টেক্সিখনৰ নম্বৰ দি এজাহাৰো দি আহিছিল ।

ইয়াৰ পিছত আহত, বিধ্বস্ত নিতু ঘৰলৈ উভতি আহিছিল আৰু ট্ৰেইন দুৰ্ঘটনাত মৃত্যুও হ'ব পাৰে বুলি ভীষণ দুশ্চিন্তাত সময় অতিবাহিত কৰা ঘৰখনে জীয়েক যেন স্বয়ং যমৰ ঘৰৰ পৰাহে উভতি আহিছিল — এনেদৰে আনন্দত অধীৰ হৈ উঠিছিল।

পিছদিনা বাতৰি কাকতবোৰত নিতুৰ সাহসৰ কথা বৰ্ণাই খবৰ ওলাল আৰু সিহঁতৰ ঘৰলৈ ফোনৰ পিছত ফোন আহিব ধৰিলে — সাংবাদিকৰ, আত্মীয় স্বজনৰ, বন্ধু-বান্ধৱৰ । তাৰ পিছৰ পৰাই ঘটনা সলনি হৈ গ'ল, যি দেউতাকক নিতুৱে সংস্কাৰ মুক্ত, সাহসী, উদাৰ বুলি ভাবি আছিল সেই দেউতাকে এতিয়া বেলেগ ৰূপ দেখুৱালে। ঘৰখনৰ সেই 'সংকট'ৰ মুহূৰ্ত্তত নেতৃত্ব লৈ তেওঁ সকলোকে জনালে সেই অনিতা তেওঁলোকৰ জীয়ৰী অনিতা নহয়, তাইক বায়েক-ভিনিহিয়েক জোৰকৰাত ভূপালতে থাকি আহিল । তেওঁ বায়েকহঁতকো সকলো কথা কৈ সকীয়াই থলে । নিতুৰ মাক-দেউতাকৰ আটাইতকৈ ডাঙৰ ভয় হ'ল— তাইৰ বিয়াৰ মানুহৰ ল'ৰাৰ লগত বিয়া ঠিক হৈ আছে, সেই ঘৰ মানুহে জীয়েকৰ এনে বদনামৰ খবৰ পালে নিশ্চয় বিয়া ভাঙি দিব ।

এইদৰে আপ্ৰাণ চেষ্টাৰে নিতুৰ মাক-দেউতাকে মানুহক পতিয়ন নিওৱাৰ চেষ্টা কৰিলে যে কোনোবা 'বিৰঙ্গনা' এতিয়াও ভূপালত বায়েকৰ ঘৰত আছে। ইফালে নিতুৰ

ওপৰত সতৰ্ক পহৰা ৰখা হৈছিল, তাইক কোঠালিৰ পৰা ওলাব পৰা নহৈছিল। ফোন ধৰিব বা কৰিব দিয়া নহৈছিল ।এই 'অত্যাচাৰে' সহ্যৰ সীমা পাৰ হৈ গৈছিল যেতিয়া মাকে তাইক এটা অদ্ভুত জুলীয়া পদাৰ্থ গিলিব দিছিল, তাই গম পাইছিল যে বাৰে বাভে কোবা স্বত্বেও মাকে তাই ধৰ্ষিতা হোৱা নাই বুলি বিশ্বাস কৰা নাি, সেয়ে 'বিপদ'ৰ পৰা হাত হাৰিবলৈকে সেই প্ৰতিষেধক গিলাবৰ চেষ্টা কৰিছে । তাই জোৰ কৰি সেই ঔষধ মুখৰ পৰা আঁতৰ কৰিলে । সিদিনা ৰাতি তাইৰ এনে লাগিল যে টেক্সি ড্ৰাইভাৰৰ হাতৰ পৰা বাচি আহিব পাৰিলেও ঘৰখনৰ এই পাঁচটা 'ৰে'পিষ্ট'ৰ পৰা তাইৰ উদ্ধাৰ নাই, গতিকে চৰম হতাশা আৰু অশান্তিত তাই ডিঙিত চিপজৰি ল'ব খুজিলে, কিন্তু শেষ মুহূৰ্ত্তত তাইৰ মনত পৰি গ'ল যে পিছদিনা দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সেই টেক্সি ড্ৰাইভাৰক বিচাৰি উলিয়াই শাস্তি দিয়াৰ দাবীত আন্দোলন কৰিব বুলি বাতৰিকাকতত প্ৰকাশ হৈছে, নিতুৰ মনটো উজ্বলি উঠিল, তাই ডিঙিত মেৰাব খোজা শাৰীৰে তৈয়াৰী গাঁঠি খুলি পেলালে । পিছদিনা তাই সেই প্ৰতিবাদ কাৰ্যসূচীত চামিল হ'বই হ'ব — দৃঢ় প্ৰত্যয়েৰে মনতে সিদ্ধান্ত ল'লে । তাই জীয়াই থকাৰ প্ৰেৰণা পালে ।

ভাৰতবৰ্ষৰ বৰ্তমান সমাজত জটিল হৈ দেখা দিয়া সমস্যা এটাৰ লগত খাপ খোৱা নিটোল গল্পটোৰ লেখিকা হ'ল চিত্ৰা মুদগল । গল্পটোৰ নাম 'প্ৰেতৰ যোনী' মই গল্পটো পঢ়িবলৈ পাইছিলে Women's Initiatives' নামৰ 'Women's Studies' অৰ সংস্থা এটাৰ পত্ৰিকা 'Samyukta' ৰ ২০০৩ চনৰ জুলাই মাহত প্ৰকাশ পোৱা Vol. III, No.2 সংখ্যাটোতে । দৰাচলতে ভাৰতীয় লেখিকাৰ ইয়াক এক বৃহৎ ইংৰাজী গল্প সংকলন (পৃঃ ৩৫৭) বুলিহে ক'ব পাৰি । অন্ততঃ বছৰত দুবাৰকৈ ওলোৱা এই মহিলা 'Journal' খনৰ এইটো যে গল্প সংখ্যা সেইটো বুজা যায় ।

'সংযুক্তা'ত ভাৰতৰ বিভিন্ন গল্প লেখিকাৰ একোটাকৈ মুঠ ৩৭ টা গল্পৰ ইংৰাজী অনুবাদ আছে। আমাৰ বহুতৰ বাবে এওঁলোক বহুতেই পৰিচিত লেখিকা যথা অমৃতা প্ৰীতম, অজিত কৌৰ, মৃদুলা গাৰ্গ, শশী দেশপাণ্ডে, মঞ্জু কাপুৰ, চিত্ৰা, মুদগল, অনিতা অগ্নিহোত্ৰী, অম্বিকা সৰকাৰ, কণা বসু মিশ্ৰ, বাণী বসু, সুচিত্ৰা ভট্টাচাৰ্য্য (বাংলা লেখিকাৰ সংখ্যাই সকলোতকৈ বেছি যেন লাগিছে) প্ৰতিভা ৰায়, জিলানী বাণো আদি । অসমৰ ভিতৰত মোৰ আৰু মামণি ৰয়চম গোস্বামীৰ গল্প অন্তৰ্ভুক্ত কৰা হৈছে । মামণিৰ 'সংস্কাৰ' আৰু মোৰ 'নালান্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ' নামৰ গল্প দুটা (ইংৰাজীত যথাক্ৰমে 'Off-spring' আৰু 'Student of Nalanda University' ইয়াত ঠাই পাইছে । মোৰ গল্পই অচিনাকি সংস্থাটোৰ জাৰ্ণালত ঠাই পোৱাৰ কাৰণ হ'ল— কালকাতাত থকা ডঃ দিলীপ কুমাৰ বৰুৱাই হয়তো তেওঁলোকৰ লগত থকা যোগাযোগৰ সূত্ৰতে মোৰ পৰা

গল্পটো খুজি নিছিল । এইখন প্ৰকাশ হয় কেৰালাৰ থিৰুবনন্তপুৰমৰ পৰা, ইয়াৰ সম্পাদিকা হ'ল ডঃ জি. এছ. জয়শ্ৰী । এই সংকলনটো হাতত লৈ মোৰ মনত ভাৱ এটা খেলাইছে যে আমি এই বিশাল ভাৰতৰ সাহিত্যৰ জগতখনৰ কোনো বিশেষ খবৰ নেৰাখো — ভাষাৰ ব্যৱধানৰ বাবে সম্ভৱো নহয় যে সকলো ৰাজ্যৰে সকলো লেখকৰ কিতাব পঢ়িম । গতিকে অনুবাদ বিনে আমাৰ অন্যান্য ভাষাৰ গ্ৰন্থ পঢ়াৰ সুযোগ নাই । বৰ্তমান অসমত অনুবাদৰ এটা প্ৰৱণতাই যেন ঘাইকৈ মূৰ দাঙি উঠিছে— বিশেষকৈ বাংলাৰ পৰা অসমীয়ালৈ অনুবাদ কৰাৰ ধুম উঠিছে। আমি অলপ-অচৰপ পঢ়া-শুনা কৰা মানুহে বাংলাও পঢ়িব পাৰো, লিপিৰ মিলে, ভাষাও মিলে, আমাক সেই সুবিধা কৰি দিছে । গতিকে চুবুৰীয়া ৰাজ্যখনৰ কিতাপ অনুবাদ কৰাতকৈ আমি ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ কিতাপ অনুবাদতহে বেছি গুৰুত্ব নিদিওঁ কিয় ? আমাৰ অনুবাদ সকলৰ ভিতৰত বহুতেই ইংৰাজীতো জানেই, হিন্দীও জানে । গতিকে সেই ভাষা সহজে বুজি নোপোৱা আমাৰ গ্ৰন্থপ্ৰেমী অল্পশিক্ষিত ৰাইজৰ বাবে ভাৰতৰ অন্যান্য ভাষাৰ গ্ৰন্থহে অসমীয়ালৈ অনুবাদ কৰা উচিত বুলি মই ভাবো । 'সংযুক্তা'ত মই যিবোৰ ভাৰতীয় লেখিকাৰ উৎকৃষ্ট গল্প পঢ়িবলৈ পালো সেইবোৰ পঢ়া সম্ভৱ হ'ল তাক বিভিন্ন ভাৰতীয় ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰা বাবেহে ।

চিত্ৰা মুদগলৰ গল্পৰে লেখাটো আৰম্ভ কৰিছিলো, এতিয়া তেওঁৰ কথাৰেই লেখাটো শেষ কৰো । তেওঁৰ প্ৰসংগৰ এই শিতানত লেখাৰ কাৰণ হ'ল — তেওঁক কিছুদিন আগতে লগ পোৱা তেওঁ প্ৰসাৰ ভাৰতীৰ এগৰাকী কাৰ্যবাহী সদস্যা। দূৰদৰ্শন কামত নৰ্থ ইষ্টলৈ আহোঁতে যোৱা ১৯ তাৰিখে গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰই আমি কেইজনমান সাহিত্যিকক তেওঁৰ লগত কথা-বতৰা পাতিবলৈ এখন চাহমেলৰ আয়োজন কৰি নিমন্ত্ৰণ কৰিছিলো । তাৰ ভিতৰত শীলভদ্ৰ, হৰেকৃষ্ণ ডেকা, ডঃ লক্ষ্মীনন্দন বৰা, ডঃ ভূপেন চায়চৌধুৰী আৰু মই তাত উপস্থিত আছিলো । ওখকৈ পৰিপাটি সুৰুচিপূৰ্ণভাৱে পোছাক পিন্ধা আৰু প্ৰসাধন কৰা দেখনীয়াৰ হাঁহিমুখীয়া যদিও তেওঁৰ যে এক প্ৰভাৱশালী ব্যক্তিত্ব আছে অলপ সময় কথা-বতৰা পাতিয়েই বুজি পাইছিলো ।

বিখ্যাত লেখকৰ গল্প উপন্যাস অপৈনত পৰিচালক আদিৰ হাতত পৰি (দূৰদৰ্শনৰ দ্বাৰা প্ৰচাৰিত হোৱা) সেইবোৰৰ যি দুৰ্দশা হয় সেই বিষয়ে হৰিকৃষ্ণ ডেকা আৰু লক্ষ্মীনন্দন বৰাই শ্ৰীমতী মুদগলৰ আগত ক্ষোভ প্ৰকাৰ কৰাটোৱে আমাৰ সিদিনাৰ আলোচনাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় আছিল বুলি মই অনুভব কৰো । সেয়ে সেই আলোচনাৰ কথাৰেই মোৰ আজি লেখাৰ সামৰণি মাৰিম ।

ডেকা আৰু বৰাৰ কথা সমৰ্থন কৰি চিত্ৰা মুদগলে কৈছিল যে এই কমিছনড় প্ৰগ্ৰেমবোৰৰ জৰিয়তে প্ৰয়োজক-পৰিচালকৰ হাতলৈ প্ৰচুৰ ধন অহাৰ বাট মুকলি হোৱাত

আৰু অনেক আকাশৰ তৰা

আনহে নালাগে ৰিক্সাবালা-পাণবালা আদিয়েও এই 'ব্যৱসায়'ত জড়িত হৈ পৰিছে, সেসিকলৰ প্ৰধান উদ্দেশ্যেই হ'ল টকা ঘটা, ভাল গল্প ভালকৈ নিৰ্মাণ কৰা নহয়। গতিকে লেখকসকলো সাৱধান হ'ব লাগিব আৰু দূৰদৰ্শনৰ সংশ্লিষ্ট বিভাগো সাৱধান হ'ব লাগিব যাতে যিকোনো অখ্যাত-অজ্ঞাত লোকৰ হাতত লেখা সমৰ্পণ কৰা নহয়। সেয়া চাইহে সেইবোৰ গ্ৰহণ কৰা হয় । কিন্তু সকলোতে দূৰ্নীতি সোমোৱাৰ দৰে এইবোৰতো দূৰ্নীতি সোমাইছে সেই কথা স্বীকাৰ কৰি দিল্লীবাসী, মাৰাঠা বোৱাৰীগৰাকীয়ে কৈছিল যে এনে দূৰ্নীতি অৰ্থাৎ লবী কৰা, নিজৰ মানুহক প্ৰভাৱশালী ব্যক্তিয়ে নানা সুবিধা প্ৰদান কৰা সকলোতে চলিছে । সাহিত্য, শিল্প সকলোতে সাহিত্য অকাডেমী, নেশ্বনেল বুক ট্ৰাষ্ট আদি সকলোতে।

চিত্ৰা মুদগলে নিজকে উত্তৰ প্ৰদেশৰ জীয়ৰী বুলি চিনাকি দিছিল । তেওঁ প্ৰধানকৈ হিন্দী ভাষাতে লেখা-মেলা কৰে । তেওঁৰ এই 'প্ৰেত যোনী' নামৰ গল্পটো পূৰ্ৱী কলিতাই কেতিয়াবাই 'অৰ্দ্ধ আকাশ' নামৰ আলোচনীত অনুবাদ কৰি প্ৰকাশ কৰিছিল । কবি লুট্‌ফা হানুম চেলিমা বেগমেও তেওঁৰ উপন্যাস এখন অসমীয়ালৈ অনুবাদ কৰিছে ।

ৰচনা ঃ ২০০৪

নবনীতাৰ সুখ-দুখ

শিৰোনামাতো দেখি মোৰ প্ৰিয় পাঠকে যেন নাভাবে যে মই নবনীতা দেবসেনেই হওক বা কোনোবা নবনীতাৰ জীৱনৰ তথা ব্যক্তিগত সুখ-দুখৰ কথা ক'বলৈ ওলাইছো। মই ক'বলৈ ওলাইছো ২০০৩ চনৰ ১৩ অক্টোবৰৰ পৰা বৰপেটাত অনুষ্ঠিত হোৱা গ্ৰন্থমেলালৈ গৈ নবনীতা দেবসেন নামৰ বংগৰ প্ৰখ্যাত লেখিকাগৰাকীৰ দ্বাৰা অনুভূত হোৱা কিছু সুখ-দুখৰ কথাহে।

নবনীতা দেবসেন অসমলৈ বহুতবাৰ আহিছে। ইংৰাজীত যাক 'গ্লোব্ ট্ৰটাৰ' বুলি কোৱা হয়। নবনীতাও তেনে এক বিশ্ব পৰ্যটক। তথাপি সেই মানুহজনী বাৰে বাৰে অসমলৈ আহে, মাতিলেই আহে, কাৰণ তেওঁ বোলে অসমক খুব ভাল পায়। এইবাৰ তেওঁ ইমানেই অসুস্থ শৰীৰ লৈ আহিল যে বৰপেটাৰ ডঃ জাদিদে তেওঁক পৰীক্ষা কৰি ক'লে যে তেওঁ কলকাতা এৰি অহা উচিত নাছিল, কলকাতাৰ তেওঁৰ ব্যক্তিগত ডাক্তৰেও হেনো আহিবলৈ বাধা দি কৈছিল যে তেওঁ যদি অসমলৈ এই অসুস্থতা লৈ আহে তেন্তে ভৱিষ্যতে তেওঁক আৰু চিকিৎসা নকৰে। কিন্তু ৰবীন্দ্ৰ ভক্ত এই কবি, গল্পকাৰ, প্ৰবন্ধকাৰ, ভ্ৰমণ কাহিনী ৰচয়িতা, শিশু-সাহিত্য ৰচয়িতা, ৰসৰচনা ৰচয়িতা অসমান্যা লেখিকাগৰাকীয়ে অসমক যে ইমান ভাল পায় যে সেই ৰাজ্যৰ মানুহৰ আহ্বান সঁহাৰি নিদি নোৱাৰে। আকৌ ৰবীন্দ্ৰ - কাব্যৰে উদ্বুদ্ধ লেখিকাগৰাকীয়ে যেন সঁচায়ে কবিগুৰুৰ কবিতাৰ কথাই ভাবে। 'জীৱন - মৃত্যু পায়েৰ ভৃত্য, চিত্ত ভাবহীন'। তেওঁৰ চিত্ত কিমান ভাবহীন, কি মনোবলৰ অধিকাৰিণী তেওঁ, জীৱনক তেওঁ কিমান ভাল পায় সেই কথা তেওঁৰ সান্নিধ্যত থকা ছয় দিনতে গম পাইছিলো।

যি হওক, ডাক্তৰৰ বাধা নেওচি অসুস্থ গাৰে গুৱাহাটী এয়াৰপৰ্ট আহি পোৱা নবনীতা আৰু তেওঁৰ পালিতা কন্যা শ্ৰাৱন্তীক মই আৰু ড° অনিমা গুহই তাতে লগ ধৰি ১২ অক্টোবৰৰ দিনা দুপৰীয়া বৰপেটালৈ যাত্ৰা কৰিলো। ৰাস্তাত কোনো বিঘিনি নঘটাকৈ গন্তব্য স্থানত উপস্থিত হৈ আমাক থাকিবলৈ দিয়া নৰ্মদা নদীৰ প্ৰায় পাৰতে গেষ্ট হাউচটো দেখি নবনীতা আৰু জীয়েক উৎফুল্ল হৈ উঠিছিল। অতি ধুনীয়া সেই নৱনিৰ্মিত ঘৰটো,

বাগানতে আছে দুটা পুখুৰী য'ত পাতিহাঁহ চৰি আছে। চাৰিওকাষে অজস্ৰ গছ-গছনীৰে সেউজী শোভা। মুঠতে প্ৰকৃতিৰ হৃদান্যতাৰে শ্যামলা হৈ থকা ঠাইডোখৰত থাকিবলৈ পাই মাক-জীয়েক খুব সুখী হৈছিল। কিন্তু প্ৰকৃতিয়েইতো কেৱল মানুহক সুখী কৰিব নোৱাৰে, তাত মানুহৰো অৰিহণা লাগিব। আমাৰ সৌভাগ্য যে পৰ্যটন নিবাসৰ সৰুৰ পৰা ডাঙৰলৈ প্ৰতিজন কৰ্মচাৰীয়ে আমাৰ সকলো সুখ সুবিধাৰ প্ৰতি চকু ৰাখিছিল। কি খাই ভালপাওঁ, সুধি সুধি সকলো বস্তু যৎপৰোনাস্তি যোগাৰ কৰি খুৱাইছিল। গতিকে তাত থকা কেইদিন অসুস্থ লেখিকাগৰাকীয়ে কোনো অসুবিধা পোৱা নাছিল। সিদিনাই ডাক্তৰ আহি তেওঁক পৰীক্ষা কৰিছিল। গ্ৰন্থমেলাখনৰ উদ্যোক্তাসকলৰ প্ৰধান বিষয়ববীয়াসকলে আহি খবৰ লৈছিল, সুবিধা - অসুবিধাৰ প্ৰতি তীক্ষ্ণ চকু দিছিল। মুঠতে বৰপেটা গ্ৰন্থমেলাত শেষলৈকে ক্ৰটিহীন আদৰ-আপ্যায়ন পাই নবনীতাহঁত সন্তুষ্ট হৈছিল, সুখী হৈছিল।

এতিয়া নবনীতাৰ দুখখিনিৰ কথাও কওঁ। এটা দুখৰ বাবে অৱশ্যে তেওঁৰ শাৰীৰিক অৱস্থাকে দায়ী কৰিব লাগিব। ১৩ অক্টোবৰৰ দিনা আগবেলা শুভযাত্ৰা আৰম্ভ হোৱাৰ কথা আছিল যি বাৰে বৰণীয়া শোভাযাত্ৰা চাবলৈ নবনীতাতকৈও জীয়েক শ্ৰাৱন্তীৰ খুব ইচ্ছা আছিল; তাই প্ৰথমবাৰ অসমলৈ আহিছে, প্ৰথমৰ পৰাই উচ্ছাহিত হৈ আছে, গুৱাহাটী পোৱাৰ আগতেই বাটৰ দুয়ো কাষৰ ব্ৰহ্মপুত্ৰ আৰু পাহাৰৰ লানি দেখি তাই আত্মহাৰা হৈছে, তাইৰ বাবে অভিনৱ যেন লগা সেই প্ৰকৃতিৰ গম্ভীৰ্যমণ্ডিত সৌন্দৰ্য্যই মুগ্ধ কৰি ৰাখিছে। বৰপেটালৈ যাত্ৰাৰ আগৰে পৰা ডিঙিত আঁৰি ভিডিঅ' কেমেৰাৰে ফটো তুলিবলৈ শ্ৰাৱন্তীয়ে যি আৰম্ভ কৰিছিল তাৰ সমাপ্তি ঘটিছিল বৰপেটা পোৱাতহে। গতিকে দেৱী সৰস্বতীৰ বাহন হাঁহৰ মূৰ্ত্তীৰ লেখিয়াকৈ সজোৱা ট্ৰাকত মেলখাই থকা এখন গ্ৰন্থক কঢ়িয়াই আৰম্ভ কৰা শোভাযাত্ৰাটো চাবলৈ, ভিডিঅ' কেমেৰাত ফটো তুলিবলৈ শ্ৰৱন্তীহঁত বৰ উদগ্ৰীৱ হৈ উঠিছিল। কিন্তু আগবেলা নবনীতা খুব অসুস্থ হৈ উঠিল, ডাক্তৰ আহিল আৰু তেতিয়াই তেওঁ মন্তব্য দিছিল She Shouldn't have come.....।

তথাপি ক'বই লাগিব যে এক বজাত আৰম্ভ হ'ব লগা উদ্বোধনী সভাখন তেওঁৰ বাবেই দেৰিকৈ আৰম্ভ হ'লেও, তেওঁ যি উদ্বোধনী ভাষণ দিলে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিলে। নবনীতাৰ বাগ্মিতা আৰু যি ঠাইত যি কথা ক'ব লাগে যিমান পৰ ক'ব লাগে তাৰ সম্যক ধাৰণাই তেওঁৰ বক্তৃতা উচ্চমানৰ কৰি তোলে, অকণো আমনিদায়ক নকৰে।

গধূলি আৰম্ভ হৈছিল ড° অনিমা গুহই আঁত ধৰা অন্তৰংগ আলাপ। ৰসিক, সুপণ্ডিত লেখিকাগৰাকীয়ে কিছু উত্তৰ দিছিল বুদ্ধিদীপ্ত ৰসিকতাৰে, কিছু উত্তৰ দিছিল চিন্তনীয়, পাণ্ডিত্য প্ৰসূত কথাৰে। সেইবোৰ কথা আজিৰ এই কম পৰিসৰৰ লেখাত মই সুমোৱাব খোজা নাই। ভৱিষ্যতে কেতিয়াবা লিখিম - আজি এতিয়া কেৱল তেওঁৰ ভাষণ আৰু তেওঁৰ দুখৰ প্ৰসংগলৈহে আহিম।

নবনীতাই ভাষণৰ প্ৰথমতেই তেওঁৰ লগত ঘনিষ্ঠতা থকা প্ৰয়াত ব্যক্তিসকলৰ মৃত্যুত দুখ প্ৰকাশ কৰিছিল। জগদীশ ফুকন, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ড° ভবেন শইকীয়া আদিৰ কথা কৈ বৰ আবেগেৰে উল্লেখ কৰিছিল নৱকান্ত বৰুৱাৰ কথা যাৰ, সৈতে আছিল তেওঁৰ দীৰ্ঘদিনৰ সান্নিধ্য, যাক তেওঁ নিজৰ দাদাকৰ দৰে জ্ঞান কৰিছিল, যাৰ পৰিয়ালৰ লগতো তেওঁৰ গঢ়ি উঠিছিল ঘৰুৱা সম্পৰ্ক। নবনীতাই আনকি তেওঁৰ 'সবংএজতি প্ৰাণঃ' নামৰ কবিতাৰ আংশিক আবৃত্তিও কৰি শুনাইছিল অসমীয়াতেই। কিন্তু পিছদিনা তাত পোৱা কেইখনমান অসমীয়া কাকতত তেওঁৰ বক্তৃতাৰ প্ৰতিবেদনত নৱকান্ত বৰুৱাৰ নামটোৰেই উল্লেখ নেদেখি তেওঁ গভীৰ দুখ পাইছিল আৰু খঙো উঠিছিল। ই কি ধৰণৰ ৰিপটিং - তেওঁ আমাক উষ্মা আৰু বেজাৰেৰে সুধিছিল। আৰু এটা কথায়ে তেওঁক খুউব আঘাত দিছিল- আৰু একেদৰে তেওঁ ক্ৰোধৰ সঞ্চাৰ কৰিছিল। কেওঁ জানিছিল যে সেই বৰপেটাৰে কবি বীৰেশ্বৰ বৰুৱা। ১৯৭৪ চনতে তেওঁ বৰুৱাৰ ' লিলিৰ আবেলি' নামৰ কবিতাটো বাংলালৈ অনুবাদ কৰিছিল, তাৰো এটা অংশ তেওঁ আবৃত্তি কৰিছি (বাংলাত) , কিন্তু বাতৰি কাকতবোৰে তাৰো উল্লেখ নকৰিলে। তেওঁৰ 'লিলিৰ বিকেল' কবিতাৰ এই অনুবাদি অংশটো পঢ়ি শুনাইছিলঃ খানিক পৰিচয়েৰ অক্ষৰ গুৰি আঙুলেৰ কৰে গুণছি আদৰেৰ একটি কথা অথবা হাতে তুলে দেওয়া এককাপ কফি সিৰমোগ্ৰাফেৰ ডায়ালেৰ বাইৰে... কিন্তু গ্ৰন্থমেলা উদ্বোধিকাৰ বৰপেটা কন্যিৰ এই উদ্ধৃতিৰ কোনো উল্লেখ নকৰিলে আমাৰ সাংবাদিকসকলে। আমাৰ সাংবাদিকতাৰ এই কেঁচা নমুনা দেখি আমি লেখিকা গৰাকীৰ আগত অধোবদন হৈছিলোঁ।

নবনীতা দেবসেনক দুখ দিছিল আৰু কেইটামান ৰিপ'টিঙে। এখন কাকতে লিখিলে- তেওঁক মঞ্চলৈ হুইল চেয়াৰত লৈ যোৱা হৈছিল, (হুইল চেয়াৰত তেওঁ উঠিছিল গুৱাহাটীৰ বিমানবন্দৰতহে)। এখন কাকতে লিখিলে তেওঁ বৰপেটা, সুন্দৰিদিয়া আৰু পাটবাউসীৰ সত্ৰ তিনিখনলৈ গৈ চাই ঘূৰি পকি আনন্দত আত্মহাৰা হৈছিল। আমি আটাইকেইজনীয়ে বৰপেটা সত্ৰলৈ যোৱাই নাছিলো, য'ত আমি মহিলাৰ প্ৰবেশ কৰাৰ অধিকাৰ নাপাওঁ তাৰ কিছু অংশইহে চাই নিজকে অপমানিত নকৰো। এই প্ৰতিবাদতে যোৱা নাছিলো। সুন্দৰিদিয়ালৈ গৈছিলো, তাত ড° অনিমা গুহৰ মাতৃকুলৰ আদি পুৰুষ আছিল বাবেহে, মাধৱদেৱৰ সেই সত্ৰতো আমি একেই প্ৰতিবাদতে সোমোৱা নাছিলো। পাটবাউসীত সোমালো যদিও অপমানিত হৈ ওলাই আহিলো। আমাক ভুল ধাৰণা দিয়া হ'ল যে শংকৰদেৱে স্থাপন কৰি যোৱা সত্ৰত নাৰী পুৰুষৰ অবাধ প্ৰৱেশাধিকাৰ আছে। কিন্তু পাছত মূল নামঘৰত সোমাব নোৱাৰে বুলি আমাক উলিয়াই দিলে। নবনীতাই খুব দুখ কৰি ক'লে - যি মাতৃজাতিয়ে পুৰুষক জন্ম দিলে সেই মাতৃজাতিৰে নামঘৰত প্ৰৱেশৰ অধিকাৰ নাই - ই কেনে কথা?

এইদৰে প্ৰথমতে অসমৰ সংবাদপত্ৰই বাতৰি পৰিৱেশনৰ দ্বাৰা নবনীতা দেবসেনক দুখ দিলে। দ্বিতীয় দুখটো দিলে অসমীয়া সাহিত্য তথা অনুবাদে। ১৯৮৪ চনতে ৰেণু মহন্ত নামে এগৰাকী মহিলাই নবনীতাৰ 'ট্ৰাকবাহ ম্যাকমোহনে' নামৰ ৰসাল ভ্ৰমণ কাহিনীখন অসমীয়ালৈ অনুবাদ মাত্ৰ এক পিহে তেওঁলৈ পঠিয়াই দিয়া হৈছিল। যি হওঁক গুৱাহাটীলৈ অহাৰ পাছত (নবনীতা বৰপেটাৰ পৰা ১৫ তাৰিখে উভতি আহি ইয়াত দুদিনমান আছিল) ৰেণু মহন্তৰ পৰা আৰু পাঁচ কপি সংগ্ৰহ কৰা হ'ল আৰু তাৰ একপি মোক দি নবনীতাই কৈছিল - 'নিৰুমাদি, মই ৰেণু মহন্তলৈ দিয়া চিঠিখন ইয়াত ছপাই দিছে, তুমিয়েইঙ্গ কোৱাচোন মই মোৰ নিজৰ মাতৃ ভাষাটো বা ঘৰৰ ঠিকনাটো ভুল কৰিমনে ? এতিয়া ইয়াত নবনীতাৰ বাংলা চিঠিৰ দুই এটা উদ্ধৃতি দিয়া যাওঁক.....'ধৰে নিছি ... সঁবগলো পুৰা... প্ৰীতি ও শুভকামনা লবেন .... ঠিকনাটোও চাওক - নবনীতা দেবসে, জয় হিন্দুস্থান পৰ্কি।'... কিতাপখনৰ অনুবাদ যে লেখিকাই বাংলা ভাষাটো ভালকৈ নজনাকৈ কৰিছে তাক কিতাপখনৰ পৰা উদ্ধৃত কৰি দেখুৱাই কেৱল নামটোৰ অনুবাদ কি কৰিছে সেইটো লিখিলেই যথেষ্ট হ'ব বুলি ভাবিছো। কিতাপখনৰ নাম 'ট্ৰাকবাহনে ম্যাকমোহনে । অসমীয়াত হ'ব লাগিছিল ট্ৰাক বাহনেৰে মেকমোহনলৈ বা 'ট্ৰাকবাহনত মেকমোহনত'। কিন্তু অনুবাদিকাই কিতাপখনৰ নাম দিছে 'ট্ৰাকবাহনেৰে ম্যাকমোহনেৰে'। মন্তব্য নিশ্চয় নিস্প্ৰয়োজন। কিন্তু মন্তব্য নিদিও নোৱাৰো। - ভাগ্যে নবনীতাই ভালকৈ অসমীয়া বুজি নাপায়।

১৬ - ১৭ তাৰিখে গুৱাহাটীত National Writers and Poets Meet হৈছিল (যেন Writer বেলেগ আৰু Poet বেলেগ) । নবনীতাৰ ভাৰত বিখ্যাত 'Writer' ও 'Poet'ও তেওঁ পোন্ধৰ- ষোল্ল আৰু সোতৰ তাৰিখৰ আগবেলা গুৱাহাটীত আছিল। সেই 'Meet' টোত ভাগ লোৱা বহুতেই সেই কথা জানে। কিন্তু কাৰো সৌজনাবোধ নহ'ল যে বিশিষ্টা লেখিকাগৰাকীক তালৈ এবাৰ নিমন্ত্ৰণ কৰি নিয়ে ! (নিমন্ত্ৰণৰ কথাত - গুৱাহাটীৰ মোৰ চিনাকি বহুতো লেখিকাই আনকি লেখকেও বোলে তালৈ নিমন্ত্ৰণ নাপালে। সেই হিচাপে নবনীতা তালৈ নোযোৱাত এক প্ৰকাৰে ভালো হ'ল, হলটোৰ শূণ্য আসনবোৰ দেখিলে তেওঁ আৰু এবাৰ হতাশ হ'লহেঁতেন।)

নীলাচলে কলা চলে

শেষত এই বেদনা- বিতৃষ্ণা বাদ দি মধুৰেণ কৰা যাওঁক। 'Meet' টোলৈ অহা বংগৰ কবি সুবোধ সৰকাৰৰ লগতনবনীতাৰ মিত্ৰতা থকা বাবে ১৭ তাৰিখে পুৱা সৰকাৰৰ লগত চাৰ্কিট হাউচলৈ লেখিকাগৰাকীক লগ কৰিবলৈ আহিছিল। পূৰ্বতে আঁচনি কৰা মতে ব্ৰহ্মপুত্ৰৰ বুকুত নবনীতাহঁতৰ লগত মই ফুৰিবলৈ পুৱাতে চাৰ্কিট হাউচলৈ গ'লো।

তাত সৰকাৰকো লগ পালো আৰু তেওঁ কামাখ্যা দেখা নাই বাবে তেওঁ লগত অনা গাড়ীৰে আমি আটায়ে প্ৰথমত কামাখ্যালৈ গ'লো। পিছে আটাইকেউজনৰে ধৰ্মত মতি-গতি নাই, গতিকে কামাখ্যা দৰ্শন নকৰি ভূবনেশ্বৰৰ অপূৰ্ব প্ৰাকৃতিক দৃশ্য চাবলৈকে গ'লো। কামাখ্যাৰ আগত ফল-মূলৰ দোকান দেখি সৰকাৰে কিনিবলৈ যোৱাৰ আগতে হাঁপানী ৰোগী নবনীতাক সুধিলে - নবনীতা দি আপোনাৰ এই ৰোগে কী কলা চলে ? 'নবনীতাই ক'লে হ্যাঁ চলে'। লগে লগেই কবি সৰকাৰে গাই উঠিল- 'নীলাচলে কলা চলে'।

নতুন জন্ম পোৱা
স্কাৰলেট্ ও'হাৰা

কেইবছৰমান আগতে এখন কিতাপে আমেৰিকাত বৰ হুলস্থূল লগাইছিল- লাখ লাখ কপি 'গৰম পিঠা'ৰ (Hot Cake) দৰে বিক্ৰী হৈ গৈছিল। কিতাপখনৰ নাম আছিল 'স্কাৰলেট'। সমালোচকসকলৰ মতে কিতাপখন একো উৎকৃষ্টও নহয়- তথাপি 'স্কাৰলেটৰ'ৰ এই অভূতপূৰ্ব জনপ্ৰিয়তাৰ কাৰণ কি?

তাৰ কাৰণ জানিবলৈ হ'লে 'গন্ উইথ দ্য উইণ্ড' (Gone with the wind) নামৰ কিতাপখনৰ কথা জানিব লাগিব। মাৰ্গাৰেট মিশ্চেল নামৰ আমেৰিকা যুক্তৰাজ্যৰ জৰ্জিয়াত এগৰাকী সাংবাদিক আছিল। ১৯২৫ চনত তেওঁ দীঘলীয়া অসুখ এটাত ভূগিলে। সেই অসুখৰ ক্লান্তিৰ পৰা হাত সাৰিবলৈ তেওঁ দশ বছৰ জুৰি নিজকে আনন্দ দিবলৈ 'গন্ উইথ দ্য উইণ্ড' (Gone with the wind) নামেৰে স্কাৰলেট ও'হাৰা নামৰ ছোৱালী এজনীক নায়িকা কৰি উপন্যাস এখন লেখিবলৈ আৰম্ভ কৰি শেষ কৰিছিল। তাৰপিছত মাৰ্গাৰেট মিশ্চেলে কল্পনাও কৰিব নোৱাৰা অভাবনীয় ঘটনা এটা ঘটিল। উপন্যাসখন প্ৰায় ৰাতিৰ ভিতৰতে 'বেষ্ট্ ছেলাৰ' (Best Seller) হৈ পৰিল। ১৯৩৬ চনত প্ৰকাশিত হোৱা এই কিতাপখন আমেৰিকাৰ ১০,০০০,০০০ অৰো অধিক লোকে কিনিলে। ই আমেৰিকাৰ সৰ্বকালৰ এখন সৰ্বাধিক বিক্ৰী হোৱা কিতাপ বুলি পৰিগণিত হৈছে। ২৬ বছৰ জুৰি এই কিতাপখনৰ বিক্ৰিৰ ৰেকৰ্ড কোনো কিতাপেই ভংগ কৰিব পৰা নাছিল। প্ৰকাশৰ এবছৰৰ পিছতে ১৯৩৭ চনত ই আমেৰিকাৰ বিখ্যাত পুলিট্জাৰ পুৰস্কাৰ লাভ কৰে। এহাজাৰ সাতত্ৰিশ পৃষ্ঠাৰ এই সুদীৰ্ঘ উপন্যাসখন পৃথিৱীৰ ৩০টা ভাষাত অনুদিত হৈছে আৰু অন্ধ মানুহৰ বাবে ব্ৰেইল পদ্ধতিতো ইয়াক প্ৰকাশ কৰা হৈছে। পিছে মাৰ্গাৰেট মিশ্চেল আছিল বৰ লাজুক প্ৰকৃতিৰ মহিলা, তেওঁৰ আত্মপ্ৰচাৰৰ একেবাৰে ইচ্ছা নাছিল, নিজৰ আনন্দৰ বাবেহে তেওঁ কিতাপখন লেখিছিল, ছপাৰ কথাও ভবা নাছিল।

'গন্ উইথ দ্য উইণ্ড'ৰ পটভূমি বিশাল। যুক্তৰাজ্যৰ দক্ষিণাঞ্চলৰ লগত উত্তৰাঞ্চলৰ সেই সময়ত গৃহযুদ্ধ চলি আছিল। দক্ষিণে স্বাধীন ৰাজ্য কিছুমান শাসন কৰি থাকিবলৈ আৰু দাসত্বপ্ৰথা বজাই ৰাখিলৈ বিচাৰিছিল যুদ্ধ লাগিছিল এই কাৰণতে। অৱশেষত

দক্ষিণৰ পৰাজয় ঘটিছিল। মাৰ্গাৰেট মিশ্চেলে সৰুৰে পৰাই এই যুদ্ধখন দেখিছিল, গতিকে তেওঁৰ উপন্যাসত তাক অতি সফলতাৰে ৰূপায়ণ কৰিব পাৰিছিল।

পিছে গৃহযুদ্ধই যদি কেৱল এই অসাধাৰণ কিতাপখনৰ পটভূমি হ'লহেঁতেন, তেন্তে সি কি পাঠকৰ পৰা এনে অভূতপূৰ্ব সঁহাৰি পালেহেঁতেন? স্বয়ং মাৰ্গাৰেট মিশ্চেলেই কিতাপখন গৃহযুদ্ধ সম্পৰ্কীয় বুলি কৈ শেষত কিন্তু এই কথাখিনিও কৈছে- "উপন্যাসখনৰ যদি কিবা এটা কাহিনী আছে, সি হ'ল জীয়াই থকাৰ কাহিনী, টিকি থকাৰ কাহিনী।" তেওঁৰ কাহিনী হ'ল প্ৰধানকৈ স্কাৰলেট ও'হাৰাৰ কাহিনী, এই স্কাৰলেট, সমাজৰ এনে এক শ্ৰেণীৰ ছোৱালী- যি শত সহস্ৰ বিপদ-আপদ, আলৈ-আহুকাল নেওচি নিজকে বচাই ৰাখিব পাৰে।

'গন্ উইথ দ্য উইণ্ড'খনে প্ৰকাশৰ মুখ দেখাৰ কাহিনীটোও এক প্ৰকাৰ চমকপ্ৰদ। নিউইয়ৰ্কৰ বিখ্যাত মেক্‌মিলান পাবলিছিং হাউছৰ প্ৰতিনিধি হেৰল্ড নাথানে ১৯৪০ চনত নতুন প্ৰতিভাশালী লেখকৰ সন্ধানত আটলাণ্টালৈ (জৰ্জিয়াৰ ৰাজধানী) গৈছিল। তাত তেওঁ কেনেবাকৈ মাৰ্গাৰেট মিশ্বেলৰ উপন্যাসখনৰ পাণ্ডুলিপিটো কৰা গম পাই চাবলৈ বিচাৰিলে। মাৰ্গাৰেটে সেই পাণ্ডুলিপিটো তেওঁক কোনোমতেই নেদেখুৱায়- কাৰণ সেইখন হেনো প্ৰকাশৰ যোগ্য কিতাপেই নহয় কিন্তু এগৰাকী আত্মীয়ৰ জোৰ জবৰদস্তিত পৰিহে নিউইয়ৰ্কলৈ যোৱাৰ আগমুহূৰ্তত নাথানক শেষত তেওঁ পাণ্ডুলিপিটো দিছিল।

ইয়াৰ পিছৰ কাহিনী, অৰ্থাৎ কিতাপখনৰ অভূতপূৰ্ব সাফল্যৰ কাহিনী প্ৰথমতেই কৈ অহা হৈছিল। ১৯৪৫ চনত মৃত্যু হোৱা মাৰ্গাৰেট মিশ্চেলে দ্বিতীয় কিতাপ এখন আৰু নেখেলিলে কিন্তু এই এখন কিতাপেই তেওঁক অমৰ কৰি ৰাখিলে। ১৯৩৯ চনত গন্ উইথ দ্য উইণ্ডখনক হলিউডে চিনেমাৰ ৰূপ দিয়ে। তাৰপিছৰপৰা সেইখন সাত নে আঠবাৰ নতুনকৈ নিৰ্মাণ কৰি উলিওৱা হৈছিল (পুৰণি ছবিখনকে)! তাৰ ৰেট্ বাট্‌লাৰ নামৰ প্ৰধান চৰিত্ৰটোৰ ভূমিকাত অভিনয় কৰিছিল হলিউডৰ তেতিয়াৰ সুখ্যাত অভিনেতা ক্লাৰ্ক গেবলে আৰু নায়িকা চৰিত্ৰৰ ৰূপ দিছিল ভিভিয়ান্‌লেই। এই চিনেমাখন কেব্বাবছৰো জুৰি আমেৰিকাৰ আটাইতকৈ বেছি অৰ্থ উপাৰ্জন কৰা চলচ্চিত্ৰ হিচাপে পৰিগণিত হৈছিল।

এতিয়া পুনৰ স্কাৰলেটৰ কথালৈ আহোঁ। গন্ উইথ দ্য উইণ্ডত স্কাৰলেটৰ যদিও ৰেট্ বাটলাৰৰ লগত বিয়া হৈছিল, তেওঁ প্ৰেমত পৰিছিল অইন এজনৰহে। অথচ ৰেট্-বাটলাৰ হ'ল এজন অতি আকৰ্ষণীয় ব্যক্তিত্বৰ লোক, প্ৰচুৰ সম্পদৰো অধিকাৰী। গতিকে বৰ্তমান 'স্কাৰলেট'নামৰ গ্ৰন্থখনৰ লেখিকা গৰাকীৰ বোধহয় এই কথাটো সহ্য নহ'ল যে স্কাৰলেট কিয় ৰেট্ বাটলাৰক্ ভাল নোপোৱাকৈ থাকিব। সেই অভিযোগটো গুচাবৰ বাবেই বোধহয় এতিয়া তেওঁ 'গন্ উইথ দ্য উইণ্ড'ৰ পিছৰ কাহিনী হিচাপে স্কাৰলেটখন লেখি উলিয়ালে য'ত স্কাৰলেট আৰু ৰেটক তেওঁ পৰস্পৰৰ প্ৰেমাস্পদ কৰি দেখুৱালে। ফলত কিতাপখন বিক্ৰি হ'ল অভাৱনীয় ৰূপত, যাৰ দ্বাৰা লেখিকাই লাখ লাখ টকা উপাৰ্জন

কৰিলে। অৱশ্যে স্কাৰলেটৰ এই নতুন ৰূপক প্ৰকৃত সৃষ্টিকাৰিণী মাৰ্গাৰেট মিশ্চেলে বা কি হিচাপে গ্ৰহণ কৰিলেহেঁতেন? হয়তো স্কাৰলেটৰ এই ৰূপান্তৰত তেওঁ কবৰৰ ভিতৰতে ইচাট বিচাট কৰি আছে।

নিচাত ডুবি কল্পনাৰ ৰাজ্যত উটি ভাহি ফুৰা ক'লৰিজৰ কল্পনা বিলাস আৰম্ভ হৈছিল কিন্তু সৰু কালতেই, সেই কিতাপবোৰ পুৰি পেলোৱাৰ পিছতেই। কিতাপ নাই, গতিকে মনৰো সংগী নাই, সেয়ে ক'লৰিজে মনৰ মাজত এক কল্পনাৰ ৰাজ্য সৃষ্টি কৰি ল'লে। ক'লৰিজৰ নিজৰ ভাষাত "So I became a Dreamer"। সৰু ল'ৰাটোৱে খেলা-ধূলাকে আদি কৰি সকলো দৈহিক কাৰ্য পৰিহাৰ কৰি নিজৰ কল্পনাৰ জগত এখন সৃষ্টি কৰি সেই কাল্পনিক চৰিত্ৰবোৰৰ মাজতে সময় কটাবলৈ ধৰিলে। লগৰীয়াবোৰে সেইবাবে তেওঁক খুব বেয়া পাইছিল; কিন্তু তেওঁৰ এই কল্পনাবিলাসে সৰু ল'ৰাটোক এনে এক পৰিপক্কতা দিছিল যে তিৰোতাবোৰে তেওঁক বিশেষ কিবা এটা বুলি মূৰত তুলিছিল, ফলত সেই বাল্যকালতে ক'লৰিজ হৈ পৰিছিল আত্মগৰ্বী। তেওঁৰ যেতিয়া আঠ বছৰো পূৰ্ণ হোৱা নাছিল-তেতিয়াই তেওঁৰ গাত এই গুণ আৰু দোষবোৰ প্ৰকট হৈ উঠিছিল-সূক্ষ্ম অনুভূতি, কল্পনাশক্তি, অলসতা, ভেম আৰু সকলোৰে প্ৰতি এক গভীৰ তুচ্ছ তাচ্ছীল্যৰ ভাব।

পিছে চেহেৰাৰ পিনৰ পৰা তেওঁ আছিল একেবাৰেই অনাকৰ্ষণীয়, উচ্চতাও আছিল অতি কম। তথাপি তেওঁৰ জীৱনতো প্ৰেমৰ জোঁৱাৰ আহিছিল। 'Love' নামৰ ক'লৰিজৰ কবিতাটোৰ কিছু পংক্তি এই প্ৰসংগত উদ্ধৃত কৰি দিলো ঃ

" Oft in my waking dreams do I
Live o'er again that happy hour;
When midway on the mount I lay
Beside the ruin'd tower. "

এই কবিতাটোৰ নায়কে প্ৰেমিকালৈ অপেক্ষা কৰি থাকিছিল আৰু সি সাৰ্থকো হৈছিল কাৰণ তেওঁ সেই প্ৰেমৰ প্ৰতিদানো পাইছিল। বাস্তৱ জীৱনত কিন্তু কবিৰ নিজৰ এই সৌভাগ্য হোৱা নাছিল। এবাৰ মেৰী ইভান্স নামৰ ছোৱালী এজনীক প্ৰেম নিবেদন কৰাৰ পাছত প্ৰত্যাখ্যাত হৈ তেওঁ যি কাণ্ড কৰিলে তেনে কাণ্ড বোধহয় পৃথিৱীৰ কোনো ব্যৰ্থ প্ৰেমিক কবিয়ে কৰি পোৱা নাই। সেই সময়ত তেওঁ কেমব্ৰিজত কবি হিচাপে, পণ্ডিত ব্যক্তি হিচাপে সুনামো আৰ্জিছে। কিন্তু ছোৱালীজনীৰ প্ৰত্যাখ্যানে তেওঁক ইমান বেছি ক্ৰোধান্বিত কৰি তুলিলে যে তেওঁ কেমব্ৰিজেই পৰিত্যাগ কৰিলে আৰু শেষত গৈ লণ্ডন পালেগৈ। তাৰ পিছত তেওঁ এক অদ্ভুত কাম কৰিলে, তাৰ অশ্বাৰোহী বাহিনীত ক'লৰিজে এজন সাধাৰণ সৈন্য হৈ যোগ দিলে, কিন্তু তেতিয়া বিখ্যাত হৈ পৰা ক'লৰিজে

নিজৰ নামটো ভৰ্তি কৰিলে এনে এক অদ্ভুত নামেৰে-ছাইলাছ টমকেন কাম্বৰবেটছ (Silas Tomken Cumberbatch)। সি যি কি নহওক, তাৰ কিছুদিন কাম কৰাৰ পিছত ক'লৰিজৰ নানা ধৰণৰ মৌলিক কথা-বতৰা, কাম-কাজ তেওঁক অশ্বাৰোহী সকলৰ মাজত বেছ জনপ্ৰিয়ই কৰি তুলিছিল। সিবিলাকে তেওঁক এক বিশেষ প্ৰতিভাৰ মানুহ বুলিয়েই ধৰি লৈছিল। আনহাতে ছাইলাছ আছিল আটাইতকৈ অপদাৰ্থ অশ্বাৰোহী, তেওঁ যে ঘোঁৰাত উঠিবলৈ গৈ কিমানবাৰ পৰিছিল তাৰ সীমা সংখ্যা নাছিল। সেইবাবে সকলোৰে মাজত তেওঁ অতি হাঁহিয়তাৰ পাত্ৰও হৈছিল 'ছাইলাছ আকৌ ঘোঁৰাৰ পৰা পৰিল? হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ .....'

তাৰ পিছত এটা ঘটনা ঘটিল। এবাৰ তেওঁক বলৰুম এটাৰ ৰখীয়া পতা হৈছিল। তাৰ দুৱাৰ মুখত বহি থাকোতে তেওঁৰ ওচৰেদি দুজন অফিচাৰ পাৰ হৈ গৈছিল আৰু ইউৰিপাইডিছৰ কিবা কথা আলোচনা কৰি গৈছিল। তাৰ পিছত এজনে ইউৰিপাইডিছৰ দুটা লাইন মুখস্থও গাই দিছিল। ইফালে গ্ৰীক শব্দটো কাণত পৰাৰ লগে লগে ক'লৰিজৰ কাণ থিয় হৈ গৈছিল, তেওঁ সন্মান সহকাৰে মূৰৰ দীঘল টুপীটো চুই কৈছিল- 'ছাৰ, আপুনি গোৱা লাইন দুটা আচলতে এনেকুৱাহে হ'ব লাগিছিল'- এইবুলি কৈ ক'লৰিজে শুদ্ধকৈ লাইন দুটা আওৰাইছিল আৰু তাৰ পিছত কৈছিল-' ছাৰে যেন মোক ক্ষমা কৰে - পিছে সেই লাইন দুটা ইউৰিপাইডিছৰ নহয়, ছফোক্লিছৰ ইডিপাছ'ৰ হে...।'

অফিচাৰজনে খঙতে গালি পাৰি উঠিছিল আৰু ঠাট্টা কৰি সুধিছিল- 'তুমিনো কোন? বুঢ়া ফষ্টাছ আকৌ ডেকা হৈ উঠিলা নেকি?'

'ছাইলাছে' সশ্ৰদ্ধভাৱে আকৌ মূৰৰ টুপীটো চুই নম্ৰতাৰে উত্তৰ দিছিল 'মই ছাৰৰ এজন নিঃকিন প্ৰহৰীহে মাত্ৰ।'

অফিছাৰ দুজনে লৰালৰিকৈ বলৰুমলৈ সোমাই গৈ সেই অদ্ভুত প্ৰহৰীজনৰ বিষয়ে সোধপোছ আৰম্ভ কৰি দিছিল। তেতিয়া তাৰ ডাক্তৰজনে কৈছিল যে তেৱোঁ বহুদিনৰ পৰা মানুহটোৰ কথা কাণ্ড লক্ষ্য কৰি আছে, কিন্তু কোনোপধ্যে তাৰ পৰা নিজৰ বিষয়ে একো উলিয়াব পৰা নাই। তেওঁৰতো ধাৰণা যে এই 'উৰণীয়া পখীটো' অ'ফ'ৰ্ড বা কেম্ব্ৰিজৰ 'চৰাইৰ বাহ'ৰ পৰাহে উৰি আহিছে! তাৰ পিছত তেওঁলোকে 'ছাইলাছ'ৰ বাৰে বাৰে ঘোঁৰাৰ পৰা পৰি যোৱা ক্ষতবিক্ষত দেহটো লৈয়ো ৰগৰ কৰিলে। অৱশ্যে 'বেচেৰা পণ্ডিত'ৰ ওপৰত তেওঁলোকৰ অলপ পুতৌও উপজিছিল আৰু সেয়ে ক'লৰিজক ৰেজিমেন্টটোৰ হাস্পাতালৰ এজন সহকাৰীৰ চাকৰি দি বাৰে বাৰে ঘোঁৰাৰ পৰা পতনৰ পৰা উদ্ধাৰ কৰিলে। ইয়াৰ পিছত ক'লৰিজৰ স্বাস্থ্যৰে যে উন্নতি হৈছিল তেনে নহয় হাস্পাতালৰ ৰোগীসকলৰো নিৰাময় ত্বৰান্বিত হৈছিল, কাৰণ ডাক্তৰৰ ঔষধতকৈ তেওঁ কোৱা মজাৰ কাহিনীবোৰ হেনো বেছি আৰোগ্যকাৰক হৈছিল।

এবাৰ ৰেজিমেন্টৰ বন্দুক আদি অস্ত্ৰ-শস্ত্ৰ পৰীক্ষা কৰা পৰিদৰ্শকজনে এটা মামৰে ধৰা বন্দুক দেখি অশ্বাৰোহী সকলক সুধিছিল- খুব বেছি মামৰে ধৰা নেকি ? 'অঁ' খুব বেছি মামৰে ধৰা।' পৰিদৰ্শকে উত্তৰ দিছিল। ক'লৰিজে মূৰ খজুৱাই উত্তৰ দিছিল- 'তেন্তে সেই বন্দুকটো মোৰেই ছাৰ!'

পিছে ক'লৰিজৰ সেই ছদ্মবেশী দিনৰ এদিন অন্ত পৰিছিল। এদিনাখন ক'লৰিজে হাস্পাতালৰ ৰোগীসকলৰ লগত তেনেকৈ কথা বতৰা পাতি তেওঁলোকক আমোদ দি থকাৰ পৰত মিলিটাৰী পোচাক পিন্ধা (সেই পোচাক তেওঁলোকৰ গাৰ জোখৰ নাছিল) তিনিজনমান মানুহ সোমাই আহি বিনাবাক্যব্যয়ে ক'লৰিজক কোঠালীটোৰ পৰা হুৰহুৰাই টানি লৈ গৈছিল। ৰোগীসকলে ভাবিলে যে কিবা অপৰাধৰ বাবেই তেওঁক শাস্তি দিবলৈ তেনেকৈ লৈ গ'ল। এজন ৰোগীয়ে হুমুনিয়াহ কাঢ়ি সহানুভূতিৰে কৈ উঠিল - 'বেচেৰা ছাইলাছ। তেওঁ যেন পাঁচশমান বেত খায়ে সাৰি যাব পাৰে।'

পিছে সেই মানুহকেইজনো ক'লৰিজৰ দৰেই কেমব্ৰিজৰ ছদ্মবেশী অধ্যাপক আৰু তেওঁৰ বন্ধু আছিল। তেওঁলোকে পুনৰ ক'লৰিজক বিশ্ববিদ্যালয়ত অধিষ্ঠিত কৰিছিল। ক'লৰিজৰ জীৱনৰ এনে নানা অদ্ভুত ঘটনাত মনত পৰে এজন জীৱনীকাৰে তেওঁৰ বিষয়ে লেখা এইষাৰ কথা - 'his questing and self- tortured pilgrimage through life' (তেওঁৰ সন্ধান আৰু জীৱনজুৰি কৰা আত্মনিগ্ৰহকাৰী তীৰ্থযাত্ৰা)।

পৃথিৱীৰ প্ৰথম মহিলা ফেমিনিষ্ট দ্যুপাঁ বাৰন দ্যুদেভঁ

... the burden and complexity of womanhood were not enough; She must reach beyond the sanctuary and pluck for herself the strange bright fruits of art and knowledge...' Virginia woolf. (নাৰীত্বৰ বোজা আৰু জটিলতাই যেন যথেষ্ট নহয় - এই আশ্ৰয় স্থলটোৰ সীমা চেৰাই গৈহে তেওঁ নিজেই নিজৰ বাবে কলা আৰু জ্ঞানৰ আশ্চৰ্য উজ্জ্বল ফলটো ছিঙি লব লাগিব - ভাৰ্জিনি উলফ্ বিখ্যাত নাৰীবাদ লেখিকা।)

১৮০৪ চনত জন্ম হোৱা দ্যুপাঁ বাৰন দ্যুদেভঁক যদি পৃথিৱীৰ প্ৰথম মহিলা ফেমিনিষ্ট সকলৰ এগৰাকী বুলি অভিহিত কৰোঁ, তেতিয়া বোধহয় খুব ভুল কথা কোৱা নহ'ব। অৱশ্যে সমাজৰ সকলো প্ৰচলিত ধ্যান-ধাৰণাৰ বিৰুদ্ধে গৈ 'উচ্ছৃংখল' জীৱন যাপন কৰা এই গৰাকী মহিলা কিন্তু তেওঁৰ ছদ্মনাম 'জৰ্জ ছঁ' টোৰেই বিশ্ববিখ্যাত। তেওঁৰ কিতাপবোৰো সেই নামেৰেই লেখিছিল।

ফ্ৰান্সৰ জীয়ৰী দ্যুপাঁ আছিল এক অভিজাত ঘৰৰ ছোৱালী। সৰুতে তেওঁ দেউতাকৰ মৃত্যু হোৱা বাবে আইতাকে ভাবিলে যে পৰিয়ালৰ অভিজাত চাল-চলন অনভিজ্ঞ মাকৰ পৰা ছোৱালীজনীয়ে নিশিকবও পাৰে, গতিকে তেওঁক নিজৰ ওচৰত ৰাখিয়ে সম্ভ্ৰান্ত মহিলা হিচাপে ডাঙৰ দীঘল কৰা উচিত হ'ব। সেই বিবেচনাৰেই আইতাকে নাতিনীক নিজৰ ঘৰলৈ আনি শিক্ষাৰম্ভ কৰিলে।

পিছে তেওঁ সিদিনা কল্পনাও কৰিব পৰা নাছিল যে আচলতে সেই কাৰ্যৰ দ্বাৰা তেওঁ নিজৰ ঘৰতে এক 'বিষবৃক্ষ'হে ৰোপণ কৰিলে। দ্যুপাঁক সৃষ্টিকৰ্তাই ল'ৰা হিচাপে জন্ম দিবলৈ গৈয়ো যেন ভুলতহে ছোৱালী কৰি জন্ম দিলে। তেওঁ প্ৰথম চমক খুৱালে ল'ৰাৰ দৰে দুই ভৰি ফাঁক কৰি ঘোঁৰাত উঠি। ছোৱালীয়ে তেনেকৈ ঘোঁৰাত উঠাটো সমাজৰ নিয়মত অত্যন্ত অশালীন কথা, এনেকি আজিকোপতি ইংলেণ্ডৰ মহাৰাণীয়ে সিদিনালৈকে আমাৰ মহিলাই দুই ভৰি এফালে ৰাখি আৰোহী হিচাপে যেনেকৈ স্কুটাৰ বা মটৰ চাইকেলত উঠে ঠিক তেনেকৈহে ঘোঁৰাত উঠে। কিন্তু জৰ্জ ছঁক বাধা দিয়ে কোনে? এই ভূ-ভাৰতত তেওঁৰ স্বাধীনতাত হাত দিবলৈ কাৰো জন্ম হোৱা নাছিল।

শেষত আইতাকে এই দুৰ্বিনীত ছোৱালীজনীক কোনোপধ্যেই শাসন কৰিব নোৱাৰি তেৰ বছৰ বয়সত কনভেন্টলৈ পঠিয়াই দিলে। কনভেন্টৰ কঠোৰ নিয়মৰ মাজত থাকি পঢ়া-শুনা কৰিলেও দ্যুপাঁ কিন্তু 'সংশোধিত' নহ'ল। ওঠৰ বছৰ বয়স হোৱাত তেওঁক এজন বেৰণৰ লগত বিয়া দিয়া হ'ল। দুবছৰ পিছত দ্যুপাঁ এক সন্তানৰো মাক হ'ল, কিন্তু তথাপিও তেওঁৰ দুৰন্ত চিত্ত শান্ত নহ'ল। স্বভাৱৰ পৰিৱৰ্তন নহ'ল। দ্যুপাঁ যেন সেই ৰবীন্দ্ৰনাথ বৰ্ণিত উৰ্বশীৰ দৰেই 'নহ মাতা, নহ কন্যা, নহ বধূ' ৰ মানসিকতাৰে গঢ়া (সৌন্দৰ্যও উৰ্বশীৰ লগত তুলনীয়), যাক সন্তানৰ জন্মই ভৰিত শৃংখল লগাব পৰা নাছিল।

ইয়াৰ পিছতেই দ্যুপাঁ প্ৰেমত পৰিল জুল ছঁদো নামৰ লেখক এজনৰ। অৱশ্যে ফ্ৰাঞ্চৰ তেতিয়াৰ অভিজাত সমাজত বিবাহিতা মহিলাই এবাৰ এটা পুত্ৰ সন্তানৰ মাক হ'ব পাৰিলে পৰপুৰুষৰ লগত প্ৰেম কৰাটো সমাজবিগৰ্হিত কাম নাছিল। গতিকে দ্যুপাঁ তেওঁৰ অইন ন ন পুৰুষালী চাল-চলনৰ বাবে ধিকৃত হ'লেও এই দ্বিশ্চাৰিণী কাৰ্যত হ'লে কোনো বাধা নাপালে। কিন্তু তেওঁ যেতিয়া পুৰুষৰ দৰে ঘোঁৰাত উঠি, সকলোৰে আগত চিগাৰেট খাই যেতিয়াই তেতিয়াই য'তে ত'তে অবাধ বিচৰণ কৰিব ধৰিলে, তেতিয়া তেওঁৰ সেই কাণ্ড-কাৰখানা এনেকি প্ৰেমিক জুল ছঁদৰো অসহ্য হৈ আহিবলৈ ধৰিলে, তেৰোঁ দ্যুপাঁৰ স্বামীৰ দৰে তেওঁক শাসন কৰাৰ চেষ্টা কৰিলে। পিছে 'ৰাজাকো কাকা' নোবোলা এই ছোৱালীজনীয়ে কাৰ ওচৰত নতি স্বীকাৰ কৰিব? শেষত জুল্ ছঁদে হাৰ মানি এই 'বন্য' স্বভাৱৰ প্ৰেমিকাক ত্যাগ কৰি গুচি গৈছিল।

জুল ছঁদৰ লগত এনেকৈ সম্পৰ্ক ছিন্ন হ'লেও এটা ঘটনাই কিন্তু এই লেখকজনৰ লগত তেওঁক অনন্ত পথৰ সংগী কৰি ৰাখিলে। দ্যুপাঁৰ প্ৰথম উপন্যাসখন প্ৰকাশ হৈছিল ১৮৩১চনত। জুল ছঁদৰ উৎসাহতে সেই কামটো সম্ভৱ হৈছিল- দুয়ো একেলগে লগ লাগি 'ৰোজ এব্ৰশ্ব' নামৰ সেই উপন্যাসখন প্ৰকাশ কৰিছিল। তেতিয়াই তেওঁৰ লেখিকা হিচাপে সেই ছদ্ম নামটো লৈছিল- 'জৰ্জ ছঁ'।

জুল ছঁইতো পৰাস্ত মানি দ্যুপাঁক এৰি থৈ গুচিয়ে গ'ল,কিন্তু বেচেৰী বেৰণ স্বামীয়ে আৰু কি কৰে? তেওঁ দ্বিতীয়বাৰ ঘৈণীয়েকক মাতৃ হ'বলৈ বাধ্য কৰি শাসনৰ প্ৰচেষ্টা অব্যাহত ৰাখিলে। কিন্তু জৰ্জ ছঁৰ দৰে মহিলাক শাসন কৰিব পৰা কোনো পুৰুষৰ বোধহয় কেতিয়াও এই পৃথিৱীত জন্ম হোৱা নাছিল বা নহ'বও। তেওঁ তাৰ পিছত ফ্ৰাঞ্চৰ এক ৰোমাণ্টিক তৰুণ লেখক আৰু শিল্পী দলৰ লগত মিলিত হ'ল- যি দলৰ বোহেমিয়ান যথেচ্ছাচাৰৰ তেতিয়া ক'তো নজিৰ নাছিল বুলিয়েই ক'ব পাৰি। কোৱা বাহুল্য যে, এই দলটোৰ একমাত্ৰ মহিলা সদস্যা আছিল দ্যুপাঁ, কেৱল সেয়ে নহয়, কোনো কালে নাভূত-নাশ্ৰুত কথাটো এয়ে হ'ল যে এগৰাকী অত্যন্ত সুন্দৰী অভিজাত মহিলা- এগৰাকী বেৰনেছৰ দৰে মহিলা এনে এটা দলত সোমাল। ফলত ইমান বেছি সমাজ বিৰোধী কাম কৰাৰ বাবে

অভিজাত মহলত ইয়াৰ পিছত তেওঁ একপ্ৰকাৰ পৰিত্যক্তই হ'ল। কিন্তু সেই অসাধাৰণ মহিলাই জীৱনত কাকো কোনোদিন পৰোৱা কৰি পোৱা নাছিল ফলত তেওঁৰ উদ্দাম গতি অলপো প্ৰতিহত নহ'ল, সমাজক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি বল্গাহীন জীৱনেই যাপন কৰি থাকিল।

ইতিমধ্যে তেওঁৰ আৰু দুখন উপন্যাস প্ৰকাশ হৈছিল, এখনৰ নাম আছিল 'ইণ্ডিয়ানা' আৰু আনখনৰ নাম আছিল 'ভালতিন'।

পিছে সাহিত্যচৰ্চাৰ লগে লগে জৰ্জ ছঁই প্ৰেমচৰ্চাও বাদ দিয়া নাছিল। এইবাৰ তেওঁ সেই ৰোমান্টিক তৰুণ দলটোৰ কবিসকলৰ মধ্যমণি দ্য ম্যুছেৰ লগত প্ৰেমত নিমজ্জমান হ'ল। কিন্তু তেতিয়াৰ দিনৰ বহুতো কবি যক্ষ্মা ৰোগত(তেতিয়া নিৰাময় নাছিল) আক্ৰান্ত হোৱাৰ দৰে দ্য ম্যুছেও সেই ৰোগত আক্ৰান্ত হৈছিল। দ্যুপাঁই সেই অসুস্থ প্ৰেমিকক লৈ ইটালীলৈ পলাই গৈছিল। তেতিয়া সময়টো আছিল ১৮৩৩ চন। সেই সময়ত যক্ষ্মাত আক্ৰান্ত হ'লে য়ুৰোপৰ ঠাণ্ডা দেশবোৰৰ পৰা অপেক্ষাকৃত গৰম ঠাইলৈ যোৱাটো চিকিৎসাৰ অন্য এটা অংগ যেনেই আছিল। কোনে জানে একে যক্ষ্মাত আক্ৰান্ত হৈ মাত্ৰ সাতাইশ বছৰ বয়সতে মৃত্যুবৰণ কৰা ইংৰাজ কবি কীটছে হয়তো সেইবাবেই এনে আকুলতাৰে Ode to Nightingale কবিতাত লেখিছিল - O for a beaker full of the warm south/Full of the true, the blushful Hippocrene....

সি যি কি নহওক, প্ৰেমিকক চিকিৎসা কৰাৰ মানসেৰে জৰ্জ ছঁই (সাহিত্য-সংস্কৃতিৰ জগতত তেওঁ এই নামটোৰে ই জনাজাত) ইটালীলৈ পলাই গ'লেও শেষত কিন্তু তেওঁৰ আৰু ম্যুছক ভাল নলগা হ'ল। সেই সময়ত যক্ষ্মাৰ আক্ৰান্ত কবিক ভেনিছ চহৰত চিকিৎসা কৰি থকা হৈছিল আৰু কিছুদিন যোৱাৰ পিছত জৰ্জ ছঁ ম্যুছেক চিকিৎসা কৰি থকা ইটালীয়ান ডাক্তৰজনৰে প্ৰেমত পৰিল। উদ্দাম উচ্ছল অপূৰ্ব সুন্দৰী যৰাছী মহিলাগৰাকীৰ আকৰ্ষণৰ মায়াজালৰ পৰা নিজকে মুক্ত কৰিব নোৱাৰি অৱশেষত সেই ডাক্তৰে জৰ্জ ছঁক লৈ ভেনিচৰ পৰা পলাই গ'ল। বেচেৰা ম্যুছে পৰিত্যক্ত হৈ তাতে থাকি গ'ল। পিছে জৰ্জ ছঁৰ এনে হৃদয়হীন ব্যৱহাৰ তেওঁৰ সেই বোহেমিয়ান কবিৰ দলেও মানি ল'বলৈ টান পাইছিল- মানৱতা বুলিওতো কথা এটা আছে। এনেকি কবি বোদলেয়ৰেও জৰ্জ ছঁক ধিক্কাৰ দি কেতিয়াবা তেওঁক চয়তানৰ অনুচৰ বা কেতিয়াবা স্বয়ং চয়তান আখ্যা দিছিল। কিন্তু জৰ্জ ছঁ বোধহয় ঈশ্বৰৰ খণ্ডকো গ্ৰাহ্য কৰা ভকত নাছিল।

অৱশেষত তেওঁক ইটালীৰ ডাক্ৰৰেও আমুৱাইছিল, সেয়ে ১৮৩৫ চনত তেওঁ ইটালীৰ পৰা অকলেই ফ্ৰান্সলৈ উভতি আহিল। কিন্তু এইবাৰ আৰু স্বামীয়ে তেওঁক সহ্য নকৰিলে- আইনগতভাৱে তেওঁক পৰিত্যাগ কৰিলে। এই মোকৰ্দমাটোত জৰ্জ ছঁ এনেকৈ হাৰিল যে, তেওঁ স্বামীৰ পৰা আৰ্থিক সাহায্য নাপালে আৰু সন্তান দুটিৰ ওপৰত থকা

অধিকাৰৰ পৰাও বঞ্চিত হ'ল। অৱশ্যে সেই সময়ত ডিৰ্ভোচৰ নিয়ম নাছিল বাবে জৰ্জ ছঁৰ বাবে দ্বিতীয় স্বামী গ্ৰহণ কৰাও আইনৰ পিনৰ পৰা সম্ভৱ নাছিল।

কিন্তু সুন্দৰী আৰু প্ৰতিভাশালী জৰ্জ ছঁৰ পুৰুষৰ বন্দনা অবিহনে জীয়াই থকাটো সম্ভৱ নহয়। সেয়ে ১৮৩৮ চনত তেওঁ আৰু এগৰাকী পুৰুষক প্ৰেমিক হিচাপে গ্ৰহণ কৰিলে-এওঁ আছিল বিখ্যাত সংগীতজ্ঞ ফ্ৰেডিৰিক শ্বঁপা। শ্বঁপাৰ লগত জৰ্জ ছঁৰ সুদীৰ্ঘ ন বছৰৰ সম্পৰ্ক আছিল- কিন্তু সেই যে মহাকবিৰ কথা 'কোনো বন্ধনে নহয় তুমি বাঁধিবাৰ' -এই প্ৰেমেও আকৌ আমুৱালে তেওঁক, কোনো পুৰুষৰ আধিপত্য (হৃদয়-মনৰ ওপৰত একপ্ৰকাৰ আধিপত্যইতো) ইমান দিন সহ্য কৰিব পাৰিনে? গতিকে ১৮৪০ চনত জৰ্জ ছঁই ফ্ৰেডেৰিক শ্বঁপাৰ লগতো সম্পৰ্ক ছিন্ন কৰি পেলালে। এই ঘটনাৰ দুবছৰ পিছত শ্বঁপাৰ মৃত্যু হৈছিল। সমাজৰ ধাৰণা হৈছিল যে, এই বিশ্ববন্দিত সংগীতজ্ঞৰ মৃত্যুৰ বাবেও জৰ্জ ছঁই দায়ী- এইজনীতো সাধাৰণ মহিলা নহয়, একেবাৰে বিষকন্যা, যাৰেই সংস্পৰ্শলৈ আহে তাৰেই জীৱনতে বিষ ছটিয়ায়।

ইয়াৰ পিছত লেখিকাই ৰাজনীতিলৈ মন মেলিলে। ফ্ৰাঞ্চত সংঘটিত ১৮৪৮ চনৰ যি বিপ্লৱে য়ুৰোপতো কিছু তোলপাৰ লগাইছিল, তেওঁ সেই বিপ্লৱত যোগ দিছিল আৰু ' বুলত্যাঁ দ্য লা ৰেপাব্লিক' প্ৰকাশ কৰিছিল। এই বিপ্লৱৰ সময়তে তেওঁ গণতন্ত্ৰত বিশ্বাসী পিয়েৰ ল্য' ৰু আৰু দ্যা লা মেনে নামৰ দুজন নেতাক বন্ধু হিচাপে পাইছিল, অৱশ্যে আচৰিত কথা যে, এওঁলোক দুজনৰ এজনো তেওঁৰ প্ৰেমিক হোৱা নাছিল। যি কি নহওক, এই বিপ্লৱৰ পৰিণতিয়ে কিন্তু তেওঁলোকক হতাশ কৰিছিল, কাৰণ ১৮৪৯ চনৰ পৰা ১৮৫১ চনলৈ ফ্ৰাঞ্চত গণতন্ত্ৰৰ নামত যি শাসন চলিছিল সি আছিল এক ভেকোভাওনা। শেষত তাৰ অন্ত পৰিছিল আৰু ১৮৫১ চনত লুই নেপোলিয়নে নিজকে ফ্ৰাঞ্চৰ সম্ৰাট হিচাপে ঘোষণা কৰিছিল।

এই কালছোৱাৰ ফ্ৰাঞ্চৰ ৰাজনীতিত জৰ্জ ছঁৰ দৰে যোগ দিয়া বহুতো লেখক ক্ৰমান্বয়ে হতাশ হৈ ৰাজনীতিৰ পৰা আঁতৰি গৈছিল- তাৰ ভিতৰত বিখ্যাত লেখকবোৰ হ'ল থিয়ফিল গ'তিয়েৰ, ভি''ৰ হুগো আৰু লামাৰ্তিন। পিছে হুগোহঁত বয়সত ডাঙৰ হৈয়ো তৰুণসকলৰ দৰে সহজে হতাশ হোৱা নাছিল আৰু ৰাজনীতিকে সাৱটি আছিল। কিন্তু লাহে লাহে এওঁলোকেও ফ্ৰাঞ্চৰ প্ৰচলিত ব্যৱস্থাত আস্থা হেৰুৱাবলৈ ধৰিলে আৰু শেষত গ'তিয়েৰহঁতৰ দৰেই ৰাজনীতি বাদ দিলে। ভি''ৰ হুগোৰতো নিৰ্বাসনেই হৈ গ'ল। জৰ্জ ছঁ আৰু তেওঁৰ দুই বন্ধুৱেও ৰাজনীতি ত্যাগ কৰিলে একেই আশাভঙ্গৰ মনোবেদনাত।

ইতিমধ্যে জৰ্জ ছঁই দেউতাকৰ জমিদাৰীখন উত্তৰাদিকাৰীসূত্ৰে লাভ কৰিছিল। তেওঁ নগৰীয়া জীৱনৰ নানা উত্তেজনা আৰু হৈ হুলস্থূলৰ পৰা এইবাৰ আঁতৰি গৈ Far From the Madding Crowd 'অৰ্থাৎ দেউতাকৰ গাঁৱৰ নিঃসঙ্গ জীৱনত

কালাতিপাত কৰিবলৈ ধৰিলে। লামাৰ্তিনেও একেদৰে নিজৰ জমিদাৰীলৈ উভতি গৈছিল।

জৰ্জ ছঁৰ গাঁৱৰ জীৱনত সঁচাকৈয়ে অতীতৰ সেই উত্তাল আৰু সম্ভোগপূৰ্ণ দিনবোৰৰ পুনৰাবৃত্তি ঘটা নাছিল, তদুপৰি লাহে লাহে তেওঁ প্ৰৌঢ়ত্বৰ পিনেও গতি কৰিছিল। অৱশ্যে তেওঁৰ জীৱন একেবাৰে স্থবিৰ হৈ পৰা নাছিল, ১৮৫২ চনৰ পৰা ১৮৭৬ চনলৈ অৰ্থাৎ জীৱনৰ শেষ দিনলৈ তেওঁ জমিদাৰী চোৱা মেলা কৰিছিল, লেখিছিল আৰু দুই বন্ধু পিয়েৰ ল্য'ৰু আৰু দা লক মেনেৰ লগত নিয়মিত পত্ৰ চালিত কৰিছিল। পিছে তেওঁৰ জীৱনলৈ এইসময়চোৱাত আৰু কোনো পুৰুষ সংগী অহা নাছিল। জমিদাৰীত কটোৱা জীৱনৰ অন্তিম কালত জৰ্জ ছঁই লেখা দুখন উল্লেখযোগ্য কিতাপ হ'ল- 'ইস্তোয়াৰ দ্য মাভি' আৰু 'এল এ লুই'। প্ৰথম কিতাপখন হ'ল তেওঁৰ আত্মজীৱনী আৰু দ্বিতীয়খন হ'ল আত্মজৈৱনিক উপন্যাস। অৱশ্যে আত্মজৈৱনিক হ'লেও সেইখনৰ উপজীব্য আছিল তেওঁৰ আৰু কবি দ্য ম্যুছেৰ স'তে তেওঁৰ প্ৰেমৰ কাহিনী। দ্য ম্যুছেই দুৰাৰোগ্য যক্ষ্মা বেমাৰত ভুগিছিল, যদিও জৰ্জ ছঁই তেওঁক ইটালীত এৰি থৈ অহাৰ তেইশ বছৰৰ পিছতহে মৃত্যু হৈছিল। অথচ সেই সময়ৰ সমাজে শোঁপাৰ দৰে ম্যুছেৰ মৃত্যুৰ বাবেও জৰ্জ ছঁকে দায়ী কৰিছিল। পুৰুষ প্ৰধান সমাজত নাৰীৰ ভুল আৰু দোষৰ কোনো ক্ষমা নাই, আৰু তেতিয়াৰ যুগৰ ফ্ৰান্সৰ অভিজাত মহলৰ নাৰী এগৰাকীৰ নানা ব্যভিচাৰ আৰু বিদ্ৰোহৰ কাৰ্যকতো কোনোপধ্যে ক্ষমাৰ প্ৰশ্ন নুঠে।

কিন্তু তেনে এখন সমাজকো বিন্দু বিসৰ্গ তোৱাক্কা নকৰি জৰ্জ ছঁই উন্নতশিৰে নিজৰ ইচ্ছাৰ, নিজৰ প্ৰবৃত্তিৰ , নিজৰ প্ৰতিভাৰ বিকাশৰ পথেদি এজন স্বাধীন পুৰুষৰ দৰেই আগবাঢ়ি গৈছিল। তেনে ধৰণৰ পুৰুষালী কাৰ্যকলাপ কৰা মহিলা- বিশেষকৈ লেখিকা- তেতিয়াৰ অভিজাত সমাজত দ্বিতীয় এগৰাকীৰ কথা আমি শুনা নাই। সেয়ে তেওঁক পৃথিৱীৰ প্ৰথম ফেমিনিষ্ট বুলি অভিহিত কৰিবলৈ মন যায়।

ফ্ৰান্সৰ অভিজাত মহলত পত্নী এগৰাকীয়ে স্বামীক পুত্ৰ সন্তান উপহাৰ দিয়াৰ পিছত আন প্ৰেমিক গ্ৰহণ কৰাৰ ৰীতি প্ৰচলিত আছিল, যদিও তেনে পুৰুষ নিজৰ মাজৰ কোনোবা সম্ভ্ৰান্ত আৰু সম্পদশালী ব্যক্তিহে হ'ব লাগিব। তাকো প্ৰায় গোপনে । কিন্তু জৰ্জ ছঁই সমাজৰ সেই শৃংখল ছিঙি প্ৰকাশ্যে বাছি লৈছিল- তাকো নিজৰ অভিজাত সমাজৰ পৰা নহয়। তেওঁ বোহেনিয়াম শিল্পীসকলৰ লগত লগ লাগি যি হৈ চৈ কৰি ফুৰিছিল - সিয়ো আছিল পুৰুষ প্ৰধান সমাজৰ- বিশেষকৈ অভিজাত সমাজৰ প্ৰচলিত ধ্যান-ধাৰণাৰ বিৰুদ্ধে এক বিৰাট বিদ্ৰোহ। নিজৰ ব্যক্তি স্বাধীনতাৰ বাবে সন্তান, স্বামীৰ ধন-সম্পদ (লগতে স্বামী) আদি সকলো বিসৰ্জন দিয়াৰ ত্যাগ আৰু দুখৰ মাজেৰে এই গৰাকী লেখিকাই পৃথিৱীত এনেকৈয়ে নাৰীবাদৰ প্ৰথম ধ্বজাখন উৰুৱাই থৈ গ'ল।

পল ৰ'বছন

পল ৰ'বছনৰ গানে জনতাক কি দৰে উদ্দীপ্ত আৰু আবেগ বিহ্বল কৰিব পাৰে জীৱনত এবাৰ সেই উপলব্ধি হৈছিল। পঞ্চাশৰ দশকত এবাৰ গুৱাহাটীত সৰ্বভাৰতীয় গণনাট্য সংঘৰ অধিবেশন বহিছিল আৰু তাত ড° ভূপেন হাজৰিকাই ৰ'বছনৰ " উই আৰ আন দ্য ছেম বট ব্ৰাদাৰ" নামৰ বিখ্যাত গানটো গাই সমৱেত জনতাক বিমুগ্ধ কৰিছিল। গান শেষ হোৱাৰ পিচত সকলোৱে হৰ্ষোল্লাসৰ ধ্বনি তুলিছিল। তেতিয়া মই মনে মনে ভাবিছিলো- স্বয়ং পল ৰ'বছনে যেতিয়া এই গানটো গায় সমবেত শ্ৰোতাৰ মনৰ অৱস্থা বা কি হয়। 'তুমি কেমন কৰে গান কৰো হে গুণী, আমি অবাক হয়ে শুনি, কেৱল শুনি' - ৰবীন্দ্ৰনাথৰ ভাষাৰে কবলৈ গলে বহুতৰ নিশ্চয় মনৰ ভাব এনেকুৱাই হয় আৰু সেই গান আচৰিত হৈ শুনাৰ লগে লগে আনন্দৰ অপূৰ্ব অনুভূতিত তেওঁলোকৰ শৰীৰ মন ৰোমাঞ্চিত হৈ উঠে।

এই বছৰৰ জানুৱাৰী মাহৰ শেষৰ ফালে আমেৰিকাৰ বিখ্যাত নিগ্ৰো গায়ক, অভিনেতা আৰু নিগ্ৰো সকলৰ নাগৰিক অধিকাৰৰ আন্দোলনৰ এজন আগশাৰীৰ নেতা পল ৰ'বছনৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭বছৰ। পিচে এই মহান ব্যক্তি গৰাকীৰ এক ধৰণৰ মৃত্যু বহুত আগতেই ঘটিছিল। শ্ৰীমতী কৰেটা স্কট কিঙে (মাৰ্টিন লুথাৰ কিঙৰ পত্নী) কবৰ দৰে তেওঁক জীয়াই জীয়াই কবৰ দিয়া হৈছিল। ১৯৬৩ চনৰ পৰা জীৱনৰ শেষ বছৰ কেইটা ৰ'বছন ৰোগ শয্যাতে পৰি থাকিল আৰু বিশ্ব জোৰা খ্যাতি অৰ্জা এই অসাধাৰণ ব্যক্তিজনক জগতে প্ৰায় পাহৰি পেলালে। ৰ'বছনে নিজেও পৰিয়ালৰ লোকসকল আৰু বন্ধু বৰ্গৰ বাহিৰে কাকো দেখা নকৰা হৈছিল। ছোভিয়েট ইউনিয়ন আৰু কমিউনিষ্ট সকলৰ বন্ধু এই অজুহাতত মেকাৰ্থীৰ দিনত ৰ'বছনক গৃহ বন্দী কৰি ৰখা হয়। সেই সময়ৰে পৰা জনতাৰ সমুখৰ পৰা তেওঁ যি আঁতৰি গ'ল গ'লেই। সেই সময়ত বা তাৰ বহুত দিন পিচলৈকো ৰ'বছন সম্পৰ্কে আমেৰিকাৰ চৰকাৰৰ কি মনোভাব আছিল তাৰ এক থূলমূল ধাৰণা পোৱা যায় এম চি চাগলাৰ "Roses in December" নামৰ ইংৰাজী ভাষাত লিখা আত্মজীৱনীখনত। ১৯৫৩ চনৰ কথা

শ্ৰীচাগলা তেতিয়া বোম্বাই উচ্চ ন্যায়ালয়ৰ প্ৰধান বিচাৰপতি। পল ৰ'বছনৰ ৬০ বছৰীয়া জন্ম উৎসৱ পালন কৰিবলৈ সৰ্বভাৰতীয় কমিটীখনে তেওঁক সভাপতি পদৰ বাবে আমন্ত্ৰণ জনালে আৰু উদাৰনৈতিক চাগলাই সানন্দে সেই পদ গ্ৰহণ কৰিলে। কিন্তু সৰ্বভাৰতীয় ভিত্তিত ৰ'বছনৰ জন্ম জয়ন্তী পালন কৰা আৰু তাত বোম্বাইৰ প্ৰধান বিচাৰপতিয়ে সভাপতিৰ পদ অলংকৃত কৰা-এই দুয়োটা কিথাতে হেনো আমেৰিকাৰ ওপৰ মহলত কিছু চাঞ্চল্যৰ সৃষ্টি হৈছিল আৰু তেওঁলোক যথাবিহিত ক্ষুন্ন হৈছিল। জৱাহৰলাল নেহৰুৱে চাগলাক সেই কথা জনাই লিখিছিল যে নিগ্ৰো নেতা আমেৰিকাৰ প্ৰতি শত্ৰু ভাবাপন্ন আৰু সশস্ত্ৰ বিদ্ৰোহ কৰি সেই চৰকাৰক উচ্ছেদ কৰিবলৈ ইচ্ছুক সেইজন নিগ্ৰো নেতাৰ ভাবমূৰ্তিক তুলি ধৰি ভাৰত চৰকাৰে আমেৰিকাৰ প্ৰতি বন্ধুত্বৰ বিপৰীত ভাব দৰ্শাইছে বুলি হেনো আমেৰিকাৰ চৰকাৰী মহলৰ মনোভাৱ। কিন্তু নেহৰুৱে চাগলাক এই কথাও জনাইছিল যে এই জন্ম উৎসৱ পালন কৰিবই লাগিব আৰু চালতাও তাৰ সভাপতি হওক চাগলাও কিন্তু এই উৎসৱৰ পৰা যেন তেওঁ ৰাজনীতিক দূৰৈত ৰাখে।

কিন্তু সেই ঘটনাৰ তাতে সামৰণি নপৰিল। আমেৰিকাৰ স্বয়ং কণছাল জেনেৰেল আহি চাগলাক দেখা কৰিলে আৰু স্পষ্ট ভাষাত জনালে যে তেওঁলোকে ৰ'বছনৰ জন্ম উৎসৱ পাতিলে আমেৰিকাই ভাৰতক ভুল বুজাৰ যথেষ্ট সম্ভাৱনা আছে; আনকি ভাৰতবৰ্ষ যে কমিউনিষ্ট শিবিৰলৈ ধাবিত হৈছে এই ধাৰণাটো ৰ'বছনৰ জন্ম উৎ সৱে আৰু বেছি দৃঢ় কৰি তুলিব। কণছাল জেনেৰেলজনৰ এই আপত্তিৰ উত্তৰত - চাগলাই জনাইছিল যে ভাৰতবৰ্ষই ৰ'বছনক সন্মান প্ৰদৰ্শন কৰিবলৈ ওলোৱাৰ গুৰিতে কোনো ৰাজনৈতিক অভিসন্ধি নাই। পল ৰ'বছন এজন মহান কলাকাৰ, এজন অতি নিষ্ঠাবান মানব প্ৰেমিক আৰু তেওঁ মানৱতাৰ সন্মান আৰু অধিকাৰৰ বাবে সংগ্ৰাম চলাই আহিছে। পল ৰ'বছনৰ এই সংগ্ৰাম ভাৰতবাসীৰ অতি মৰমৰ অৰু শ্ৰী চাগলাই ভাবে যে মুক্তিপ্ৰেমী আমেৰিকাবাসীৰো যি একেদৰেই মৰমৰ। এই মহান ব্যক্তিজনক সন্মান প্ৰদৰ্শন কৰিবলৈ ওলোৱা সমিতিৰ কিবা ৰাজনৈতিক মতলব থকা হ'লে তেওঁ কেতিয়াও তাৰ সভাপতি নহ'লহেঁতেন। ড° চি পি ৰামস্বামী আয়াৰ, ড° চি ভি ৰমন, শ্ৰীমতী কমলা দেৱী চট্টোপাধ্যায় বিচাৰপতি গজেন্দ্ৰ গাডকৰ, মাদ্ৰাজৰ প্ৰধান বিচাৰপতি এইলোকসকল হ'ল জন্ম উৎসৱ সমিতিখনৰ সভ্য, গতিকে ইয়াত বাওপন্থী ৰাজনীতিৰ কোনো গোন্ধোই থাকিব নোৱাৰে। শ্ৰী চাগলাই শেষত আমেৰিকাৰ কণছাল জেনেৰেলজনক সেই উৎসৱত যোগ দিবলৈ আমন্ত্ৰণ জনালে।

সেই বছৰ পৃথিৱীৰ ২৮খন দেশে ৯ এপ্ৰিলৰ দিনা ৰ'বছনৰ জন্মদিনত শ্ৰদ্ধাঞ্জলি আগবঢ়াই উৎসৱ পালন কৰিছিল। আমোদৰ কথা এইটোৱে যে সেই সময়ত আমেৰিকাৰ প্ৰধান বন্ধু ইংলেণ্ডেও এই উৎসৱবোৰৰ অগ্ৰণী-ভূমিকা পালন কৰিছিল আৰু সেই দেশৰ সেই সমিতিৰ সভ্য আছিল বামিংহামৰ লৰ্ড বিশ্বপ আৰু বডলীৰ আৰ্ল বল্ডুইনৰ দৰে ব্যক্তি।

আৰু অনেক আকাশৰ তৰা

১৯৫৩ চনৰ পল ৰ'বছন জন্ম উৎসৱৰ সভাপতি শ্ৰীএম চি চাগলাই কৈছিলঃ ৰ'বছনে অনুভৱ কৰিছিল যে প্ৰত্যেক শিল্পীয়ে তেওঁৰ শিল্পক নিষ্ঠুৰতা, অত্যাচাৰ আৰু অসাম্যৰ বিৰুদ্ধে যুঁজিবলৈ এপাত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা উচিত। ৰবছনে যুঁজ কৰিছিল এক উচ্চ জাতিৰ দম্ভ বিদ্বেষ আৰু গাৰ ছালৰ ৰঙৰ প্ৰাধন্যৰ বিৰুদ্ধে।... ভগৱানৰ ৰাজ্যৰ উত্তৰাধিকাৰী হ'ব পদ দলিত আৰু নিস্পেষিত সকলেই বুলি আমি সৰ্বোচ্চ আসনত থকা সকলৰ পৰা শিক্ষা লাভ কৰিছো। যদি ভগৱান আছে- আৰু কৰুণা আৰু মমতাৰ আন নাম হ'ল ভগৱান -তেন্তে আন সকলো মানুহতকৈ নিগ্ৰো সকলেই হ'ল ভগৱানৰ আটাইতকৈ মৰমৰ, কাৰণ তেওঁলোকেই আজি আটাইতকৈ অত্যাচাৰিত আৰু হীন অৱস্থাত পতিত থৈ থকা লোক। মোৰ কোনো সন্দেহ নাই যে ভগৱানৰ ৰাজ্যৰ উত্তৰাধিকাৰী হ'ব এওঁলোকেই।

পল ৰ'বছনৰ দেউতাক এজন ধৰ্মযাজক আছিল, কিন্তু আদিতে তেওঁ আছিল এজন পলাতক কৃতিদাস। ৰ'বছনৰ মাক এক প্ৰকাৰ অন্ধই আছিল আৰু ৰ'বছনৰ যেতিয়া মাত্ৰ ছয় বছৰ, তেতিয়া অগ্নিকাণ্ডত তেওঁৰ মৃত্যু ঘটে। ৰ'বছনে স্থানীয় নিউজাৰ্ছি হাই স্কুলৰ পৰা সসম্মানে পাছ কৰাৰ পিচত বুটজাৰ বিশ্ববিদ্যালয়ত পঢ়িবলৈ এটি বৃত্তি পায় আৰু ১৯১৯ চনত ক্লাছৰ বিদায়ী নিৰ্বাচিত হয়, ৰ'বছন তাত সৰ্ব আমেৰিকান ফুটবল খেলুৱৈ হিচাপতে পৰিগণিত হয়। ১৯২৩ চনত তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়ৰ আইন পাছ কৰে। ৰ'বছনক প্ৰথমৰ পৰাই আকৃষ্ট কৰিছিল সংগীতে আৰু নিগ্ৰোৰ আধ্যত্মিক সংগীত, অন্যান্য নানা বিধৰ সংগীত আৰু লোক-গীতিক সমৃদ্ধ কৰি তুলিছিল তেওঁৰ কণ্ঠৰ বিস্ময় বিমুগ্ধকাৰী ঐশ্বৰ্য আৰু আবেগ-উদ্দাত্ত শক্তিয়ে। অভিনেতা হিচাপেও ৰ'বছনে পৃথিৱী জোৰা খ্যাতি অৰ্জন কৰিলে। ১৯২২ চনত তেওঁ প্ৰথমবাৰৰ বাবে মঞ্চত অভিনয় কৰিছিল। ইমান দিনে নিগ্ৰোসকলক মঞ্চ আৰু কণচাৰ্ট হলবোৰত তেনেকৈ অংশ গ্ৰহণ কৰিবলৈ দিয়া হোৱা নাছিল। ৰ'বছনৰ মঞ্চ অভিনয়ে বিখ্যাত নাট্যকাৰ ইউজিন ও নীলক ইমান মুগ্ধ কৰিলে যে তেওঁ ৰ'বছনক নিজৰ নাটক বোৰত অভিনয় কৰিবলৈ দিছিল। প্ৰথমখন নাটকত ৰ'বছনে মেৰী ব্লেয়াৰ বগা ছআলৰ অভিনেত্ৰী এগৰাকীৰ লগত অভিনয় কৰিছিল যিটো এটা আভাৱনীয় ঘটনা। ৰ'বছনৰ মঞ্চ অভিনয়ৰ ১৯২৮ চনৰ show boat নাটকৰ অভিনয়ৰ অসাধাৰণ সাফল্যৰ (তাত তেওঁ ol man piper নামৰ গানটো গাই সকলোকে মতলীয়া কৰি তুলিছিল) পিচতো আৰু বেছি অসাধাৰণ সাফল্য হ'ল "ওথেলো"খন। সেই নাটকে ১৯৩০ চনত লণ্ডত কুৰি বাৰ মঞ্চৰ পৰ্দা উঠাই ৰ'বছনক দৰ্শকৰ আগলৈ আনিবলগীয়া হৈছিল।

নিউইয়ৰ্কৰ ব্ৰডবে থিয়েটাৰৰ শ্বে'পীয়েৰৰ নাটকৰ সকলো ৰেকৰ্ড ভংগকাৰী নাটকখন হ'ল ১৯৪৩ চনত। তাত অভিনীত হোৱা এই ওথেলো নাটক। নাম ভূমিকাত

ৰ'বছনৰ অভিনয় আছিল অসামান্য। ১৯৩৩ চনত ৰ'বছনে চিনেমাতো নামে।

কিন্তু নিগ্ৰোসকলৰ ওপৰত বগা ছালৰ মানুহবোৰৰ অত্যাচাৰৰ কথা ৰ'বছনে নিজৰ ইমান অসাধাৰণ সাফল্য আৰু সন্মানৰ মাজতো এক মুহূৰ্তৰ বাবে পাহৰি থাকিব পৰা নাছিল। তেওঁ ইংলেণ্ড আৰু ইউৰোপৰ সকলোতে ঘূৰি ঘূৰি বক্তৃতা দি ফুৰিবলৈ ধৰিলে যে গাৰ ক'লা ছালে একো নকৰে। ছত্ৰিশৰ মাজ ভাগৰ পৰা পঞ্চাশৰ মাজ ভাগলৈ তেওঁ স্পষ্ট আৰু উদ্বাত কণ্ঠেৰে নিগ্ৰোৰ অধিকাৰৰ সপক্ষে কৈ ফুৰিছিল। আৰু তেওঁৰ একমাত্ৰ পুতেকক তাৰ স্কুলত পঢ়িবলৈ পঠিয়াইছিল। ৰ'বছনে ভাবিছিল যে একমাত্ৰ সেইখন দেশতে নিগ্ৰোসকলৰ বেছি স্বাধীনতা আছে।

ইয়াৰ পিচত ৰ'বছনে পুনৰ আমেৰিকালৈ ঘূৰি আহিছিল। কিন্তু মেকাৰ্থীৰ চৰকাৰে তেওঁৰ ওপৰত কঠোৰ ব্যৱস্থা ললে। পল ৰ'বছনৰ মৃত্যু হ'ল সঁচা; কিন্তু পৃথিবীলৈ কিছু সংখ্যক লোক আহে যি সকলে মাতৃহীন প্ৰাণ লৈ জন্ম গ্ৰহণ কৰে - ৰ'বছনো এই সকলৰে এজন। গতিকে ৰবীন্দ্ৰনাথৰ এই কথাষাৰ তেওঁৰ গাতো প্ৰযোজ্য " এনে ছিলে সাতে কৰে মৃত্যুহীন প্ৰাণ, মৰণে ভাহাই তুমি কৰে গেলে দান।" এই দানৰ বাবেইতো পল ৰ'বছনৰ মৃত্যুৰ পিচতো আমি আজি তেওঁৰ জন্ম উৎসৱ পালন কৰিছো।

চেখভৰ খুহুতীয়া গল্প

চেখভ ৰ খুহুতীয়া গল্পকথাবোৰে বহুতকে নিশ্চয় অবাক কৰি দিব। যিজন লেখকৰ কলমৰ পৰা চেৰি অৰ্চাৰ্ড আংকুল্‌ ভেনিয়াৰ দৰে লেখা ওলায়, সেই কলমে আকৌ কি হাঁহিৰ গল্প লেখিব? কিন্তু অবাক মানিব লগীয়া হলেও, তেখেতে হাঁহিৰ গল্প বহুতো লিখিছিল আৰু গল্পৰেই তেওঁ লেখক জীৱন আৰম্ভ কৰিছিল। তেতিয়া চেখভে নিজৰ লেখাৰ ওপৰত অলপো গুৰুত্ব সহকাৰে ভবা নাছিল, তেতিয়া তেওঁ লিখিছিল একমাত্ৰ টকাৰ কাৰণেই। অতিশয় বিবেকবান আৰু সহানুভূতিশীল চেখভে ওঠৰ বছৰ মান বয়সৰ পৰাই দুখীয়া ঘৰখনক আৰ্থিকভাবে সাহাৰ্য্য কৰিবলৈ আৰম্ভ কৰিছিল। অথচ তেতিয়া তেওঁ আছিল ছাত্ৰ, নিজৰ থকা - খোৱা, পঢ়া, শুনা সকলো খৰছ তেওঁ নিজেই উলিয়াই লবলগীয়া হৈছিল।

চেখভৰ হাঁহিৰ গল্পৰ প্ৰসংগত অৱশ্যে এটা কথা কৈ লব লাগিব যে তেওঁৰ গল্পবোৰ বিশুদ্ধ হাঁহিৰ কোনোদিনেই নাছিল, সেইবোৰ আছিল সূক্ষ্ম ব্যংগত্মাক গল্প, জীৱনৰ গভীৰ অন্তৰ্দৃষ্টি সেই গল্পবোৰত ফুটি ওলাইছিল। গতিকে হাঁহি উঠা এন্টোশ্বা চেখনুটি নামৰ ছদ্ম নাম এটা লৈ পিটাৰ্ছ বাৰ্গৰ 'অছকুভলকি' নামৰ ধেমেলীয়া ৰচনাৰ কাগজ এখনত লেখা চেখভৰ হাঁহিৰ গল্পবোৰ পিচৰ ফালৰ গহীন গল্পবোৰৰ লগত এডাল সুতাৰেই বন্ধা। তেওঁৰ হাঁহিৰ গল্পৰ হাঁহিৰ মাজতো মৃদুভাবে বাজি থাকে জীৱনৰ একো একোটা গভীৰ দুখৰ অস্ফুট সুৰ। চেখভে যিখন কাগজত হাঁহিৰ গল্প লেখি লেখক জীৱনৰ পাতনি মেলিছিল সেই অছকল্কি কাগজখনৰ মালিক নিকোলাই লেইকিন আছিল এক ব্যৱসায়ী পৰিয়ালৰ ল'ৰা। উনৈশ শতিকাৰ আশীৰ দশকত ৰাছিয়াত তেওঁৰ হাঁহিৰ কাগজখনৰ প্ৰচাৰ যথেষ্ট আছিল। ছাত্ৰৱস্থাতে অছকল্কিত লেখিবলৈ আৰম্ভ কৰা চেখভৰ প্ৰতিভাক এই সূক্ষ্ম বুদ্ধিৰ ব্যৱসায়ীজনে খুব ভালকৈ চিনি পাইছিল। গতিকে লেইকিনে ঠিক কৰিছিল যে এই অসামান্য বুদ্ধিদীপ্ত আৰু কঠোৰ পৰিশ্ৰমী ছাত্ৰজনক তেওঁ খুব কায়দাৰে একমাত্ৰ তেওঁৰ নিজৰ কামতে আবদ্ধ কৰি ৰাখিব। তাৰ বাবে লেইকিন সদা সচেতন হৈ

থাকিছিল যাতে চেখভে আন কাকত বা আলোচনীত লিখিবলৈ আৰম্ভ নকৰে।

চেখভে লেইকিনৰ কাগজখনক যিমান ধৰণে সহায় কৰিছিল ভাবিলে আচৰিত মানিব লাগে। তেওঁ অমানুষিক পৰিশ্ৰম কৰিব পাৰিছিল। অছুকঙ্কিৰ ব্যংগ অনুকৰণৰ চিত্ৰবোৰৰ (কেৰিকেচাৰ) তলত নানা ধৰণৰ উপযুক্ত টিপপনি লিখা, ছবিবোৰৰ বাবে উপযুক্ত বিষয়বস্তু বাছি উলিওৱা, নানা ধৰণৰ মজাৰ গল্প বিচাৰি অনা, কৌতুকদীপ্ত কথোপকনকথন, পেৰেডী, হাঁহিৰ কেলেণ্ডাৰ, মস্কোৰ জীৱনৰ ডুখৰীয়া ছবি শীৰ্ষক ধাৰাবাহিক ৰচনা আদি, নানা ধৰণৰ অজস্ৰ সৰু-সুৰা কাম চেখভে লেইকিনৰ কাগজখনৰ বাবে কৰি দিছিল। লেইকিনৰ বাবে চেখভ হৈ পৰিছিল এক অফুৰন্ত সোণৰ খনি। একৰাহে পাঁচ বছৰ কাল তেওঁ লেইকিনৰ কৰ্মত নিযুক্ত আছিল।

অৱশ্যে এটা কথা, লেইকিনৰ হিংসাৰ জুই যিমানেই প্ৰখৰ বাবে নজ্বলক কিয়, চেখভে লাহে লাহে অন্যান্য কাগজতো লিখিবলৈ আৰম্ভ কৰি দিছিল, তাৰ ভিতৰত আছিল পিটাছবাৰ্গ গেজেটলৈ লিখা 'লকৰ্ট ৰিপৰ্টছ'।

এন্টো শ্বা চেখন্টিয়ে যিবোৰ হাঁহিৰ গল্প লিখিছিল সেই গল্পবোৰৰ লগত অছুকঙ্কিৰ অন্যান্য লেখকৰ তেনে জাতীয় গল্পৰ বিশেষ পাৰ্থক্য নাছিল। জীৱনৰ অতি সাধাৰণ কথাবোৰ লৈ সেইবোৰ গল্প লিখা হৈছিল আৰু কেতিয়াবা কেতিয়াবা অ'ত-ত'ত শুনা মজাৰ গল্পৰ আলম লৈও চেখভে এনে খুহুতীয়া গল্প লেখিছিল। লেইকিনে যি ধৰণৰ গল্প বিচাৰিছিল সেই ধৰণৰ গল্পই হেনো তেওঁ চেখভৰ পৰা পাইছিল। লেইকিনে নিজেই এনেদৰে চেখভলৈ লিখিছিলঃ হাস্যৰসাত্মক কাকতে ঠিক এনেধৰণৰ গল্পকে বিচাৰে। কিন্তু চেখভে লেখা সেই খুহুতীয়া গল্পবোৰৰ অতি-গভীৰত জীৱনৰ যি উজ্জ্বল সত্য নিহিত হৈ আছে, সেই কথা লেইকিনে কেতিয়াও বুজি পোৱা নাছিল। কিন্তু পিছলৈ যেতিয়া চেখভে অন্যান্য

কাগজ-পত্ৰত অলপ গহীন ধৰণৰ গল্প লিখিবলৈ আৰম্ভ কৰিছিল তেতিয়া লেইকিনক সেই গল্পবোৰৰ নতুন সুৰে বিৰক্ত কৰিছিল। সেই সময়ত লেইকিনৰ সৰু পুখুৰীটোত চেখভৰ অৱস্থা যেন এণ্ডবছনৰ আপচু ৰাজহাঁহটোৰ দৰে হৈছিল, হাঁহ পোৱালীবোৰৰ মাকজনীৰ দৰেই অছুকঙ্কিৰ মালিকে আশা ৰাখিছিল যথা সময়ত চেখভৰ উন্নতি হ'ব অৰ্থাৎ এই নতুন গল্পৰ পৰীক্ষা-নিৰীক্ষা বাদ দি খুহুতীয়া গল্পৰ মাজতে চেখভে মনপুতি লাগি থাকিব।

চেখভৰ ৰচনাত হাস্যৰসৰ বাহিৰে আন যি কোনো ৰসৰ প্ৰতি লেইকিন কিমান অন্ধ আছিল তলত দিয়া এই গল্পটোৱেই সেই কথা প্ৰমাণ কৰিব। অসাৱধানতা নামৰ অছুকঙ্কিত ওলোৱা এই গল্পটোত লেইকিন বৰ সন্তুষ্ট হৈছিল।

অসাবাধানতাৰ মূল চৰিত্ৰ পিয়টৰ পেট্ৰোভিচ ষ্টিজিনৰ বৈণীয়েকৰ মৃত্যু হৈছিল

আৰু তেওঁৰ ঘৰখন চলাইছিল ডাশ্বা মামৰ অতি ৰুক্ষ প্ৰকৃতিৰ অবিবাহিতা খুলশালীয়েকজনীয়ে। এদিন ৰাতি পেট্ৰোভিচে বৰদিনৰ নিমন্ত্ৰণ খাই ঘৰলৈ উভতি আহি ভাবিলে যে পাৰ্টিটোত তেওঁক যথেষ্ট মদ খাবলৈ নিদিলে। ইতিমধ্যে ডাশ্বা শুই পৰিছিল, গতিকে সেই সাহতে তেওঁ চাঙৰ পৰা বটল এটা আনি এক গিলাচ ডাশ্বাৰ ভদকা একে ঢোকে গিলি পেলালে। তাৰ পিচতেই পেট্ৰোভিচে দেদাউৰি পাৰি ডাশ্বাৰ ওচৰলৈ দৌৰি গৈ তেওঁক ঠেলি ঠেলি জগাব ধৰিলে আৰু যন্ত্ৰণাৰ বিকৃত মাতেৰে কবলৈ ধৰিলে ডাশ্বা,ডাশ্বা মই - মই কেৰাচিন খাইছো।

ইতিমধ্যে ডাশ্বা জাগি উঠিছিল। তেওঁ খঙতে দবিয়াই উঠিল - কি আজে বাজে কথা বলকিছা। সিহঁতে তোমাক কেতিয়াও কেৰাচিন খাবলৈ দিয়া নাছিল।

কিন্তু তাৰ পিচত ডাশ্বাই যেতিয়া আচল ঘটনাটো গম পালে, তেওঁতো প্ৰেট্ৰোভিচৰ যন্ত্ৰণাৰ প্ৰতি গ্ৰাহ্য নকৰিলেই বৰং তেওঁৰ ভদকা চুৰি কৰাৰ মতলবৰ কাৰণে উগ্ৰমূৰ্তি ধাৰণ কৰিলে। উস- মানুহজনৰ ইমান সাহ, তেওঁৰ টোপনিৰ সুবিধা লৈ তেওঁৰ ভদকা চুৰি কৰিবলৈ আহিছিল। ডাশ্বাই প্ৰেট্ৰোভিচক উধাই মুধাই গালি পাৰিবলৈ ধৰিলে।

পেট্ৰোভিচ ষ্টিজিনে তেতিয়া ডাক্তৰৰ ঘৰলৈ দৌৰ মাৰিলে । কিন্তু বৰদিনৰ ৰাতি ডাক্তৰ ঘৰত নাই। আন এজন ডাক্তৰৰ ঘৰলৈ গ'ল, তেওঁ কোনো ৰকমেই বিচনাৰ পৰা উঠি নাহিল। এইদৰে কোনো ডাক্তৰৰ পৰাই পেট্ৰোভিচে কোনো সহায় নেপালে। তেতিয়া তেওঁ ঘৰলৈ আহি মৃত্যুৰ বাবে অপেক্ষা কৰি থাকিল আৰু মৃত্যুশয্যাৰ বাণী এটাও ৰচনা কৰি থলে। ৰাতিপুৱাল। পেট্ৰোভিচে আবিষ্কাৰ কৰিলে যে তেওঁ মৰা নাই। তেতিয়া তেওঁ মৃত্যু মুখৰ পৰা উভতি অহা মানুহৰ অপৰিসীম সুখ আনন্দৰ হাঁহি এটা লৈ ডাশ্বাৰ ওচৰলৈ গ'ল আৰু তেওঁৰ সৌভাগ্যৰ কাৰণৰ এইদৰে ব্যাখ্যা দিলে ঃ ডাশ্বা, মই দেখিলো যে পৃথিৱীত যদি মানুহে নিয়মিত আৰু ঠিকভাবে জীৱনটো চলাই নিব পাৰে, তেনেহ'লে তেওঁক কোনো ধৰণৰ বিহে কোনো অপকাৰ কৰিব নোৱাৰে।

ডাশ্বাৰ হুমুনিয়াহ ওলাল - ওহো, আচল কথা হ'ল কেৰাচিনখিনি খাটি নাছিল-ডাশ্বাই একেথৰে সন্মুখৰ ফালে চাই থাকিল আৰু তেওঁৰ অবাবতে হোৱা খৰছখিনিৰ কথা ভাবিবলৈ ধৰিলে। ডেৰ কোপেকৰ বিনিময়ত দোকানীটোৱে মোক ভাল বুলি বেয়া কেৰাচিন দি ৰামঠগন দিলে। উস্ মই কি দুৰ্ভগীয়া। এনেকৈ দোকানীয়ে ঠগায়। অত্যাচাৰী, নিধক, তহঁত নৰকৰ জুইত মৰিবি ৰ ....।

ডাশ্বাৰ মুখ চলিয়ে থাকিল। থুলমুলকৈ এইটোৱে হল অসাৱধানত নামৰ খুহুতীয়া গল্পটো। লেইকিনে ইয়াত হাস্যৰসৰ বাহিৰে আন একোৱে বিচাৰি নেপালে। আমোদজনক পৰিস্থিতি এটাৰ মাজেদি এজন নিঃসঙ্গ -মানুহৰ যি বেদনা ফুটি ওলাইছে তাক লেইকিনে দেখা নেপালে অতি তুচ্ছ কথাতে সম্পূৰ্ণ ভাবে মগ্ন হৈ থকা ডাশ্বাৰ মাজেদি যে চিৰন্তন

মানুহৰ ছবি এটা ফুটি উঠিছে, তাকো লেইকিনে দেখা নেপালে। আচলতে তেৰো এক ডাম্বাই , ডাম্বাৰ দৰে তেওঁৰো দৃষ্টি নিবন্ধ জীৱনৰ খণ্ড আৰু তুচ্ছ কথাত, তাৰ বাহিৰে তেওঁ আৰু একোকে দেখা নেপালে।

কিন্তু এনেধৰণৰ খুহুতীয়া গল্পৰ মাজেদিয়ে চেখভৰ প্ৰকৃত লেখক সত্বা বিকশিত হৈ উঠিছিল। জীৱনৰ এনে সৰু সুৰা খণ্ড চিত্ৰৰ মাজেদি প্ৰকাশ পাবলৈ আৰম্ভ কৰিছিল মানৱ জীৱনৰ এক পূৰ্ণ ছবি। প্ৰথম অৱস্থাত চেখভৰ হৈছিল যে তেওঁ গল্পবোৰ কাটি কুটি সৰু কৰি পেলাবলগীয়া হৈছে। কিন্তু লাহে লাহে তেওঁ তাৰ পৰা পোৱা সুফলবোৰ উপলব্ধি কৰিবলৈ ধৰিলে। এনেকৈ নিৰ্দয়ভাবে কাট কুট কৰাৰ পিচত অৱশিষ্ট যি বাকী থাকেগৈ সি হৈ উঠে এক বিশেষ প্ৰতিভাৰে সমুজ্জ্বল। চেখভৰ বহুত চিঠি, নোট বহী, কথা বতৰাৰ মাজত এনে মন্তব্য প্ৰায়ে দেখা আৰু শুনা গৈছিল-'সংক্ষিপ্ততাই হ'ল প্ৰতিভাৰ ভগ্নী-লেখাৰ কলা হ'ল সংক্ষিপ্তকৰণৰ কলা'- 'ভালকৈ লেখিব পৰা অৰ্থাৎ সংক্ষিপ্তভাবে লেখিব পৰা'- ডাঙৰ কথা কেনেকৈ সংক্ষেপে কব লাগে মই জানো। আচলতে চেখভৰ লেখাৰ মূল কথাই হ'ল কম কথাৰে বহুত কথা কব পৰাৰ ক্ষমতা।

চেখভ আছিল অতি পৰিশ্ৰমী লেখক। তেওঁ, এই হাঁহিৰ গল্পবোৰ লেখিবলৈ আৰম্ভ কৰাৰ তিনি চাৰি বছৰৰ ভিতৰত পৰিপক্কতা লাভ কৰিব পাৰিছিল। কিন্তু তাৰ বাবে তেওঁক সৌভাগ্যই কোনো অযাচিত অনুগ্ৰহ দেখুওৱা নাছিল। চেখভৰ সমসাময়িক এজন লেখক এলেজান্দ্ৰ গ্ৰুজিনস্কিয়ে লিখিছে চেখভ ভাগ্যদেৱীৰ একো মৰমৰ পুত্ৰ নাছিল। তেওঁ কৃতকাৰ্য্যতা লাভ কৰিছিল নিজৰ ধীৰ-স্থিৰ আৰু কয়দীৰ দৰে কৰা অতি কঠোৰ পৰিশ্ৰমৰ মাজেদি।

প্ৰথমতেই উল্লেখ কৰা হৈছে যে, চেখভ আছিল এজন অতি বিবেকবান আৰু সুহৃদয়বান ভদ্ৰলোক। তেওঁৰ বিবেক ইমান প্ৰখৰ আছিল যে জীৱনৰ কোনো কামতে তেওঁ সামান্যতম ফাঁকিও দিব নোৱাৰিলে। ডাক্তৰী পঢ়ি থকা অৱস্থাত তেওঁ যেতিয়া পইচাৰ বাবে লেইকিনৰ আলোচনীত গল্প লিখিবলৈ আৰম্ভ কৰিছিল, তেতিয়া তেওঁ ডাক্তৰ হব বুলিয়ে ধৰি লৈছিল, লেখক হ'ব বুলি কেতিয়াও ভবা নাছিল। কিন্তু তেনে অৱস্থাতো তেওঁৰ বিবেকে তেওঁক কৈছিল যে খুহুতীয়া গল্পৰ লেখক হিচাপেও পাঠকৰ প্ৰতি তেওঁৰ অসীম দায়িত্ব আছে আৰু সেই দায়িত্ব তেওঁ নিষ্ঠাৰে পালন কৰিব লাগিব। আবেগপ্ৰৱণতা আৰু নীতিকথা-এই দুটা বস্তু চেখভে গল্পৰ মাজেদি প্ৰকাশ কৰিবলৈ খুব অপছন্দ কৰিছিল, কিন্তু হাঁহিৰ গল্পৰ লেখক হিচাপে তেওঁৰ যে পাঠকৰ ওচৰত এক ধৰণৰ কৈফিয়ৎ দিবলগীয়া আছে, তেনে এটা চিন্তাই তেওঁক বোধহয় অহৰহ পীড়ন কৰিছিল, নহলে 'মেৰিয়া আইভানো ভনা' নামৰ গল্প চেখভৰ কলমৰ পৰা নোলালহেঁতেন।

আৰু অনেক আকাশৰ তৰা

আত্মজীৱনীমূলক এই গল্পটোৰ এঠাইত চেখভে লিখিছিল ঃ

ৰাছিয়াত থকা আমি সকলোবোৰ খুহুতীয়া গল্প লেখকো আপোনালোকৰ দৰেই। .. বিশ্বাস কৰক, মস্কোত-যেতিয়া সৰু ল'ৰা-ছোৱালীৰ হাস্পতাল বন্ধ কৰি দিয়া হয়, অথবা গগলৰ গল্প পঢ়াৰ পিচতো মানুহে যেতিয়া একেদৰে 'ভেটি' লৈ থাকে তেতিয়া আমি আপোনালোকৰ দৰেই দুখ অনুভৱ কৰো। কিন্তু এটা নতুন হাস্পতাল নোখোলা পৰ্য্যন্ত আমি যদি হাঁহিৰ গল্প লিখিবলৈ এৰি দিওঁ তেন্তে ৰাছিয়াত হাঁহিৰ গল্পৰ ধাৰাই বন্ধ হৈ যাব।

পাঠক, আমি এনে হ'বলৈ দিব নোবাৰো। আমাৰ এটা গল্প বৰ সৰু আৰু অকিকিব হ'ব পাৰে, মুখৰ শিৰা উপশিৰা কোচুঁ খুৱাব পৰাকৈ আৰু কোৱাৰি লৰচৰ কৰি দিব পৰাকৈ আমাৰ এই গল্পই আপোনালোকক হুহুৱাব নোৱাৰিব পাৰে, কিন্তু, তথাপিও ইয়াৰো অস্তিত্ব আছে আৰু এক ধৰণৰ কাম ইও কৰে। আমি ইয়াৰ বাহিৰে চলিব নোৱাৰো। আমি যদি এক মুহূৰ্তৰ বাবেও আঁতৰি যাওঁ আৰু যুদ্ধক্ষেত্ৰ ত্যাগ কৰো, তেন্তে আমাৰ ঠাইখিনি অধিকাৰ কৰি বহিব বহুৱা আৰু ভাৰতীয়া হাস্যৰসিকে....

গতিকে দেখদেখকৈয়ে মোৰ কৰ্তব্য হ'ল লেখি যোৱা। মোৰ সামৰ্থ অনুযায়ী লেখি যোৱাই হ'ল মোৰ কৰ্তব্য

হাঁহিৰ গল্পক বিশেষ এক মৰ্য্যদা পোৱাৰ উপযুক্ত কৰিবৰ চেষ্টা কৰাতো চেখভে কৰ্তব্য বুলি ভাবিছিল। কিন্তু তেওঁৰ এই খুহুতীয়া গল্পক লেইকিনহঁতৰ দৰে মানুহৰ বাহিৰেও সমসাময়িক বহুতো সমলোচকে যে বিশেষ মৰ্য্যদা দিয়া নাছিল, আশীৰ দশকৰ এক বিখ্যাত সমলোচক এন কে মিখাইলভস্কিয়ে তাৰ প্ৰমাণ। তেওঁ কৈছিল যে, চেখভ এক প্ৰতিভাবান আমোদ যোগানকাৰীৰ বাহিৰে আন একোৱে নহয়; এনে ধৰণৰ আন লেখক সকলৰ লগত চেখভৰ একমাত্ৰ পাৰ্থক্য হ'ল তেওঁৰ সাধুতা।

সমলোচকৰ সমলোচনাই পৃথিৱীৰ বহুতো যুগান্তকাৰী লেখকৰ অমৰ বচন কেনেকৈ ধূলিসাৎ কৰি দিছিল তাৰ বহুতো উদাহৰণ আছে। সেইবোৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ উদাহৰণ বোধহয় কবি কীটছৰ কাহিনীটো। এই মানুহজনে কবিতাৰ নাম এইবোৰ অপদাৰ্থ বস্তু লেখাতকৈ তেওঁৰ ঔষধৰ বটলৰ মাজতে ব্যস্ত থকা উচিত- কীটছৰ কবিতা সম্পৰ্কে সমলোচক সকলে এনে ধৰণৰ মন্তব্য কৰিছিল। কোমল বয়সৰ কীটছক সেই সমলোচনাই অন্তৰত কম আঘাত দিয়া নাছিল। কিন্তু তেওঁ নম্ৰভাবে কৈছিল- এদিন মোৰ স্থান হব পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ কবি সকলৰ ওচৰত।

চেখভৰ অৱশ্যে তেনে দুৰ্ভাগ্য হোৱা নাছিল। তেও লেখাক যথোচিত মৰ্য্যদা দিব পৰা উপযুক্ত লোকো ৰাছিয়াত আছিল। মেঁমি গৰ্কীয়েই তেওঁৰ ধেমেলীয়া গল্পৰ সৰ্ম্পকে এনে ধৰণৰ মন্তবা দিছিলঃ

সম্মানিত জনতাই ডটাৰ অৱ বিয়ন (চেখভৰ আন এক হাঁহিৰ গল্প) পঢ়ি হাঁহিছে,

বোধহয় এই গল্পটোৰ নিঃসংগ ব্যক্তিজনৰ প্ৰতি আঢ্যবন্ত মানুহ এজনৰ অদ্ভুত বিদ্ৰূপৰ কথাখিনি পঢ়াৰ পিচত তেওঁলোকৰ হাঁহি উঠিছে। মই কিন্তু চেখভৰ প্ৰত্যেকটো ধেমেলীয়া গল্পতে শুনিবলৈ পাওঁ এক নিভাঁজ আৰু প্ৰকৃত মানব দৰদী অন্তৰৰ মৃদু আৰু গভীৰ হুমুনিয়াহৰ অস্ফুট ধ্বনি।... জীৱনৰ অতি তুচ্ছতাৰ ট্ৰেজেডিক চেখভৰ দৰে ইমান সূক্ষ্ম ভাবে আৰু গভীৰ ভাবে আন কোনেও বুজি পোৱা নাই, আন কোনেও তেওঁৰ সম শ্ৰেণীৰ প্ৰাণীৰ অতি নিম্ন খাপৰ আৰু তুচ্ছ জীৱনৰ অতি হৈ[illegible]শাজনক আৰু লাজ লগা ছবি ইমান ন্যায়সংগত ভাবে আৰু কঠোৰ ভাবে আঁকিব পৰা নাই।

ভাবিলে আচৰিত লাগে যে চেখভৰ ডটাৰ অব এলবিয়ন কেমেলিয়ন, প্ৰেম্পিবেয়েভ, মাস্ক, ডেথ অব এ ক্লাৰ্ক দি ফেট ওৱান এণ্ড দি থিন ওৱান, অন দি হাৰ্মফুলনেছ অব স্মকিঙৰ দৰে গল্প পঢ়াৰ পিচতো সমালোচকে তাত হাঁহিৰ বাহিৰে আন খোৰাক বিচাৰি পোৱা নাছিল। চেখভে যে অচ্ছকল্পিত গল্পবোৰ লিখিছিল সেই কথায়ো বোধহয় সমালোচকৰ মতামতক কিছু প্ৰভাৱান্বিত কৰিছিল। নহ'লে মাস্ক গল্পটোৰ কথাই ধৰক, এই গল্পটোত জানো ধেমালিৰ বাহিৰে আন একো বিচাৰি পোৱা নেযায়? বিৰাট ধনী এজন স্থানীয় উদ্যোগপতি। বহুতো অনুষ্ঠান তেওঁৰ অৰ্থসাহাৰ্য্যবে পুষ্ট। মাতাল অৱস্থাত তেওঁ ক্লাব ঘৰ এটালৈ আহিল। খেয়ালি ধনী স্ফূৰ্তি কৰিবলৈ মুখা পিন্ধি আহিছে আৰু আহিয়ে ক্লাবৰ পঢ়া কোঠালীত পঢ়ি থকা আৰু টোপনিয়াই থকা স্থানীয় সন্মানিত বুদ্ধিজীৱিক বাহিৰ হৈ যাবলৈ কালে। ফলত সেই সকল সন্মানিত বুদ্ধিজীৱিসকল অপমানিত হৈ খঙতে হুলস্থুল লগাই দিলে। তেতিয়া উদ্যোগপতিজনে তেওঁৰ মুখাখন খুলি দিলে আৰু বুদ্ধিজীৱী সকলে নিজৰ ভিতৰত বিভ্ৰান্ত দৃষ্টি বিনিময় কৰিবলৈ ধৰিলে, তেওঁলোকে শেঁতা পৰি গ'ল আৰু কিছুমানে মূৰ খজুৱাবলৈ ধৰিলে। এইবাৰ যেতিয়া মুখাবিহীন উদ্যোগপতিয়ে তেওঁলোকক আকৌ ওলাই যাবলৈ কলে, আটায়ে বিনা বাক্যব্যয়ে চুচুক-চামাককৈ ওলাই গ'ল। কিন্তু গল্পটোৰ তাতেই শেষ নহয়, বহুত সময়ৰ পিচত বুদ্ধিজীৱিসকল আকৌ উভতি আহিছিল আৰু কেনেকৈ উদ্যোগপতিৰ পুনৰ কৃপা লাভ কৰিব পাৰি তাৰ বাবে আপ্ৰাণপুৰুষাৰ্থ কৰিছিল।

এইদৰে আন এটা ধেমেলীয়া গল্প অন দি হাৰ্মফুলনেছ অব স্মকিং - ইয়াতো হাঁহিৰ আঁৰত থকা চকুপানীখিনি সূক্ষ্ম অনুভূতি সম্পন্ন লোকে নেদেখাকৈ নেথাকে। আইভান আইভানো ভিচ নিউখিন হ'ল তিৰোতা সেকুৰা চৰিত্ৰৰ লোক। অতি উগ্ৰ স্বভাৱ আৰু নীচ প্ৰকৃতিৰ ঘৈণীয়েকে তেওঁক এনেকৈয়ে বশ কৰি ৰাখিছে যে, ঘৈণীয়েকে তেওঁৰ ওপৰত যিটো হীন জীৱন জাপি দিছে আইভানৰ দুৰ্বল প্ৰকৃতিয়ে তাকেই মানি লৈছে। কিন্তু তেওঁ মনে মনে ভাবি থাকে যে আচলতে তেওঁ এই সকলোবোৰৰ উৰ্দ্ধত, এসময়ত আইভান আছিল এজন আদৰ্শবাদী ছাত্ৰ, বুদ্ধিমান আৰু প্ৰফুল্লিত। বৰ্ত্তমান আৰু ভৱিষ্যতৰ স্বপ্নই

তেওঁক বহুত আশাৰ সন্ধান দিছিল। কিন্তু এদিন সময়ৰ সোঁতত সেই সকলো স্বপ্নই শেষ হৈ গল আৰু চৰিত্ৰৰ দৃঢ়তা নথকা আইভানৰ যৌৱনৰ সকলো সম্ভাৱনা অপূৰ্ণ হৈ থাকিল, তেওঁ সেইবোৰ একো নহ'ল, হ'ল মাথো তেওঁৰ ঘৈণীয়েকৰ গিৰিয়েক।

এই তিৰোতা সেৰুৱা আইভান আইভানোভিচে নিজৰ জীৱন সম্পৰ্কে, এষাৰ কথা কৈছিল -'এই সকলোবোৰ খুবেই হাঁহি উঠা কথা হ'লহেঁতেন যদিহে ই আচলতে দুখৰ কথা নহ'লহেঁতেন। চেখভৰ সমস্ত গল্পৰ ক্ষেত্ৰতে এই কথাষাৰ প্ৰযোজ্য- তেওঁৰ এই চৰিত্ৰটোৰ মুখেদি চেখভে যেন তেওঁৰ গল্পবোৰৰ মূল সাৰাংশটোহে কৈছে।

দুই পুৰুষ ঃ কৃতী পুত্ৰৰ কৃতী পিতা
সুকুমাৰ ৰায় আৰু সত্যজিৎ ৰায়
(প্ৰবীণা শইকীয়াৰ স্মৃতিত উৎসৰ্গিত)

পাতনি

তেতিয়া মই নৱম শ্ৰেণীৰ ছাত্ৰী, মোৰ এজন সাহিত্যৰসিক বন্ধুৱে কিতাপ এখন আনি পঢ়িবলৈ দিলে- নাম, 'হযবৰল' লেখক সুকুমাৰ ৰায়। এই বন্ধুজনেই মোক অষ্টম শ্ৰেণীতে ৰবীন্দ্ৰকাব্যৰ লগত পৰিচিত কৰি দিছিল, তেওঁ অসমীয়া-বাংলা দুয়ো ভাষাৰে ৰসগ্ৰহীতা আছিল। মানুহজন খুব ৰসিকো আছিল,তেওঁ যেনেকৈ চিন্তা-গধুৰ কিতাপ-পত্ৰ পঢ়িছিল - তেনেকৈ উইট্ (wit), হিউমাৰ (humour) আদিৰ কিতাপ-পত্ৰ পঢ়িও আপ্লুত হৈ থাকিছিল।

সেই সঞ্চয়িতা পঢ়িবলৈ শিকাওঁতা মানুহজনে আনি দিয়া 'হয বৰল' শিশু উপন্যাসখনৰ লেখকৰ নাম মই শুনা নাছিলোঁ, কিন্তু তেওঁৰ সাহিত্যিক ৰুচিৰ ওপৰত মোৰ আস্থা থকা বাবে কোনোবা সুকুমাৰ ৰায়ে লেখা কিতাপখন পঢ়িলোঁ। তেতিয়ালৈকে মই নন্‌ছেন্স সাহিত্য পঢ়া নাছিলোঁ বা তাৰ নামো শুনা নাছিলোঁ, কিন্তু সেই কিতাপখন পঢ়ি একেবাৰে বেলেগ ধৰণৰ ৰসত মজি গ'লোঁ। তাৰ বহুত পিছতহে এডোৱাৰ্ড লিয়াবৰ নাম শুনিলোঁ বা নৱকান্ত বৰুৱাৰ 'শিয়ালী পালেগৈ ৰতনপুৰ'ৰ দৰে একে জাতীয় উপন্যাস পঢ়িবলৈ পালোঁ। সেই ধৰণৰ লেখাই মনক এক নিৰ্মল আৰু অনিৰ্বচনীয় আনন্দত ডুবাই ৰাখে।

'হযবৰল' খন একেবাৰে কণ্ঠস্থ হৈ যোৱাৰ দৰে হৈছিল। আমি তাৰ কিছুমান কথা সেই সময়ত প্ৰায় নিত্যসংগী কৰাৰ দৰে কৰিছিলোঁ, যেনে, আমাৰ কেইজনমানে বহি কথা পাতি থাকোঁতে যদি সেই ৰসিক বন্ধু আহি পৰে, কৈ উঠে- 'আমাৰ কথা হ'চ্ছে বুঝি ?' গৰম লাগিছে বুলি ক'লে কওঁ- 'গৰম লাগছে যদি তিব্বত গেলেই পাৰো'। কিবা কথাত কোনোবাই কি মস্কিল বুলি ক'লে কওঁ- 'মূশকিল আবাৰ কি ? ছিল একটা ডিম, হ'য়ে

গেলো দিব্যি একটা প্যাকপেঁকে হাঁস. 'কাউৰী উৰি যোৱা দেখিলে কওঁ এটা 'কাক্কেশ্বৰ কুচকুচে' উৰি গ'ল', -ছাগলী দেখিলে কওঁ- ব্যাকৰণ সিংটোৱে কেনেকৈ বে বে কৰি মৰিছে শুনা'- ইত্যাদি ইত্যাদি। মুঠতে তেতিয়া একেবাৰে এটা নতুন ৰসত আপ্লুত হৈ থাকিছিলোঁ। সেই ৰস বৃদ্ধি কৰিছিল তাৰ লগত খাপ খোৱা অংকন কিছুমানে। তাৰ তলত লেখা থাকে SR সেয়া কাৰ চহী জনা নাছিলোঁ বা সেই বিষয়ে জনাৰ আগ্ৰহো অনুভৱ কৰা নাছিলোঁ।

'হযবৰল'ৰ পিছত বহুত দিনলৈ 'আবোল তাবোল', 'খাই খাই' আদি পদ্যৰ কিতাপ পঢ়াও নাছিলোঁ বা সেইবোৰ চকুৰে দেখাও নাছিলোঁ। পিছত সেইবোৰ ক'ত কেনেকৈ পঢ়িলোঁ মনত নাই, কিন্তু 'আবোল তাবোল' খন প্ৰথম হাতলৈ আহিল বা মই তাৰ গৰা ! হ'বলৈ পালোঁ যেতিয়া কলিকতাৰ পৰা এম. এ ফাইনেল দি ঘৰলৈ অহাৰ সময়ত মোৰ হোষ্টেলৰ বন্ধু এজনীয়ে 'আবোল তাবোল' এখন উপহাৰ দি তাত এইখিনি কথা লিখি দিলে- 'তুই নিজেও এক আবোল-তাবোল বলে এই বইখানা তোকে উপহাৰ দিলাম'। হোষ্টেলত মোৰ অলস্য, কোনো কথা- বিশেষকৈ পাঠ্যপুস্তক গুৰুত্ব-সহকাৰে নোলোৱাকৈ ধৰি নানা উদাসীন স্বভাৱৰ বাবে বন্ধুবোৰে বুজি পাইছিল যে মই এজনী আংবাং ধৰণৰ ছোৱালী।

যি হওক 'আবোল তাবোল'ৰ পদ্যবোৰেও মোক আপ্লুত কৰি ৰাখিলে- ইমানেই বেছিকৈ যে বৰপুত্ৰৰ পদ্য মুখস্থ কৰিবপৰা বয়স হওঁতে তাক যেনেকৈ 'কালী এ সবাহলৈ নগ'লি কিয়, 'সাউদৰ পুতেকে নাও মেলি যায়' আদি অসমীয়া 'নাৰ্ছাৰী ৰাইম' মুখস্থ কৰাইছিলে তেনেকৈ 'বাবুৰাম সাপুৰে, কোথা যাস্ বাপুৰে' বা 'হুঁকোমুখো হ্যাংলা বাড়ী তাৰ বাংলা,' 'ৰাম গডৰেৰ ছানা হাসতে তাদেৰ মানা' আদি পদ্যও মুখ কৰাইছিলো। পিছলৈ আমাৰ দুই পুত্ৰৰো সুকুমাৰ ৰায়ৰ লেখা অতি প্ৰিয় হৈ পৰিছিল যাৰ বাবে বৰপুত্ৰ কলিকতাত চাকৰি থকাৰ পিছত বদলি হোৱাত তাৰ বন্ধু আনন্দ দাশগুপ্তই সুকুমাৰ ৰায়ৰ 'সমগ্ৰ শিশু সাহিত্য'খন উপহাৰ দিছিল। ভাবিলে আচৰিত লাগে যে সৰু পুত্ৰই দিল্লীত এম. এ . পঢ়ি থকাৰ সময়তো সি তাৰ পাৰ্থ চেটাৰ্জী নামৰ বন্ধু এজনৰ পৰা 'আবোল তাবোল'খন উপহাৰ পালে- পিছে এইখন আছিল ইংৰাজী অনুবাদ যি অনুবাদ কৰিছিল সুকান্ত চৌধুৰী নামৰ তেতিয়া দিল্লী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰে ভিজিটিং প্ৰফেছৰ হৈ যোৱা প্ৰেছিডেন্সি কলেজৰ অধ্যাপকজনে। এই সুকান্ত চৌধুৰী হ'ল কটনৰ বিখ্যাত অধ্যাপক পি. চি.ৰ প্ৰথমা কন্যা সুজাতা চৌধুৰীৰ পুত্ৰ, অমিতা মালিকৰ ভাগিনীয়েক পি.চি. ৰায় আকৌ স্বৰ্ণলতাৰ সতীয়া পুতেক স্বৰ্ণলতাৰ ভূতপূৰ্ব স্বামীৰ পিনৰ পৰা জন্ম হোৱা কন্যা এগৰাকীক পি. চি.ৰ ৰায়ে বিয়া কৰাইছিল। অৰ্থাৎ তেজৰ সম্পৰ্কৰে নহ'লৈও আইনমতে তেওঁলোকে ভাইভনী। এইখিনিতে এটা মজাৰ কথা কোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ। আমাৰ অসমৰ কোনোবা এখন কাকতত কোনোবা এজন লেখকে সুকান্ত চৌধুৰীৰ এই অনুবাদ গ্ৰন্থখনৰ

বিষয়ে লিখিছিল আৰু তেতিয়া তাৰ নাম 'এবল টেবল' বুলিহে লিখিছিল- অৰ্থাৎ লেখকে বোধহয় মূল বাংলা কিতাপখনৰ নামেই শুনা নাছিল।

সুকুমাৰ ৰায়ৰ লেখাৰ লগত আমাৰ পৰিয়ালৰ সম্পৰ্কৰ বিষয়ে আৰু এটাকাহিনী কৈ এইপ্ৰসংগৰ মুধৰেণ সমাপয়েৎ কৰা যাওক। মই এবাৰ 'খাই খাই' নামৰ পদাৰ কিতাপখন কিনি সৰু ভাইটোক উপহাৰ দিছিলোঁ আৰু তাত এনেদৰে লিখিছিলোঁঃ দেবলৈ, সৰুবাই। দেবই নিজেও নানা ফুৰ্তিৰ কথা কয় আৰু আনৰ পৰা শুনিও ভাল পায়। কিন্তু সেই সৰু বয়সত সেই কিতাপখনৰ বোধহয় ৰস গ্ৰহণ কৰিব নোৱাৰিলে বোধহয় ভাবিলে, বাইদেউজনীয়ে এইখন কি আবোল তাবোল কিতাপ দিলে. গতিকে পুনৰ মোক দি দিলে আৰু তাত লেখিলে- পুনৰ সৰুবাইলৈ. দেব। বন্ধুৱে দিয়া 'আবোল তাবোল'খন কিবাকৈ হেৰুৱালোঁ, কিন্তু সেই ঘৰাই দিয়া 'খাই খাই' খন এতিয়াও মোৰ লগত আছে।

মোৰ এই ব্যক্তিগত কথাখিনি আচলতে মই লিখিব ওলোৱা লিখনিটোৰ মুখবন্ধহে, এতিয়াহে মূল প্ৰসংগলৈ আহিম। পিছে মই মোৰ লিখনী বুলি ভুলকৈহে লিখিলোঁ, এইটো হ'ল এটা অনুবাদ. সত্যজিৎ ৰায়ে (দেউতাক সুকুমাৰ ৰায়ৰ কিতাপৰ বাংগাত্মক চিত্ৰবোৰ পিছত তেওঁ আঁকি কিতাপবোৰৰ নতুন সংস্কৰণ উলিয়াইছিল) 'সমগ্ৰ শিশু সাহিত্য'খনত যিটো হৃদয়পৰশা পাতনি লিখিছিল তাৰ অনুবাদ। সেইটো পঢ়ি মোৰ বৰ ভাল লাগিছিল, গতিকে পাঠকসকলকো সেই ৰসৰ ভাগ দিবলৈ সত্যজিৎ ৰায়ে দেউতাকৰ জীৱন আৰু সাহিত্যক লৈ লিখা কথাখিনি অনুবাদেৰে আগবঢ়ালোঁ।

মোৰ দেউতাৰ যেতিয়া মৃত্যু হয় তেতিয়া মোৰ বয়স আঢ়ৈ বছৰ। গতিকে আত্মীয়তাসূত্ৰে এজন মানুহৰ লগত আন এজন মানুহৰ যি পৰিচয় হয়, মোৰ লগত মোৰ দেউতাৰ তেনে পৰিচয় হোৱাৰ কোনো সুযোগ নহ'ল। তেওঁক মই চিনিছোঁ তেওঁৰ লিখনী আৰু অংকনৰ মাধ্যমেৰে, তেওঁৰ এটা খচৰা বহী, কেইখনমান নোটবুক, এখন হাতেলিখা আলোচনীৰ দুটা সংখ্যা আৰু মোৰ মা আৰু আন আন আত্মীয়-স্বজনৰ মুখত শুনা বৰ্ণনাৰ মাজেৰে।

সুকুমাৰ ৰায়ৰ জন্ম হয় ১৮৮৭ খৃষ্টাব্দত। তেওঁৰ মাক বিধুমুখী দেৱী আছিল ব্ৰাহ্মসমাজৰ উজ্জ্বল জ্যোতিষ্ক স্বাধীনতা দ্বাৰকানাথ গংগোপাধ্যায়ৰ জীয়েক। দেউতাক আছিল উপেন্দ্ৰকিশোৰ ৰায়, যাৰ বহুমুখী প্ৰতিভাৰ পৰিচয় তেওঁৰ লিখনীত, গানত, ছবিত আৰু মুদ্ৰণৰ কামত সিঁচৰতি হৈ আছে। বিজ্ঞান আৰু শিল্পৰ, প্ৰাচ্য আৰু প্ৰতীচ্যৰ আচৰিত সমন্বয় ঘটিছিল উপেন্দ্ৰ কিশোৰৰ মাজত। বেহালাৰ লগে লগে তেওঁ পাখোৱাজ বজাইছে, ব্ৰহ্মসংগীত ৰচনাৰ লগে লগে মুদ্ৰণৰ কামত মৌলিক গৱেষণা চলাই গৈছে, ৰাতি ঘৰৰ ছাদত বহি চকুত দূৰবীণ লগাই আকাশৰ তৰা চাইছে, অননুকৰণীয় সুষমামণ্ডিত সহজ ভাষাত পৌৰাণিক কাহিনী আৰু গ্ৰাম্য উপকথা সৰু ল'ৰা-ছোৱালীৰ বাবে নতুন ৰূপত

লিখি উলিয়াইছে আৰু তাৰ লগতে খাটি বিলাতী কায়দাৰে তেল-ৰং জল ৰং আৰু চিয়াহী-কলমেৰে ছবি আঁকিছে। ইলাষ্ট্ৰেটৰ হিচাপে উপেন্দ্ৰকিশোৰৰ কামত যি দক্ষতা আৰু 'ৰীতি-বৈচিত্ৰ্য' দেখা যায় তা ৰ তুলনা ভাৰতবৰ্ষত নাই।

এনেকুৱা দেউতাকৰ সস্নেহ সান্নিধ্যত মানুহ হৈছিল সুকুমাৰ। তেওঁৰ আৰু দুজন ভায়েক আৰু তিনিজনী বায়েক-ভনীয়েক আছিল, বয়সত সকলোতকৈ ডাঙৰ আছিল সুখলতা। তাৰ পিছতেই সুকুমাৰ। ৰবীন্দ্ৰনাথৰ ৰাজৰ্ষি উপন্যাসৰ পৰা এই দুই ভায়েক-বায়েকৰ নাম ৰখা হৈছিল তাতা আৰু হাসি।

সুকুমাৰ স্কুলৰ আৰু কলেজৰ শিক্ষা কলিকতাতেই হৈছিল। শিবনাথ শাস্ত্ৰী-প্ৰতিষ্ঠিত মুকুল পত্ৰিকাত প্ৰকাশিত দুটি বাল্য ৰচনাৰ বাহিৰে ছাত্ৰাৱস্থাত সুকুমাৰৰ সাহিত্য-ৰচনাৰ কোনো নজিৰ পোৱা নেযায় ।

কলেজ এৰাৰ কিছুদিন পিছতেই ননছেন্স ক্লাবৰ প্ৰতিষ্ঠা। সুকুমাৰ সাহিত্যৰ মূল ধাৰাটি কোন দিশত প্ৰবাহিত হ'ব তাৰ ইংগিত ক্লাবৰ নামকৰণতে আছে। আত্মীয়- বন্ধুসকলক লৈ গঠিত এই ক্লাবৰ বাবে লিখা দুখন নাটক- ঝালাপালা আৰু লক্ষ্মণেৰ শক্তিশেল' আৰু ক্লাবৰ পত্ৰিকাত সুকুমাৰৰ হাস্যৰসৰ প্ৰথম আভাস পোৱা যায়। নাটক দুখনৰ ভিতৰত অৱশ্যে দ্বিতীয়খন বেছি সাৰ্থক আৰু উপভোগ্য। কিন্তু প্ৰথমখনতো যে হাস্যৰসৰ পৰিচয় একেবাৰে নাই সেইটো নহয়। ভাষাক অৱলম্বন কৰি হাস্যৰসৰ সৃষ্টি সাহিত্যৰ এটা বৈশিষ্ট্য। ইয়াৰ এক উজ্জ্বল দৃষ্টান্ত ঝালাপালাত আছে। পাঠশালাৰ ছাত্ৰ কেষ্টাই পণ্ডিত মহাশয়ক ইংৰাজী কথাৰ মানে সুধিছে-

কেষ্টা- 'আই গো আপ্, উই গো ডাউন' মানে কি?

পণ্ডিত - 'আই' - আই কিনা চক্ষুঃ , গো'- গয়ে ওকাৰে গো- গৌ গাবৌ গাবঃ ইতমঃৰঃ , 'আপ' কিনা আপঃ সলিলং বাৰি, অৰ্থাৎ জল। গৰুৰ চক্ষে জল, অৰ্থাৎ কিনা গৰু কান্দিতেছে। কেন কান্দিতেছে? না, 'উই গো ডাউন' , কিনা 'উই' অৰ্থাৎ যাকে বলে উইপোকা- 'গ্যোগ ডাউন' অৰ্থাৎ গুদামখানা। গুদামখানায় উই ধৰে আৰ কিছু ৰাখলে না, তাই না দেখে 'আই গো আপ'- গৰু কেবলই কান্দিতেছে-

(এইখিনিতে এটা ব্যক্তিগত কথা কৈ লওঁ। কলিকতাত থাকোঁতে এবাৰ মই দূৰদৰ্শনত পণ্ডিতৰ এই অপূৰ্ব অনুবাদ উৎপল দত্তই পণ্ডিতৰ ভূমিকা লৈ আওৰোৱা শুনিছিলো- কি দুৰ্দান্ত অভিনয় আছিল সেয়া, আজিও পাহৰিব নোৱাৰো।)

লক্ষ্মণেৰ শক্তিশেল নাটকত ৰামায়ণৰ কিছু চৰিত্ৰক মহাকাব্যৰ জগতৰ পৰা টানি নমাই একেবাৰে ৰং-তামাছাৰ বৈঠকত আনি নমোৱা হৈছে। এই ৰামায়ণত পুঁই শাকৰ চচ্চৰি, বাথগে কোম্পানী, হোমিওপেথি, ব্যায়ামীৰ ছেণ্ডো, ৰেকাৰিং ডেচিমেল ইত্যাদি অকাব্যিক প্ৰসংগই অনায়াসে স্থান পাই গৈছে। এই ৰামায়ণত হনুমানে 'বাতাসা' খায়

('বাতাসা'ৰ কিবা অসমীয়া প্ৰতিশব্দ আছে নেকি নাজানো), যমদূতৰ দৰমহা পাওনা হৈ ৰয়, সুগ্ৰীবে জখম হোৱা ভৰিত বেগুেজ বান্ধে, বিভীষণৰ ডাঢ়িৰ গোন্ধে জাম্বুবনৰ বিৰক্তি উদ্ৰেক কৰে। সংগীত ৰচয়িতা হিচাপেও সুকুমাৰৰ প্ৰথম পৰিচয় এই ' লক্ষ্মণেৰ শক্তিশেল'ত।

কিন্তু হাস্যৰসৰ যি বিশেষ অভিব্যক্তিত সুকুমাৰ অদ্বিতীয়, তাৰ কোনো ইংগিত এই দুখন নাটকত নাই। তাৰ পৰিচয় প্ৰথম পোৱা যাব 'সন্দেশ' পত্ৰিকাত।

ৰসায়ন আৰু পদাৰ্থবিজ্ঞানত ডাব্‌ল অনাৰ্চ লৈ বি. এছ. চি. পাছ কৰাৰ পাঁচ বছৰ পিছত ১৯১১ চনত সুকুমাৰে মুদ্ৰণ শিল্পত উচ্চশিক্ষা ল'বলৈ বিলাত যাত্ৰা কৰে। ইয়াৰ এবছৰ পিছত ৰবীন্দ্ৰনাথো গৈ লণ্ডনত উপস্থিত হয়, লগত তেওঁৰ 'গীতাঞ্জলি'ৰ ইংৰাজী অনুবাদৰ পাণ্ডুলিপি। ৰবীন্দ্ৰনাথ আছিল উপেন্দ্ৰকিশোৰৰ সমবয়সী আৰু বন্ধু-স্থানীয়, আৰু সুকুমাৰ আছিল ৰবীন্দ্ৰনাথৰ তৰুণ ভক্তসকলৰ অন্যতম। ৰবীন্দ্ৰনাথৰ কবি-প্ৰতিভাৰ লগত ইংলণ্ডৰ সুধী-সমাজ তেতিয়াও পৰিচিত হোৱা নাছিল। সুকুমাৰে এই সময়ত ইংৰাজীত 'দ্য স্পিৰিট অফ ৰবীন্দ্ৰনাথ' নামেৰে এটা স্বৰচিত প্ৰবন্ধ কোৱেষ্ট চোছাইটিৰ এখন অধিবেশনত পাঠ কৰি এই পৰিচয়ৰ পথ কিছু সহজ কৰি দিছিল।

১৯১৩ চনৰ মে' মাহত উপেন্দ্ৰ কিশোৰৰ সম্পাদনাত সন্দেশ মাহেকীয়া পত্ৰিকাৰ আবিৰ্ভাৱ হয়। ইয়াৰ কেইমাহমান পিছতেই সুকুমাৰ দেশলৈ উভতি আহে, আৰু সেই সময়ৰ পৰাই সন্দেশৰ পাতত তেওঁৰ লেখা আৰু ছবি প্ৰকাশ হ'বলৈ ধৰে। প্ৰথম তিনি বছৰৰ ৰচনাৰ সংখ্যা বেছি নহয়, কাৰণ উপেন্দ্ৰকিশোৰ তেতিয়াও জীৱিত, আৰু তেওঁ নিজে অকলেই ছবি আৰু লেখাৰে সন্দেশৰ পাত ভৰাই ৰাখিছে। এইবোৰ লেখা আৰু অঁকাৰ পৰা ভালকৈ বুজা যায় যে হাস্যৰসিক হিচাৱে উপেন্দ্ৰকিশোৰো কম নাছিল। বিশেষকৈ ছবিবোৰত তাৰ অজস্ৰ প্ৰমাণ আছে। পৌৰাণিক গল্পৰ ছবিত হাস্যৰসৰ সিমান সুযোগ নাই, কিন্তু তাতো- হয়তো শিশুসকলৰ কথা চিন্তা কৰিয়ে- দৈত্য-দানব, ৰাক্ষস-পিশাচৰ ছবি আঁকিবলৈ গৈ উপেন্দ্ৰকিশোৰে ভয়ংকৰ ৰসৰ লগত হাস্যৰস মিলাবলৈ দ্বিধা কৰা নাছিল। সেইবাবে তেওঁ অঁকা ৰাক্ষসৰ ছবিবোৰ বহুত সময় মানুহৰে ঈষৎ উগ্ৰ সংস্কৰণ যেন লাগে। আৰু মানুহবোৰক লৈ যি হাঁহিৰ ছবি, তাত আমাৰ অতি চিনাকি মানুহবোৰকে দেখা পাওঁ হাস্যকৰ অৱস্থাত, হাস্যকৰ ভাবভংগীত। এইবোৰ ছবিত কাৰ্টুনৰ অতিৰঞ্জন নাই, কাৰণ এই হাঁহি অট্টহাঁহি নহয়। ই হ'ল মৃদু-মোলায়েম স্নিগ্ধ সহজ হাঁহি, য'ত শ্লেষ বা বিদ্ৰূপৰ লেশমাত্ৰও নাই। আচলতে এই হাঁহি উপেন্দ্ৰকিশোৰৰে চৰিত্ৰৰ প্ৰতিফলন। মানুহ হিচাৱে তেওঁক যিসকলে চিনি পাইছিল, সেই সকলোৱে এই কথা কয়।

সুকুমাৰৰ হাঁহিতো শ্লেষ নাছিল, অৱশ্যে ব্যংগ আছিল। প্ৰয়োজনত প্ৰাণখোলা অট্টহাঁহিত তেওঁ পিছুৱাই নেথাকিছিল, আৰু সিয়ো তেওঁৰ স্বভাৱৰে পৰিচায়ক। সুকুমাৰ

বাসৰ কৌতুকপ্ৰিয় আড্ডাবাজ মেজাজৰ কথা বহুতৰ পৰাই শুনিছোঁ।

উপেন্দ্ৰকিশোৰ বা সুকুমাৰ কোনেও আঁকিবলৈ শিকা নাছিল। উপেন্দ্ৰকিশোৰৰ কাম দেখি সেইটো বুজিব নোৱাৰি, কিন্তু সুকুমাৰৰ কামত বুজা যায়। অংকন-কৌশলতহে সুকুমাৰ উপেন্দ্ৰকিশোৰৰ সমকক্ষ নাছিল। কিন্তু এই কৌশলৰ অভাৱ তেওঁ পূৰণ কৰিছিল দুটা দুৰ্লভ গুণৰ সহায়ত। এটা হ'ল তেওঁৰ অসাধাৰণ পৰ্যবেক্ষণ ক্ষমতা, আনটো হ'ল অফুৰন্ত কল্পনা শক্তি। এই দুয়োটাৰ সমন্বয়ত তেওঁৰ ছবিৰ বিষয়বস্তুৱে টেকনিকক অতিক্ৰম কৰি চকুৰ সন্মুখত জীৱন্ত ৰূপ ধৰে। সেইবাবে সুকুমাৰে অঁকা বাস্তৱ বা কাল্পনিক কোনো প্ৰাণীৰেই অস্তিত্বত অবিশ্বাস নেজাগে। একালে যেনেকৈ 'কাঠবুড়ো' বা চণ্ডদাসেৰ খুড়ো, আনফালে তেনেকৈ বামগৰুড় বা হিজি-বিজবিজ বা গোমৰাথেৰিয়াম- সকলো সমান জীৱন্ত, সমান বিশ্বাসযোগ্য।

উপেন্দ্ৰকিশোৰৰ সম্পাদনা কালত সন্দেশত প্ৰকাশিত সুকুমাৰৰ কেইটামান ৰচনাত তেওঁৰ সাহিত্যিক বৈশিষ্ট্যৰ স্পষ্ট ইংগিত পোৱা যায়। ১৯১৪(১৩২১) চনত ওলাল আবোল তাবোল শ্ৰেণীৰ প্ৰথম কবিতা 'খিচুড়ি'। এই প্ৰথম সুকুমাৰ সাহিত্যত উদ্ভট প্ৰাণীৰ আবিৰ্ভাৱ। ইয়াত প্ৰাণীৰ সৃষ্টি হৈছে ভাষাৰ ষড়যন্ত্ৰত-

হাঁসছিল, সজাৰু (ব্যাকৰণ মানিনা)
হয়ে গেল হাঁসজাৰু কেমনে তা জানিনা।.

এই উদ্ভট সন্ধিৰ নিয়মতে সৃষ্টি হ'ল বকচ্ছপ, মোৰগৰু, গিৰগিটিয়া, সিংহৰিণ, হাতিমি। কিন্তু নামকৰণতেই শেষ নহয়, উদ্ভট প্ৰাণীবোৰৰ চেহেৰাও আঁকি দেখুওৱা হ'ল।

ইয়াৰ কেইমাহমান পিছতেই 'সন্দেশ' পাঠকসকলৰ পৰিচয় 'কাঠবুড়ো'ৰ লগত। এই কাষ্ঠতত্ত্ববিদ হ'ল সুকুমাৰৰ অতি প্ৰিয় এটা বিশেষ চৰিত্ৰ। সংসাৰত উদ্ভট তত্ত্বত বিশ্বাসী বা উৎকট বাতিকগ্ৰস্ত লোকৰ অভাৱ নাই। এইবোৰ মানুহৰ আওভাওত এনে লাগে- এওঁলোক যেন এক বাৰেভচন্দ্ৰৰ দেশত প্ৰবেশ কৰিবলৈ ভৰি আগবঢ়ায়ে আছে। সুকুমাৰৰ কল্পনাই তেওঁলোকৰ সেই আকাংক্ষা পূৰণ কৰিছে। "আকাশেতে ঝুল ঝোলে, কাঠে তাই গৰ্ত"- এনে অভিনৱ তত্ত্বত যি বিশ্বাসী, তাৰ প্ৰতি সমাজে কটাক্ষ কৰিলেও, কাৰাত তাক স্থান নিদি উপায় নাই। আৰু তাৰ কাষতে একেই পংক্তিত ঠাই দিব লগা হয় ছায়া ধৰা ব্যৱসায়ীক, ফুটোস্কোপৰ আৱিষ্কৰ্তাক, চণ্ডীদাসৰ খুৰাকক, হেড অফিচৰ বৰবাবুক।

সুকুমাৰে কিন্তু এইবোৰ চৰিত্ৰক সকলো সময়তে মানুহ হিচাপে কল্পনা কৰা নাই। মাজে মাজে ইহঁত কাল্পনিক চেহেৰা লৈ হাজিৰ হৈছেহি। ইহঁতৰ ভিতৰত প্ৰথম আবিৰ্ভাৱ হুকোমুখো হ্যাংলাৰ। চাল-চলন মানুহৰ, কিন্তু অঙ্গ-প্ৰত্যঙ্গৰ জান্তৱ বাৰেমিহলি বস্তু। এওঁ কিন্তু সৰু ল'ৰা-ছোৱালীক ভুলোৱা 'ছড়া'ৰ হাট্টিমাটিম বা একানড়ৰ সমগোত্ৰীয় নহয়। 'ছড়া'ৰ এইবোৰ উদ্ভট প্ৰাণীৰ কোনো চৰিত্ৰ-বৈশিষ্ট্য নাই বুলিলেই হয়। একানড়ে

এক কথাত এক ধৰণৰ 'জুজু' আৰু হাট্টিমাটিম হ'ল শিং বিশিষ্ট পক্ষী বিশেষ। এই দুই-এটা উদ্ভট জীৱৰ বাহিৰে প্ৰাক্-সুকুমাৰ বাংলা সাহিত্যত কাল্পনিক প্ৰাণীৰ কথা মনতেই নপৰে। বিদেশী সাহিত্যত অৱশ্যে সুকুমাৰৰ আগতেই লুইছ কেৰল আৰু এডোৱাৰ্ড লিয়াৰে কিছু অদ্ভুত জানোৱাৰৰ সৃষ্টি কৰিছে। কেৰলৰ বিখ্যাত কবিতা জেবাৰৱাকিৰ ব্ৰিলিগ বা বৰোগভত সুকুমাৰৰ মেজাজৰ কিছু আভাস পোৱা যায়। কিন্তু তথাপিও এটা মূল পাৰ্থক্য থাকি গৈছে। জেবাৰ ৱাকিৰ প্ৰাণীবোৰে এনে এক কল্পনাৰ জগতত বাস কৰে যে সিহঁতৰ কাৰ্য-কলাপৰ বৰ্ণনা দিবলৈ একেবাৰে নতুন শব্দ ব্যৱহাৰ কৰিবলগীয়া হয়-

"Twas brilling and the slithy toves
Did gyre and gimble in the wabe
All mimsy were the borogoves
And the momeraths outgrabe"

লিয়াৰেও একাধিক অদ্ভুত প্ৰাণী সৃষ্টি কৰি গৈছে। কিন্তু ডং, জাম্বলি, পবল্, ক্লাংগল্-ওয়াংগল্, ব্লু বছ-ওয়ছ - ইহঁতৰ কাকোৱেই লিয়াৰে আমাৰ চিনা-জনা জগতৰ খুব ওচৰলৈ আহিব দিয়া নাই। ইহঁতৰ জগত প্ৰায় ৰূপকথাৰ জগত।

ইফালে হুঁকোমুখোৰ বাস কিন্তু বাংলাদেশত । কেৱল সেয়ে নহয়-

শ্যামাদাস মামা তাৰ আফিঙেৰ থানাদাৰ
আৰ তাৰ কেউ নেই এছাড়া।

ঠিক তেনেকৈ ট্যাশ গৰুক অনায়াসে দেখা যায় হাৰুহঁতৰ অফিচত, কিম্ভূতে কান্দি মৰে 'মাঠপাৰে ঘাটপাৰে', কুমড়োপটাশেও নিশ্চয় চহৰৰ ওচৰে-পাজৰেই ঘূৰি ফুৰে, নহ'লে তাৰ সম্বন্ধে আমাৰ ইমান সতৰ্ক হোৱাৰ প্ৰয়োজন নহ'লহেঁতেন। একমাত্ৰ ৰামগৰুড়কেই দেখো যে সংগত কাৰণেই নিৰ্জনতা বাছি লৈছে, কিন্তু সেয়াও ৰূপকথাৰ ৰাজ্যত নহয়। অৱশ্যে ইহঁতৰ জগতখনক ঠিক বাস্তৱ জগত বুলিও ক'ব নোৱাৰি। ই আচলতে হ'ল সুকুমাৰৰ একান্ত নিজস্ব জগত, আৰু এই জগতৰ সৃষ্টিয়েই হ'ল সাহিত্যিক সুকুমাৰৰ শ্ৰেষ্ঠ সৃষ্টি।

উপেন্দ্ৰকিশোৰে তেওঁৰ পুত্ৰৰ সাহিত্য প্ৰতিভাৰ আভাস পালেও, তাৰ পূৰ্ণ বিকাশ চাই যাবলৈ নেপালে। ১৯১৫ চনত বাৱন্ন বছৰ বয়সত তেওঁৰ মৃত্যু হয়। তাৰ ফলতে স্বাভাৱিকতেই সন্দেশ সম্পাদনাৰ ভাৰ পৰে সকুমুৰাৰ ওপৰত।

ঠিক এই একেই সময়ৰ ঘটনা হ'ল মাণ্ডে ক্লাব বা (সুকুমাৰৰ অনুবাদত) মণ্ডা সম্মিলনৰ প্ৰতিষ্ঠা। তেতিয়াৰ দিনৰ অনেক বিশিষ্ট তৰুণ শিল্পী-সাহিত্যিক, শিক্ষাবিদ আৰু কাব্যৰসিকৰ উদ্যোগত প্ৰতিষ্ঠিত এই ক্লাবৰ মধ্যমণি আছিল সুকুমাৰ। সভ্যসকলৰ তালিকাত সুকুমাৰ আৰু তেওঁৰ পিছৰ ভায়েক সুবিনয়ক বাদ দি বাকী যিসকলৰ নাম

পোৱা যায় তাৰ ভিতৰত আছিল সত্যেন্দ্ৰনাথ দত্ত, অজিত কুমাৰ চক্ৰৱৰ্তী, সুনীতি কুমাৰ চট্টোপাধ্যায়, অতুল প্ৰসাদ সেন, কালিদাস নাগ, প্ৰশান্ত চন্দ্ৰ মহলানবিশ, প্ৰভাত গঙ্গোপাধ্যায়, চাৰুচন্দ্ৰ বন্দোপাধ্যায়, নিৰ্মল কুমাৰ সিদ্ধান্ত আদি। ক্লাবৰ আলোচনা চক্ৰত প্লেটো-নীৎছেৰ পৰা আৰম্ভ কৰি বংকিম-বিবেকানন্দ-বৈষ্ণৱ কবিতা, ৰবীন্দ্ৰকাব্য একোৱে বাদ নপৰিছিল। ইয়াৰ বাহিৰেও হৈছিল গান-বাজনা, ভোজ-পিক্‌নিক্, আড্ডা -আমোদ। ক্লাবৰ বিজ্ঞাপন ছপা হৈছিল সুকুমাৰৰ প্ৰেছত, আৰু তাৰ ভাষাও আছিল সুকুমাৰৰ। ক্লাব সম্পাদকৰ অনুপস্থিতিত এবাৰ সভ্যসকললৈ গ'ল ছপোৱা পোষ্টকাৰ্ড ঃ

সম্পাদক বেয়াকুব কোথা যে দিয়েছে
ডুব
এদিকেতে হায় হায় ক্লাবটি যে যায়
যায়
তাই বলি সোমবাৰে মদ্‌গৃহে
গড়পাৰে
দিলে সব পদধূলি ক্লাবটিকে ঠেলে
তুলি।
ৰকমাৰি পুঁথি যত নিজ নিজ ৰুচি
মত
আনিবেন সাথে সবে কিছু কিছু পাঠ
হবে
কৰজোড়ে বাৰ বাৰ নিবেদিছে
সুকুমাৰ।

দুই

এই ক্লাবৰ বাহিৰেও সুকুমাৰৰ আৰু এটা কৰ্মক্ষেত্ৰৰ কথা ইয়াত কোৱা দৰকাৰ। এইটো ব্ৰাহ্মসমাজৰ লগত সংশ্লিষ্ট। ব্ৰাহ্ম যুৱকসকলক লৈ এটা সমিতি গঠন কৰি সাপ্তাহিক বক্তৃতা আৰু আলোচনাৰ সাহায্যত সমাজৰ চিন্তাধাৰা আৰু কৰ্মপদ্ধতিৰ মাজত নবীনতা সঞ্চাৰ কৰা আছিল সুকুমাৰৰ জীৱনৰ অন্যতম প্ৰধান লক্ষ্য সমাজৰ আদিপৰ্বৰ গৌৰৱোজ্জ্বল ইতিহাসে তেওঁক যেনেকৈ উদ্বুদ্ধ কৰিছিল, ধাৰণা হয় যে ঠিক সেই পৰিমাণেই তেওঁক হতাশ কৰিছিল সমকালীন কিছু আদৰ্শচ্যুতিৰ দৃষ্টান্তই। তেওঁৰ একেবাৰে শেষৰ পিনৰ ৰচনা শিশুৰ বাবে পদ্যত ব্ৰাহ্ম সমাজৰ ইতিহাস অতীতৰ ছবিৰ শেষৰ কেইটামান

পংক্তিত এইকাৰণেই হয়তো এটা হতাশাৰ সুৰ লক্ষ্য কৰা যায় ।এই সুৰ তেওঁৰ আৰু কোনো ৰচনাত নাই।

সন্দেশ সম্পাদনাৰ আগৰ শিশু-সাহিত্যৰ বাহিৰৰ কিছু ৰচনাৰ ভিতৰত প্ৰবাসীত লেখা শিল্প আৰু ভাষা বিষয়ক কেইটামাম প্ৰবন্ধ আৰু দুখন নাটক- চলচিত্ৰ চঞ্চৰী আৰু শব্দকল্প-দ্ৰুমৰ উল্লেখ কৰিব পাৰি। প্ৰবন্ধবোৰত সুকুমাৰৰ বিচাৰ-বুদ্ধিদীপ্ত আধুনিক মনৰ পৰিচয় পোৱা যায়। নাটক দুখন ঘাইকৈ আইডিয়াৰ আধাৰ। সংঘাত যি আছে সিয়ো আইডিয়াৰ সংঘাত। তথাপিও ইয়াৰ উপভোগ্যতাৰ প্ৰধান কাৰণ হ'ল - ইয়াৰ শাণিত কমিক সংলাপ। সুকুমাৰৰ যি আড্ডাবাজী মেজাজৰ কথা আগতে কৈছোঁ তাৰ ষোল অনা পৰিচয় পোৱা যায় এই দুখন নাটকত। সেইবাবে এই দুখনেই ঘৰুৱা পৰিবেশত আটাইতকৈ বেছিকৈ প্ৰচলিত।

সন্দেশৰ বোজা কান্ধত ন্যস্ত হোৱাৰ পিছৰে পৰাই সুকুমাৰৰ শিশু-সাহিত্য সৃষ্টি দিনক দিনে বাঢ়ি যায়। কেৱল গল্প-কবিতাই নহয় , নানা বিষয়ৰ চিত্তাকৰ্ষক প্ৰবন্ধ, সমগ্ৰ বিশ্বৰ খুটিনাটি খবৰ, দেশ-বিদেশৰ উপকথা, স্বৰচিত সাঁথৰ (ধাধা আৰ হেঁয়ালী) ইত্যাদিৰে সন্দেশৰ পাত ভৰি যায়। এই সময়ৰ সন্দেশৰ যিকোনো এটা সংখ্যা হাতত তুলি লৈ তাৰ উপাদান বিশ্লেষণ কৰিলে তাৰ পৰা সাৰ্থক শিশু-সাহিত্যৰ কেইটামান চিৰন্তন সংস্কাৰ নিৰ্দেশ পোৱা যায়। 'স্কুল ষ্টাৰ' সন্দেশৰ আগতেও বাংলাত লেখা হৈছে, কিন্তু পাগলা দাশু আদি গল্পত সুকুমাৰেই প্ৰথম দেখুৱাই দিলে- এইবোৰ গল্প কেনেকুৱা হোৱা উচিত। দাশুৰ গল্পত চাৰু আৰু হাৰু সুলভ ভাবালুতা আৰু নৈতিক উপদেশ বিচাৰিবলৈ যোৱা বৃথা। বৰং চীনা ফট্‌কাৰ সাহায্যত পণ্ডিত মহাশয়ক কি ধৰণে অপদস্থ কৰিব লাগে তাৰ ইংগিত পোৱা যাব পাৰে।

সুকুমাৰ সন্দেশৰ সম্পাদক হোৱাৰ কেইমাহমানৰ ভিতৰতেই এটা চুটি গল্প সন্দেশত প্ৰকাশ হয় - যিটো মোৰ মতে সুকুমাৰৰ অন্যতম শ্ৰেষ্ঠ ৰচনা। গল্পৰ নাম (ভ্ৰিঘাংচু)। এখন ৰাজসভাত এটা ঢোঁৰা কাউৰীয়ে অকস্মাৎ প্ৰৱেশ কৰি 'কঃ' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তাকে লৈ গল্পটো। গল্পৰ শেষত ৰজা মহাশয়ে ৰাজপ্ৰাসাদৰ ছাদত থিয় হৈ ঢোঁৰা কাউৰীটোৰ সন্মুখত চাৰি শাৰীৰ এটা মন্ত্ৰ উচ্চাৰণ কৰিবলগীয়া হয়। এই মন্ত্ৰটোৰ এটা দহ শাৰীৰ সংস্কৰণ সুকুমাৰে তেওঁৰ নাটক 'শব্দ কল্পদ্ৰুম'ত বৃহস্পতিৰ মন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। মন্ত্ৰটো হ'ল এইটো ঃ

হলদে সবুজ ওৰাং ওটাং
ইট পাটকেল চিৎ পটাং
গন্ধ গোকুল হিজিবিজি
এ্যাডমিশন ভেৰি বিজি

নন্দী ভৃংগী সাৰেগামা
নেই মামা তাই কাণা মামা
চিনে বাদাম সৰ্দি কাশি
ব্লটিং পেপাৰ বাঘেৰ মাসি
মুশকিল আসান উড়ে মালি
ধৰ্মতলা কৰ্মখালি।

খাঁটি ননছেন্সৰ ইয়াতকৈ সাৰ্থক উদাহৰণ বিচাৰি পোৱা মস্কিল। ক'ত বা কিয় যে ইয়াৰ সাৰ্থকতা, এই অসংলগ্ন অৰ্থহীন বাক্য সমষ্টিৰ সামান্য সাল-সলনি কৰিলেই কিয় যে ইয়াৰ অংগহানি হ'বলৈ বাধ্য তাক কোৱাটো খুবেই কঠিন। ইয়াৰ অনুকৰণ নচলে, ইয়াৰ বিশ্লেষণ নচলে আৰু জিনিয়াছৰ বাহিৰে ইয়াৰ উদ্ভাৱন সম্ভৱ নহয়।

সুকুমাৰ ৰায়ে ননছেন্সৰ এই বিশেষ ৰসবিধক খেয়াল ৰস নাম দিছিল। কোৱা বাহুল্য, এই ৰস ভাৰতীয় নাট্যশাস্ত্ৰৰ নবিধ ৰসৰ অন্তৰ্গত নহয়। এই ৰসৰ কিছু আভাস পৃথিৱীৰ সকলো দেশৰেই গ্ৰাম্য 'ছড়া'ত পোৱা যায়-

আইকম বাইকম তাড়াতাড়ি
যদু মাষ্টাৰ শ্বশুৰ বাড়ি
ৰেলকম ঝমাঝম
পা পিছলে আলুৰ দম।

এই চাৰি লাইনৰ অতি পৰিচিত 'ছড়া'টো যদুমাষ্টৰ-সংক্ৰান্ত কোনো কৌতুকপূৰ্ণ ঘটনাৰ টেলিগ্ৰাফ সুলভ সংক্ষিপ্ত বিবৰণ নে কি মই নেজানো । যদি সেইটো নহয় তেনেহ'লে ইও এক ননছেন্স আৰু ইয়াৰ ৰচয়িতাও নিঃসন্দেহে হাস্যৰসিক। কিন্তু এই জাতীয় ছড়াৰ প্ৰধান উদ্দেশ্য হ'ল আলংকাৰিক, অৰ্থাৎ হাঁহিতকৈ ছন্দ আৰু শব্দ ঝংকাৰৰ প্ৰতিয়ে ইয়াৰ লক্ষ্য বেছি। খাঁটি সাহিত্যিক ননছেন্স যিধৰণে গাম্ভীৰ্যৰ মুখা পিন্ধি হাঁহিৰ উদ্ৰেক কৰে তাৰ কোনো লক্ষণ গ্ৰাম ছড়াত পোৱা নেযায়, কাৰণ সেই মেজাজ একেবাৰে শিক্ষিত চহৰীয়া মেজাজ।

গদ্যত বা পদ্যত হাস্যৰসৰ দৃষ্টান্ত বাংলা সাহিত্যত আদিকালৰ পৰাই আছে। উইটৰ নমুনা যেনেকৈ মংগলকাব্য বা ময়মনসিংহ-গীতিকাত পোৱা যায়, তেনেকৈ হুতোমআলাল-বংকিম-ঈশ্বৰ গুপ্তুতো পোৱা যায়। কিন্তু ইয়াৰ কোনো এটাই যাক ননছেন্স বুলি কয় সেয়া নহয়। তাৰ মানে অৱশ্যে এইটো নহয় যে পূৰ্বযুগৰ হাস্যৰসিকসকলৰ কোনো লক্ষণেই সুকুমাৰৰ মাজত দেখা নেযায়। পান-অনুপ্ৰাস-অনোমেটো-পিয়াৰ সাহায্যত আগতেও যেনেকৈ হাঁহি আছিল, তেনেকৈ সুকুমাৰৰো আছে। আলালত দেখো-

বেণীবাবু খান বাবু নাই গতি গংগা

হুপহাপ্ গুপগাপ্ বেড়ে ওঠে দাংগা
বাবুৰাম ধৰে থাম 'খাম খাম' কৰে
ঠক্‌ঠক্ ঠক্‌ঠক্ কেঁপে মৰে ডৰে।

এই বস্তুৰেই সুকুমাৰৰ হাতত পৰি হ'ল–

ঠাস্ ঠাস্ দ্রুম দ্রাম শুনে লাগে খটকা
ফুল ফোটে? তাই বল্। আমি ভাবি পট্‌কা।
শাঁই শাঁই পন্ পন্ ভয়ে কান বন্ধ
ওই বুঝি ছুটে যায় সে ফুলেৰ গন্ধ?
ইত্যাদি।

আচলতে আগতেই যিটো কৈছোঁ- সুকুমাৰৰ ননছেন্সৰ বহুখিনি সুকুমাৰৰে সৃষ্টি। প্রভাৱৰ কথা যদি ক'বই লাগে তেনেহ'লে কেৱল বাংলা হাঁহিৰ ট্রেডিশ্বনৰ কথা ক'লেই নহ'ব, বিদেশী-সাহিত্য, পেন্টোমাইম, চাৰ্লি চেপলিন, বিলাতী কমিক্‌ছ (মাৰ্কিন কমিক কিতাপৰ কেটজেনজামাৰ যে মম চোহ্ 'ডানপিটে ছেলে'ৰ প্ৰেৰণাৰ উৎস সেইটো আবোল-তাবোলৰ ছবি দেখিলেই বুজা যায়) -এই সকলোবোৰেই সুকুমাৰৰ ননছেন্সৰ পুষ্টি সাধন কৰিছে। এই ধৰণৰ ননছেন্সৰ ৰস গ্রহণ বাঙালী পাঠকে কৰিব পাৰিব নে নোৱাৰে, সেই সম্বন্ধে সুকুমাৰৰ সংশয় আছিল। সেইবাবে আবোল-তাবোলৰ ভূমিকাত তেওঁ কৈফিয়ৎ দিবলগীয়া হৈছিল- 'ই খেয়াল ৰসৰ কিতাপ, গতিকে সেই ৰস যিসকলে উপভোগ কৰিব নোৱাৰে, এই কিতাপ তেওঁলোকৰ বাবে নহয়।'

ইয়াত এইটো উল্লেখযোগ্য যে ৰবীন্দ্ৰনাথেও তেওঁৰ শেষ বয়সৰ উদ্ভট ছড়াৰ সংকলন 'খাপছাড়া'ত এই ধৰণৰ এটা কৈফিয়তৰ প্ৰয়োজন বোধ কৰিছিল। কেৱল সেয়ে নহয়, প্ৰথম সংকলনৰ প্ৰথম কবিতাত আবোল-তাবোলৰ 'আয়ৰে ভোলা খেয়াল খোলা'ৰ মেজাজত পাগলামিৰ পৰিচয় সূচক ভূমিকা এটাও তেওঁ পদ্যত লিখিছিল।

(এইখিনিতে যিসকল পাঠক ননছেন্স পদ্যৰ ৰসগ্ৰাহী অথচ আবোল-তাবোলখন পঢ়া নাই, তেওঁলোকৰ ৰসস্বাদনৰ বাবে আবোল-তাবোলৰ পদ্যৰ এই ভূমিকাটো উদ্ধৃত কৰি দিলোঁ- লেখিকা)

**'আয়ৰে ভোলা খেয়াল খোলা
স্বপন দোলা নাচিয়ে আয়
আয়ৰে পাগল আবোল-তাবোল
মত্ত মাদল বাজিয়ে আয়।
আয় যেখানে খ্যাপাৰ গানে
নাইকো মানে নাইকো সুৰ।**

আয়ৰে যেথায় উধাও হাওয়ায়
মন ভেসে বায় কোন সুদূৰ।
আয় খ্যাপা মন ঘুচিয়ে বাঁধন
জাগিয়ে নাচন তাধিন্ধিন্
আয় বেয়াড়া সৃষ্টি ছাড়া
নিয়মহাৰা হিসাবহীন।
আজগুবি চাল বেঠিক বেতাল
মাত্‌বি মাতাল ৰঙ্গেতে
আয়ৰে তবে ভুলেৰ ভবে
অসম্ভবেৰ ছন্দেতে।

কিন্তু ৰবীন্দ্ৰনাথে খাপছাড়াৰ ছড়াত এই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাছিল, কাৰণ সুকুমাৰৰ মেজাজ তেওঁৰ নাছিল। ছড়াৰ প্ৰথম লাইনতে যেতিয়া দেখোঁ 'নাম তাৰ ভেলু... শিৰখ' তেতিয়াই তাৰ বক্তব্যতকৈ আমাৰ কৌতুহল বেছিকৈ গুচি যায় 'শিৰখ' শব্দৰ সম্পৰ্কলৈ। ৰবীন্দ্ৰনাথে অৱশ্যে তেওঁৰ স্বাভাৱিক সাবলীলতাৰেই আমাৰ কৌতুহল নিবৃত্ত কৰে। কিন্তু তাৰ ফলত ৰচনাৰ শৈলীগত চতুৰালিৰ দিশটো প্ৰকট হৈ পাগলামিৰ পথ বন্ধ কৰি দিয়ে। কিন্তু যেতিয়া পঢ়োঁ -

ৰোদে ৰাঙা ইটেৰ পাজা তাৰ
উপৰে বসল ৰাজা।
ঠোঙা ভৰা বাদাম ভাজা খাচ্ছে
কিন্তু গিলছে না-

তেতিয়া ছন্দ আৰু মিলৰ বাহাদুৰিতকৈও যিটোৱে আমাক বেছি অবাক কৰি দিয়ে সেইটো এই যে ইটাৰ স্তুপৰ লগত ৰজাৰ, বা ৰজাৰ লগত বাদাম ভজাৰ যে কিবা সম্পৰ্ক থাকিব পাৰে তাক আমি কল্পনাই কৰিব নোৱাৰোঁ। এই উপলব্ধিৰ লগে লগেই শব্দ, ছন্দ, ছবি সকলোৱে মিলি এক আশ্চৰ্য নতুন অনুভূতি জগাই তোলে। আমাৰ সাধাৰণ কাব্য আৰু সাধাৰণ কৌতুকৰ জগতৰ পৰা এক নতুন জগতলৈ লৈ যায়। ইয়াৰ লগতে আমাৰ কৌতুহলো ঠিকেই জাগি উঠে, কিন্তু পূৰ্ব প্ৰত্যাশাৰ কোনো চিনাকি পথেৰে কবিৰ আগতে আগবাঢ়ি যোৱাৰ উপায় বা আগ্ৰহ নেথাকে, কাৰণ আমি বুজিব পাৰোঁ যে পথটো একমাত্ৰ কবিৰেই চিনাকি পথ।

১৯১৫ চনৰ পৰা ১৯২৩ চনলৈকে আঠ বছৰ সুকুমাৰে সন্দেশ পত্ৰিকা সম্পাদনা কৰিছিল। তাৰ ভিতৰত শেষৰ আঢ়ৈ বছৰৰ বেছি ভাগ সময়েই তেওঁৰ ৰোগশয্যাতে কাটি গৈছে। কিন্তু ৰুগ্ন অৱস্থাতো তেওঁৰ কামৰ পৰিমাণ আৰু উৎকৰ্ষ দেখিলে আচৰিত হ'ব

লাগে। কেৱল লিখা বা আঁকাৰ কামতেই নহয়, ছপাৰ কামতো যে তেওঁ অসুখৰ ভিতৰত অনেক চিন্তা ব্যয় কৰিছে, তাৰো প্ৰমাণ আছে। এখন নোটবুকত তেওঁৰ আৱিষ্কৃত কেইটামান মুদ্ৰণ পদ্ধতিৰ তালিকা আছে। এইবোৰৰ পেটেন্ট লোৱাৰ পৰিকল্পনা তেওঁৰ মনত আছিল, কিন্তু কামত হৈ নুঠিল।

লিখা আৰু আঁকাৰ পিনৰ পৰা তেওঁৰ শ্ৰেষ্ঠ কীৰ্তিৰ প্ৰায় সকলোবোৰেই এই আঢ়ৈ বছৰৰ ভিতৰৰ । হ-য-ব-ৰ- লৰ ৰচনা ১৯২২ চনৰ। বাংলা গদ্যৰ ননছেন্সৰ এই শ্ৰেষ্ঠ নিদৰ্শনটো নিঃসন্দেহে লুইছ কেৰলৰ এলিছৰ দ্বাৰা অনুপ্ৰাণিত। ইয়াতো সেই ঘাঁহত শুই টোপনি যোৱা, সেই সপোন, সেইবোৰ চিনাকি আধা-চিনাকি জন্তু আৰু মানুহৰ চৰিত্ৰৰ শোভাযাত্ৰা, ভাষা লৈ সামাজিক আচাৰ, আইন-কানুন লৈ সেই তীৰ্যক ৰসিকতা আৰু সকলোতকৈ শেষত টোপনি ভগাত সপোনৰ জগতৰ পৰা সেই বাস্তৱলৈ উভতি অহা। পাৰ্থক্য এই যে হ -য-ব-ৰ- ল মেজাজৰে একেবাৰে ষোল্ল অনাই বাঙালী, ইমানেই বাঙালী যে অন্য কোনো ভাষাত ইয়াৰ অনুবাদ কল্পনাই কৰিব নোৱাৰি।

'হেশোৰাম হুঁশিয়াৰেৰ ডায়েৰি' হ-য-ব-ৰ-লৰ সমসাময়িক ইয়াতো ননছেন্স, কিন্তু ইয়াৰ মেজাজটো পেৰডিৰ , আৰু এই পেৰডিৰ লক্ষ্য হ'ল কোনান ডয়েল ৰচিত এডভেন্সাৰ উপন্যাস দ্য লষ্ট ৱৰ্ল্ড। ডায়েলৰ গল্পত বিংশ শতাব্দীত প্ৰফেছাৰ চেলেঞ্জাৰে দক্ষিণ আমেৰিকাৰ আমাজন অঞ্চলত এক অজ্ঞাত জগত আৱিষ্কাৰ কৰে য'ত প্ৰাগৈতিহাসিক প্ৰাণীসকল এতিয়াও বসবাস কৰে। সুকুমাৰৰ গল্পত চেলেঞ্জাৰ হৈ পৰিল প্ৰফেছাৰ হুঁশিয়াৰ আৰু ঘটনাস্থল হৈ পৰিল কাৰাকোৰাম পৰ্বতৰ এক অনাবিষ্কৃত অংশ। ইয়াতো প্ৰাগৈতিহাসিক প্ৰাণীয়ে কিলবিলাই আছে, কিন্তু এইবোৰৰ উল্লেখ কোনো প্ৰাণীবিদ্যা বা জীৱতত্ত্বৰ কোনো কিতাপতে পোৱা নাযাব। একমাত্ৰ সুকুমাৰেই ইহঁতক চিনি পায়, আৰু বাংলা আৰু লেটিন মিলাই ইহঁতৰ নামকৰণ একমাত্ৰ তেওঁৰ পক্ষেই সম্ভৱ। ইহঁতৰ চেহেৰাও সুকুমাৰে এনে বিশ্বাসযোগ্যভাৱে আঁকিছে যে যাদুঘৰলৈ গৈ লেগবেগৰ্ণিছ, কটকটোডন, চিল্লানোছৰাছ বা গোমৰাথেৰিয়ামৰ কংকাল দেখিবলৈ নেপালে বৰ আচৰিত লাগে।

অসুখৰ সমগ্ৰ সময়খিনিৰ ভিতৰতে এটা বিশেষ ৰচনাৰ প্ৰতি সুকুমাৰৰ মন বাৰে বাৰে উভতি গৈছে। বহুতো বহীৰ পাতত টুকুৰা টুকুৰাভাৱে ৰচনাখন সিচঁৰতি হৈ আছে। সুকুমাৰে ৰচনাখনৰ নাম দিছিল শ্ৰীশ্ৰীবৰ্ণমালাতত্ত্ব। বাংলা কাব্যত অনুপ্ৰাসৰ যি ধাৰাটো প্ৰাচীন কালৰে পৰা চলি আহিছে, তাৰেই এক চমকপ্ৰদ পৰিণতিৰ সম্ভাৱনা আছিল এই ৰচনাত। দুখৰ কথা, সুকুমাৰে এইটো শেষ কৰি যাব নোৱাৰিলে।

সুকুমাৰ ৰায়ৰ কোনো ৰচনাই তেওঁৰ জীয়াই থকা কালত পূৰ্ণাংগ পুস্তকাকাৰত প্ৰকাশিত হোৱা নাছিল। আবোল-তাবোলৰ প্ৰথম প্ৰকাশৰ তাৰিখ ১৯ছেপ্তেম্বৰ, ১৯২৩ । অৰ্থাৎ সুকুমাৰৰ মৃত্যুৰ ঠিক ন দিন পিছত। ছপা কিতাপখন চাই যাব নোৱাৰিলেও, তাৰ

তিনিৰঙী প্ৰচ্ছদ, তাৰ অংগসজ্জা, পাদপূৰক দুই-চাৰি লাইনৰ কিছু ছড়া, টেইলপিছৰ ছবি ইত্যাদি সকলোবোৰ তেওঁ শয্যাশায়ী অৱস্থাতেই সম্পূৰ্ণ কৰি থৈ গৈছিল। তেওঁৰ শেষ ৰচনা আছিল আবোল-তাবোলৰ শেষ কবিতা, যাৰ বিচিত্ৰ মিহলি ৰস বাংলা সাহিত্যত চিৰকালৰ বিস্ময়ৰ বস্তু হৈ ৰ'ব। এইটো ৰচনাৰ সময়ত যে তেওঁৰ ওপৰত মৃত্যুৰ ছায়া পৰিছিল তাৰ ইংগিত ইয়াৰ শেষৰ কেইটামান পংক্তিত আছে-

আদিম কালেৰ চাঁদিম হিম
তোড়ায় বাঁধা ঘোড়াৰ ডিম
ঘনিয়ে এল ঘুমেৰ ঘোৰ
গানেৰ পালা সাংগ মোৰ।

জীৱন-মৃত্যুৰ সন্ধিক্ষণত উপস্থিত হৈ এনে ৰসিকতা আৰু কোনোবা ৰসস্ৰষ্টাৰ বাবে সম্ভৱ হৈছে বুলি মোৰ জনা নাই।" - সত্যজিৎ ৰায়

পৰিশিষ্ট

মই যেতিয়া সুকুমাৰ ৰায়ৰ সমগ্ৰ লেখাকে সামৰি প্ৰকাশ কৰা 'সমগ্ৰ শিশু সাহিত্য'খনৰ সত্যজিৎ ৰায়ৰ এই অনবদ্য 'ভূমিকা'টো পঢ়িছিলোঁ তেতিয়া প্ৰথমতে এক ধৰণৰ দুখবোধত মনটো ভৰি পৰিছিল, মই সত্যজিৎ ৰায়ৰ মনটোক অনুধাৱন কৰি এই ভূমিকাটো লেখাৰ সময়ত তেওঁৰ মনত নতুনকৈ জাগি উঠা দুখখিনি অনুভৱ কৰিবলৈ চেষ্টা কৰিছিলোঁ। মাত্ৰ আঢ়ৈ বছৰ বয়সতে মাক-দেউতাকৰ একমাত্ৰ সন্তান 'সত্যজিতে বুজন হৈ গম পালে যে তেওঁৰ অস্পষ্টভাৱে চেহেৰাটোও বোধহয় মনত নপৰা, অতিকম বয়সতে মৃত্যু হোৱা দেউতাক এজন জিনিয়াছ আছিল আৰু শেষত তেওঁ নিজেও যেতিয়া এজন জিনিয়াছ বুলি পৰিগণিত হ'ল, তেতিয়া তেওঁৰ বোধহয় নানা ধৰণে মনত আপছোচ হৈছিল। প্ৰথম কথা- তেওঁৰ পিতৃ দেৱতাই পুতেকৰ কীৰ্তিৰ একোৱে গম নোপোৱাকৈ মৃত্যুমুখত পৰিল- কিন্তু সুকুমাৰ ৰায়েও একপ্ৰকাৰ কম বয়সতে পিতৃ উপেন্দ্ৰ কিশোৰক হেৰুৱালেও সেই পিতৃয়ে তেওঁৰ প্ৰতিভা গম পাই গৈছিল আৰু সুকুমাৰে তেওঁৰ প্ৰতিভাধৰ পিতৃৰ লগত কাম-কাজ কৰাৰো সুবিধা পাইছিল। সত্যজিতৰ বোধহয় ই আন এক আপছোচ যে তেওঁ সুকুমাৰৰ সান্নিধ্য নেপালে, তেওঁৰ লগত কাম কৰাৰ সুবিধা নেপালে।

মোৰ এই পাতনিখন পঢ়ি আৰু এটা ভাব মনলৈ আহে- সত্যজিতক আমি মহান চিনেমা নিৰ্মাতা, সুৰকাৰ, চিত্ৰকৰ, গল্প লেখক , ফেলুদাৰ গোয়েন্দা কাহিনী লেখক বুলিয়েই জানো- কিন্তু তেওঁ যে এজন উচ্চস্তৰৰ সাহিত্য সমালোচকো সেই কথা এই পাতনিখন

পঢ়িও গম পালোঁ। আমাৰ অসমত বোধহয় খুব কম লেখক- শিল্পীৰে এনে উত্তৰাধিকাৰী আছে যি তেওঁলোকৰ কৃতী মাক-দেউতাকৰ সাহিত্যকৰ্ম বা শিল্প কৰ্ম এনে পুংখানুপুংখভাৱে অধ্যয়ন কৰিছে আৰু তাৰ এনে উৎকৃষ্ট মূল্যায়ন কৰিছে। সুকুমাৰ ৰায়ৰ কম বয়সতে মৃত্যু হ'লেও (৩৬ বছৰ বয়সত) তেওঁতো অলপ পৰিমাণৰ লেখা নাছিস। (তেওঁৰ কিতাপবোৰ হ'ল- আবোল-তাবোল, খাই খাই, বহুৰূপী, পাগলা দাশু, বহুৰূপী, অন্যান্য গল্প, নাটক, জীৱনী, জীৱ-জন্তু বিবিধ, বাল্য ৰচনা আৰু অন্যান্য, স্বৰলিপি) সেইবোৰ সকলো খৰচি মাৰি পঢ়িছিল সত্যজিৎ ৰায়ৰ দৰেঁ অতি ব্যস্ত মানুহজনে। কিন্তু কেৱল দেউতাকৰে নহয়, তেওঁ ককাদেউতাকৰো লিখনীবোৰ পঢ়িছিল, সেইবাবেইতো তেওঁ উপেন্দ্ৰ কিশোৰৰ কাহিনীৰে 'গুপী গায়েন বাঘা বায়েন' চিনেমা নিৰ্মাণ কৰিব পাৰিছিল।

দেউতাকৰ লিখনীৰ প্ৰতি তেওঁৰ অনুৰাগ আৰু প্ৰশংসা এনেকি তেওঁৰ নিজৰ কাহিনীৰে নিৰ্মিত 'জয় বাবা ফেলুনাথ' নামৰ চিনেমাকে ধৰি ফেলু অৰ্থাৎ গোয়েন্দা প্ৰদোষ মিত্ৰই (যাৰ ভূমিকাত অভিনয় কৰি বংগৰ বিখ্যাত অভিনেতা সৌমিত্ৰ চ্যাটাৰ্জীয়ে তাক এটা বেলেগ মাত্ৰা দিছে) বেনাৰছৰ প্ৰায়ান্ধকাৰ প্ৰাচীন ঘৰ-দুৱাৰ আৰু গলিবোৰত ঘূৰি-পকি 'হ-য-ব-ৰ-ল'ৰ এই ননছেন্স পদ্য আবৃত্তি কৰিছেঃ

বাদুড় বলে, ওৰে ও ভাই সজাৰু,
আজকে ৰাতে দেখবে একটা মজাৰু।
আজকে হেথায় চামচিকে আৰ পেঁচাৰা
আসবে সবাই, মৰবে ইদুঁৰ বেচাৰা,
অলি-গলি চলি ৰাম
ফুটপাথে ধুমধাম
কালি দিয়ে চুনকাম।

দেউতাকৰ লিখনীৰ প্ৰতি সত্যজিৎ ৰায়ৰ অনুৰাগ আৰু শ্ৰদ্ধা কিমান গভীৰ বা সেইবোৰ তেওঁৰ কিভাৱে কণ্ঠস্থ আছে তাৰ আৰু এক প্ৰমাণ পোৱা যায় 'জয় বাবা ফেলুনাথ' বা 'পৰশ পাথৰ' আদি চিনেমাত ব্যৱহাৰ কৰা সুকুমাৰৰ বিভিন্ন ননছেন্স পদ্যৰ দ্বাৰা। ফেলু অৰ্থাৎ গোয়েন্দা প্ৰদোষ মিত্ৰক 'জয় বাবা ফেলুনাথ'ত বেনাৰছ নে কি চহৰৰ প্ৰায়ান্ধকৰ প্ৰাচীন ঘৰ-দুৱাৰ আৰু গলিবোৰৰ মাজেদি ঘূৰি ফুৰোঁতে সুকুমাৰ ৰায়ৰ 'হ-য-ব-ৰল'ৰ এইবোৰ ননছেন্স পদ্য আবৃত্তি কৰা শুনোঃ

বাদুড় বলে, ওৰে ও ভাই সজাৰু,
আজকে ৰাতে দেখবে একটা মজাৰু।
আজকে হেথায় চামচিকে আৰ পেঁচাৰা
আসবে সবাই, মৰবে ইদুঁৰ বেচাৰা
আৰু,

অলি-গলি চলি ৰাম
ফুটপাথে ধুমধাম

'পৰশ পাথৰ' চিনেমাত পৰেশ দত্তৰ ভতিজাক পল্টু আৰু পিছত দত্তই নিজেও আওৰালে নাটক 'শব্দ কল্পদ্ৰুম'ৰ এই দহ শাৰীৰ 'বৃহস্পতি'ৰ নামত চলোৱা মন্ত্ৰঃ

হলদে সবুজ ওৰাং ওটাং
ইঁট পাটকেল চিৎ পটাং- ইত্যাদি
ইত্যাদি।

এই উদ্ভট পদ্যটোৰ ব্যৱহাৰ 'পৰশ পাথৰ'ত যেন আৰু ব্যাপক। পৰশ পাথৰ লাভ কৰা পৰেশ দত্তই মাৰোৱাৰী ব্যৱসায়ীজনক পাথৰবিধ তৈয়াৰীৰ সংস্কৃত মন্ত্ৰ হিচাপে এই পদ্যটোকে শিকাই দিছিল যাৰ অৰ্থ উদ্ধাৰ কৰিবলৈ মাৰোৱাৰী ব্যৱসায়ীজন সংস্কৃত পেণ্ডিত এজনৰ ওচৰ চাপিছিলগৈ।

মোৰ আৰু এটা কথা ভাবিলেও খুব আচৰিত লাগে যে একেটা পৰিয়ালতে তিনি পুৰুষ ধৰি এনে প্ৰতিভাধৰ ব্যক্তিসকলৰ জন্ম হৈছিল। এনেকি চতুৰ্থ পুৰুষ সত্যজিৎ ৰায়ৰ পুত্ৰ সন্দীপ ৰায়ক একে শাৰীতে থ'ব নোৱাৰিলেও তেওঁৰো কিছু প্ৰতিভা নথকা নহয়। বৰ্তমান টিভিৰ বাংলা চেনেলত শনিবাৰে সন্ধিয়া চাৰে সাতটাত 'সত্যজিতেৰ গপ্পো' নামেৰে সন্দীপ ৰায়ে দেউতাকৰ ফেলুদাৰ গোয়েন্দা কাহিনীবোৰ লৈ যি ধাৰাবাহিক নিৰ্মাণ কৰি প্ৰচাৰ কৰি আছে- সেইবোৰো যথেষ্ট উপভোগ্য অন্ততঃ মোৰ বাবে।

কেৱল ইয়াত 'জয় বাবা ফেলুনাথ' বা 'সোণাৰ কেল্লাৰ' ফেলুদা আৰু 'জটায়ু'ৰ ভূমিকাত অভিনয় কৰা ক্ৰমে সৌমিত্ৰ চট্টোপাধ্যায় আৰু আনজন অভিনেতাক (তেওঁৰ নামটো এই মুহূৰ্তত মনত পৰা নাই) এই ধাৰাবাহিকত নেদেখি অলপ বেয়া লাগে। অৱশ্যে বৰীয়ান অভিনেতা সৌমিত্ৰ চ্যাটাৰ্জীয়ে ইয়াত অন্য ভূমিকাত অভিনয় কৰি আছে, কিন্তু 'জটায়ু' ওৰফে লালমোহন গাংগুলীৰ ভূমিকাত অনবদ্য অভিনয় কৰা অভিনেতাজনৰ মৃত্যু হৈছে।

এতিয়া আৰু আগৰ দৰে সুকুমাৰ ৰায়ৰ লিখনী পঢ়িবলৈ সময় নেপাওঁ, নানা 'অকাজৰ কাজ'ত সময়বোৰ পাৰ হৈ যায়, কিন্তু যেতিয়াই পঢ়োঁ তেতিয়াই সেই অৰ্ধশতিকাৰ আগৰ দৰে মনটো বিমল আনন্দেৰে ভৰি যায়, এতিয়াও যেন সেই ননছেন্স লিখনীবোৰ একেধৰণেই ৰস গ্ৰহণ কৰোঁ। জিনিয়াছৰ লিখনী সঁচায়ে সৰ্বকালৰ -কালৰ পৰিধি অতিক্ৰম কৰি সেইবোৰ যুগ যুগ ধৰি জীয়াই থাকে।

এই লেখনীয়ে মোৰ ভগ্নীময় প্ৰয়াত প্ৰবীণা শইকীয়াৰ প্ৰতি ঈৰ্ষা কৰাৰ কাৰণ সহৃদয় পাঠকে বোধহয় বুজিব পাৰিছেই। সাহিত্যিক হিচাপে মই সদায়ে উচ্চস্থান দি অহা এইগৰাকী বহুমুখী লিখনীৰ প্ৰতিভাৰ লেখিকাই গল্প, উপন্যাস, কবিতাৰ উপৰি লুইছ

কেৰলৰ এলিচৰ কাহিনীবোৰৰ যি অনবদ্য ভাঙনি কৰি থৈ গৈছে, কেৱল সেই দুখনেই তেওঁক অসমীয়া ভাষা-সাহিত্যত এক বিশিষ্ট আৰু যুগমীয়া স্থানৰ অধিকাৰিণী কৰি ৰাখিব পাৰিলেহেঁতেন। এলিচৰ কিতাপ দুখনৰ বা স্নাৰ্ক চিকাৰৰ অনুবাদ পঢ়ি মই এইবাবেই মুগ্ধ হওঁ যে প্ৰবীণাই গদ্যৰে কেৱল নহয়- পদ্যৰো যে ইমান সুন্দৰ সাৱলীল অনুবাদ কৰিছিল। সুকুমাৰৰ বা নৱকান্তৰ ননছেন্স কবিতা আওৰোৱাৰ দৰে মই প্ৰবীণাৰ 'হেৰা পিতা লম্বোদৰ' নামৰ এলিচ ইন ওৱণ্ডাৰলেণ্ডৰ কবিতাটোৰ কিছু মুখস্থ থকা লাইনো মাজে মাজে আওৰাও- যথা ঃ

'ডেকাজনে ক'লে 'হেৰা পিতা
লম্বোদৰ,
চুলি পকি বুঢ়া হ'ল তোমাৰ মূৰৰ।
এই বয়সতো তুমি বৰ ধৈৰ্যবান,
কঠিন ব্যায়াম দেখো কৰা ভালেমান।
(ইংৰাজীটোঃ " You are old,
Father Willian', the young
man said,
'And your hair has become
very white;
And yet you incessantly stand
on your head,
Do you think, at your age
it is right?)

'এলিচ থ্ৰু দ্য লুকিং গ্লাছ'ৰ সত্যজিৎ ৰায়ে দেউতাকৰ ৰচনা সম্ভাৰখনৰ পাতনিখনত উল্লেখ কৰা এই ননছেন্স পদ্যটোৰ কি সাহসত যে প্ৰবীণাই বিস্ময়কৰ অনুবাদ এটা আগবঢ়ালে- ভাবি মই মুগ্ধ নহৈ নোৱাৰোঁ ঃ

'T' was brilling, and the slithy
tones
Did gyre and gimble in
the wabe,
All mimsy were the borogones,
And the mome raths
outgrabe.

অসমীয়াত প্ৰবীণাই কৰা অনুবাদঃ

সেই ৰান্ধনি বেলি ফোকলোঙা
তৰচেঙেলি
টাকুফি বিন্ধনা ঘূৰি বিন্ধা কৰে
বেৰি
জুপুকী জাপৰী দেহি দুখীলাহি
চেকচেকা
ঘৰ্পাহি ডেডাউৰিয়ায় গেঁৰ
গাহৰি.. ।*

লয়েড জৰ্জ

এসময়ত মই লা মুৰ, জেন গ্রে আদি লেখকৰ ৰচিত 'ওয়াষ্টাৰ্ণ কিতাপ' পঢ়িছিলো, পঢ়ি খুব ভাল পাইছিলো। পিছে যিয়েই নহওক এই বয়সত ওৱেষ্টাৰ্ণ কিতাপ পঢ়ি সময় নষ্ট কৰিবলৈ আৰু ইচ্ছা নাযায়। পিছে চি.পি. স্নই লয়েড জৰ্জৰ বিষয়ে লেখা কথা এটি পঢ়ি মানসিক সকাহ এটি পালো- মোৰ মনৰ ভাৱটো এনে ধৰণৰ ঃ মহাজন সকলেই যেতিয়া এই কাম কৰে, আমাৰ দৰে ক্ষুদ্ৰ মানুহৰ আৰু কি দোষ..। কথাটো হ'ল এনে যে লয়েড জৰ্জৰ দৰে অতি ব্যস্ত ৰাজনীতিজ্ঞ পুৰুষগৰাকীয়ে হেনো দিনৌ শোৱাৰ আগতে এখন ওৱেষ্টাৰ্ণ কিতাপ পঢ়ি পঢ়িহে টোপনি যায়।

লয়েড জৰ্জৰ পাঠ্যাভ্যাসৰ আৰু এটা আমোদজনক খবৰ চি পি. স্ন নামৰ লেখকজনে আমাক দিছে। সেই কথালৈ অহাৰ আগতে চি. পি. স্নৰ লগত তেওঁৰ প্ৰথম সাক্ষাৎকাৰটোৰ কথা কওঁ। ১৯৩৭ চন। ডেকা চি.পি. স্নই এন্টিবিজৰ হোটেল দ্যু' কেপত গৈ সেই বছৰৰ বৰদিনৰ বন্ধটো কটাইছিল। সেই হোটেলতে লয়েড জৰ্জ সপৰিয়ালে আছিল, তেওঁৰ বয়স তেতিয়া ৭৩ বছৰ হৈছিল, কিন্তু তেওঁ তেতিয়াও ডেকা মানুহৰ দৰে দপ্‌দপাই ঘূৰি ফুৰিছিল। উচ্চকণ্ঠে হাঁহিছিল আৰু খোৱা হলঘৰটোৰ এচুকৰ পৰা চি. পি. স্নই এই প্ৰাণৱন্ত মানুহজনক সকৌতুক নীৰৱতাৰে নীৰিক্ষণ কৰিছিল আৰু লয়েড জৰ্জ সম্পৰ্কে পঢ়া আৰু তেওঁ নিজে ভবা কথাবোৰ মনৰ ভিতৰত পাগুলি থাকিছিল। ঠিক বৰদিনৰ গধূলিবেলা চি পি. স্ন অকলে ফুৰি আহি হোটেলত সোমাইছিল। জীৱনৰ সেই সময়ছোৱাত তেওঁৰ গ্ৰহ সকলো পিনৰ পৰাই বেয়া আছিল গতিকে তেওঁৰ মনটো খুব হতাশজনক অবস্থাত আছিল। যি নহওক তেওঁ আহি খবৰ পালে যে লয়েড জৰ্জে তেওঁৰ বিচাৰ

লৈছে- লয়ড জৰ্জে হেনো বিচাৰ কৰি আছে, স্ন বৰ অকলশৰীয়া গতিকে সেই দিনাৰ জৰ্জইতৰ বৰদিনৰ পাৰ্টীত যেন তেৰোঁ আহি যোগদান কৰে। স্ন যেনেকৈ আনন্দিত হৈছিল, আচৰিতো হৈছিল। লয়েড জৰ্জেতো তেওঁক চিনি নাপায়, এই নিমন্ত্ৰণ কিবা ভুল হোৱা নাইতো ? যি নহওক লয়েড জৰ্জে তেওঁক দেখা পায় এনেদৰে কথা-বতৰা আৰম্ভ কৰিলে যেন স্ন তেওঁৰ বহুত দিনৰ চিনাকি।

পিছত যেতিয়া স্নু লয়েড জৰ্জৰ বেছি ঘনিষ্ঠ হৈ উঠিছিল, তেতিয়া তেওঁ এদিন সুধিছিল লয়েড জৰ্জৰ দৰে এজন বিখ্যাত মানুহে তেওঁক কিয় উপযাচি মাতি পঠাইছিল। পিছে উত্তৰ যিটো আছিল স্নু'ৰ পক্ষে হেনো কোনো গুণে গৌৰৱজনক নাছিল- 'তোমাৰ মূৰটো বেছ ইন্টাৰেষ্টিং যেন লাগিছিল।'

লয়েড জৰ্জৰ এই বিষয়ত পিছে অসাধাৰণ জ্ঞান আছিল- তেওঁ মানুহৰ মূৰ চাই আচৰিত ধৰণে মানুহ চিনিব পাৰিছিল।

সেই দিনাৰ বৰদিনৰ পাৰ্টীত লয়েড জৰ্জ আৰু চি.পি. স্নুৰ মাজত নানা ধৰণৰ কথা-বতৰা হৈছিল। মানুহক আকৰ্ষণ কৰা ৰাজনীতিকৰ কাম, লয়েড জৰ্জেও তেওঁৰ আকৰ্ষণী জাল বিস্তাৰ কৰাত সদায় তৎপৰ আছিল, কিন্তু তথাপিও সিদিনা সন্ধ্যা স্নুৰ এই ধাৰণা হৈছিল যে জৰ্জে যেন প্ৰাণখুলিয়ে তেওঁৰ লগত কথা-বাৰ্তা পাতিছে, সেই কথা-বাৰ্তাৰ সময়ত মানুহজনৰ নীলা চকুদুটা তিৰবিৰাই আছিল- সেই চকুত দুষ্টালি, ভৱিষ্যৎ দ্ৰষ্টাৰ জ্ঞান, তেওঁৰ ওচৰত থকা সকলোৰে অনুভূতিক বুজিব পৰা অন্তৰ্দৃষ্টি এই আটাইবোৰ ভাৱেই যেন খেলা কৰি আছিল। এই অলপ সময়ৰ চিনাকি মানুহজনে চি. পি. স্নুক উত্তৰোত্তৰ বিস্মিত কৰিছিল- তেওঁ শুনাৰ দৰে মানুহজনে মদ নোখোৱা নহয়, মানুহজনে আনৰ অংগী-ভংগী হুবহু নকল কৰিব পাৰে- ভাৰ্ছেল নগৰীত চাৰি প্ৰধানৰ (বিগ ফোৰ) কাৰ্যকলাপৰ তেওঁ এনে হুবহু নকল কৰি দেখুৱাইছিল যে স্নুৰ অলপ অস্বস্তি লাগিলেও আমোদো লাগিছিল যথেষ্ট।

লয়েড জৰ্জ পাঠ্যাভ্যাসেও স্নুক অলপ বেলেগ ধৰণে আচৰিত কৰিছিল। তেওঁ হেনো বুৰঞ্জীৰ সকলোধৰণৰ কিতাপেই পঢ়িছিল। অৱশ্যে সেই কথাত আচৰিত নোহোৱা স্নুই কৈছে যে সাধাৰণতে বেছিভাগ ৰাজনীতিজ্ঞই বুৰঞ্জী পঢ়ি যায় এই বিশেষ আনন্দত যে ভাবীকালৰ পাঠকেও বুৰঞ্জীত তেওঁলোকৰ বিষয়ে এনেবোৰ কথা পঢ়িব । তাৰ পিছত চি.পি. স্নুই সুধিছিল - 'গল্প উপন্যাস?' লয়েড জৰ্জে মূৰ জোকাৰিছিল- 'নাই, নাই, মই সেইবোৰ বেছি নপঢ়ো। মনটো বৰ দুখ লাগি যায় । তাৰ পিছত অতি বাস্তৱবাদী আৰু জীৱনৰ সকলো কথাকে অতিশয় যুক্তিপূৰ্ণ ভাৱে চাব পৰা লয়েড জৰ্জে বুজাইছিল যে বেছিভাগ গভীৰ উপন্যাস শেষ পৰিণতি ট্ৰেজিক হয়। তেওঁ নিজৰ মনটোক দুখত ডুবাবলৈ ভাল নাপায়। গতিকে কিবা উপন্যাস পঢ়িবলৈ লোৱাৰ আগতে শেষটো জানি লয় আৰু সুখৰ হ'লে পঢ়ে আৰু দুখৰ হ'লে নপঢ়ে।

এইখিনি কথা লেখি চি পি. স্নুই লিখিলে - 'লয়েড জৰ্জৰ এইখিনি কথাই মোক অনুভৱ কৰালে যে মোৰ বৃত্তিত মই কিমান দুৰ্ভগীয়া।'

যি নহওক চি.পি. স্নু'ৰ উপন্যাসৰ পাঠক নহ'লেও লয়েড জৰ্জ সিদিনা স্নু'ৰ লগত কথা-বতৰা পাতি নিশ্চয় খুব ভাল পাইছিল কাৰণ তেওঁ স্নুক অনুৰোধ কৰিছিল যে এণ্টিবিজত

থকা দিন কেইটাত তেওঁ যেন সদায় গধূলি লয়েড জৰ্জৰ সন্ধিয়াৰ আহাৰত যোগ দি কথা- বতৰা পাতেহি। অৱশ্যে স্নই এই কথাও কৈছে যে এনেকৈ ঘনিষ্ঠ ভাৱে কথা-বতৰা পাতি থাকিলেও তেওঁ লয়েড জৰ্জৰ লগত খুব অন্তৰঙ্গ হৈ উঠা নাছিল। লয়েড জৰ্জে উপন্যাস নপঢ়ে, বিজ্ঞান সম্পৰ্কে আগ্ৰহ তাতকৈয়ো কম আৰু কেম্ব্ৰিজ অ'ফৰ্ডৰ পণ্ডিত সকলৰ প্ৰতি শ্ৰদ্ধা উচ্চখাপৰ নহয়। স্ন'সেই সময়ত কেম্ব্ৰিজত কাম কৰি আছিল। লয়েড জৰ্জ তাৰ বিশ্ববিখ্যাত পণ্ডিত কিনেছৰ কথা কোনোমতেই মনৰ পৰা আঁতৰাব পৰা নাছিল। স্ন'ই কৈছে যে কিনেছৰ লয়েড জৰ্জ সম্পৰ্কে বেছ ভাল ধাৰণা আছে, কাৰণ কিনেছে কয় যে তেওঁৰ মতে দুজন ৰাজনীতিজ্ঞৰহে প্ৰথম শ্ৰেণীৰ পণ্ডিত হোৱাৰ যোগ্যতা আছে আৰু সেই দুজনৰ ভিতৰত এজন হ'ল প্ৰধানমন্ত্ৰী লয়েড জৰ্জ। প্ৰথমতে কিনেছৰ নাম শুনি লয়েড জৰ্জৰ চকুদুটাই খণ্ডত অগ্নি ফিৰিঙতি বৰ্ষণ কৰিছিল। কিন্তু স্ন'ৰ এই কথাখিনি শুনি তেওঁ অলপ শান্ত হৈছিল। তথাপি সিদিনা স্ন'ৰ আগত লয়েড জৰ্জে এই কথা কেইটা কৈছিল-যুদ্ধৰ সময়ছোৱাত (প্ৰথম মহাসমৰ) কিনেছে মোৰ কোঠালীৰ ওচৰত ঘূৰমূৰকৈ ফুৰিছিল আৰু কৈ ফুৰিছিল যে আমাৰ বিত্ত ব্যৱস্থা আৰু এপষেকো টিকি নাথাকে। লয়েড জৰ্জে হেনো কিনেছক বহুবাৰ তেওঁৰ কোঠালীৰ পৰা বাহিৰ কৰি দিছিল।

সেই সময়ত দ্বিতীয় মহাযুদ্ধৰ বিভীষিকাই সমগ্ৰ ইউৰোপকে প্ৰায় গ্ৰাস কৰিবলৈ ওলাইছিল, গতিকে তেওঁলোক দুজনৰ কথা-বতৰাৰ বেছিভাগ দেশৰ ভৱিষ্যৎ সম্পৰ্কীয় গুৰু-গম্ভীৰ আলোচনাতে আবদ্ধ আছিল। কিন্তু তথাপিও লয়েড জৰ্জ যেন ফূৰ্তিত তগবগাই থাকিছিল, নিজৰ অৱস্থাক লৈ তেওঁৰ যেন অলপো দুঃচিন্তা নাছিল। ৱেলচৰ কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰা ইংলেণ্ডৰ এই বিখ্যাত প্ৰধানমন্ত্ৰীজনক আন এক বিখ্যাত প্ৰধানমন্ত্ৰী চাৰ্চিলৰ লগত চি.পি. স্নই নানা ধৰণে তুলনা কৰিছে। লয়েড জৰ্জ আৰু চাৰ্চিলৰ মিত্ৰতা আছিল গভীৰ। ইংলেণ্ডৰ ৰাজনৈতিক নেতা সকলৰ ভিতৰত একমাত্ৰ লয়েড জৰ্জৰ প্ৰতিয়ে চাৰ্চিলৰ শ্ৰদ্ধা আছিল। কেইবাবছৰো জুৰি তেওঁ চাৰ্চিলৰ গুৰু আছিল। কৃতজ্ঞ স্বভাৱৰ চাৰ্চিলে লয়েড জৰ্জৰ প্ৰতি সদায়ে অসীম আনুগত্য দেখুৱাইছিল। যি মাৰ্কনি কেলেংকাৰীয়ে লয়েড জৰ্জৰ সমস্ত ৰাজনৈতিক ভৱিষ্যতকে ধ্বংস কৰি দিব পাৰিলেহেঁতেন, তাৰ পৰা তেওঁক বচাইছিল চাৰ্চিলেই। আনহাতে লয়েড জৰ্জেও কৃতজ্ঞতা দেখুৱাবলৈ পাহৰা নাছিল। কাৰণ প্ৰধানমন্ত্ৰী হৈ তেওঁৰ সহকৰ্মী সকলৰ দুৰ্ঘোৰ আপত্তি স্বত্বেও তেওঁ চাৰ্চিলক নিজৰ মন্ত্ৰী সভাত যোগদান কৰিবলৈ আহ্বান কৰিছিল। এদিন সময় বাগৰিছিল, চাৰ্চিল স্বয়ং প্ৰধানমন্ত্ৰী হৈছিল আৰু তেতিয়া লয়েড জৰ্জৰ জীৱনৰ শেষৰ তিক্ত আৰু বেদনাময় দিনবোৰ পাৰ হ'ব ধৰিছিল। কিন্তু চাৰ্চিলে তেওঁক পাহৰা নাছিল, চাৰ্চিলে তেওঁক পুনৰ ৰাজহুৱা জীৱনলৈ ঘূৰাই আনিবলৈ চেষ্টা কৰিছিল। চি পি. স্নই লয়েড জৰ্জক এন্টিবিজত লগ পোৱাৰ বহু পাছৰ কথা এইবোৰ। চাৰ্চিলৰ হৃদয়ৰ এই মহত্ব আৰু আনুগত্যত লয়েড

জৰ্জৰ জীৱনৰ শেষৰ দুখৰ কালছোৱাত তেওঁৰ করুণ চকুজুৰিত আনন্দৰ বিজুলী খেলি গৈছিল- 'প্ৰধানমন্ত্ৰীয়ে মোক সন্মানজনক প্ৰস্তাৱবোৰ আগবঢ়াইছে'-লয়েড জৰ্জে কৈছিল।

এই সময়ছোৱাৰ কিছু আগতেও চি. পি. স্ন'ৰ লগত কথা-বতৰাত প্ৰায়ে চাৰ্চিলৰ কথা উলিয়াইছিল। তেতিয়া তেওঁৰ শক্তি- সামৰ্থ অটুট আছিল, মনৰ উৎসাহো নিঃশেষ হৈ যোৱা নাছিল। চাৰ্চিলৰ সম্পৰ্কে কোৱা কথাবোৰত তেওঁৰ সদায় এনে মনোভাৱেই ফুটি ওলাইছিল, সেই মনোভাৱ আছিল মৰম, আংশিক শ্ৰদ্ধা আৰু অলপ বিদ্রূপৰ এক অদ্ভুত সংমিশ্ৰণ। চাৰ্চিলৰ মনোবল, শক্তি, উদ্ভাৱনী ক্ষমতা আৰু অদমনীয় জেদক প্ৰশংসাৰ চকুৰে চাইছিল যদিও , লয়েড জৰ্জে তেওঁৰ প্ৰকৃতিগত ৱেলচ- সুলভ অসূয়াও নেদেখুৱাকৈ থকা নাছিল। তেওঁ চাৰ্চিলৰ বুদ্ধিবৃত্তিৰ ওপৰত বেছি আস্থা স্থাপন নকৰিছিল আৰু চি পি. স্নক কৈছিল- 'চাৰ্চিলৰ লগত এইটোৱেই মস্কিলৰ কথা যে তেওঁ সদায় কিবা নহয় কিবা কৰি থাকিব বিচাৰে- তেওঁ সদায় সকলো কথাতে মেপবোৰ বিচাৰি ল'ব -মই তেওঁক মোৰ মন্ত্ৰী সভাত ল'ব খুজিলেও তেওঁ যে কি বিভাগৰ বাবে উপযুক্ত হ'ব ভাবিয়ে পোৱা নাছিলো।

চাৰ্চিল আৰু লয়েড জৰ্জৰ মাজত সম্পৰ্ক আছিল এনেকুৱাই।

লয়েড জৰ্জৰ জন্মৰ হৈছিল ওৱেলচত, গতিকে ইংলণ্ডৰ্ প্ৰধানমন্ত্ৰী হ'লেও ইংলণ্ডক তেওঁ প্ৰায় বিদেশী এজনৰ দৃষ্টিভঙ্গীৰেই চাইছিল, গতিকে ইংলণ্ডৰ ধৰ্ম -সংস্কৃতি আদিৰ প্ৰতি তেওঁৰ কোনো শ্ৰদ্ধা বা ভালপোৱা নাছিল। ৰাজনীতিজ্ঞ হিচাপে এই কথাটো তেওঁৰ পক্ষে সুবিধাজনক হৈছিল এইবাবেই যে, নিজে দুখীয়া অঞ্চলৰ দুখীয়া খেতিয়ক পৰিয়ালৰ পৰা অহা বাবে দুখীয়া ৰাইজৰ দুখ-দুৰ্গতি হৃদয়ঙ্গম কৰিব পাৰিছিল। গতিকে ১৯১৪ চনলৈকে এই বৈশিষ্ট্যই তেওঁক সুবিধা কৰি দিছিল, কাৰণ ইংলণ্ডৰ শাসন পদ্ধতি তেতিয়ালৈকে কৃষিমুখী আছিল। কিন্তু ১৯১৮ চন মানৰ পৰা বিপদ আৰম্ভ হ'ল, কাৰণ তেতিয়া লেবাৰ পাৰ্টীৰ উত্থান আৰম্ভ হৈছে, ইংলণ্ডত শিল্প বিপ্লৱৰ সূচনা হৈছে।

পিছে সি যিকি নহওক , ১৮৯০ চনৰে পৰা ইংলণ্ডৰ পাৰ্লিয়ামেণ্টত ৱেলচৰ এজন অনামী এটৰ্নীৰ ভূমিকা গ্ৰহণ কৰি ৰাজনৈতিক জীৱন আৰম্ভ কৰা লয়েড জৰ্জৰ ৰাজনীতি সম্পৰ্কে অতি গভীৰ অন্তৰ্দৃষ্টি আছিল, এই ক্ষেত্ৰত তেওঁক চি.পি. স্ন'ই লেনিনৰে সমকক্ষ বুলি ভাৱে। গতিকে এই মানুহজনে ৰাজনীতিৰ উন্নতিৰ জখলাত দোপত দোপে উঠি এদিন ইংলণ্ডৰ প্ৰধানমন্ত্ৰী হোৱাটো আচৰিত হ'ব লগীয়া কথা নহয়।

তদুপৰি ৰাজনীতিকৰ থাকিব লগীয়া আৰু এক ডাঙৰ গুণো লয়েড জৰ্জৰ আছিল। সি হ'ল বাগ্মীতা, লয়েড জৰ্জৰ অসাধাৰণ বাগ্মীতাৰ প্ৰশংসা কৰি ইংলণ্ডৰ পিছৰ এজন প্ৰধানমন্ত্ৰী হেৰল্ড মেকমিলানে চি পি. স্নক কৈছে যে পাৰ্লিয়ামেণ্টত শুনা সকলো বক্তৃতাৰ ভিতৰতে লয়েড জৰ্জৰ বক্তৃতা শ্ৰেষ্ঠ। অৱশ্যে চি পি. স্ন' নিজে সোতৰ বছৰীয়া থাকোতে

লয়েড জৰ্জৰ বক্তৃতা শুনি হতাশ হৈছিল। তাৰ কাৰণো তেওঁ দৰ্শাইছে - বাগ্মীতা হ'ল এক পৰিবৰ্তনশীল কলা, এনেকি আজিৰ পটভূমিত চাৰ্চিলৰ বিখ্যাত যুদ্ধকালীন বক্তৃতাবোৰ পুৰণিকলীয়া যেন লাগিব।

যি হওক, লয়েড জৰ্জ ১৯০৬ চনত প্ৰথমবাৰৰ বাবে মন্ত্ৰীসভাত সোমাইছিল আৰু প্ৰথমৰে পৰা তেওঁ বিৰাট প্ৰতিভাৰ পৰিচয় দিছিল। কিন্তু, কমন্সত সোমোৱা লয়েড জৰ্জৰ প্ৰতি কনজাৰভেটিভ পাৰ্টীৰ বিদ্বেষৰ সীমা নোহোৱা হৈছিল। তেওঁ সাধাৰণ ৰাজনীতিজ্ঞ হ'লে এই হিংসা আৰু বিদ্বেষ ইমান প্ৰবল নহ'লহেঁতেন, কিন্তু শক্তিশালী শত্ৰুৰ প্ৰতি বিদ্বেষ স্বাভাৱিকতেই ভয়ংকৰ হৈ উঠে। লয়েড জৰ্জক আঘাত হানিবলৈ শত্ৰুপক্ষৰ হাতত তেওঁ দুবিধ অস্ত্ৰ তুলি দিছিল -এবিধ হ'ল ১৯১২ চনত ইংলণ্ডত তোলপাৰ লগোৱা 'মাৰ্কনি কেলেংকাৰী' আৰু আনবিধ হ'ল তেওঁৰ তিৰোতাৰ প্ৰতি আসক্তি। মাৰ্কনি কেলেংকাৰীত লয়েড জৰ্জৰ হৈ অতি নিষ্ঠা আৰু একাগ্ৰতাৰে যুঁজিছিল উইনষ্টন চাৰ্চিলে। তদুপৰি লৰ্ড এচ্‌কুইথে এই সময়ত যি উদাৰতাৰ পৰিচয় দিছিল সি নমস্য। লৰ্ড এচ্‌কুইথে তেওঁৰ মহত্বৰ বাবেই লয়েড জৰ্জৰ দৰে প্ৰবল প্ৰতাপী শত্ৰু এজনক সম্পূৰ্ণ বিনাশ কৰাৰ সুযোগ পায়ো নকৰিলে।

লয়েড জৰ্জৰ জীৱনত নাৰীঘটিত কাৰবাৰৰ হেনো সীমা-সংখ্যা নাছিল। এই ক্ষেত্ৰত তেওঁ আছিল চাৰ্চিলৰ সম্পূৰ্ণ বিপৰীত। বল্ডউইন আৰু অন্যান্য টোৰী সকলে তেওঁক 'ছাগলী' আখ্যা দিছিল। কিন্তু চি.পি. স্নই ভাৱে যে বিভিন্ন নাৰীৰ সংস্পৰ্শলৈ অহা বাবেই লয়েড জৰ্জৰ দৰে কঠোৰ ৰাজনীতিজ্ঞ এজনৰ স্বভাৱলৈ কিছু পৰিমানে কোমলতা আহিছিল।

লয়েড জৰ্জৰ জীৱনৰ শেষ বছৰবোৰ দুখৰ আৰু নৈৰাশ্যজনক হৈছিল। তেওঁৰ কেন্সাৰ হৈছিল, কিন্তু সেই কথা তেওঁক জানিবলৈ দিয়া নহৈছিল।

লয়েড জৰ্জে ইতিহাসত ভাল পাইছিল আৰু ইতিহাসত কোনে কি স্থান পাব, ইতিহাসৰ গতি কোনফালে ঢাল খাব এইবোৰ কৈ খুব ভাল পাইছিল। তেওঁ নিজৰ বিষয়ে কৈছিল যে তেওঁ নিজে ইতিহাসত স্থান পাব শ্ৰেণী সংগ্ৰামৰ কঠোৰতাক হ্ৰাস কৰিবলৈ চেষ্টা চলোৱা এজন ৰাজনীতিজ্ঞ হিচাপে।

অবৈজ্ঞানিক ভাৰতবৰ্ষ

আজিকালি আমি প্ৰায়ে এই কথাটো শুনিবলৈ পাওঁ যে পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত আমাৰ সমাজখন উছনে যাব ধৰিছে, আমাৰ বৰ্তমানৰ প্ৰজন্মক এই সংস্কৃতিয়ে গ্ৰাস কৰি পেলাইছে, অপসংস্কৃতিৰ পয়োভৰ ঘটিছে- ইত্যাদি ইত্যাদি।

এই কথাটো লৈ অলপতে মই আৰু ড° অনিমা গুহই আলোচনা কৰিছিলো, আমাৰ দুয়োৰেই এই উপৰুৱা মন্তব্যষাৰত আপত্তি আৰু অসন্তুষ্টি, - আমেৰিকা, ইংলেণ্ড নানা ঠাইত ভ্ৰমণ কৰা, আমেৰিকাত দীৰ্ঘদিন পুতেক-বোৱাৰীয়েক-নাতিয়েকৰ লগত কেবাবাৰো থাকি অহা অনিমা গুহই কয়- এনে মন্তব্যষাৰৰদ্বাৰা যেন এই কথাটোকে বুজাব খোজা হয়, পশ্চিমৰ সভ্যতা-সংস্কৃতি সকলো বজৰুৱা, ভাৰতৰ ভাল, আমি এতিয়া সেই ভাৰতীয় সু-সংস্কৃতি, উচ্চ-চিন্তা সকলো জলাঞ্জলি দি পশ্চিমীয়া অপসংস্কৃতি গা ঢালি দিছোঁ। কিন্তু পশ্চিমীয়া সংস্কৃতি মানেই কুৰুচিপূৰ্ণ নেকি, নিম্ন মানৰ নেকি? তেন্তে সেইবোৰ দেশত সকলো ক্ষেত্ৰতে ইমান মানুহে নবেল পুৰস্কাৰ পায় কিয়- বিজ্ঞান, সাহিত্য, দৰ্শন, অৰ্থনীতি, খেলা-ধূলা আদি সকলোতে তেওঁলোক ইমান আগবঢ়া কিয়? চিনেমাত তেওঁলোকে নানা দিশত ইমান অস্কাৰ বঁটা পায় কিয়? কিয় তেওঁলোকৰ চিনেমা -তাৰকাইঁতৰ দৰে ইমান সমাজসেৱী আমাৰ নাই? গতিকে তৎক্ষণাতে এনেকুৱা এটা উপৰুৱা মন্তব্য নিদি ভাবি-চিন্তি এনেকুৱা কথাহে ক'ব লাগে যে আমি তেওঁলোকৰ ভালখিনি নলৈ কেৱল বেয়াখিনিহে কিয় লৈছো।

ড° অনিমা গুহৰ এই কথাখিনিয়ে নিশ্চয় আমাক কিছু চিন্তাৰ খোৰাক যোগাব।

মই নিজেও তাৰপিচত নানা কথা ভাবিবলৈ ধৰিলো। আমি স্বদেশী বুলি নিজৰটোহে আঁকোৱালি লৈ থাকিব খোজাবোৰে বাৰু সেই কথাত কিমান সফল হ'ব পাৰো। দুবছৰ যেতিয়া ছদ্দাম হুছেইনৰ ইৰাকক আমেৰিকাই আক্ৰমণ কৰিলে আমি তাক সকলোৱে গৰিহণা দিলো, নানাধৰণৰ মেল-মিটিং কৰি, শোভাযাত্ৰা উলিয়াই, প্ৰচাৰ-পুস্তিকা এনেকি কবিতা পুথি প্ৰকাশ কৰিও আমি সেই বৰ্বৰ কাৰ্যৰ তীব্ৰ প্ৰতিবাদ কৰিলো। মুঠতে আমি আমাৰ সাধ্য অনুযায়ী যুদ্ধৰ বিৰোধিতা কৰিলো, আমেৰিকা-ইংলেণ্ডক অভিসম্পাত দিলো। আমাৰ মাজত এজনে এনে ঘোষণাও কৰিলে যে তেওঁ আৰু কোনোদিনেই আমেৰিকাৰ

পেপ্‌ছি, কোকা-কোলা আদি মুখত নিদিয়ে। তেওঁৰ তেনে কথাত আমেৰিকাৰ প্ৰতি শত্ৰুতাৰ মনোভাবত আন এজনে আকৌ ভোজভাত খোৱাৰ কথাও মনত পৰি গ'ল। এইটো হ'ল আনন্দত কৰা উৎসৱৰ কথা। ২০০১ চনৰ এঘাৰ ছেপ্তেম্বৰৰ দিনা বিন লাডেনৰ বাহিনীয়ে নিউয়ৰ্কৰ 'টুইন-টাৱাৰ' ধ্বংস কৰাৰ আনন্দতে বোলে তেওঁ সপৰিয়ালে তেনেকৈ ভোজভাত খাইছিল। পিচত আমেৰিকাই তালিবানক পৰাজিত কৰাত তেওঁৰ কি প্ৰতিক্ৰিয়া হৈছিল নাজানো। অৱশ্যে মই তেওঁৰ এই ছেন্টিমেন্টটোক মৰ্য্যদা দিওঁ যে অখণ্ড প্ৰতাপশালী আমেৰিকাতো ছোভিয়েট ৰাছিয়াৰ পতনৰ পিচত আন কোনো শত্ৰুৱে গাৰ নোম এডালো লৰাব নোৱাৰে বা পৰা নাই, তেনেস্থলত বিন লাডেনে যে সেই বিশ্বত্ৰাস সৃষ্টি কৰিব পৰা দেশখনক খোদ নিজৰ মাটিতে গৈ এনে এক ভয়ংকৰ, অভাৱনীয় ত্ৰাসৰ সন্মুখীন কৰাবলৈ সক্ষম হয় তাকো আক্ৰমণ কৰিলে একেবাৰে নিউয়ৰ্ক চহৰকে, সিতো সঁচায়ে কম ডাঙৰ কথা নহয়. কিন্তু সকলোতকৈ ডাঙৰ কথা এইটোহে যে মিছন ছাক্‌ছেছ ফুলো হৈ গ'ল।

আমেৰিকাই ইৰাক আক্ৰমণ কৰাৰ প্ৰতিবাদত পেপ্‌ছি ত্যাগ কৰা বান্ধৱীজনীৰ কথাৰে অনিমা গুহই আকৌ ইয়াকো ক'লে (ৰগৰ কৰি) -' মোৰ এজন বন্ধুৱে ক'লে , মোৰো আমেৰিকা কাৰ্যৰ প্ৰতিবাদ কৰিসেই দেশৰ সকলো বৰ্জন কৰিবৰ মন গৈছিল। কিন্তু বৰ্জননো কৰো কেনেকৈ? পুৱা বিছনাৰ পৰা উঠিয়েই দেখোন প্ৰথমতে কলগেট টুথপেষ্টটো হাতত লওঁ...'

অনিমা গুহৰ এইষাৰ কথাই মোকো স্বদেশী-বিদেশী সম্পৰ্কে ইটো সিটো নানা কথা ভবাবলৈ আৰম্ভ কৰিলে। এসময়ত আমি বস্ত্ৰদাহ কৰি বিদেশী বস্তু বৰ্জন কৰাৰ সিদ্ধান্ত লৈছিলো। তেতিয়া আমি পৰাধীন আছিলো। তাৰপিচত আমি স্বাধীন হ'লো। আমি এতিয়া কি কি স্বদেশী বস্তু ব্যৱহাৰ কৰিছো বাৰু? আমি কি কি উৎপাদন কৰিছো, কি কি আৱিষ্কাৰ কৰিছো? আমি লেম জ্বলাই বা মাটিৰ চাকি জ্বলাই ৰাতিৰ অন্ধকাৰ দূৰ নকৰো। ইলেক্‌ট্ৰিক লাইটেই ব্যৱহাৰ কৰো- যি বিদেশী । গৰম দূৰ কৰো আকৌ তেনে বিদেশীয়ে আৱিষ্কাৰ কৰা বস্তুৰেই, ইলেকট্ৰিক ফেন, এয়াৰ কণ্ডিশ্যনাৰ, এয়াৰ কুলাৰ আদিৰে। বাঁহ বা তালপাতৰ বিছনাৰে অৰ্থাৎ স্বদেশী বস্তুৰে গৰম নাতৰাওঁ। ইলেক্‌ট্ৰিচিটিৰ সৰবৰাহ বন্ধ হ'লে জেনেৰেটৰ চলাওঁ, ইনভাৰ্টাৰ ব্যৱহাৰ কৰো যি বিদেশী, অপসংস্কৃতিৰ বাহ বিদেশৰ বস্তু। বৈদ্যুতিক বাল্বৰ উদ্ভাৱক হ'ল মাৰ্কিন যুক্তৰাষ্ট্ৰৰে বৈজ্ঞানিক টমাছ আলভা এডিছন। তেনেকৈ ইলেকট্ৰিক ফেনৰো উদ্ভাৱক হ'ল তেনে এখন আমেৰিকাৰে বিজ্ঞানী, এছ হুইলাৰ। ৰেডিঅ'ত খবৰ শুনো, সেই বেতাৰ বাৰ্তাৰো উদ্ভাৱক হ'ল আন এক বিদেশী, ইটালিৰ মাৰ্কনি চাহাব। এতিয়া দেশময় মটৰ গাড়ীৰে ভৰি গৈছে, অইন ঠাইৰ কথা বাৰু এৰিলোৱেই, গুৱাহাটীত আমি সেইবিধ বাহন নহ'লে চলিবই নোৱাৰো, অথচ মটৰ গাড়ী আমি উদ্ভাৱন কৰিব পৰা নাই, কৰিছে এজন বিদেশীয়ে-জাৰ্মানীৰ কাৰ্ল

বেঞ্জে । মটৰ গাড়ী অবিহনে (এনেকি বিদেশীয়ে উলিওৱা এৰোপ্লেনেও যাৰ প্ৰথম আৱিষ্কাৰক আছিল আমেৰিকাৰ ৰাইট্ ব্ৰাদাৰ্ছ । আমাৰ যেনেকৈ জীৱন অচল তেনেকৈ অচল ঘড়ীটো নহ'লেও । সেই নিখুঁত আধুনিক যন্ত্ৰটোৰ আগত আমাৰ পুৰণিকলীয়া বালিৰ ঘড়ী এতিয়া অচল। সেই ঘড়ীটো কোনে উলিয়ালে? এজন বিদেশীয়ে- জাৰ্মানীৰ হেনলেইনে । আনহাতে পঢ়া-শুনা ? আমাৰ শিক্ষা-দীক্ষা ? জ্ঞানৰ ভাণ্ডাৰ জমা হৈ আছে কিতাপ-পত্ৰত । এতিয়া আৰু মৌখিক সাহিত্যৰ দিন নাই, সাঁচিপাত, শিলালিপি সেইবোৰৰো দিন কাহানিবাই উকলিল । কিতাপ নামৰ অদ্ভুত জ্ঞানৰ আঁকৰ বস্তুটো আমি লাভ কৰিলো. যিমান ইচ্ছা সিমান কপি প্ৰিন্ট কৰি ল'ব পাৰি । দেশ-বিদেশৰ সাহিত্য -সংস্কৃতিৰো আভাস পোৱা যায় কিতাপৰ যোগিদিয়েই । তাক ছপা কৰা বস্তুটো কোনোবা ভাৰতীয়ই আৱিষ্কাৰ কৰিছিল নেকি ? নাই কৰা , কৰিছিল এজন বিদেশীয়েই, তেওঁৰ নাম হ'ল যোহান গুটেনবাৰ্গ. জাৰ্মানীৰ মানুহ । এই সকলোবোৰ বস্তুৰ দৰে বৰ্তমান আমাৰ অতি আৱশ্যকীয় আন এটা যন্ত্ৰ বাৰু কি ? টেলিফোন নহয়নে ? কোনোবা ভাৰতীয়ই আৱিষ্কাৰ কৰিছিল নেকি ? ওঁহো নাই কৰা, কৰিছিল আন এজন বিদেশীয়েই, খোদ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আলেকজেণ্ডাৰ গ্ৰেহাম বে'লে । ক্ৰিং ক্ৰিং ক্ৰিং । ঘৰে ঘৰে টেলিফোন বাজিয়েই থাকে, ইয়াক লৈ পি-চি-অ'ৰ ব্যৱসায়ো গঢ়ি উঠিছে, এনেকি গাঁওবোৰতো, গ্ৰেহাম বে'লৰ আৱিষ্কাৰে 'দূৰকে নিকট কৰিলে বন্ধু' - সাত সাগৰ তেৰ নদীৰ সিপাৰে থকা পুত্ৰ-কন্যা, আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ লগতো কথা- বতৰা পাতি থাকিব পাৰি এই টেলিফোন নামৰ যন্ত্ৰটোৰেই । কম্পিউটাৰ, ইন্টাৰনেট আদিৰ কথা নক'লোৱেই বা । পিচে একেবাৰে মৌলিক কথালৈও অহা যাওক, আমি জুই জ্বলাওঁ কিহেৰে ? শিলত শিল ঘঁহি নেকি ? ওঁহো নহয়, দেশলাইৰে । কোন ইয়াৰ আৱিষ্কাৰ কৰ্তা ? ভাৰতীয় নেকি ? নাই, নাই, ভাৰতীয় কিয় হ'ব ? দেশলাই আৱিষ্কাৰ কৰিছিল ইংলেণ্ডৰ জন্ ৱাকাৰে। পুনৰ কিতাপৰ কথালৈ অহা যাওক, শিক্ষা-দীক্ষাৰে কথা । কিন্তু কেৱল পঢ়িলেইতো নহ'ব, লিখিবও লাগিব আৰু আমি লিখোও । আমাৰ পাখি কলমেৰে নহয়, ফাউন্টেইন পেনেৰে, নিজৰা কলমেৰে । এই অতি আৱশ্যকীয় আহিলা ফেৰাৰো উদ্ভাৱক হ'ল এজন বিদেশী, মাৰ্কিন যুক্তৰাষ্ট্ৰৰ লউইছ্ ৱাটাৰমেন । এতিয়া অৱশ্যে বল পেনৰহে দিন, ফাউন্টেইন পেন এৰাৰ দৰে হ'ল । পুনৰ আমি বিদেশীৰ শৰণাপন্ন হ'বলগা হ'ল, এইবাৰৰ এই বিদেশীজনো হ'ল আমেৰিকাৰ, জন্ লাউড্ । পিচে নীৰস পঢ়া-শুনা কৰি থাকিলেই আমাৰ মন নভৰে, তাৰদ্বাৰা আমাৰ জ্ঞানৰ ভঁৰাল পূৰ্ণ হ'ব পাৰে , কিন্তু- 'জীৱন যখন শুকায়ে যায়, করুণাধারায় এসো' (ৰবীন্দ্ৰনাথ) । আমাৰ বহুতৰ বাবে সেই করুণাধাৰ হ'ল সংগীত, কণ্ঠ সংগীত, যন্ত্ৰ সংগীত । এনেকি আমাৰ লেখকেও কৈ গৈছে 'সংসাৰ মৰুভূমিত গান সৰোবৰ' । পিচে গান শুনিবৰ মন গ'লে ক'তনো ৰেডিমেড কণ্ঠ সংগীত-শিল্পী, যন্ত্ৰ-সংগীত শিল্পীনো পাওঁ ? বহুতৰ ঘৰত থাকিব পাৰে, কিন্তু বেছিভাগ

মানুহৰে ঘৰত নাথাকে। পিচে তাৰ ব্যৱস্থাও কৰি দিছে আন এক বিদেশীয়ে, টেপ ৰেকৰ্ডাৰৰ উদ্ভাৱন কৰি। টেলিভিছনৰো আবিষ্কাৰক বিদেশী (আবিষ্কাৰকৰ নাম পাহৰিলো, কোনোবা সহৃদয় পাঠকে জানিলে জনাব পাৰে)।

শেষত এজন তাত্ত্বিকৰ কথাৰে শেষ কৰো। আমি ভাৰতীয় । আমাৰ ইয়াত গান্ধীবাদ চলিব লাগিছিল, সম্পূৰ্ণভাবে চলা নাই। পিচে আন এজন বিদেশীয়েও আহি আমাৰ ইয়াত খুঁটি পুতিছেহি , সমগ্ৰ বিশ্বৰো অ'ত-ত'ত সেই খুঁটি পুতিছে, সমগ্ৰ বিশ্বত গান্ধীবাদ কিন্তু তেনেকৈ প্ৰচলন হোৱা নাই। এই বিদেশী তাত্ত্বিকজন হ'ল কাৰ্লমা', জাৰ্মানীৰ মানুহ, এনেকি তেওঁৰ তত্ত্বৰে বৰ্তমান ভাৰতবৰ্ষৰ দুখন ৰাজ্যৰ শাসনো চলিছে- পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ।

এতিয়া তেন্তে দেখা গ'ল যে আজি বিজ্ঞানে আমাৰ সুচল জীৱনযাত্ৰাৰ বাবে যিবোৰ আহিলা দিছে তাক আমাৰ ধৰ্মান্ধ ভাৰতবাসীক তেত্ৰিশ কোটি দেৱ-দেৱীয়ে তেওঁলোকৰ পূজা-পাতলত সন্তুষ্ট হৈ বৰ হিচাপে দিয়া নাই, সেই অতি সুবিধাজনক আহিলাবোৰ পাইছো, আমাক 'অপসংস্কৃতি' ৰপ্তানি কৰি আমাৰ ল'ৰা-ছোৱালীক 'পশ্চিমীয়া সংস্কৃতিৰে জহান্নামৰ পথলৈ নিয়া' সেই বিদেশৰ মানুহৰ কঠোৰ সাধনা, নিষ্ঠা , একাগ্ৰতা, কষ্টসহিষ্ণুতা আৰু আত্মোৎসৰ্গৰ ফলতহে।

প্ৰথম লেখাতোঁত লিখিছো যে প্ৰায় সকলো আধুনিক বৈজ্ঞানিকযন্ত্ৰপাতিৰ, আহিলাৰ সুবিধাৰ বাবে আমি পশ্চিমৰ ওচৰত ঋণী, আমাৰ দৈনন্দিন জীৱন প্ৰণালী স্বচ্ছন্দতাৰে ভৰোৱাৰ মূলতে পশ্চিমৰ বৈজ্ঞানিক আবিষ্কাৰ। এই সত্য নিশ্চয় কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অথচ ইয়ো সত্য যে বৰ্তমান বিশ্বৰ আধুনিক প্ৰযুক্তি বিজ্ঞানলৈ ভাৰতৰ বৈজ্ঞানিক আৰু ইঞ্জিনিয়াৰৰ সংখ্যা বোলে পৃথিৱীৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ । আমাৰ আই-আই-টিৰ পৰা পাছ কৰা ডিগ্ৰীধাৰীক বোলে আমেৰিকাত তাৰ বিখ্যাত এম-এই-টিৰ (মাছাছুচেট্‌ছ ইন্‌ষ্টিটিউট অব টেকন'ল'জি) ডিগ্ৰীধাৰীৰ সমকক্ষ বুলিয়েই ধৰা হয়। অৱশ্যে দুখৰ কথা যে আমাৰ আই-আই-টিৰ ডিগ্ৰীধাৰীসকলে ঘাইকৈ বিদেশতহে কাম কৰি আছে আমেৰিকাৰ ছিলিকন্ ভেলী সমৃদ্ধ কৰিছে আটাইতকৈ বেছি আমাৰে বিখ্যাত আই-আই-টিৰ 'ব্ৰেইন' কেতবোৰে - যাৰ বাবে আমি 'ব্ৰেইন ড্ৰেইন' কথাটোলৈ মাজে মাজে হুলস্থূল কৰো। আমাৰ মেধাবী ডাক্তৰ, ইঞ্জিনিয়াৰ আদি ঢাপলি মেলে পশ্চিমৰ উন্নত দেশবোৰলৈ , আৰব দেশবোৰলৈ। তাৰ কাৰণ যদিও বিৰাট অংকৰ দৰমহাৰ লোভ, তথাপি সেইটোক নিশ্চয় একমাত্ৰ কাৰণ বুলি ক'ব নোৱাৰি- সেইবোৰ ঠাইত কামৰ সুবিধা বহুত বেছি, সেইবোৰ ঠাইত এতিয়াও ভাল ভাল চাকৰি পোৱা যায়, কিন্তু আমাৰ ইয়াত অৰ্হতা অনুযায়ী চাকৰিতো পোৱা নেযায়েই , সাধাৰণ চাকৰিও পোৱা নেযায়।

যি হওক, আজিৰ মোৰ লেখাৰ প্ৰধান প্ৰতিপাদ্য এইবোৰ কথা নহয়, এইবোৰ

কথা প্ৰসংগক্ৰমেহে আহি গ'ল, মোৰ বিষয় হ'ল ভাৰতবৰ্ষৰ বিস্ময়কৰ বৈজ্ঞানিক ঐতিহ্য। অৱশ্যে অতীজৰে পৰা বিজ্ঞানত ইমান মেধাৰ পৰিচয় দিয়া দেশখনে কিয় প্ৰযুক্তিৰ পিনৰ পৰা আমাৰ ব্যৱহাৰিক জীৱনৰ সুবিধাৰ বাবে কোনো লেখত ল'বলগীয়া আৱিষ্কাৰ কৰা নাই, কিয় সকলো প্ৰযুক্তিত স্বাচ্ছন্দ্যৰ বাবে আমি পশ্চিমৰ ওচৰত ঋণী (এনেকি ডাক্তৰী আৱিষ্কাৰবোৰতো, যেনে- পেনিচিলিন, এ'-ৰে, ছিটা আদি) সেই কথাৰ মই উত্তৰ দিব খোজা নাই বা আজিৰ প্ৰসংগৰ সি বিষয়বস্তুও নহয় - মোৰ বিষয় হ'ল মোৰ মহান দেশ ভাৰতৰ অতীত বৈজ্ঞানিক ঐতিহ্য। আচলতে আমি সকলো বৈজ্ঞানিক আৱিষ্কাৰৰ বাবে পশ্চিমৰ ওচৰতে ঋণী - এই কথাকে লৈ মই তেতিয়া সাপ্তাহিক 'সাদিন'ত উপৰুক্ত লেখাটো লিখাৰ পিচতে শশী থাৰুৰৰ প্ৰবন্ধ এটা পঢ়িবলৈ পাইছিলো য'ত তেওঁ বৰ্তমান ভাৰতবৰ্ষৰ বিজ্ঞানৰ অগ্ৰগতি, তাত জৱাহৰলাল নেহৰুৰ অবিস্মৰণীয় অৱদান, অতীত ভাৰতৰ বিস্ময়কৰ বৈজ্ঞানিক সমৃদ্ধি আদিৰ কথা লেখিছিল। শশী থাৰুৰ 'দ্য হিন্দ' নামৰ ভাৰতৰ ইংৰাজী দৈনিক কাকত এখনৰ স্তম্ভলেখক - যাৰ নাম ' The Shashi Tharoor Column ; সেই স্তম্ভতে তেওঁ Why Indian Science Scores নামৰ প্ৰবন্ধটো লেখিছে আৰু সেইটো পঢ়ি মোৰ এনে লাগিছিল যেন মই ভাৰতীয় আৱিষ্কাৰক , বৈজ্ঞানিকসকলক মোৰ কেইমাহমান আগতে লিখা উক্ত প্ৰবন্ধত 'হেয়' প্ৰতিপন্ন কৰা বুলিয়েই লেখকে এইটো প্ৰবন্ধৰে মোক সমুচিত 'শিক্ষা' দিব খুজিছে।

মূল বিষয়লৈ যোৱাৰ আগতে যিসকল পাঠকে শশী থাৰুৰৰ কথা নেজানে তেওঁলোকক তেওঁৰ কথা অলপ কৈ লোৱা যাওক। শশী থাৰুৰ এজন অতি প্ৰতিভাৱান ভাৰতীয় লেখক যি বৃত্তিত ভাৰতীয় বৈদেশিক ছাৰ্ভিচৰ এজন উচ্চপদস্থ বিষয়া। বৰ্তমান তেওঁ সন্মিলিত ৰাষ্ট্ৰসংঘৰ যোগাযোগ আৰু জনসম্পৰ্কৰক্ষী বিভাগৰ এজন সহকাৰী সাধাৰণ সম্পাদক হিচাপে কাম কৰি আছে। তেওঁ সাতখন কিতাপ লেখি উলিয়াইছে যাৰ ভিতৰত অলপতে প্ৰকাশ হোৱা দুখন কিতাপ হ'ল-' Riot ' আৰু Kerala ; God's Own Country ('ৰায়ত' খন তেওঁ এম-এফ হুছেইনৰ লগত লগ লাগি লেখিছে)।

শশী থাৰুৰ বিষয়ে মই জনা অলপ ব্যক্তিগত কথাও কৈ ল'ব খোজো যাৰ দ্বাৰা হয়তো আৰু এবাৰ এই কথা প্ৰতীয়মান হ'ব যে 'ডাঙৰ মানুহ'ক বিয়া কৰোৱা তিৰোতা মানুহৰ ঘৰুৱা সুখ-স্বাচ্ছন্দ্য নেথাকে, তেওঁলোক অনবৰত নানা টেনছনত থাকিবলগা হয়। শশী থাৰুৰ ৰাষ্ট্ৰসংঘৰ আণ্ডাৰ ছেক্ৰেটাৰী জেনেৰেল হোৱাৰ পিচত কোনোবা ইংৰাজী আলোচনীত এই কথা পঢ়া মনত পৰে যে শশী থাৰুৰৰ লগত তেওঁৰ পত্নী তিলোত্তমা থাৰুৰৰ বিচ্ছেদ ঘটিছে, তাৰ কাৰণ হ'ল সন্তান, স্বামী আৰু নিজৰ বৃত্তিতে (তিলোত্তমা থাৰুৰো এগৰাকী লেখত ল'বলগীয়া মহিলা) তেওঁ ইমান ব্যস্ত হৈ থাকিব লাগে যে লগতে স্বামীৰ এই নতুন চাকৰিৰ ফলত নানা আমোলা আদিক নিজৰ ঘৰত যিমান পাৰ্টি

আদিৰে আলপৈচান ধৰি থাকিবলগা হৈছে তাক আৰু তেওঁ চম্ভালিব নোৱাৰা হৈছে, তাৰ বাবেই বোলে তিলোত্তমা থাৰুৰ শশী থাৰুৰৰ জীৱনৰ পৰা আঁতৰি গ'ল।

এতিয়া শশী থাৰুৰে লেখা অতীজৰ ভাৰতৰ বিজ্ঞানীসকলৰ বিজ্ঞানচৰ্চা তথা অংক, জ্যামিতি আদিৰ ক্ষেত্ৰত দেখুওৱা যুগোত্তীৰ্ণ প্ৰতিভাৰ বিষয়ে আলোচনা কৰা যাওক। অৱশ্যে মই যেনেকৈ তেওঁৰ লেখা পঢ়ি এই বিষয়ে লেখিবলৈ উদ্বুদ্ধ হ'লো শশী থাৰুৰো উদ্বুদ্ধ হ'ল আমেৰিকান লেখক ডিক্ টেৰেছিৰ 'Lost Discoveries ' নামৰ, শশী থাৰুৰ ভাষাত 'remark able' কিতাপখন পঢ়ি। তেওঁ হেনো যোৱা দুবছৰ ধৰি জৱাহৰলাল নেহৰুৰ বিষয়ে এখন কিতাপ লেখিবলৈ যো-জা চলাই নানা তথ্য সংগ্ৰহ কৰি আছে। তেতিয়াই তেওঁৰ ভাব হ'ল যে নেহৰুৱে ভাৰতৰ বিজ্ঞানৰ উন্নতিৰ বাবে যি কাম কৰি থৈ গৈছে - সেই কথা যেন যথাযথভাবে স্বীকৃত হোৱা নাই, তেওঁ যেন, আকৌ শশী থাৰুৰৰ ভাষাকে ধাৰ কৰি কওঁ- 'We have taken for granted one vital legacy of his: the creation of an infrastucture for excellence in science and technology, which has become a source of great self-confidence and competitive advantage for the country
to-day"।

কিন্তু এইদৰে কৈয়ো থাৰুৰে ডিক্ টেৰেছিৰ কিতাপখনৰ কথা আলোচনা কৰি কৈছে যে ভাৰতৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিপাডাল নেহৰুৰ বহুত আগৰে পৰাই দেশৰ মাটিত পোত খ আছে। টেৰেছিয়ে পশ্চিমৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৰম্ভণিৰ বহুত আগতেই, শ শ বছৰৰ আগতেই সেই বিদ্যা বেবিলন আৰু মায়া সভ্যতাৰ পৰা ইজিপ্তলৈ আৰু আফ্ৰিকাৰ অন্যান্য দেশলৈকে বিস্তাৰ লাভ কৰিছিল সেই কথা আলোচনা কৰাৰ লগতে আলোচনা কৰিছে ভাৰতবৰ্ষয়ো সেইবোৰ বিষয়ত কেনে শীৰ্ষ স্থান লাভ কৰিছিল।

টেৰেছিৰ আলোচনাই যেন থাৰুৰ সমুখত ভাৰতবৰ্ষৰ প্ৰাচীন সভ্যতা আৰু বিজ্ঞানৰ চমকপ্ৰদ উৎকৰ্ষৰ অকল্পনীয় ছবি এখন দাঙি ধৰিছিল। নিউটনে আপেল মাটিত পৰাৰ দৃশ্য দেখি পৃথিবীৰ মাধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰ কৰিছিল, কিন্তু ঋক্‌বেদত বোলে ২৪শ বছৰৰ আগতে লেখা হৈছে যে মাধ্যাকৰ্ষণে বিশ্ব ব্ৰহ্মাণ্ডক ধৰি ৰাখিছে! গোটেই বিশ্বই, এনেকি গ্ৰীচেও যেতিয়া পৃথিৱীখন চেপেটা বুলি ভাবিছিল তেতিয়া হেনো আমাৰ বৈদিক সভ্যতাই পৃথিবীক ঘূৰণীয়া বুলি ভাবি থৈছিল। পঞ্চম শতিকাত বোলে ভাৰতবৰ্ষই পৃথিবীখন ৪.৩ বিলিয়ন বছৰ হোৱা বুলি হিচাপ কৰি উলিয়াইছিল, কিন্তু উনৈশ শতিকাত ইংৰাজসকলে হিচাপ কৰি পৃথিবীৰ বয়স এশ মিলিয়ন বছৰ বুলি পাইছিল, তাৰপিচত কুৰি শতিকাতহে

সেই পশ্চিমৰ বিজ্ঞানীসকলে পৃথিৱীৰ বয়স ৪.৬বিলিয়ন বছৰ বুলি শুদ্ধ হিচাপ কৰি উলিয়ালে।

অংকশাস্ত্রত ভাৰতবৰ্ষৰ দক্ষতা আছিল আশ্চৰ্যজনক। অংকৰ আধুনিক সংখ্যাবো (numerals) আৱিষ্কাৰক আছিল ভাৰতবৰ্ষই, কিন্তু পশ্চিমে যিহেতু সংখ্যাৰ ধাৰণাটো আৰবসকলৰ পৰাই লৈছে সেয়ে সংখ্যা বুলিলে তেওঁলোকে তাক 'আৰবী' বুলিয়েই জানে, কিন্তু আৰবে তাক শিকিছিল ভাৰতবৰ্ষৰ পৰাহে! 'শূন্য' সংখ্যাটোৰ আৱিষ্কাৰক যে ভাৰতবৰ্ষ সেইটো এতিয়া বহুতে জনা কথা, পশ্চিমৰ সভ্যতাত যেতিয়া সংখ্যাৰ কোনো ধাৰণাই নাছিল, তেতিয়া আমাৰ হিন্দু আৰু বৌদ্ধ দৰ্শনত তাৰ পূৰা ধাৰণা আছিল। এইখিনিতে শশী থাৰুৰে কোনো এক টবিয়াছৰ ডেনজিগেৰ (Tobias Dantzig) ১৯৩০ চনত লিখা এইযাৰ কথা উদ্ধৃত কৰি দিছে-' In the history of culture, he innantion of zero will always stand out as one of the greatest single achievement of the human race ' এজন বিদেশীয়ে কৰা ই এক কম মূল্যৱান মন্তব্য নহয়।

যীশুখ্ৰীষ্টৰ জন্মৰ ছয় শতিকা আগতেই ভাৰতৰ জৈন চিন্তাবিদসকলে হেনো পৰিমেয় সংখ্যা (rational numbers) অন্তহীন যুটিৰ ধাৰণাটো ভাবি উলিয়াইছিল। আকৌ আমাৰ পূৰ্বপুৰুষসকলে জ্যামিতি , ট্ৰিগনমিট্ৰি আৰু কলন গণিত (calculus)আৱিষ্কাৰ কৰাৰ গৌৰৱত গৌৰৱান্বিত হ'ব পাৰে। খ্ৰীষ্টজন্মৰ প্ৰথম শতিকাৰ যি ' বক্ষালি পাণ্ডুলিপি' (Bakhshali Manuscript)৭০ খন বাকলিতে হেনো ভগ্নাংশ , সংলগ্ন সৰল অংক, দ্বিঘাত সমীকৰণ (quadratic equations), জ্যামিতিক অগ্ৰগতি (progressions) আৰু এনেকি সুদৰে সৈতে লাভ-লোকচানৰ হিচাপো লেখা আছে।

ভাৰতীয় গণিতজ্ঞসকলে ঋণাত্মক সংখ্যাও আৱিষ্কাৰ কৰিছিল। এই কথাটো অৰ্থাৎ নিগেটিভ নাম্বাৰৰ আৱিষ্কাৰৰ বাবে বৰ অসন্তোষ মনেৰে ভাৰতীয়ক কৃতিত্ব দি বিখ্যাত ব্ৰিটিছ গণিতজ্ঞ লেন্সলট হগবেনে (Lancelot Hogben) তথাপিও লগতে এনেকৈ নকৈয়ো পৰা নাই-' Perhaps because the Hindus were in debt more often than not, it occured to them that it would also be useful to have a number which represent the amount of money one owes.' প্ৰশংসাৰ ভাষাটো চাওক, ভাৰতবাসীসকল সততে ঋণগ্ৰস্ত হৈ থকা বাবেহে বোলে এই ঋণাত্মক সংখ্যাটো আৱিষ্কাৰ কৰিবলৈ বাধ্য হৈছিল। ই যেন একপ্ৰকাৰ গোপালভাড়ৰ সাধুৰ সেই বাজী ধৰি হাৰি যোৱা ধুৰন্ধৰ মানুহজনৰ মানসিকতাৰ দৰেই থকা বাজীত সন্মত হোৱা সি বেচেৰাই গোটেই শীতৰ ৰাতিৰ ঠাণ্ডাত পুখুৰীত ডিঙিলৈ ডুবি থাকিব পাৰিছিল, অথচ দূৰণিৰ কঁৰবাত একুৰা জুই দেখাৰ বাবেহে তেনেকে থাকিব

পাৰিছে বুলি মানুহটোৰ সাফল্যক নাকচ কৰিব খোজাৰ দৰে কথা ! অৱশ্যে হুগবেনৰ এই বক্তব্যই লগতে এই কথাও বুজাইছে যে ভাৰতৰ শূন্যৰ বাহিৰে আন একোৱে নাছিল সেই বাবেহে ভাৰতীয়ই সকলোতকৈ আগতে শূন্যৰ পৰা যোগ-বিয়োগ , পূৰণ-হৰণ কৰিবলৈ শিকিছিল। আঠশ আৰু পাঁচশ খ্ৰীষ্টপূৰ্ব শতিকাত ৰচিত সুল্ব সূত্ৰত ('Sulba Sutra) পাইথাগোৰাছৰ থিয়'ৰি বুজোৱা আছে। অথচ এই থিয়'ৰি পাইথাগোৰাছে উলিওৱা বুলি প্ৰচলিত থকা গ্ৰীক গণিতজ্ঞজনৰ জন্ম হৈছিল তাৰো অৰ্থাৎ সুল্ব সূত্ৰ ৰচিত হোৱাৰ কেবাশ বছৰৰ পিচতহে! এনেকি সেই সময়ত ভাৰতীয়সকলে ২ সংখ্যাটোৰ পাঁচটা ভগ্নাংশলৈ হিচাপ কৰি উলিয়াব জানিছিল (বৈদিক যুগৰ ভাৰতীয়সকলে বোলে নিখুঁত হিচাপেৰে বলি দিয়া বেদী সাজি উলিয়াবলৈ শুদ্ধভাবে বৰ্গমূলৰ (স্কোৱাৰ ৰুট) হিচাপ কৰাত পাৰ্গত আছিল)। কেৰালাৰ গণিতজ্ঞ নীলকান্থই বোলে 'pi'(এটা গাণিতিক সংকেত চিন) শব্দটোৰ অযৌক্তিকতাক লৈ অতি লেখত ল'বলগীয়া কথাবোৰ কৈছিল- কিন্তু সেই সময়ত পশ্চিমৰ সেই বিষয়ে কোনো ধাৰণাই নাছিল। খ্ৰীষ্টপূৰ্ব ৫০০ মান বছৰৰ সময়তে বোলে আমাৰ বেদাংগ জ্যোতিষসকলে এনে কথা লেখি থৈ গৈছে- 'ময়ূৰৰ মূৰৰ পাখি মুকুটৰ দৰে, সাপৰ মূৰৰ মণিৰ দৰেই সকলো জ্ঞানৰ ওপৰত গণিত বিৰাজ কৰে'। এইখিনিতে শশী থাৰুৰে যথাৰ্থভাবেই মন্তব্য কৰিছে যে এনে সুন্দৰ বৰ্ণনাকাৰী আমাৰ জ্যোতিষশাস্ত্ৰৰ পণ্ডিতসকল কবিও আছিল।

আমি যদি হৰপ্পান সভ্যতাৰ কথা ভাবো, তেতিয়া আমি আৰু বেছি বিস্মিত হৈ পৰিম। সেই সময়টো আছিল যীশুখ্ৰীষ্টৰ জন্মৰ তিনি হেজাৰ বছৰৰো আগৰ সময়। সেই সভ্যতাৰ সময়ৰ মানুহে অতি উন্নতমানৰ জোখ-মাখ পদ্ধতিৰে হিচাপ কৰাৰ প্ৰমাণ পোৱা গৈছে। প্ৰত্নতত্ত্ববিদসকলে এনেকুৱা ৰুলাৰ বা স্কেল আৱিষ্কাৰ কৰিছে য'ত একেবাৰে সঠিকভাবে ৬.৭মিলিমিটাৰৰ আঁতৰে আঁতৰে দাগ দিয়া আছে। 'সিন্ধু ইঞ্চি' নামে খ্যাত সেই জোখৰ প্ৰচলন বোলে গোটেই অঞ্চলটোত আছিল। হৰপ্পানসকলে ইটাৰ ভাটা সাজি ইটাও তৈয়াৰ কৰি লৈছিল আৰু তেওঁলোকৰ তৈয়াৰী ইটা সেই সময়ৰ বিশ্বৰ অন্যান্য সভ্যতাৰ মানুহে মাটিৰে তৈয়াৰ কৰা ইটাতকৈ এই বিষয়তে উৎকৃষ্ট আছিল যে হৰপ্পান ইটাবোৰত সহজে বৰষুণ বা বানপানীৰ পানী সোমাব নোৱাৰিছিল। সেই সময়ৰ সেই ইটাত খেৰকুটা একো নাছিল অৰ্থাৎ অতি মজবুত আছিল। সেই কথাৰ প্ৰমাণ হিচাপে লেখকে এটা ঘটনাৰ বৰ্ণনা কৰিছে। প্ৰায় পাঁচ হেজাৰৰ পিচত এজন ব্ৰিটিছ ঠিকাদাৰে মুলতান আৰু লাহোৰৰ মাজত এটা ৰে'ললাইন বহুৱাবলৈ যাওঁতে সেই ইটা খান্দি উলিয়াইছিল। হৰপ্পান যুগৰ সেই ইটাবোৰ বোলে কোনো হেৰফেৰ নোহোৱাকৈ প্ৰত্যেকটোৰে দৈৰ্ঘ্য, প্ৰস্থ আৰু ঘনত্বৰ অনুপাত আছিল ৪:২:১।

এনে নানা কথা লেখি ডিক্ টেৰেছিয়ে মন্তব্য দিছেঃ 'Indian mathemati-

cal inventions have a profound influence on neighbouring cultures.' প্ৰতিবেশী তথা বিশ্বৰ নানা দেশত ভাৰতীয় বৈজ্ঞানিকৰ এই অসীম প্ৰভাৱৰ বিষয়ে উনুকিয়াই টেৰেছিয়ে কৈছে যে সকলোতকৈ প্ৰভাৱ পৰিছিল ইছলামিক সভ্যতা-সংস্কৃতিৰ ওপৰত। ইছলামে ভাৰতৰ পৰা সংখ্যাতত্ত্ব, ত্ৰিগনমিতি আৰু ' এনালেম্মা'। (একধৰণৰ জোখ) (analemma)শিকিছে। ভাৰতীয় সংখ্যা আৰব জগতত বোধহয় ৭৭৩ চনমানত প্ৰবেশ কৰিছিল। এই প্ৰৱেশ ঘটিছিল সিন্ধু প্ৰদেশৰ শাসকে খলিফা আল-মনছুৰৰ ৰাজসভালৈ কূটনৈতিক দূত পঠোৱাৰ যোগেদি । এই মিছনৰ ফলতে আৰব দেশত বিখ্যাত অংকৰ গ্ৰন্থৰাজি- আল-খোৱাৰিজমি (Al Khwarizmi) ৰচনা কৰা সম্ভৱ হৈছিল। ইয়াত ভাৰতীয় অংকশাস্ত্ৰৰ বিশদ ব্যাখ্যা, টিপ্পনী আদি অন্তৰ্ভুক্ত হৈ আছে, বিশেষকৈ শূন্যৰ বিষয়ে বিস্তৃত আলোচনা আছে। ইছলামিক সভ্যতাই উত্থান আৰু বিস্তৃতি লাভ কৰাৰ লগে লগে ভাৰতীয় গণিতৰ কথা মধ্য এছিয়া, উত্তৰ আফ্ৰিকা আৰু স্পেইনলৈকে বিয়পি পৰিছিল। ভাবৰ আদান-প্ৰদানৰ মাধ্যম আৰু অনুঘটক হিচাপে ভাৰতবৰ্ষই যে এক প্ৰধান ভূমিকা পালন কৰিছিল সেই কথা ডিক্ টেৰেছিয়ে মুক্তকণ্ঠে স্বীকাৰ কৰিছে।

এশ বছৰীয়া হাঁহিৰ থুনুপাক

আজিকালি হাঁহিবলৈ পাহৰি যোবাৰ দৰেই হ'লো । হয়তো নানা সমস্যা বিধ্বস্ত অসমৰ মানুহ বুলিয়েই, হয়তো বয়স হোৱা বুলিয়েই। কিন্তু হাঁহি যে জীৱনৰ এক অতি সুন্দৰ, অনুপম দান তাক আমিতো অস্বীকাৰ কৰিব নোৱাৰোঁ। সি বহুত সময়ত জীৱনৰ সঞ্জীৱনী সুধাৰ দৰেই কাম কৰে। ৰিডাৰ্ছ ডাইজেষ্টতো যি হাঁহিৰ থুনুপাক বছৰ বছৰ জুৰি প্ৰকাশ হৈ আহিছে তাক তেওঁলোকেতো এই নামকৰণেই কৰিছে- Laughter, the Best Medicine. আক্ষৰিক অৰ্থতো হাঁহি একপ্ৰকাৰ মহৌষধ। ক'ৰবাত এই কথা পঢ়া মনত পৰে যে বেমাৰী মানুহক হঁহুৱাইও বহুতো ৰোগ নিৰাময় কৰিব পাৰি। এনে এটা সঁচা কাহিনীও পঢ়া মনত পৰে যে এবাৰ এজন মানুহ এজন ৰোগীৰ ওচৰলৈ সদায় সদায় গৈ কাষতে বহি লৈ কেৱল হাঁহি থাকিছিল। প্ৰথমতে ৰোগীজন বৰ বিৰক্ত হৈছিল, ভাবিছিল - ই পগলা নেকি? কিন্তু দিনৰ পিছত দিন হাঁহি শুনি থাকি তেওঁৰো মুখত প্ৰথমে প্ৰথমে হাঁহি ফুটি উঠা হ'ল, শেষত তেৰোঁ একেদৰে জোৰে জোৰে হাঁহিবলৈ ধৰিলে- হাঁহিও এক সংক্ৰামক ব্যাধি, আনক হঁহা দেখিলে মানুহৰ মুখত হাঁহি ফুটি উঠে, কিন্তু আনক কন্দা দেখিলে আমাৰতো কান্দোন নোলায়। যি হওক, মই পঢ়া উপৰোক্ত কাহিনীৰ ৰোগীজন বোলে তেনেকৈ হাঁহি হাঁহিয়েই সম্পূৰ্ণ ৰোগমুক্ত হ'ল।

জীৱনত হাঁহিৰ বৰ প্ৰয়োজন, ক'ৰবাত এই বুলি লেখা পঢ়িছিলো যে সংসাৰ মৰুভূমিত গান সৰোবৰ, একেদৰেই বোধহয় এই কথাষাৰো কব পাৰো যে কান্দোনৰ পুখুৰীত হাঁহি হ'ল এক তৰণী। হাঁহিৰ প্ৰয়োজনত মানুহে হাঁহিৰ নানা ধৰণৰ ৰচনা লেখে, গল্প-পদ্য লেখে, জ'কছ উদ্ভাৱন কৰে, নানা ৰসালাপ কৰে, নাটক-চিনেমা নিৰ্মাণ কৰে।

আজি এই হাঁহিৰ চিনেমাৰ লগত জড়িত থকা মানুহ এজনৰ কথা ক'বলৈকে এইখিনি কথাৰ পাতনি মেলিলোঁ। মানুহজনৰ নাম বব হপ, তেওঁক আমি আমেৰিকান অভিনেতা বুলিয়েই জানো যদিও তেওঁ এজন ইংৰাজহে। যোৱা ২৯ মে'ৰ দিনা তেওঁৰ শতবৰ্ষ পূৰ্ণ হ'ল (শতায়ুস হোৱা বুলি আমাক বহুতো আৰ্শীবাদ দিয়াৰ ৰেওয়াজ আছে, কিন্তু সাধাৰণতেই সেই আৰ্শীৰ্বাদ নফলে- পিছে বব হ'পক যদি কোনোবা শুভাকাংক্ষীয়ে

আন্তৰিক-ভাৱে সেই 'হ'প্' কৰি আশীৰ্বাদ দিছিল তাক হ'লে বৰ আচৰিতভাৱে ফলিয়ালে !), সেই শতবাৰ্ষিকী উৎসৱ উপলক্ষে কাকতে-পত্ৰে নানা লেখা ওলাইছে, ময়ো পলমকৈ হ'লেও তেওঁৰ বিষয়ে অলপ লেখিব ওলালোঁ। অৱশ্যে বব্ হ'পৰ বিষয়ে লেখিবলৈ প্ৰেৰণা পোৱাৰ এটা কাৰণ আছে, দৰাচলতে সেই বাবেই মই এই প্ৰবাদপ্ৰতীম কমেডিয়ানজনৰ কথা লেখিবলৈ ওলালোঁ। হাঁহিৰ চিনেমা বহুত চাইছোঁ - ইংৰাজী, হিন্দী, অসমীয়া- বহুতো চিনেমাৰ কমেডিৰ দৃশ্য বা অভিনেতাৰ (কমেডিয়ানৰ) অভিনয়ে খুব হঁহুৱাইছে অৱশ্যে লগতে এই কথাও ক'ব লাগিব যে বেছিভাগেই সিমান হঁহুৱাব পৰা নাই। তথাপি চাৰ্লি চেপলিন , লৰেল হাৰ্ডি, মেহমুদ, আছৰাণি, পইন্টাল, জগদীপ, কেষ্ট মুখাৰ্জী, জনী ৱাকাৰ আৰু এতিয়া জনী লিভাৰেও খুবেই যে হঁহুৱাইছে তাক অস্বীকাৰ ক ৰিব নোৱাৰো, কিন্তু এবাৰ এখন চিনেমাত বব হ'পে যেনেকৈ হঁহুৱাইছিল তাক কেতিয়াও পাহৰিব নোৱাৰিম। আগতে বা পিছতো কোনো চিনেমা চাই সিমান হঁহা নাছিলোঁ। সেইবাবেই ময়ো এই অসাধাৰণ অভিনেতাজনক জন্ম-শতবাৰ্ষিকীত স্মৰণ কৰি মোৰ শ্ৰদ্ধা জনাব খুজিছোঁ।

মোক হঁহুৱা দৃশ্যটোৰ কথালৈ অহাৰ আগতে বব হ'পৰ বিষয়ে অলপ কথা কৈ লোৱা যাওক। তেওঁৰ ইংলণ্ডত জন্ম হৈছিল- মাক আছিল ওৱেলছ, দেউতাক ইংৰাজ। তেওঁক জন্মৰ পিছত লেছলী টাউন ছেণ্ড হ'প নামেৰে 'বেপটাইজ' কৰা হৈছিল। সেই পৰিয়ালটো বব সৰু থাকোতেই ইংলণ্ডৰ পৰা আমেৰিকালৈ গুচি গৈছিল যিটো কথাক লৈ বব হ'পে তেওঁৰ স্বভাৱজাত ৰসিকতাৰে কৈছিল- 'মই যে কেতিয়াও ইংলণ্ডৰ ৰজা হ'ব নোৱাৰিম সেই কথা জানিয়েই ইংলণ্ড এৰি গুচি গৈছিলোঁ'। ধেমালিতে ক'লেও এইখিনিতে কৈ লোৱা ভাল হ'ব যে ইংলণ্ডে কিন্তু এই মহান অভিনেতাজনক ৰজাৰ পিছৰ আটাইতকৈ ডাঙৰ সন্মান 'নাইটহুডেৰে' অভিষিক্ত কৰিছিল যি সন্মান পাই তেওঁ অভিভূত হৈও পুনৰ এক ধৰণৰ ৰসিকতাৰ কৰিয়ে কৈছিল- "সত্তৰ বছৰ ধৰি ' মুখেন মাৰিতং জগৎ ' কৰি থকাৰ পিছত আজি মোৰ মুখৰ মাত হৰি গৈছে!"

জীৱনত বব্ হ'পে যে ক'ত কি কৰি পোৱা নাই চোদা বিক্ৰেতা, বাতৰি কাকতৰ হকাৰ, ছুইমিং পুল চাফ কৰোঁতা আদি নানা ধৰণৰ কাম কৰিয়ে গ্ৰাসাচ্ছদন কৰি গৈছিল। তেওঁ শেষত নাচ-গানো শিকিছিল আৰু তেতিয়াৰ নানা বিখ্যাত হলিউডৰ অভিনেত্ৰীৰ লগত সেই নাচ প্ৰদৰ্শনৰো সুবিধা পাইছিল- সেই বিষয়তো তেওঁ ইমান দক্ষতা আহৰণ কৰিছিল। অৱশেষত তেওঁ আমেৰিকাৰ এন বি চিৰ (National Broadcasting Corporation) সু-নজৰত পৰি গৈছিল আৰু ১৯৩৮ চনৰ পৰা ৬০বছৰ জুৰি ৰেডিঅ' আৰু টি. ভিত নানা শ্ব'ৰ প্ৰদৰ্শন কৰি আহিছে।

বব হ'প ইংৰাজ হৈয়ো আমেৰিকাৰ পৰা যি সন্মান পাই আহিছে তাৰ বাবে

তেওঁৰ কৃতজ্ঞতাৰ সীমা নাই। ২,০০০অতকৈও বেছি পুৰস্কাৰ আৰু স্মৃতিফলক, বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা ৫৪ টা সন্মানীয় ডিগ্ৰী লাভ কৰি তেওঁ গিণিছ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত স্থান পাবলৈ সক্ষম হৈছে। আমেৰিকাৰ প্ৰতি সেই কৃতজ্ঞতাৰ চিন প্ৰকাশ কৰিছিল এনেধৰণে- দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ আমেৰিকাৰ সৈন্যৰ মনোৰঞ্জনৰ বাবে (এনেকি ভিয়েটনাম যুদ্ধৰ সময়তো সেই সৈন্যৰ মনোৰঞ্জনৰ বাবে) বিভিন্ন ধৰণৰ প্ৰদৰ্শন কৰি ফুৰিছিল। তেনে নানা প্ৰদৰ্শনত তেওঁৰ সংগীত আছিল মেৰিলিন মন্‌ৰো, জে'ন্ মে ছফিল্ড আৰু লানা টাৰ্ণাৰৰ দৰে নামী অভিনেত্ৰী । বব হ'পে এনেকি সৌ সিদিনাৰ ১৯৯০ চনৰ উপসাগৰীয় যুদ্ধৰ সময়তো আমেৰিকান সৈন্যক মনোৰঞ্জন কৰিবলৈ গৈছিল। সেই ফালৰ পৰা তেওঁক প্ৰতিক্ৰিয়াশীল বুলিয়েই ক'ব লাগিব, তেওঁ সঁচায়ে যেন 'King Can do no wrong'ৰ দৰে ভাবিছিল যেন আমেৰিকাই কোনো ভুল কৰিব নোৱাৰে। তেওঁ যে ছোভিয়েট ৰাছিয়াক ভাল চকুৰে নাচাইছিল, সমালোচনা কৰিছিল তাত আচৰিত হ'বলগীয়া নাই। পিছে তেনে সমালোচনাতো তেওঁৰ ৰসবোধৰ পৰিচয় পোৱা যায়। এবাৰ তেওঁ মস্কোলৈ যোৱাৰ পিছত মন্তব্য কৰিছিল এনেদৰে- 'মস্কোৰ হোটেলবোৰ বেয়া নহয়, তাত টেলিভিশ্যনো দিয়া থাকে, পিছে সেইবোৰ আপুনি নেচায় . আপোনাকহে সেইবোৰে চায়' (কোনে জানে - বব হ'পে হয়তো জৰ্জ্জ অৰৱেলৰ '১৯৮৪' চন নামৰ উপন্যাসখনৰ 'টেলিস্ক্ৰীণ'- বোৰৰ ভূমিকাৰ কথা মনত পেলায়ে সেই কথা কৈছিল)।

বব হ'পৰ অভিনয়ৰ ধেমেলীয়া বচন লেখোঁতা মানুহ এজনৰ ৭৫ বছৰ হওঁতে তেওঁ এটা শ্ব'ত সেই মানুহজনক দৰ্শকৰ আগত পৰিচয় কৰি দিছিল এনেদৰে- 'এওঁৰ বয়স ২৫ বছৰ হৈছে, পিছে আজি অত বছৰ ধৰি তেওঁ মোৰ বাবে কপাল, ভুৰু কোঁচাই ধেমেলীয়া বচন লেখি থাকোতে মুখমণ্ডলত এইবোৰ ভাঁজ পৰি গৈছে...।'

লোকে তেওঁৰ চিনেমাৰ কথা-বতৰাবোৰ লেখি দিলেও তেওঁ যে নিজেও এজন ৰসিক ব্যক্তি, তাক আমি নানা কথাৰ দ্বাৰা প্ৰমাণ পালোঁ। তেনে আৰু এটা কথা কোৱা যাওক। বব হ'পে গোটেই জীৱন নানা সন্মান পালেও 'অস্কাৰ' পুৰস্কাৰ হ'লে লাভ কৰা নাছিল। আনহাতে জন্ ওয়েইনে 'High Noon' নামৰ ওয়েষ্টাৰ্ণ চিনেমাখনত অস্কাৰ লাভ কৰিছিল মাত্ৰ কিছুদিন অভিনয়ৰ পিছতেই। 'বঞ্চিত' বব হ'পক সেই কথা উনুকিয়াই কোনোবাই মন্তব্য বিচাৰোঁতে কমেডিয়ানজনে হাঁহি হাঁহি কৈছিল -'জন ওয়েইনে এটা চকুত ক'লা পটি বান্ধিয়েই অস্কাৰ বঁটা লাভ কৰিলে, সেই কথা জনা হ'লে মই দুয়োটা চকুতে ক'লা পটি বান্ধি অভিনয় কৰিলোহেঁতেন - তেতিয়া আৰু মোক কোনোবাই অস্কাৰ নিদিয়াকৈ পাৰিলেহেঁতেননে !'

বব হ'পে অস্কাৰ নেপালেও তেওঁক ম'চন পিক্‌চাৰ একাডেমীয়ে দুটা অনাৰেৰি অস্কাৰ, দুটা বিশেষ পুৰস্কাৰ আৰু এটা মানৱতাৰ বঁটা প্ৰদান কৰিছে। তেওঁ মুঠতে খাঠিখন

চিনেমাত অভিনয় কৰিছে। পঞ্চাশৰ দশকত ভাৰত তথা অসমত বব হ'পৰ চিনেমাবোৰ বহুত চিনেমাপ্ৰেমী লোকেই দেখিছে। সেইবোৰৰ ভিতৰত 'Pale Face', 'Son of Patle Face' আদি বিখ্যাত। আৰু বিখ্যাত 'ৰাস্তা' (Road Series)ধাৰাবাহিকৰ চিনেমাবোৰ যিবোৰত তেওঁ সতীৰ্থ বিং ক্ৰছবীৰ (যি এজন ভাল গায়কো) লগত অভিনয় কৰি মানুহৰ হাঁহিত পেটৰ নাড়ী-ভুৰু উলিয়াবৰ উপক্ৰম কৰিছিল। বব হ'পৰ মুখৰ অভিব্যক্তিবোৰৰ বাহিৰেও তেওঁৰ কেৱল মুখখন দেখিলেও মানুহৰ হাঁহি উঠি যায়। মই কোনখন চিনেমা চাই উকটি উকটি হাঁহিছিলো মনত নাই। কিন্তু কাহিনীৰ কথা ভাবিলে এই ৰ'ড চিৰিজৰে কোনোবা এখন চিনেমা হ'ব যেন লাগে। সেই পঞ্চাশৰ দশকৰ আগভাগতে হ'ব , তেতিয়া মই কটন কলেজত নাম লিখাইছোঁ , পিতাৰ বদলি সূত্ৰে আমি যেতিয়া ডিব্ৰুগড়ত। কোনোবা এটা বন্ধত হোষ্টেলৰ পৰা ঘৰলৈ যোৱাত ডিব্ৰুগড়ৰ অৰোৰা নামৰ চিনেমা হলত সেইখন চোৱা মনত পৰে। ব'ব হ'প আৰু বিং ক্ৰছবী দুজন অপৰাধী। জাহাজ এখনত পলাই ফুৰিছে, পুলিচে তাতেই বিচাৰি আছে। এবাৰ দুয়ো গৈ জাহাজৰ হাস্পতালত ৰোগী এজনক ডাক্তৰে অপাৰেশ্যন কৰিব ওলোৱা অৱস্থাতে কিবাকৈ সোমালগৈ। যতদুৰ মনত পৰে দুয়ো ডাক্তৰক বোধহয় বাথৰুমত নে কʼৰবাত বন্দী কৰি থৈ তেওঁৰ পোছাক পিন্ধি বা তাত থকা পোছাকো পিন্ধি (এইবোৰ পুংখানুপুংখ কথা মোৰ ভালকৈ মনত নাই- ভুল হ'ব পাৰে বহুত) ৰোগীজনৰ দুয়ো মূৰে যন্ত্ৰপাতি লৈ থিয় হৈ ল'লে। ৰোগীক বোধহয় অজ্ঞান কৰি থোৱা হৈছিল- আৰু ৰোগীৰ চুলি খুৰোৱা, নোম খুৰোৱা আদি ক্ষৌৰ কাৰ্যৰ বাবে ডাক্তৰী ব্লেড সাজু কৰি ৰখা হৈছিল! পুলিচে মাজে মাজে ভুমুকি মাৰি চাই যায়- ডাক্তৰ আৰু সহকাৰীয়ে ৰোগীৰ লগত ব্যস্ত হৈ থকা দেখি গুচি যায়, কিন্তু কিবা সন্দেহত পুনৰ ভুমুকি মাৰে। ইতিমধ্যে এই পলাতক দুজনে যি কাণ্ড কৰি আছিল- সিয়েই আমি দৰ্শক সকলক গিৰ্জনি মাৰি হঁহুৱাইছিল। এজনে যদি অভিনিবেশ সহকাৰে ৰোগীৰ মূৰৰ চুলি খুৰাই থাকে আনজনে ভৰিৰ নোমবোৰ খুৰায়। এবাৰ বা ভুৰুৰে খুৰাই পেলায়, এবাৰ আকৌ গোফকোছা। ভৰিৰ নোমবোৰ আনি মূৰত লগায়, মূৰৰবোৰ ভৰিত, ক'ৰবাত নোম আনি গোফ নতুনকৈ লগায়, ভুৰু লগায়। এইদৰে পুলিচ সোমোৱাৰ লগে লগে দুই অভিনেতাই বেচেৰা অচেতন শৰীৰটোত নোমেৰে চুলি, ভুৰু, গোফ, ভৰি যেনেকৈ বিচিত্ৰ ৰূপত সজাই থাকে তাক দেখি থকা কোনো মানুহেই বোধহয় অট্টহাস্য নকৰি নোৱাৰে। নিজে সেই দৃশ্য নেদেখিলে কেৱল পঢ়িলেই নিশ্চয় আমাৰ সিদিনাৰ দৰে কোনো হাঁহিত ৰ'ব নোৱৰাৰ হৈ নাযায়। দেখা আৰু শুনা বা পঢ়াৰ ভিতৰত পাৰ্থক্য আছেতো।

আজি প্ৰায় অৰ্দ্ধ-শতিকা আগতেই দেখা সেই পাহৰিব নোৱাৰা হাঁহিৰ দৃশ্যটোৰ স্মৰণেৰে মই এই এশ বছৰীয়া কমেডিয়ানজনলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ।

যি গ্ৰন্থ প্ৰকাশ নহ'ল

(নিৰোদ চৌধুৰীৰ স্মৃতিত উৎসৰ্গীত)

কেইমাহমান আগৰ কথা। সিদিনা লেখক-সাংবাদিক ৰিপুঞ্জয় গগৈ আমাৰ ঘৰলৈ আহিছিল আৰু মোক কৈছিল যে তেওঁ নিৰোদ চৌধুৰীৰ গুৱাহাটী মেডিকেল কলেজ হাস্পতালত খবৰ লৈ আমাৰ ঘৰলৈ আহিছে।

'চৌধুৰী এতিয়াও হাস্পতালতে আছে নেকি? তেওঁক এতিয়াও ৰিলিজ দিয়া নাই নেকি? মই আচৰিত হৈ কৈছিলোঁ-'তেওঁক দেখোন কেতিয়াবাই চিকিৎসাৰ বাবে ভৰ্তি কৰোৱা হৈছিল।'

'নাই, কেবামাহো ধৰি তেওঁ হাস্পতালতে পৰি আছে। গেংৰিন্ হোৱা বাবে তেওঁৰ ভৰিৰ আঙুলিও কাটি পেলাবলগীয়া হৈছে'।

মোৰ বুকুত খুন্দা এটা লগা যেন হ'ল। খুব দুখ লাগিল, কিন্তু তাৰ পিছতে ৰিপুঞ্জয়ে মোক যি কথা ক'লে সি দুখৰ লগতে প্ৰশংসাৰ উদ্ৰেক কৰিলে। ৰিপুঞ্জয়ে মুগ্ধতাৰে কৈছিল- 'বাইদেউ মোৰ মানুহজনৰ লগত কথা পাতি খুব আচৰিত লাগিল- ইমান দিন হাস্পতালৰ বিছনাত শায়িত অৱস্থাত পৰি আছে, তথাপি তেওঁৰ মনত কোনো তিক্ততা নাই, কাৰো বিৰুদ্ধে কোনো কমপ্লেইন নাই, শলাগ লব'লগীয়া মানুহৰ কথা ওলালেও তেওঁ সস্মিত মুখেৰে শলাগেই লয়। ইমান কষ্ট, ইমান যন্ত্ৰণা , ইমান ব'ৰডমৰ মাজত ইমান দীৰ্ঘ সময় থাকিও যে মানুহজনৰ জীৱনৰ বিৰুদ্ধে, বেমাৰৰ বিৰুদ্ধে কোনো কমপ্লেইন নাই- সঁচায়ে বৰ আচৰিত মানিলোঁ বাইদেউ!...'

সিদিনা ৰিপুঞ্জয়ৰ মুখত সেই কথা শুনি মনে মনে ঠিক কৰি থৈছিলোঁ যে নিৰোদ চৌধুৰীৰ বিষয়ে কিবা অলপ লিখিম। কি লিখিম সেই কথাখিনিও জুকিয়াই থৈছিলোঁ, এনেকি তেতিয়াও এই একে শিৰোনামাকেই দিম বুলিও মনতে পাঙি থৈছিলোঁ। কেৱল এই কথা ভবা নাছিলোঁ যে তেওঁৰ অৱস্থা মৃত্যুমুখী আৰু তেওঁৰ মৃত্যুৰ পিছতহে মই সেই লেখা লিখি প্ৰকাশ কৰিম। প্ৰসংগক্ৰমে মোৰ মনত পৰি গ'ল সুৰেন্দ্ৰ মোহন দাস অনুদিত মোৰ প্ৰিয় গ্ৰন্থ টলষ্টয়ৰ সাধুৰ 'মানুহ' কিহেৰে জীয়াই থাকে' নামৰ গল্পটোলৈ -য'ত জীয়া

মানুহজনৰ বাবে তৈয়াৰ কৰা জোতাযোৰ সেই একেজন মানুহৰে অভাৱনীয় ভাবে মৃত্যু হোৱাত কফিনত সুমুৱা মৃতদেহটোকে পিন্ধাই দিব লগা হ'ল। মোৰো যেন তেনেকৈ জীৱিত নিৰোদ চৌধুৰীৰ বাবে লিখাৰ আঁচনি কৰি থোৱা লেখাটো মৃত নিৰোদ চৌধুৰীৰ প্ৰতিহে শ্ৰদ্ধাঞ্জলি জনাই আগবঢ়াব লগা হ'ল।

নিৰোদ চৌধুৰীৰ মৃত্যু হোৱাৰ আগতেই যেন অসমৰ পাঠকৰ বাবে তেওঁ বিস্মৃতিৰ গৰ্ভত ডুবি গৈছিল। এনেকুৱা ঘটনাই আমাক নৈৰাশ্যত ডুবায়, 'চিনিক্' কৰি তোলে। মনত ভাব হয় আমি সাহিত্যিক সকল জীয়াই থাকোঁতেই যদি এনেকৈ বিস্মৃত হৈ যাওঁ, মৰণৰ পিছত যে আৰু কি দশা হ'ব! সঁচায়ে, এসময়ৰ ইমান জনপ্ৰিয় লেখক নিৰোদ চৌধুৰী যেন পানীত এটা ঢৌ তুলি পুনৰ পানীক নিস্তৰংগ কৰি চিৰ অদৃশ্য হৈ গ'ল, তেওঁৰ যেন আৰু কোনো চিন নাথাকিল। বাতৰি কাকতত পঢ়িবলৈ পোৱা মতে তেওঁৰ মৃত্যুত তেওঁ শেষ নিঃশ্বাস পেলোৱা ডাক্তৰ পত্নীৰ কোৱাৰ্টাৰটোলৈ মাথোঁ মুষ্টিমেয় মানুহহে খবৰ ল'বলৈ গৈছিল।

নিৰোদ চৌধুৰীৰ বিষয়ে তেওঁ এসময়ত সম্পাদকো হোৱা অসম বাণীতেই লেখা সকলোতকৈ ভাল হ'ব বুলি ভাবিয়েই সাপ্তাহিকখনত থকা মোৰ নিজা শিতানটো বাছি ল'লো। অৱশ্যে চৌধুৰীৰ লগত যে মোৰ খুব ঘনিষ্ঠতা আছিল তেনে নহয় সেই কথাটো প্ৰথমতে কৈ থ'লো। তেওঁৰ লগত যি সম্পৰ্ক- সি ঘাইকৈ ঘৰুৱা। তেওঁৰ পাঁচজনী ভনীয়েকৰ ভিতৰত আটাইতকৈ ডাঙৰজনী আছিল মোৰ নিজৰ ভনীৰ জা। আছিল বুলি এইবাবেই কৈছোঁ যে কনক অৰ্থাৎ চৌধুৰীৰ সেইগৰাকী ভনীয়েকৰ কেইবছৰমান আগতে মৃত্যু হৈছে। কনক, মোৰ ভনী যোৰহাটৰ এটা পৰিয়ালৰ বোৱাৰী যি পৰিয়ালটো এই কিছু বছৰৰ আগলৈকে একান্নবৰ্তী আছিল। গতিকে কনক আৰু মোৰ ভনী একেটা পৰিয়ালৰে সদস্য হৈ থকা বাবে ভনীৰ ঘৰত থাকিবলৈ গ'লে কনকৰ ঘৰতো থকাৰ দৰে হয়। কনক অতি সুগৃহিণী আৰু কামিলা ছোৱালী আছিল, দৰাচলতে আমি যোৰহাটৰ ভনীহঁতৰ ঘৰত আলহী হৈ থকাৰ সময়ত কনকেই আমাক সুস্বাদুভাৱে ৰান্ধি বাঢ়ি খুৱাইছিল।

এবাৰ মোৰ ভনী অনুপমা আৰু কনকৰ সকলোতকৈ সৰু দেওৰেকজনৰ বিয়াৰ সময়ত মই লক্ষ্মীমপুৰৰ পৰা দুই পুত্ৰক লৈ সেই বিয়ালৈ আহিছিলোঁ। একেদৰে নিৰোদ চৌধুৰীও বিয়াখনলৈ গুৱাহাটীৰ পৰা আহিছিল- তেতিয়া তেওঁ বোধহয় 'অসম বাণী'ৰ সহকাৰী সম্পাদক হৈ আছিল।

সি যি কি নহওক, চৌধুৰী আছিল ভাল শিল্পীও। তেওঁ সুন্দৰকৈ আঁকাতেই নহয় অন্যান্য শিল্পৰ কামতো পাৰ্গত আছিল। বিয়াখনৰ মৰলটো তেঁৱে সাজিছিল, নানা ৰঙৰ সমাহাৰেৰে সুন্দৰকৈ ভেঁটি কৰাই দিছিল। পিছে দুখৰ কথা যে সেই বিয়ালৈ যোৱা মোৰ বাইদেউৰ সৰু ল'ৰাটোৱে মৰলটোৰ ওপৰত অতৰ্কিতে উঠি ভাঙি পেলাইছিল। চৌধুৰীয়ে

ইমান যত্নেৰে সুন্দৰ ন'া কৰি সজা মৰলটোৰ ভেটি তেনেকৈ ধ্বংসপ্ৰাপ্ত হৈছিল আৰু ফলত পুনৰ কষ্ট কৰি সাজিব লগা হৈছিল।

সেই মৰল সজাৰ সময়ত আমি ওচৰত বহি চাই থাকিছিলোঁ, ক'বই লাগিব যে মুগ্ধ নয়নেৰেই চাই আছিলোঁ। মই যিবোৰ কাম নিজে নোৱাৰো সেইবোৰ আনে কৰা দেখিলে মই বৰ বিস্ময়বোধ কৰোঁ, প্ৰশংসাত মন ভৰি যায়।

নিৰোদ চৌধুৰীয়ে বিভিন্ন ৰঙৰ ফাঁকুগুৰি, পিঠাগুৰি ৈল মৰল সাজি আছিল আৰু আমি বিভিন্ন কথা-বতাৰা পাতি আছিলোঁ। কিছুদিন আগতে বোধহয় তেওঁ সম্পাদনা কৰি উলিওৱা 'অসমীয়া প্ৰেমৰ গল্প'খন প্ৰকাশ হৈ ওলাইছিল। ১৯৬৪ চনত প্ৰকাশ পোৱা পুৰ্ণেন্দু পত্ৰী, প্ৰবোধ সেনগুপ্ত আৰু বেণু মিশ্ৰই কৰা ৩৩৬ পৃষ্ঠাৰ অপূৰ্ব অঙ্গসজ্জাৰে তেনে এখন দেখনিয়াৰ অথচ প্ৰেমৰ দৰে বিষয় এটা হ'লেও একাধাৰে সুন্দৰ আৰু গধুৰ কিতাপ এখন অসমত মোৰ বোধেৰে আজিলৈকে প্ৰকাশ হোৱা নাই। কিতাপখন হাতত ল'লেই মনটো যেন পুনৰ যৌৱনৰ ৰসেৰে সঞ্চিত হৈ যায়- তেতিয়াৰ তাত প্ৰেমৰ গল্প লেখা প্ৰায় প্ৰতিজন লেখকৰো ভৰ যৌৱন আছিল, সেয়ে নিৰোদ চৌধুৰীয়ে ফৰমাইছ দি লেখোৱা গল্পবোৰ প্ৰায়বোৰতে যেন স্বতঃস্ফূৰ্ত আবেগৰ প্ৰকাশ ঘটিছিল। ৩৩৬ পৃষ্ঠাৰ এই ডিমাই ছাইজৰ বৃহৎ আকাৰৰ গ্ৰন্থখনৰ তেতিয়াৰ সেই ডেকা লেখকসকল হ'ল- চৈয়দ আব্দুল মালিক, সৌৰভকুমাৰ চলিহা, স্নেহ দেৱী, অতুলানন্দ গোস্বামী, ভবেন্দ্ৰনাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, ৰোহিনী কুমাৰ কাকতি, মেদিনী চৌধুৰী, মামণি গোস্বামী (তেতিয়া ৰযছম হোৱা নাছিল), হোমেন বৰগোহাঞি, ছাঈদুল ইচলাম, নীলিমা শৰ্মা, ইমৰাণ শ্বাহ আৰু এই লেখিকা (পিছত মোৰ 'মধ্যবৰ্তিনী' নামৰ গল্পটোৰ আধাৰত ডাঃ সান্ত্বনা বৰদলৈয়ে দূৰদৰ্শনৰ বাবে এখন সুন্দৰ টেলিফিল্মো কৰিছিল)। গ্ৰন্থখনৰ পিছৰ বেটুপাতটোত সুন্দৰ অংকনৰ মাজত লিখি দিয়া কিছুমান কথা হ'ল এনে ধৰণৰ-'প্ৰেমত ঘূৰিছে ভূমণ্ডল, প্ৰেমত ফুলিছে শতদল। বৰণীয় লেখক-লেখিকাৰ স্নিগ্ধ মধুৰ প্ৰেমৰ গল্প... অসমীয়া গল্প সাহিত্যৰ বুৰঞ্জীত সম্পূৰ্ণ নতুন প্ৰচেষ্টা...'

কোৱা বাহুল্য এনে এখন অভিনৱ, শিল্প গুণেৰে সমৃদ্ধ, সুশোভিত অঙ্গসজ্জাৰ গ্ৰন্থ পাঠকৰ দ্বাৰা অতি সমাদৃত হৈছিল- কিন্তু এই কথাই বুজিব নোৱাৰিলো সেইখনৰ দ্বিতীয় সংস্কৰণ বহুত বছৰলৈ কিয় ওলোৱা নাছিল (প্ৰথম সংস্কৰণ ১৯৬৪চন, দ্বিতীয় সংস্কৰণ ১৯৯১ চন), অথচ কিতাপখনৰ দ্বিতীয় সংস্কৰণৰ পিছত প্ৰায় দুবছৰৰ ভিতৰত তৃতীয় সংস্কৰণো ওলাই গ'ল। তিনিওটা সংস্কৰণেই লয়াৰ্ছ বুক ষ্টলে প্ৰকাশ কৰি উলিয়াইছে। এই কথাটোৱে আমাৰ অসমীয়া লেখকসকলৰ বাবে বোধহয় এই আশাৰ বতৰা কঢ়িয়াই আনিছে যে আগতকৈ এতিয়া অসমীয়া কিতাপৰ পাঠক বাঢ়িছে, কিতাপ বেছিকৈ বিক্ৰী হোৱা হৈছে। অসমীয়া সাহিত্যৰ বাবেও ই এক শুভ লক্ষণ। পিছে এইখিনিতে এটা বেসুৰা

কথাও নকৈ নোৱাৰিলো যে আৰ্থিক আয়ৰ পিনৰ পৰা প্ৰেমৰ গল্পই লেখকসকলক দ্বিতীয় তৃতীয় সংস্কৰণত এপইচাৰেও চহকী কৰিব নোৱাৰিলে। প্ৰথম সংস্কৰণৰ সময়ত চৌধুৰীয়ে সেই ১৯৬৪-৬৫ চনতে এশ টকাকৈ মাননী দিছিল- বাকী দুটা সংস্কৰণত লেখকে কোনো মাননী নাপালে। চৌধুৰীয়ে নিজে কিবা দক্ষিণা পাইছিল নে নাই নাজানো।

সি যি কি নহওক, সিদিনা তেনেকৈ মৰল সাজি সাজি নিৰোদ চৌধুৰীয়ে মোক আধা ধেমালি আধা গহীনভাৱেৰে কৈছিল- 'মিছেছ্ বৰগোহাঁই, এইবাৰৰ মোৰ সম্পাদিত গল্প-সংকলনখনৰ নাম হ'ব ঘৰৰ গল্প তাত আপোনাৰ গল্প থাকিব, বৰগোহাঁঞিৰ গল্প থাকিব, মোৰ গল্প থাকিব..'

সেই 'ঘৰৰ গল্প' কিতাপখন আৰু কোনো দিনেই নোলাল, কিন্তু নিৰোদ চৌধুৰী আমাৰ আৰু বেছি ঘৰৰ মানুহ হৈ পৰিছিল- পুনৰ সেই বৈবাহিক সূত্ৰতেই। তেওঁৰ আন এজনী ভনী তৰুক বিয়া কৰালে ৰঙ্গিয়াত থকা মোৰ জেঠাইৰ জীয়েক এগৰাকীৰ পুতেকে- যি বাইদেউৰ বৰলীয়া নৈৰ দাঁতিতে থকা ঘৰটোত মই শৈশৱৰ বহুতো মধুৰ দিন যাপন কৰিছিলোঁ, বৰলীয়া নৈত বহুতপৰ ঢপলিয়াই থাকিছিলোঁ। কিন্তু সেইবোৰ অন্য প্ৰসংগৰ কথা।

এনেকৈয়ে নিৰোদ চৌধুৰী আমাৰ লগক আকৌ এবাৰ পাৰিবাৰিক সূত্ৰেৰে বান্ধ খাই পুনৰ 'ঘৰৰ' মানুহ হৈ পৰিল। এইখিনিতে এই কথা উল্লেখ কৰা বোধহয় প্ৰাসংগিক হ'ব যে শিল্প সমালোচক, সুলেখক অংকুৰ ডেকা তৰুৰ পুত্ৰ অৰ্থাৎ নিৰোদ চৌধুৰীৰ ভাগিনীয়েক-মোমায়েকৰ শিল্পীৰ তেজ যে অংকুৰৰ ধমনীতো বৈছে সেই কথা ক'বই লাগিব।

এতিয়া আমাতকৈ বয়সত সৰু লেখকজন আমাতকৈও আগতে এই পৃথিৱী এৰি গুচি গ'ল। আজিকালি ঘনিষ্ঠ মানুহবোৰৰ মৃত্যুত মই নিজকে এই বুলিয়ে সান্ত্বনা দিওঁ যে অচিৰেই আমিও তেওঁলোকৰ পথৰে পথিক হ'ম আৰু সঁচায়ে মৃত্যুৰ পিছতো যদি আন কিবা অস্তিত্ব থাকে তেতিয়া হয়তো সেইসকলক গৈ লগ পাম। কিন্তু নিৰোদ চৌধুৰীৰ মৃত্যুত মোৰ মনলৈ নানা ভাব অহাৰ লগতে এই ভাবটোও আহিল যে এদিন চৌধুৰীয়ে কল্পনা কৰাৰ দৰে 'ঘৰৰ গল্প' কিতাপখন আৰু প্ৰকাশ কৰা নহ'ল।

উইনষ্টন চাৰ্চিল

মোৰ সময়ৰ আন বহুত মানুহৰ দৰেই ১৯৪০ চনৰ গ্ৰীষ্মৰ মেঘমুক্ত আকাশৰ সেই ধুনীয়া দিনবোৰ মোৰ এতিয়াও মনত আছে, জীৱনৰ অৱশিষ্ট দিনবোৰতো তাক কেতিয়াও পাহৰিব নোৱাৰো। এদিন ৰাতি মই আৰু মোৰ এজন বন্ধুৱে একেলগে বহি ৰেডিওত চাৰ্চিলৰ বক্তৃতা শুনি আছিলোঁ; উচ্চাৰণ কিবা অদ্ভুত ধৰণৰ, বক্তৃতাৰ ধৰণ আছিল লয়েড জৰ্জৰ দৰেই পুৰণিকলীয়া, কিন্তু সিদিনা ৰাতিয়েই হওক বা অন্যান্য ৰাতিয়েই হওক আমাৰ কাণত সেই বিসঙ্গতিবোৰ বেসুৰা হৈ বজা নাছিল। কাৰণ সেই মাতটো আছিল আমাৰ আশা। সেই মাতটো আছিল মনৰ জোৰ আৰু ইচ্ছা শক্তিৰ জীৱন্ত প্ৰতিমূৰ্তি। সেই মাতটোৱে আমি যি শুনিবলৈ বিচাৰি আছিলোঁ তাকে কৈ আছিল (' আমি কেতিয়াও বশ্যতা স্বীকাৰ নকৰোঁ), আমি যি বিশ্বাস কৰিবলৈ বিচাৰোঁ তাকে কৈ আছিল, হয়তো সি বাস্তৱতা বা সাধাৰণ বুদ্ধিৰ পৰিপন্থী আছিল, কিন্তু সেইবোৰ সঁচা হ'ব বুলি আমি জানিব বিচাৰিছিলোঁ

('যেতিয়ালৈকে সমগ্ৰ মানব জাতিৰ মূৰৰ পৰা হিটলাৰৰ অভিশাপ আঁতৰোৱা নেযায় তেতিয়ালৈকে আমি পৰাজয় নেমানি যুঁজিয়েই থাকিম। আমি নিশ্চিত যে শেষত সকলো ঠিক হৈ যাব'।)

দ্বিতীয় মহাসমৰৰ সেই সংকটপূৰ্ণ সময়ৰ কথা মনত পেলাই চি পি. স্নই লেখিছে যে বাস্তৱ দৃষ্টিভংগীৰে চাবলৈ গ'লে সেই সময়খিনি যুদ্ধত জয়লাভৰ বাবে বৰ অনুকূল নাছিল, তথাপি যেন ইংলণ্ডৰ মানুহবোৰৰ মনবোৰ অদ্ভুত ধৰণে ফৰকাল হৈ আছিল। ইংলণ্ডবাসীয়ে তেতিয়া পগলাৰ দৰে কাম কৰি গৈছিল, সকলোৱে এক অদ্ভুত জাতীয়তাবাদৰ প্ৰেৰণাত, তাৰ জাগৰণত নেৰানেপেৰা ভাবে কমা কৰি গৈছিল আৰু

তাৰ কেন্দ্ৰবিন্দু আছিল চাৰ্চিল, প্ৰতীক আছিল চাৰ্চিল, আহ্বায়ক আছিল চাৰ্চিল। চাৰ্চিলেই আছিল যুদ্ধৰ সময়ৰ ইংলণ্ডবাসীৰ সকলো আশা- ভৰসাৰ উৎস।

অথচ কি আচৰিত, চি. পি স্নই তাৰ পিছতেই লিখিছে যে সেইহেন চাৰ্চিলেও প্ৰধানমন্ত্ৰীত্বৰ বাবটো পাইছিল নিজৰ দলৰ বিৰোধিতাৰ মাজেদিহে। স্নই ভাবে যে ভৱিষ্যৎ কালৰ ইংলণ্ডবাসীয়ে ইতিহাস হৈ যোৱা এই ঘটনাটোত অতি বিভ্ৰান্ত হৈ পৰিব। তেতিয়া আছিল ১৯৪০ চনৰ দ্বিতীয় মহাসমৰৰ তয়ামযা যুদ্ধৰ সময়। হিটলাৰৰ নাজী বাহিনী বিজয়দৰ্পেৰে আগুৱাই আহি ফ্ৰান্স সোমাইছিলহি, ইংলণ্ডৰ প্ৰধানমন্ত্ৰী চেম্বাৰলেইনে গাদী ত্যাগ কৰিব লগীয়া হৈছিল আৰু তেতিয়াৰ ইংলণ্ডৰ ৰজা ষষ্ঠ জৰ্জে লৰ্ড হেলিফে'ক মন্ত্ৰীসভা গঠন কৰাৰ বাবে আহ্বান কৰিবলৈ অতি ইচ্ছুক হ'লেও সেই ইচ্ছা দমন কৰি অগত্যা চাৰ্চিলকে আহ্বান কৰিব লগীয়া হৈছিল মাত্ৰ এটা বাধাৰ কাৰণেই- সেইটো হ'ল এয়ে যে লৰ্ড হেলিফে' হাউছ অৱ্ লৰ্ডছৰ প্ৰতিনিধি আছিল। চাৰ্চিলে প্ৰধানমন্ত্ৰী হৈ প্ৰথমতে যিটো বক্তৃতা দিছিল তাত আটাইতকৈ বেছি হাত চাপৰি মাৰিছিল তেওঁৰ বিৰোধী দলৰ সদস্য সকলেহে - নিজৰ দলৰ লোকসকলৰ পৰা তেওঁ অতি ক্ষীণ সমৰ্থনসূচক ধ্বনিহে শুনিছিল।

কিন্তু যুদ্ধৰ এবছৰ কাল প্ৰধানমন্ত্ৰী হৈ থাকি চাৰ্চিলে দেশক যেনেকৈ পৰিচালনা কৰিছিল, যেনেকৈ নেতৃত্ব দিছিল আন কোনো প্ৰধান মন্ত্ৰীয়ে তেনে কৃতিত্বৰ দাবী কৰিব নোৱাৰে। অৱশেষত হিটলাৰৰ পৰাজয় হৈছিল, তেওঁ যুদ্ধকালীন প্ৰধান মন্ত্ৰীত্বৰ কৰ্মকাল সফলতাৰে সমাপ্ত কৰিছিল।

তাৰ পিছত কিন্তু পুনৰ আৰু এটা আচৰিত ঘটনা ঘটিল, নিৰ্বাচন সংঘটিত হ'ল আৰু অবিশ্বাস্য যেন লাগিলেও এই কথা সঁচা যে চাৰ্চিল সেই নিৰ্বাচনত জয়ী হ'ব নোৱাৰিলে, চাৰ্চিলৰ নিজৰ ভাষাত তেওঁক ' ডিছমিছ' কৰা হ'ল।

চি.পি. স্নই এই ঘটনাটোক লৈ মন্তব্য দিছে এই অভাৱনীয় নিৰ্বাচনৰ ফলাফলটোৱে যে কেৱল ভাৱীকালৰ মানুহকে বিভ্ৰান্ত কৰিব এনে নহয়, বৰ্তমানকালৰ মানুহেই যেন ইয়াক বিশ্বাসেই কৰিব পৰা নাছিল (স্নই সেই যুদ্ধোত্তৰ কালৰ কথা কৈছে)। যুদ্ধৰ সময়ৰ মিত্ৰ আমেৰিকানসকলকো অতি বিস্মিত কৰি তুলিছিল। সেই সময়ত আমেৰিকাত ভ্ৰমণৰত বহুতো ইংৰাজৰ পৰা তেওঁলোকে এই অদ্ভুত ঘটনাৰ ব্যাখ্যা বিচাৰিছিল আৰু সেইবোৰ ব্যাখ্যাৰ ভিতৰত চি পি. স্নৰ দুটাই মাত্ৰ ব্যাখ্যা কিছু মনঃপূত হৈছিল, তেওঁৰ মতে সেই ব্যাখ্যা কিছু দূৰলৈহে প্ৰযোজ্য হ'ব পাৰে। তাৰে এটা ব্যাখ্যা হ'ল - আমেৰিকাৰ মানুহে তেওঁলোকৰ প্ৰধান মন্ত্ৰীক তেনেকৈ পূজা নকৰে, কাৰণ ইংলণ্ডত ৰজা আছে আৰু ৰজাৰ

যাদুকৰী প্ৰভাৱ প্ৰজাৰ মাজত এতিয়াও অটুট হৈ আছে।

দ্বিতীয় ব্যাখ্যাটো এনেধৰণৰঃ দূৰৰ পৰ্বত সদায় শুৱনী। চাৰ্চিলক আমেৰিকাবাসীয়ে যি সমীহৰ দৃষ্টিৰে চায়, সেয়া তেওঁ ভালেখিনি দূৰৰ মানুহ বুলিহে। আনহাতে ফ্ৰেংকলিন ডেলানো ৰুজভেল্টক ইংৰাজ সকলে যি শ্ৰদ্ধা আৰু প্ৰীতিৰ চকুৰে চাইছিল সিয়ো মন কৰিবলগীয়া। তেওঁৰ মৃত্যুত ইংৰাজসকল অতিশয় ম্ৰিয়মান হৈছিল, বহুতেই কান্দিছিল। চি. পি. স্নৰ তেতিয়া মনলৈ এই ভাব হৈছিল যে তেওঁৰ দেশবাসী সকলে কিন্তু চাৰ্চিলৰ মৃত্যুত ইমান শোক প্ৰকাশ কৰা নাছিল। অৱশ্যে চাৰ্চিলৰ মৃত্যু হৈছিল অতি বৃদ্ধ বয়সত, ৯০ বছৰ পাৰ হৈ যোৱাত। কিন্তু তথাপিও ৰুজভেল্টৰ দৰে একে বয়সতে তেওঁৰো মৃত্যু হোৱা হ'লে ৰুজভেল্টৰ ক্ষেত্ৰত হোৱাৰ দৰে একেধৰণে শোকাভিভূত হ'লাহেঁতেন নে? সেই বিষয়ে স্নয়ে ঘোৰ সন্দেহ প্ৰকাশ কৰিছিল।

চি.পি. স্নই লেখিছে যে চাৰ্চিল তেওঁৰ সমসাময়িক যিসকল খ্যাতনামা ইংৰাজ মানুহে বেয়া পাইছিল তাৰ ভিতৰত চাৰিজনেই তেওঁৰ এই ' ভেৰাইটি অৱ ৪ মেন' নামৰ গ্ৰন্থখনত ঠাই পাইছে। তেওঁলোক হ'ল লয়েড জৰ্জ (জন্ম - ১৮৬৩), এইচ. জি. ওৱেলছ (জন্ম- ১৮৬৬) ৰাদাৰফৰ্ড (জন্ম ১৮৭১), জি. এইচ হাৰ্ডি (জন্ম ১৮৭৭), চাৰ্চিলৰ নিজৰ জন্ম হৈছিল ১৮৭৪ চনত। এই চাৰিজনৰ ভিতৰত লয়েড জৰ্জৰ চাৰ্চিলৰ প্ৰতি এক ধৰণৰ মৰম এটা আছিল, কিন্তু বেছি শ্ৰদ্ধা নাছিল। ওৱেলছে দুই-তিনিখনমান উপন্যাসত চাৰ্চিলক বাকসৰ্বস্ব যোপজহী ৰাজনীতিজ্ঞ হিচাপে কেৰিকেচাৰ কৰিছিল, ৰাদাৰফৰ্ডে ৰক্ষণশীল ৰাজনৈতিক মতাৱলম্বী লোকসকলৰ সমগোত্ৰীয় হৈ চাৰ্চিলৰ বিৰুদ্ধাচৰণ কৰিছিল; জি এইচ হাৰ্ডিয়ে সাধাৰণতে যি কোনো ৰাজনৈতিক নেতাকে ভাল নেপাইছিল, আৰু চি.পি. স্নই যি সুদীৰ্ঘ দিন জুৰি হাৰ্ডিক লগ পাইছিল সেই সময়ৰ ভিতৰত তেওঁক চাৰ্চিলৰ বিৰুদ্ধে কেৱল বেয়া মন্তব্যহে দি থকা শুনিছিল।

চি.পি. স্নই লিখিছে যে চাৰ্চিল সম্পৰ্কে এনেধাৰণা পোষণ কৰা এই জগদ্বিখ্যাত লোক সকল যে প্ৰত্যেকেই নিজ নিজ ধাৰণাত অশুদ্ধ সেই বিষয়ে নকলেও হ'ব। কিন্তু ইয়াৰ ফলত চাৰ্চিলৰ অপকাৰ হৈছিল। অন্ততঃ ৰাদাৰফৰ্ডৰ দৰে মুখফুটা বৈজ্ঞানিকসকলৰ লগত চাৰ্চিলৰ ভাল সম্পৰ্ক থকা হ'লে নীলছ ব'ৰৰ লগত ঘটা প্ৰহসন আৰু দুখ লগা ঘটনাটো ঘটিবলৈ নাপালেহেঁতেন বুলি স্নই ভাবে। ঘটনাটো আছিল এনে ধৰণৰ : ১৮৪৪ চনত জগদ্বিখ্যাত নিউক্লিয়াৰ বৈজ্ঞানিক নীলছ ব'ৰে চাৰ্চিলৰ লগত এটা বিশেষ সাক্ষাৎকাৰ বিচাৰিলে যাতে তেওঁ এটম বোমা এবাৰ কৰা হলেই পৃথিৱীৰ পক্ষে কি মাৰাত্মক কথা হ'ব সেই কথা চাৰ্চিলক বুজাব পাৰে। চাৰ্চিলে সাক্ষাৎকাৰটোত সম্মত

হ'ল- কিন্তু চাৰ্চিলৰ ইংলেণ্ডৰ বৈজ্ঞানিক মহলত কোনো বন্ধু নাছিল যি তেওঁক নীলছ ব'ৰৰ কথা ক'ব পাৰে, ক'ব পাৰে যে ব'বৰ কথাবোৰ খুব দীঘলীয়া, মানুহক আমনি লগাই দিব পাৰে, কিন্তু ধৈৰ্য ধৰি শুনিলেই অৱশেষত বুজা যায় যে নীলছ ব'ৰ এজন অতিশয় বুদ্ধিমান অতিশয় মানৱ দৰদী লোক, তেওঁৰ কথাবোৰ অতি দীঘলীয়া হ'ব পাৰে, কিন্তু অতি সাৰগৰ্ভ।

পিছে চাৰ্চিলৰ সেই মহলত তেনে কোনো বন্ধু নথকাৰ ফলত নীলছ ব'ৰৰ লগত কিছু সময় কথা পাতি তেওঁ হেনো ইমানেই বিৰক্ত হ'ল যে নীলছ ব'ৰক গৃহবন্দী কৰি থব লাগে বুলি এখন চিৰকুট লিখিছিল। বেচেৰা নীলছ ব'ৰে তেওঁৰ প্ৰকাণ্ড ডেনিছ মূৰটো জোকাৰি জোকাৰি বিভ্ৰান্ত ভাৱে চাৰ্চিলৰ ঘৰৰ পৰা ওলাই আহিছিল।

চৰকাৰী উচ্চ বিষয়াৰ মহলতো চাৰ্চিল হেনো জনপ্ৰিয় নাছিল। হেংকী বোলা ভদ্ৰলোকজনে কুৰি বছৰ ধৰি কেবিনেটৰ ছেক্ৰেটাৰীৰ কাম চালাইছিল আৰু চি. পি. স্ন'ই কাম কৰিছিল এই হেংকীৰ তলত। হেংকীয়ে চাৰ্চিলক চকুপাৰি দেখিব নোৱাৰিছিল আৰু সদায় শত্ৰুতা কৰিছিল। নিৰ্বাচনত চাৰ্চিল হৰাৰ পিচত তেওঁ যে আৰু কেতিয়াবা ক্ষমতাশালী হ'ব হেংকীয়ে কল্পনাই কৰা নাছিল, ফলত তেওঁ চাৰ্চিলক নানা অভিযোগ কৰি চিঠি এখন দিছিল। পিচে হেংকীয়ে ভবা মতে চাৰ্চিল পুনৰ ক্ষমতাত অধিষ্ঠিত নোহোৱাকৈ নেথাকিল। স্ন'ই কৈছে যে চাৰ্চিল মানুহজন অতি উদাৰ আৰু ক্ষমাশীল, কিন্তু হেংকীক হলে তেওঁ ক্ষমা কৰিব নোৱাৰিলে। গতিকে শক্তিশালী হেংকীৰ লাহে লাহে পদচ্যুতি ঘটিছিল।

হেংকী আৰু চাৰ্চিলৰ এই সুদীৰ্ঘ কাজিয়াৰ বাবে হেংকীৰ তলত কাম কৰা স্নই যুদ্ধৰ কালছোৱাত বৰ সুবিধাজনক পৰিবেশত কাম কৰিব পৰা নাছিল বা চাৰ্চিলৰ সপক্ষে ভাল কথা শুনাৰ সুযোগ পোৱা নাছিল। কিন্তু বহুত বছৰৰ পিচত হেৰল্ড মেকমিলান আদিৰ দৰে স্ন'ৰ শ্ৰদ্ধেয় মানুহে চাৰ্চিলক অতিশয় শ্ৰদ্ধা কৰা আৰু ভালপোৱা দেখিছিল।

এই প্ৰবন্ধটোত চি.পি. স্ন'ই যেন দুজন চাৰ্চিলৰ চৰিত্ৰ সুন্দৰ ভাৱে ফুটাই তুলিছে এজন চাৰ্চিল যাক বহুতে ভাল পায়, আৰু আনজন চাৰ্চিল যাক বহুতেই চকুপাৰি দেখিব নোৱাৰে। কিন্তু চি.পি. স্ন'ই নিজে হ'লে চাৰ্চিলৰ সম্পৰ্কে অতি উচ্চ ধাৰণা পোষণ কৰে। চাৰ্চিলক তেওঁৰ সম-সাময়িক বহুত মানুহে কিয় বেয়া পাইছিল তাৰ কাৰণ বিচাৰি উলিওৱা বৰ সহজ নহয় বুলি স্ন'ই ভাবে। হয়তো চাৰ্চিলৰ আত্মকেন্দ্ৰিক স্বভাবো এটা ডাঙৰ কাৰণ হ'ব পাৰে। স্ন'ই আৰু ভাবে যে চাৰ্চিলৰ যি মানসিক গঠন, সি তেওঁৰ সম-সাময়িক যুগৰ লগত খাপ খোৱা বিধৰ নাছিল- সেই বাবেই যেন তেওঁৰ গুণ আৰু দোষ দুয়োটা কথাৰ বাবেই তেওঁ সমানে অপ্ৰীতিৰ পাত্ৰ হৈছিল। চি.পি. স্নই এইদৰে বিচাৰ কৰি চাই এটা কথা লক্ষ্য কৰিছে যে চাৰ্চিলৰ সমস্ত কৰ্ম-জীৱনে এই সত্যক দেখুৱাইছে- এই অসাধাৰণ মানুহজনৰ

দুৰ্বলতাবোৰ যিদৰে তেওঁৰ পতনৰ কাৰণ হৈছে, তেওঁৰ কল্পনাশক্তি একেদৰেই তেওঁৰ আসাধাৰণ ৰাজনৈতিক নেতা হোবাৰ যোগ্যতাৰ সহায়ক হৈছে।

চাৰ্চিলৰ বাল্যকাল সন্তোষজনক নাছিল- অতি অসামান্য আই. কিউ. (I.Q) তকা স্বত্বেও তেওঁ হেৰো' স্কুলত ভাল ফলাফল দেখুৱাব পৰা নাছিল। তেওঁৰ দেউতা লৰ্ড ৰেণ্ডলৰ্ফ চাৰ্চিল পুতেকৰ প্ৰতি আছিল উদাসীন আৰু ভাবিছিল যে পুতেক কোনো কামৰ বাবেই উপযুক্ত নহয়, গতিকে উইনষ্টনে সৈনিকৰ বৃত্তিটোকে লোৱা ভাল হ'ব। গতিকে জুনিয়ৰ চাৰ্চিল অ'ক'ৰ্ড বা কেম্ব্ৰিজলৈ নগৈ গ'ল ছেণ্ডহাষ্টলৈ - তাকো কোনো মতে তাত নামভৰ্তিৰ পৰীক্ষাটো পাছ কৰি।

চাৰ্চিলৰ সাহসৰ বিষয়ে চি.পি. স্নই এটা সুন্দৰ কথা লেখিছে। বহুত মানুহ জন্মগতভাবে সাহসী, তেওঁলোকে জন্মৰে পৰা ভয় কৰি বস্তু বুজিয়েই নেপায়। গতিকে জন্মগত ভাবে লাভ কৰা সাহসৰ অধিকাৰী মানুহে আমাৰ অকুণ্ঠ প্ৰশংসা নেপায়, প্ৰশংসা পায় সেই সকলে যি জন্মগত ভয়াতুৰ স্বভাবক নিজৰ সাধনা আৰু অধ্যব্যসায়ৰে জয় কৰি সাহসী হ'ব পাৰে। চাৰ্চিল আছিল এনেদৰে ভয়ক জয় কৰা ব্যক্তি। যুদ্ধৰ সময়ত তেওঁ প্ৰয়োজনে -অপ্ৰয়োজনে ৰণাঙ্গণত ঘূৰি ফুৰিছিল,তেওঁ কৈছিল যে তেওঁৰ এনেকৈ এৰোপ্লেনত উঠি যুদ্ধত টহল দিবলৈ খুবেই ভয় লাগিছিল- কিন্তু সেই ভয়ক জয় কৰিবলৈকে তেওঁ তেনে এটা পদক্ষেপ লৈছিল।

চাৰ্চিলৰ ৰাজনৈতিক জীৱন অদ্ভুত ধৰণৰ, বিচিত্ৰ, প্ৰথম অৱস্থাত তেওঁ কেবল ব্যৰ্থই হৈছিল আৰু প্ৰভূত নিন্দা আৰ্জন কৰিছিল। সেইবোৰ কথাৰে তেওঁৰ জীৱনী গ্ৰন্থৰ পাতৰ পিছত পাত ভৰি যাব - ' অতি উজ্জ্বল ভৱিষ্যৎ এটা পিছত থকা' (এইষাৰ অননুকৰণী বাকভংগীৰ বচন চি.পি. স্ন'ৰ নিজৰ) এই অসাধাৰণ প্ৰতিভাশালী মানুহজনৰ জীৱনলৈ ৰাজনৈতিক সাফল্য আহিছিল যাঠি বছৰৰ পিছতহে যদিও ৰাজনীতিত প্ৰবেশ ঘটিছিল সাতাইশ বছৰ বয়সতে । গতিকে এই মানুহজনেই যেতিয়া দ্বিতীয় মহাসমৰৰ অসাধাৰণ জয়ৰ পিছত সাধাৰণ নিৰ্বাচনত পৰাজয় বৰণ কৰিব লগা হ'ল তেতিয়া আৰু সমগ্ৰ আৰু জীৱনটোৰ ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত তাত হয়তো আচৰিত হ'ব লগীয়া বিশেষ কথা নাই।

স্ন'ৰ মতে চাৰ্চিল জনপ্ৰিয় হ'ব নোৱৰাৰ কাৰণ বোধহয় এইটোও আছিল যে সেই সময়ৰ ৰাজনীতি কৰা লোকসকলৰ মাজত তেওঁৰ দৰে বিবিধ গুণৰাশি ব্যক্তি এজনো নাছিল - গতিকে তেওঁৰ প্ৰতি সেইসকলৰ মনে মনে খুব ঈৰ্ষা আছিল। অথচ চাৰ্চিলৰ দৰে অতিশয় অনুগত আৰু বিশ্বাসী বন্ধু খুব কমেই দেখা যায়। তেওঁৰ প্ৰিয় বন্ধু সকলৰ বাবে তেওঁ অতিশয় ডাঙৰ ডাঙৰ সংকটো কান্ধ পাতি লৈছিল। লয়েড জৰ্জ আৰু ৰজা অষ্টম এডৱাৰ্ডৰ জীৱনৰ আটাইতকৈ সংকটৰ সময়ত তেওঁ প্ৰকৃত বন্ধুৰ ভূমিকা লৈ তেওঁলোকৰ ওচৰত থাকিছিল। তেওঁৰ এই ' শিভাল্‌ৰি'ৰ বাবে জীৱনত তেওঁ অতি বেছি

দাম দিব লগা হৈছিল, আৰু বহুত বছৰৰ পিচতহে মানুহে তেওঁৰ এই পুণৰ মূল্য দিব জানিছিল।

চাৰ্চিলক শত্ৰুৱে নানা ধৰণে নিন্দা কৰিলেও এটা কথাত হ'লে কোনেও একো ছিদ্ৰ উলিযাব পৰা নাছিলঃ- চাৰ্চিলৰ জীৱনত নাৰী ঘটিত কোনো বদনামেই নাই। তেওঁৰ সুদীৰ্ঘ সুখী বিবাহিত জীৱনৰ কথা সকলোৱে জানে।

প্ৰবন্ধটোৰ শেযত চি. পি. স্নই আবেগেৰে লিখিছে যে চাৰ্চিলৰ জীৱনৰ শেষ দহ বছৰত মানুহে অৱশেযত সত্যটো বুজিবলৈ সমৰ্থ হৈছিল যে তেওঁৰ অস্তিত্বই অন্ততঃ ইংৰাজ জীৱনধাৰাটোক মধুৰ কৰি তুলিছিল।

*****

(শেযত চাৰ্চিলে যুদ্ধৰ সময়ত দিয়া কিছু ভাষণৰো সংযোজন কৰি দিলোঁঃ ১৯৪০ চনৰ ১৩ মে'ৰ দিনা 'হাউছ অব্ কমন্সত' তেওঁ ইংলণ্ডবাসীক উদ্দেশ্যি এনেদৰে কৈছিল 'মোৰ ত্যাগ কৰিবলৈ যথেষ্ট আছে - তেজ, চকুপানী, ঘাম আৰু মৰণপণ পৰিশ্ৰম। আপোনালোকে যদি মোক সোধে মোৰ কি নীতি হ'ব তেতিয়া মই ক'ম- আকাশীপথ, জলপথ আৰু স্থলপথ -আমি সকলো দিশেৰে আক্ৰমণ কৰিম। ভগবানে আমাক দান কৰা সকলো উপহাৰৰে আমি সদ্ব্যৱহাৰ কৰিম। আপোনালোকে যদি মোক সোধে - মোৰ লক্ষ্য কি? মই ক'ম- আমাৰ দুটাই লক্ষ্য আছে, বিজয় আৰু বিজয়। সকলোৰে বিনিময়ত বিজয় , সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিজয়। পথ কঠিন, কিন্তু দুঃসাধ্য নিশ্চয় নহয়। আপোনালোকে হাত প্ৰসাৰিত কৰক আৰু বিজয় সাব্যস্ত কৰক।

১৯৪০ চনৰ ১০ জুলাইত হিটলাৰে ব্ৰিটেইন আক্ৰমণ কৰিলে, চাৰ্চিলে তাৰ চাৰিদিন পিছত প্ৰতিৰোধ আগবঢ়ালো। ১১ ছেপ্তেম্বৰৰ দিনা তেওঁ ৰেডিঅ' যোগে দেশবাসীক নিজ ভাষণত ক'লে- 'হিটলাৰে ব্ৰিটেইনকে নহয়, ব্ৰিটিছৰ অন্তৰকো জ্বলাইছে। লাহে লাহে সমগ্ৰ ইউৰোপ আৰু বিশ্বকো এই নাজী অত্যাচাৰীয়ে ছাৰখাৰ কৰিব। আমি অকলেই যুঁজিম, কিন্তু অকল নিজৰ বাবেই নহয়। আমি সকলো গাওঁ, চহৰ আৰু দেশ ৰক্ষা কৰিবলৈ যুঁজিম। আমাৰ বিজয় অনিবাৰ্য .....।)

জি এইচ হার্ডি

হার্ডিৰ মৃত্যু শয্যাত চি.পি. স্নৰৈও এই ক্রিকেট লৈ কম কৰিব লগা হোৱা নাছিল। তেওঁ যদি হার্ডিৰ ওচৰত এঘণ্টা বহে তাৰে ৫৫ মিনিট সময়ে হার্ডিয়ে ক্রিকেটৰ কথা শুনি কটাব খোজে। অথচ তেতিয়া আৰু স্ন'ৰ আগৰ দৰে ক্রিকেটত উৎসাহ নাছিল বা নেখেলিছিল, অথচ বন্ধুৰ কথা ভাবিয়ে সকলো ধৰণৰ ক্রিকেটৰ খবৰ কণ্ঠগত কৰি ৰাখিছিল। হার্ডিৰ ভনীয়েকৰ আৰু কষ্ট হৈছিল, তেওঁ ক্রিকেটৰ একোকে শিকিব নোৱাৰিছিল, তথাপি ককায়েকৰ বাবেই য'ত যি পাৰে ক্রিকেটৰ খবৰ সংগ্ৰহ কৰিছিল। স্নই লিখিছে যে এই আকৰ্ষণীয় আৰু বুদ্ধিমতী মহিলা গৰাকী ককায়েকৰ প্ৰতি ইমানেই অনুগত আছিল, যে বৰলা মানুহজনক চোৱা মেলা কৰিবলৈকে তেওঁ নিজেও বিয়াবাৰু নকৰালে।

জি এইছ হার্ডি অবিবাহিত আছিল। এই প্ৰতিভাবান কিন্তু খাম-খেয়ালী মানুহজনে ক্রিকেট আৰু অংকৰ মাজতে জীৱনৰ সকলো মাধুৰ্য্য বিচাৰি পাইছিল। তেওঁৰ বন্ধু-বান্ধৱৰ দল এটাও আছিল আৰু তেওঁলোকৰ লগত জীৱন আৰু জগতৰ নানা ধৰণৰ কথা বতৰা পাতিও তেওঁ প্ৰচুৰ আনন্দ উপভোগ কৰিছিল। ফেন্নাৰৰ ক্রিকেট পথাৰত তেওঁলোকৰ এই আড্ডা বিখ্যাতেই হৈ পৰিছিল। যাঠি বছৰমান বয়সলৈকে হার্ডি আনন্দ আৰু উৎসাহত টগবগাই থাকিছিল, যৌৱনে যেন তেতিয়াও তেওঁৰ লগ এৰা নিদিছিল, অংকৰ নতুন নতুন সম্ভাবনা তেওঁৰ মগজুৱে আবিষ্কাৰেই কৰি আছিল। তাৰ পিছত দ্বিতীয় মহাসমৰ আৰম্ভ হৈছিল আৰু চি. পি. স্ন' উৎসাহেৰে যুদ্ধৰ কামত লাগি গৈছিল। কিন্তু হার্ডি আছিল যুদ্ধৰ ঘোৰ বিৰোধী। দুয়ো বন্ধুৰ এই বিষয়ে খুব তৰ্ক লাগিলেও পৰস্পৰৰ যুক্তি আৰু বিশ্বাসক মূল্য দিছিল- গতিকে সেই সহনশীলতাই দুয়োৰো বন্ধুত্ব অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছিল।

১৯৩৯ চনত হাৰ্ডিৰ কৰ'নাৰী থ্ৰম্বছিছ্ হ'ল। তেওঁ আৰোগ্য লাভ কৰিলে যদিও, তেওঁৰ নিয়মিত টেনিছ খেল বা অন্যান্য শাৰীৰিক কামকাজ চিৰদিনৰ বাবে বন্ধ হৈ গ'ল। এইফালে যুদ্ধৰ গতি-গোত্ৰইও তেওঁৰ মনত ভালকৈয়ে ছাঁ পেলাবলৈ সক্ষম হৈছিল। তেওঁ যুদ্ধক পাগলামিৰ বাহিৰে একো বুলি ভাবিব পৰা নাছিল, ইফালে তেওঁৰ অতি ঘনিষ্ঠ বন্ধু এজনৰো শোচনীয় মৃত্যু হ'ল। সকলোতকৈ ডাঙৰ কথা গণিত সম্পৰ্কে তেওঁৰ সৃজনীমূলক প্ৰতিভা নিঃশেষ হৈ আহিছিল। জি.এইচ, হাৰ্ডিৰ সৃজনী প্ৰতিভাৰ মৃত্যু এক অতি সাংঘাতিক আঘাত। তেওঁ এখন অনন্য সাধাৰণ কিতাপ লিখি উলিয়ালে নাম "এজন গণিতজ্ঞৰ ক্ষমা প্ৰাৰ্থনা" (" এ মেথেমেটিচিয়ানছ এপ'লজী)"। চি. পি. স্ন'ই লিখিছে যে কিতাপখনৰ পাতে পাতে বুদ্ধিৰ দীপ্তি চিক্‌মিকাই আছে- অথচ কি বিষাদ যে নিহিত হৈ আছে সকলোবোৰ কথাৰ অন্তৰালৰ !

চি.পি. স্ন'ইয়াৰ পিছত যিজন হাৰ্ডিক লগ পাইছিল সেই হাৰ্ডি আছিল এক হতাশাগ্ৰস্ত জীৱনৰ প্ৰায় সকলোতে (ক্ৰিকেটৰ বাহিৰে) আগ্ৰহ হেৰোৱা সম্পূৰ্ণ নিঃশেষ হোৱা মানুহ। কোনো ধৰণৰ কথাই যেন তেওঁৰ উৎসাহ জগাই তুলিব নোৱাৰিছিল , অথচ সেই হাৰ্ডিয়েই এসময়ত বোলে কৈছিল- 'কোনো মানুহ কেতিয়াও আমনি লগা অৱস্থাত পৰিব নালাগে।' অথচ সেই হাৰ্ডিয়ে এতিয়া 'ব'ৰ'ড হৈয়ে থাকিল। চি.পি. স্ন'ই আৰু অন্যান্য বন্ধু-বান্ধৱে তেওঁক ক্ৰিকেটৰ বিষয়ে কিতাপ এখন লিখোৱাৰ চেষ্টা কৰিছিল, কিন্তু হাৰ্ডিয়ে লিখিব বুলি প্ৰতিশ্ৰুতি দিয়ো আৰু নিলিখিলে। অৱশ্যে বাৰ্ট্ৰেণ্ড ৰাছেল সম্পৰ্কে সৰু কিতাপ এখন এই কালছোৱাত তেওঁ লিখি উলিয়াইছিল। সেইবছৰ চি.পি. স্ন'ই অতি ব্যস্ত তাৰ মাজত দিন কটাবলগীয়া হৈছিল। যুদ্ধৰ তেতিয়া চৰম অৱস্থা, স্ন' নানা ধৰণৰ যুদ্ধৰ কৰ্মত লিপ্ত হৈ পৰিছিল। যুদ্ধ শেষ হোৱাৰ পিছত তেওঁ কেম্ব্ৰিজলৈ উভতি নাহিলেও ১৯৪৬ চনৰ বছৰটোত হাৰ্ডিক গৈ প্ৰায়ে দেখা কৰিছিল। তাৰ পিছত ১৯৪৭ চনৰ গ্ৰীষ্মৰ প্ৰথম ভাগত এদিন তেওঁ শুনিলে যে হাৰ্ডিয়ে আত্মহত্যা কৰিবৰ চেষ্টা কৰিছিল, কিন্তু সফল নহ'ল। পিচত হাৰ্ডিক সেই লাজৰ পৰা বচাবৰ বাবে স্ন'ই এনে বহুত বিখ্যাত মানুহৰ কথা কৈ শুনাবলগীয়া হৈছিল, যি সকলে হাৰ্ডিৰ দৰেই আত্মহত্যা কৰিবলৈ গৈ নমৰি জীৱন্মৃত হৈ পৰি থাকিছিল। এইজন জি. এইছ. হাৰ্ডি নিজৰ বিনম্ৰ ভাষাতে পৃথিৱীৰ পঞ্চম ডাঙৰ গণিতজ্ঞ আছিল। তেওঁ জীৱনত উধাবলৈ কোনো ধৰণৰ যুদ্ধ কৰিব লগ হোৱা নাছিল। অতি সহজতে তেওঁ 'ৰেংলাৰ' হৈছিল, ৰয়েল ছোচাইটিৰ সভ্য হৈছিল। ত্ৰিনিতি কলেজত কাম কৰাৰ সময়ত তেওঁ সমগ্ৰ পৃথিৱীৰে শীৰ্ষস্থানীয় লোক কেইজনমানৰ সংগ লভি

কাম কৰিছিল। তেওঁলোক হ'ল জি.ই. মূৰ, হোৱাইটহেড্, বাৰ্ট্ৰাণ্ড ৰাছেল, ট্ৰেভেলিয়ান। এই দলটোৰ মাজত হাৰ্ডি নিজেও এজন অতি চোকা মগজুৰ মানুহ হিচাবে পৰিগণিত হৈছিল।

জি এইচ. হাৰ্ডিয়ে ঈশ্বৰ বিশ্বাস নকৰিছিল। এদিন কেমব্ৰিজত বহি থাকোতে কেথলিক গীৰ্জাৰ পৰা ছয় বজাৰ ঘন্টা ধ্বনি ভাহিছিল। তেতিয়া চি.পি স্নৌলৈ চাই হাৰ্ডিয়ে সাধাৰণভাৱে কৈছিল 'ই বৰ দুৰ্ভাগ্যজনক কথা-মোৰ জীৱনৰ কেইটামান আটাইতকৈ সুখৰ ঘন্টানো এক ৰোমান কেথলিক গীৰ্জাৰ ভিতৰতহে অতিবাহিত হ'ব লাগেনে?'

জি এইচ. হাৰ্ডিৰ লগত আমাৰ ভাৰতবৰ্ষৰ গণিতৰ প্ৰতিভা ৰামানুজনৰ নাম বিশেষভাৱে জড়িত। ১৯১৩ চন। হাৰ্ডিৰ তেতিয়া ৩৬ বছৰ বয়স। গণিতজ্ঞ হিচাপে তেওঁৰ খ্যাতি ইতিমধ্যে গোটেই পৃথিৱীত বিয়পি পৰিছে। এদিন পুৱাৰ আহাৰৰ মেজত ডাক খোলোতে তেওঁ ভাৰতবৰ্ষৰ পৰা অহা এটা প্ৰকাণ্ড খাম পালে। খুলি দেখে ভিতৰত নানা ধৰণৰ গাণিতিক ফৰ্মুলাৰে ভৰা এসোপা কাগজ। হাৰ্ডিয়ে তেনে কাগজ-পত্ৰ প্ৰায়ে পায়। তেতিয়ালৈকে সেই কাগজ প্ৰেৰক সকলৰ কাৰো মাজতে কোনো প্ৰতিভাৰ চিন তেওঁ দেখা নাছিল। সিদিনাও সেই ফৰ্মুলাবোৰে তেওঁক উৎসাহিত কৰিব নোৱাৰিলে। অথচ দুপৰীয়া আৰু আবেলিও তেওঁ আচৰিত হৈ আবিষ্কাৰ কৰিলে যে সেই ভাৰতীয় অখ্যাত এজনৰ পাণ্ডুলিপিটোৰ কথা তেওঁ মনৰ পৰা আঁতৰাব পৰা নাই। গতিকে ৰাতি হোৱাত তেওঁ বন্ধু আৰু তেওঁৰ গণিতজ্ঞ গ্ৰন্থাকাৰ বন্ধু লিটলউডক মাতি আমি পুনৰ সেই পাণ্ডুলিপি পৰীক্ষা কৰাত লাগিল। অৱশেষত দুয়ো এই সিদ্ধান্তলৈ আহিলঃ – অংকৰ পাণ্ডুলিপি পঠোৱা ৰামানুজন নামৰ মানুহজনে কোনো একাডেমিক শিক্ষা পোৱা নাই- কিন্তু তেওঁ গণিতৰ এজন স্বভাৱসিদ্ধ ' জিনিয়াছ'।

ইয়াৰ পিছত হাৰ্ডিয়ে নানা যত্ন কৰি মাদ্ৰাজৰ এক সামান্য কেৰাণী ৰামানুজনক কেনেকৈ ইংলেণ্ডলৈ আনিলে সি এক ইতিহাস হ'ল, মানুহৰ মহত্বৰ ইতিহাস, হাৰ্ডিৰ উদাৰতাৰ ইতিহাস। তাৰ পিছত মাত্ৰ ত্ৰিশ বছৰ বয়সতে ইংৰাজীত বেয়া কৰাত মাদ্ৰাজত মেট্ৰিক পাছ কৰিব নোৱাৰা ৰামানুজন ইংলণ্ডৰ ৰয়েল চোছাইটিৰ সভ্য হ'ল (পাঠকৰ মনত থাকিব পায় যে এইছ জি. ওৱেলছে গোটেই জীৱন চেষ্টা কৰিও এই ৰয়েল চোচাইটিৰ সভ্যৰ পদ নাপালে)।

পিচে ভাৰতৰে দুৰ্ভাগ্য যে এই ৰামানুজনৰ মাত্ৰ তেত্ৰিশ বছৰ বয়সত টি. বি বেমাৰত মৃত্যু হৈছিল। ইংলণ্ডত ৰোগশয্যাত পৰি থকা কালত হাৰ্ডিয়ে প্ৰায়ে চৌঁৰি গৈ

ৰামানুজনক দেখা কৰিছিল। এদিন হাৰ্ডিয়ে কলে - ' আজিৰ টেক্সি নম্বৰটো অতিশয় বিশেষত্ব বৰ্জিত, ১৭২৯।' ৰুগীয়া ৰামানুজনে তৎক্ষণাৎ কৈ উঠিছিল - 'নহয় হাৰ্ডি, এইটো এটা বৰ বিশিষ্ট সংখ্যা। দুটা 'কিউবক দুই ধৰণে যোগ কৰিব পৰা ই আটাইতকৈ সৰু সংখ্যা।'

হাৰ্ডিয়ে তেওঁৰ ' মেথামেটিচিয়ান্‌ছ এপলজি নামৰ গ্ৰন্থত লিখিছিল - " গেলইছ মৰিছিল ২১বছৰত এবেল ২৭ বছৰত, ৰামানুজন ৩০ বছৰত , ৰিমেন ৪০ বছৰত ... মই পঞ্চাশ বছৰ পাৰ হৈ যোৱা এনে কোনো গণিতজ্ঞৰ কথা নেজানো যি গণিতৰ অগ্ৰগতিত সৰ্চাকৈয়ে কিবা বৰঙণি আগবঢ়াইছে।'

আত্মহত্যাৰে জীৱন শেষ কৰিব খুজিলেও জি. এইচ, হাৰ্ডিয়ে নিজে কিন্তু ষাঠি বছৰলৈকে গণিতৰ অগ্ৰগতিত বৰঙণি যোগাই আছিল।

চি.পি. স্ন'ৰ চকুত বিভিন্ন মানুহ

(১) এইচ জি ওৱেলছ

কিছুদিন আগতে চি. পি. স্ন'ৰ 'ভেনাইটি অব মেন' নামৰ এখন কিতাপ পঢ়ি বৰ ভাল লাগিছিল আৰু এতিয়া পাঠক সকলকো তাৰ ভাগ দিব মন গ'ল। অবশ্যে ইয়াত পাঠক শব্দটোৰ দ্বাৰা মই সেই সকল লোকক বুজাইছোঁ - যি সকলৰ ভাল কিতাপ-পত্ৰৰ প্ৰতি আন্তৰিক আগ্ৰহ, অথচ কিতাপৰ দুষ্প্ৰাপ্যতা, কিতাপৰ চৰা দাম, ভাল পুথিভঁৰালৰ অভাৱ আদি কথাৰ বাবে সেই আগ্ৰহ পূৰ্ণ হ'বলৈ নেপায়।

প্ৰথমতে চি.পি. স্ন'ৰেই থুল-মূলকৈ পৰিচয় এটা দি লওঁ। ইংলণ্ডৰ লীষ্টাৰ চহৰত ১৯০৫ চনত জন্ম গ্ৰহণ কৰা চি.পি. স্ন' পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ত সেই বিভাগৰ ফেলোশ্বিপ লৈও আছিল। কিন্তু তেওঁ আমাৰ ওচৰত পৰিচিত এজন ডাঙৰ উপন্যাস লেখক হিচাপেহে। তেওঁৰ " ষ্ট্ৰেঞ্জাৰছ এণ্ড ব্ৰাদাৰ্ছ" নামৰ কিতাপখনে বিশ্বজোৰা খ্যাতি আহিছে। কিন্তু স্ন' কেৱল এজন ঔপন্যাসিকেই নহয়, তেওঁ এজন মানৱতাবাদীও। জাতিৰ সংস্কৃতিৰ স্বৰূপ আৰু ভৱিষ্য লৈ তেওঁ লেখা বিভিন্ন প্ৰবন্ধ পাতি আৰু বক্তৃতামালাই তেওঁৰ সুনাম আৰু বৃদ্ধি কৰিছে। দ্বিতীয় মহাযুদ্ধৰ সময়ত বৈজ্ঞানিক উপদেষ্টা হিচাপে ইংৰাজ চৰকাৰক কৰা সহায়ৰ বাবে তেওঁক নাইট উপাধিৰে সন্মানিত কৰা হৈছিল।

এই " ভেৰাইটি অব মেন" নামৰ কিতাপখনত চি.পি. স্ন'ই যি আঠ গৰাকী স্বনামধন্য পুৰুষৰ বিষয়ে ব্যক্তিগত 'ইমপ্ৰেছন' লিপিবদ্ধ কৰিছে সেই কেইগৰাকী পুৰুষ হ'ল ক্ৰমে লৰ্ড ৰাদাৰ ফৰ্ড, জি-এইচ হাৰ্ডি, এইচ জি ওৱেলছ, আইনষ্টাইন, লয়েড জৰ্জ, চাৰ্চিল

চাৰ্চিল, ৰবাৰ্ট ফ্ৰষ্ট, ডাগ হামাৰ শ্বিল্ড আৰু ষ্টেলিন। একমাত্ৰ ষ্টেলিনৰ বাহিৰে বাকী আটাই কেইজনৰ লগতে লৰ্ড স্ন'ৰ ব্যক্তিগত পৰিচয় আছিল আৰু তাৰে ভেটিতেই তেওঁ এই চিত্তাকৰ্ষক কিতাপখন ৰচনা কৰিছে।

প্ৰথমতে এইছ চি ওৱেলছক বাছি লোৱাৰ কাৰণটো হ'ল একান্ত ব্যক্তিগত, মাত্ৰ কিছুদিন আগতো এইছ জি ওৱেলছৰ বিখ্যাত কিতাপ 'টাইম মেশ্বিন'ৰ শেষত থকা এটা বিখ্যাত বাক্যৰ কৰবাত কিবা প্ৰসঙ্গত উদ্ধৃতি দিছিলো যে " পৃথিৱীত সকলো ধ্বংস হৈ গলেও মৰম চেনেহ আৰু কৃতজ্ঞতাৰ কোনো দিন বিনাশ নহ'ব।" সি যি কি নহওক এইছ জি ওৱলেছক এজন বিজ্ঞান-ভিত্তিক গল্প উপন্যাস লেখোঁতা জগত বিখ্যাত ভবিষ্য দ্ৰষ্টা সাহিত্যিক হিচাপে সকলোৱে জানে। ' ৱাৰ অৱ দ্য ৱাৰ্ল্ডছ', আইলেণ্ড অব ডঃ মোৰো', ইনভিজিবল মেন' আদি গ্ৰন্থ এতিয়াও অতি সমাদৃত। তেওঁ পৃথিৱীৰ বুৰঞ্জীও ৰচনা কৰি গৈছে। এইজন এইছ জি ওৱেলছৰ প্ৰতি মোৰ প্ৰচুৰ আগ্ৰহ আৰু শ্ৰদ্ধা। গতিকে ' ভেৰাইটি অব মেন' খন হাতত লৈ মই চি.পি. স্ন'ইনো এই মানুহজনৰ কথা কি লেখিছে তাকেই প্ৰথমতে পঢ়িলোঁ।

১৯৩৪ চনত স্ন'ৰ 'দি ছাৰ্চ' নামৰ কিতাপ খন প্ৰকাশ পোৱাৰ পিচত তেওঁৰ বেছ খ্যাতি হ'ল আৰু স্বয়ং, এইছ জি ওৱেলছও তেওঁক কিতাপখনৰ প্ৰসংশা কৰি এবাৰ তেওঁৰ লণ্ডনৰ ঘৰত দেখা কৰিবলৈ মাতি পঠালে। স্ন' নিৰ্দিষ্ট সময়ত গৈ পালে যদিও, তেওঁক আধা ঘন্টা অকলে বঙ্গাই ৰখা হ'ল। নবেম্বৰ মাহৰ বৰষুণ পৰি থকা অতিপাত ঠেঁটুৰে ধৰা জাৰত তেনেকৈ বহি থকাৰ পিচত চুটি চাপৰ, গোলাকৃতি মানুহ এজন সোমাই আহি স্ন'ক কলে -'অ' 'তুমি', যেন - স্ন'ক তেওঁ বহুত দিনৰ পৰাই চিনি পায়। আৰু তাৰ পিছত পলম হোৱাৰ বাবে ক্ষমা বিচাৰি স্ন'ই বিয়া কৰাইছে নে নাই সেই প্ৰশ্নৰে কথা-বতৰাৰ পাতনি মেলিলে। নেতিবাচক উত্তৰ পাই এইছ জি ওৱেলছে কলে যে বিয়া নকৰিলেও স্ন'ই যে বহুত কথাই জানে তেওঁৰ কিতাপখন পঢ়িয়ে ওৱেলছে বুজি পাইছে।

ওৱেলছে তেতিয়া গোমোঠা মুখেৰে ভোৰভোৰালে-তেওঁক চোৱা- মেলা কৰিবলৈ কিয় এজনী ঘৈণীয়েক নাই? কিয় স্ন'ৰো এজনী ঘৈণীয়েক নাই? কিয় মৰাই ওৱেলছক বিয়া কৰাবলৈ ৰাজী হোৱা নাই। স্ন'ৰ অৱস্থা তেতিয়া শোচনীয়, মাত্ৰ দহ মিনিট আগতে জীৱনত প্ৰথম লগ পোৱা এই মানুহজনৰ এই ব্যক্তিগত কথাবোৰৰ তেওঁ একোকে নেজানে, মৰা নামৰ কোনো তিৰোতাক তেওঁ চিনিকে নেপায়, তদুপৰি স্ন'ই নিজে বিয়া

কৰাব খোজা ছোৱালী এজনীক মাত্ৰ কিছুদিন আগতে হেৰুৱাব লগীয়া হোৱাত তেওঁৰ পক্ষে এনেধৰণৰ কথা বতৰা অতিশয় বেদনাদায়ক হৈ পৰিছিল। কিন্তু ওৱেলছে সেই একে বিষয় লৈয়ে কথা পাতি থাকিল- কিয় তেওঁ আনতকৈ দুৰ্ভগীয়া, কিয় ম'ৰাই তেওঁৰ লগত এনে ব্যৱহাৰ কৰিছে। স্ন'ই এই ব্যৱহাৰৰ কিবা ব্যাখ্যা দিব পাৰিবনে?

বুজা গ'ল - এইছ জি ওৱেলছৰ লগত চি.পি. স্ন'ৰ এই প্ৰথম সাক্ষাতটো কোনো ধৰণে আনন্দদায়ক নহ'ল। তেওঁ দুপৰীয়াৰ আহাৰ খাবলৈ পালে বহুত পৰৰ পিচতহে আৰু ওৱেলছৰ খোৱা-লোৱাত বহুতো বাধা নিষেধ থকাৰ ফলত তেওঁলোকে সেই আহাৰ মাত্ৰ ভেৰাৰ মাংসৰ টুকুৰা আৰু পিটিকা আলুৰে শেষ কৰিবলগীয়া হৈছিল।

অৱশ্যে দুয়োৰো মাজত হোৱা সেই সাক্ষাৎকাৰটোত ওৱেলছে বিয়াৰ প্ৰসঙ্গৰ বাহিৰে আন কথা- বতৰাও অলপ-অচৰপ পাতিছিল। ওৱেলছে স্ন'ৰ সম্পৰ্কে নিজে নিজে কিছুমান ধাৰণা কৰি লৈ কথা কৈ গৈছিল, 'দি ছাৰ্চ' নামৰ কিতাপখন হেনো স্ন'ৰ আত্মজীৱনী মূলক উপন্যাস, লেখকক হেনো একোৱে শিক্ষা দিব নোৱাৰে; এনেকি নিজৰ কিতাপেও নোৱাৰে, স্ন'ইতো গৱেষণা কৰা কথাটোত এক ধৰণৰ হতাশাৰ সন্মুখীন হব লগা হৈছে আৰু সেই কাৰণে তাক এৰি পেলাবই খুজিছে। কিন্তু ওৱেলছে বিচাৰে স্ন'ই গৱেষণা চলাই যাওক ওৱেলছে নিজেও সদায় এজন বৈজ্ঞানিকেই হৈ থাকিব খুজিছিল। অৱশ্যে এই কথাত কোনো সন্দেহ নাই যে, বৈজ্ঞানিক জীৱনত বহুতো বিপদ আপদ আৰু আলৈ-আহুকাল আছে। সাহিত্যিক জীৱনে যেনেকৈ মানুহৰ অহং ভাৱত ঘাঁ লগায় বৈজ্ঞানিক জীৱনেও যে তেনে ধৰণৰ ঘাঁ লগাব পাৰে তাত অৱশ্যে কোনো সন্দেহ নাই। কিন্তু তথাপিও বৈজ্ঞানিকৰ জীৱন নিশ্চয় বহুত বেছি সন্তোষজনক হয়। আৰু সেই কাম সমাপ্ত হোৱাৰ পিচত এজন সহজ সাধাৰণ এফ আৰ'এছ হ'ব পৰা কথাটোৰ লগত আন কেনে ধৰণৰ মাননীয় সন্মানবেই বা তুলনা হব পাৰে?

স্বাভাৱিকতে স্ন'ই তেওঁৰ লগত তেওঁৰ কিতাপৰ কথা আলোচনা কৰিব খুজিছিল। কিন্তু ওৱেলছে ৰাজী নহ'ল, তেওঁ কেৱল বিয়া, ম'ৰা আৰু বৈজ্ঞানিক জীৱনৰ বিষয়েহে আলোচনা কৰিব খোজে।

তেতিয়া স্বয়ং মৰা আহি সেই ঘৰত প্ৰৱেশ কৰিছিল আৰু কৈছিল যে তেওঁ চাবিকোছা ভুলতে এৰি থৈ গৈছিল বাবে নিবলৈ উভতি আহিছে। স্ন'ই সেই আধা বয়সীয়া ৰাছিয়ান মহিলা গৰাকীক প্ৰথম বাৰৰ বাবে দেখিলে। ওৱেলছৰ সম্পূৰ্ণ ওলোটা স্বভাৱৰ

প্ৰাণ -প্ৰাচুৰ্য্যও টগবগাই থকা সেই মহিলাই স্ন'ৰ লগত ইমান উৎসাহেৰে কথা-বতৰা পতাত লাগিল যে ওৱেলছে দেখ-দেখকৈয়ে বিৰক্ত হৈ পৰিল আৰু চাবি বজাৰ লগে লগে স্ন'ক প্ৰায় স্পষ্ট ইংগিতেই দিলে যে তেওঁৰ বিদায়ৰ সময় হ'ল। স্ন'ক অচিৰেই আকৌ আহিবলৈ মৰাই আগ্ৰহেৰে নিমন্ত্ৰণ কৰিলে, কিন্তু ওৱেলছে আৰু কোনোদিনেই স্ন'ক নিমন্ত্ৰণ নকৰিলে। অৱশ্যে আন ঠাইত তেওঁৰ আৰু কেইবাৰমান এইছ জি ওৱেলছক লগ পাইছিল।এইছ জি ওৱেলছৰ জীৱনত এই মৰাৰ প্ৰভাৱ কিন্তু বিশেষ একো নাই। যিদিনাই এই কিতাপখনত নেলেখা প্ৰাসঙ্গিক কথা অলপ জনোৱা যাওকঃ ওৱেলছে প্ৰথমতে ইছাবেল নামৰ তেওঁৰ সম্পৰ্কীয় ভনীয়েক এজনীক বিয়া কৰাইছিল। তাৰ পিছত তেওঁ কেথেৰিন ৰবিন্স নামৰ নিজৰ ছাত্ৰী এজনীৰ প্ৰেমত পৰি অৱশেষত তেওঁক পলুৱাই নি নতুনকৈ ঘৰ পাতিছিল। কিন্তু ওৱেলছৰ প্ৰেমৰ জীৱনৰ তাতেই সমাপ্তি ঘটা নাছিল- তেওঁ আৰু বিভিন্ন নাৰীৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহিছিল, তাৰ ভিতৰত বিখ্যাত লিখিকা ৰেবেকা ওয়েষ্টা আছিল আৰু তেওঁ ওৱেলছৰ সন্তানৰ মাতৃও হৈছিল। ওৱেলছৰ এই দুৰ্নামৰ কথা অৱশ্যে চি.পি. স্নয়েও লেখিছে, স্ন'য়ে জনাইছে যে এই নাৰীঘটিত কাণ্ড কাৰখানাবোৰৰ বাবে সেই সময়ৰ সুধী সমাজে তেওঁক ঘৃণাৰ চকুৰে চাইছিল, অথচ ওৱেলছৰ অসাধাৰণ প্ৰতিভা আৰু লেখাৰ দ্বাৰা হোৱা সাফল্যৰ বাবে তেওঁক মনে মনে খুব হিংসাও কৰিছিল। যি হওক, কেথেৰিণে (যাক ওৱেলছ চালাৰ্ট ব্ৰন্টিৰ জেন আয়াৰক সুৱৰি নতুনকৈ জেন নামেৰে অভিহিত কৰিছিল) স্বামীৰ সমস্ত লাম্পট্য সহ্য কৰি তেওঁৰ লগত সুদীৰ্ঘ ৩৫ বছৰ ঘৰ কৰিছিল। তাৰ পিচত ১৯২৭ চনত তেওঁৰ কেন্সাৰ ৰোগত মৃত্যু হৈছিল। এইছ জি ওৱেলছ তাৰ পিছত আৰু কুৰি বছৰ জীয়াই আছিল। তেওঁ অৱশেষত অসাধাৰণ কেট্ৰোৰিণক এই শ্ৰদ্ধাঞ্জলি নজনাই নোৱাৰিছিল- "তেওঁ মোৰ লগৰ শেষলৈকে ইমান ভালকৈ লাগি থাকিল যে সেষত ময়ো মোৰ নিজৰ লগত লাগি থাকিবলৈ বাধ্য হ'লো।"

এতিয়া পুনৰ স্ন'ৰ কথালৈ অহা যাওক। এইচ জি ওৱেলছ মানুহজনৰ প্ৰতি নহ'লেও তেওঁৰ প্ৰতিভাৰ প্ৰতি চি.পি. স্ন'ৰ বিস্ময় আৰু শ্ৰদ্ধাৰ অন্ত নাই। বিজ্ঞান জগতত ভবিষ্যদ্ৰষ্টা লেখক হিচাপে এইছ জি ওৱেলছৰ আৰু সমকক্ষ নাই। তেওঁৰ জন্ম দৰিদ্ৰ পৰিয়ালত হৈছিল আৰু সকলোৰে পৰা পেটু মোকোলাবলৈ নানা ধৰণৰ কাম কৰিব লগা হৈছিল। প্ৰথমতে দাৰিদ্ৰ্যতাৰ পিছত যক্ষ্মা বেমাৰ আৰু অনবৰত পীড়ন কৰি থকা যৌন লিপ্সাই ওৱেলছক কম ভোগোৱা নাছিল। ওৱেলছৰ দৰে দৰিদ্ৰ্যবস্থাৰ মানুহে যে কেতিয়াবা

শিক্ষা-দীক্ষাৰ মুখ দেখিব আশা নাছিল। কিন্তু এজন প্ৰতিভা চিনা হেড মাষ্টৰৰ জৰিয়তে ওবেলছে ৰয়েল কলেজ অব ছায়েন্সত পঢ়িবলৈ সুযোগ পাইছিল। তেওঁৰ দ্বিতীয় সুভাগ্য হ'ল যে টি. এইচ্ হাক্সলীৰ দৰে বিখ্যাত প্ৰাণীতত্ত্ববিদৰ তলত তেওঁ শিক্ষা লাভ কৰিব পাৰিছিল। সেই সময়ত (চাৰ্লছ ডাৰউইন হাক্সলীৰ সম সাময়িক আৰু ঘনিষ্ঠ বন্ধু) প্ৰাণীবিদ্যাই বিপ্লৱ সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল। ওবেলছে পিছত এবাৰ লেখিছিল- 'মই মোৰ শিক্ষকৰ বক্তৃতা শুনাৰ আগ্ৰহত ক্লাছলৈ দৌৰি দৌৰি গৈছিলো।' বিজ্ঞানৰ প্ৰতি এই একনিষ্ঠতা ওবেলছৰ গোটেই জীৱনতে থাকি গৈছিল।

যিহওক প্ৰথম সাক্ষাতত স্ন'ক বিজ্ঞান আৰু গৱেষণা নেৰিবলৈ উপদেশ দিয়া ওবেলছে কিন্তু ১৯৪০ চনত স্ন'ৰ ' ষ্ট্ৰেঞ্জাৰছ এণ্ড ব্ৰাদাৰ্ছ' খন পঢ়ি মুগ্ধ হৈ এখন সুদীৰ্ঘ চিঠিত তেওঁক লেখিছিল যে স্ন'ই তেওঁৰ বৃত্তি সলনি কৰাটো ঠিকেই হৈছে বুলি তেওঁ এতিয়া মানি লৈছে।

লেনিনৰ লগত ওবেলছৰ সাক্ষাৎ আৰু দুয়ো দুয়োৰো সম্পৰ্কে দিয়া মন্তব্যই স্ন'ক পীড়িত কৰিছে। ওবেলছে লেনিনক ' ক্ৰেমলিনৰ সপোন বিলাসী' আখ্যা দিছিল আৰু লেনিনে কৈছিল ' কি যে অকণমানি বুৰ্জোৱা'।

এদিন সন্ধিয়া এখন হোটেলত ওবেলছ আৰু স্ন' বহি আছিল। হঠাৎ ওবেলছে সুধিছিল - স্ন' কেতিয়াবা আত্মহত্যাৰ কথা ভাবিছিলানে? চি. পি. স্ন'ই অলপ চিন্তা কৰি কৈছিল - ' এৰা, এইচ জি ভাবিছিলো।" ওবেলছে উত্তৰ দিছিল- 'ময়ো ভাবিছিলো, কিন্তু সত্তৰ পৰা হোৱাৰ আগলৈ নহয়।' সেই সময়ত ওবেলছৰ বয়স ৭২ হৈছিল। কিন্তু স্ন'ই জনাইছে যে ওবেলছে তেওঁৰ আত্মজীৱনীত যোল বছৰ বয়সতে আত্মহত্যা কৰাৰ চিন্তা কৰিছিল বুলি লেখিছিল। 'কিন্তু মৃত্যুটো বৰ জঘন্য বস্তু' ওবেলছে আকৌ কৈছিল। যিহওক আশী বছৰত মৃত্যু বৰণ কৰা ওবেলছে অন্তৰত এটা ডাঙৰ অপূৰ্ণ কামনা লৈ এই জগতৰ পৰা বিদায় লৈছিল- তেওঁ যে কোনোদিন ৰয়েল ছোচাইটিৰ সভ্য হ'ব নোৱাৰিলে! কুৰি বছৰ ধৰি এই পদটোৰ বাবে তেওঁ যুঁজিলে জুলিয়ান হাক্সলীৰ দৰে সুবিখ্যাত জীৱতত্ত্ববিদ সকলেও তেওঁৰ হৈ যুঁজিলে, কিন্তু তথাপি তেওঁ এফ্ আৰ এছ হ'ব নোৱাৰিলে। আকাশৰ জোনে যাক প্ৰায় ধৰা দিলে- সেই মানুহজনৰ বাবে পৃথিবীৰ সাধাৰণ বিজুলী চাকি দুৰ্লভ হৈ ৰ'ল আৰু তেনে তুচ্ছ দুখ পৃথিৱীৰ ভৱিষ্যত দ্ৰষ্টা এক অসাধাৰণ ব্যক্তিয়ে কোনো মতেই পাহৰিব নোৱাৰিলে। এই কথাৰ বাবে আজিও ৰয়েল ছোচাইটিৰ ওপৰত চি.পি.

স্ন'ৰ খং মাৰ যোৱা নাইঃ

প্ৰবন্ধটোৰ শেষৰ পিনে বৰ ক্ষোভেৰে স্ন'ই সেই কথা উল্লেখ কৰিছে।

(২) ৰবাৰ্ট ফ্ৰষ্ট

চি. পি. স্ন'ই জীৱনত ৰাজনীতিজ্ঞ, বৈজ্ঞানিক আৰু সাহিত্যিক এই তিনি ধৰণৰ ব্যক্তিৰে ঘনিষ্ঠ সম্পৰ্কলৈ আহি তেওঁলোকক সূক্ষ্ম দৃষ্টিৰে নীৰিক্ষণ কৰি আৰু কথা বতৰা পাতি শেষত এই মন্তব্য দিছিল যে তেওঁৰ বিচাৰ-বুদ্ধি আৰু অভিজ্ঞাতাই এই সিদ্ধান্ততে উপনীত কৰাইছে যে এওঁলোকৰ ভিতৰত সাহিত্যিকসকল হ'ল আটাইতকৈ ধুৰন্ধৰ ব্যক্তি।

চি.পি. স্ন'ই যিসকল সাহিত্যিকৰ বিষয়ে লেখিছে তাৰে ভিতৰত এজন হ'ল বিশ্ববৰেণ্য কবি ৰবাৰ্ট ফ্ৰষ্ট, তেওঁৰ বিষয়ে লেখা এইষাৰ মন্তব্যৰেই আজিৰ লেখাটো আৰম্ভ কৰা যাওকঃ ' অতি বৃদ্ধ বয়সতো শান্ত সমাহিত হ'ব নোৱৰা ৰবাৰ্ট ফ্ৰষ্টক দেখি মই ভাবিছিলোঁ যে সকলো ধৰণৰ বৃত্তিজীৱী মানুহৰ ভিতৰত লেখক সকলৰ পক্ষেই নিজকে ভাল মানুহ কৰি ৰাখিব পৰাটো আটাইতকৈ টান কাম।'

চি.পি. স্ন'ৰ এইষাৰ কথাৰ লগত নিশ্চয় বহুতেই এক মত নহ'ব, কিন্তু মোকো জীৱনৰ অভিজ্ঞতাই (সীমিত অভিজ্ঞতাৰে হ'লেও মোৰ বহুত বছৰৰ উপলব্ধি) এইকথাত হয়ভৰ দিবলৈ শিকাইছে। মোৰ যেতিয়া বয়স কম আছিল, অভিজ্ঞতা কম আছিল তেতিয়া ভাবিছিলোঁ যে লেখক সকলেই আটাইতকৈ বেছি ভাল হৈ থাকিব পাৰে বা আন বৃত্তিধাৰী সকলতকৈ ভাল মানুহ কাৰণ তেওঁলোকেই সদায় নিজ কলমডালৰ মাধ্যমেৰে জীৱনৰ জয়গান গায়, নৈতিক আদৰ্শৰ ধ্বজা তুলি ধৰে আৰু তেওঁলোকৰ মহৎ ৰচনাক পঢ়ি সাধাৰণ পাঠক সৎ কৰ্মৰ প্ৰতি কম-বেছি পৰিমানে উদ্বুদ্ধ হল । কিন্তু বয়স হৈ অহাৰ লগে লগে অভিজ্ঞতা বাঢ়িল যি অভিজ্ঞতাই মোৰ এই বিষয়ে চিন্তা বিপৰীতমুখী কৰি তুলিলে। পৃথিৱীৰ বিভিন্ন মহান লেখকৰ জীৱনৰ নানা অশ্ৰদ্ধেয় কাহিনী পঢ়ি (নিজৰ পৰিচিত বহুতৰে কথা নকলোৱেই বা) মই উপলব্ধি কৰিলোঁ যে শিল্পী-সাহিত্যিকসকলে সুন্দৰ কথা, মহৎ আদৰ্শৰ কথা লেখিলেও তেওঁলোকৰ জীৱনেই তেওঁলোকৰ বাণী নহয়। তেওঁলোকৰ দুনীৰ্তিপৰায়ণ , অসৎ, স্বাৰ্থপৰ , বিবেকহীন জীৱনৰ এইবোৰ কাহিনী সঁচায়ে অতি বেদনাদায়ক। কিন্তু আমি জীৱনৰ সামগ্ৰিক প্ৰয়োজনতে তেওঁলোকে ব্যক্তিগত জীৱনত

কৰা কুকীৰ্তিৰ খতিয়ান নলৈ সাহিত্য- শিল্পৰ যোগেদি জগত পোহৰাই তোলা কীৰ্তিৰ হে খতিয়ান লোৱা উচিত ৰাজহাঁহৰ দৰেই হ'ব পাৰিলে ভাল- অম্বু মধ্যে হংস যথা, হাঁহ পানীত থাকি তাৰ সাৰবস্তু ভাগহে উলিয়াই লৈ খায়। মোৰ অন্ততঃ এতিয়াৰ বিচাৰ বুদ্ধিয়ে এই সিদ্ধান্ততে উপনীত কৰাইছে।

ৰবাৰ্ট ফ্ৰষ্টৰ কথাকে কওঁ- তেওঁৰ এইবাৰ কবিতা আমাৰ অসমৰ বহুতৰে কণ্ঠস্থঃ-

The woods are lovely,
Dark and deep,
But I have promises to keep
And miles to go before I sleep...

এনেকি আমি জানো যে বৃদ্ধ, ক্লান্ত জৱহাৰলাল নেহৰুৰ পঢ়া মেজতো ফ্ৰষ্টৰ এইবাৰ কবিতা লিখি হোৱা আছিল।

এইজন বিশ্ব-বন্দিত কবি ৰবাৰ্ট ফ্ৰষ্টৰ বিষয়ে চি.পি. স্ন'ইনো কি কি কথা লেখি থৈ গৈছে এইবাৰ সেই আলোচনালৈ অহা যাওক। পি.চি. স্ন'ই ব্যক্তিগতভাৱে তেওঁক কেৱাবাৰো লগ পাইছিল, কাৰণ আমেৰিকাৰ পৰা আহি আমেৰিকান কবি ৰবাৰ্ট ফ্ৰষ্টে বহুত দিন ইংলেণ্ডত বসবাস কৰি আছিল। এবাৰ কিবা কাৰণত স্ন' মস্কোলৈ যাবলগীয়া হৈছিল, তাৰ কিছুদিন আগতে ফ্ৰষ্টৰ মৃত্যু হৈছিল। মস্কোত তেওঁৰ স্মৃতি চাৰণ কৰিবলৈ এক বিৰাট শোকসভাৰ আয়োজন কৰা হৈছিল আৰু সেই সময়তে মস্কোলৈ যোৱা চি.পি. স্ন'ই সেইখন সভাত যোগদান কৰিছিল। ৰাছিয়াত ফ্ৰষ্টৰ খুব আদৰ আৰু সন্মান আছিল কাৰণ তেওঁ শেষ বয়সত সেইখন দেশ ভ্ৰমণ কৰিছিল আৰু ৰাছিয়াৰ প্ৰতি অতি বন্ধু-ভাবাপন্ন হৈ দেখুৱাইছিল। ৰাছিয়া ভ্ৰমণ কালত তেওঁক সকলো সময়তে সঙ্গ দিছিল বিখ্যাত ৰাছিয়ান কবি ইয়েভ্‌নী ইয়েভ টু শেংকোৱে। ৰবাৰ্ট ফ্ৰষ্টৰ কবিতা দেখাত সহজ হ'লেও তাক আন এটা ভাবালৈ অনুবাদ কৰা এটা অতি দুৰূহ কাম। তথাপি ৰাছিয়াত তেওঁৰ কবিতা বহুল ভাবে অনুদিত হৈছিল আৰু সমগ্ৰ ৰাছিয়াতে কবি গৰাকী আৰু তেওঁৰ কবিতাই প্ৰভূত জনপ্ৰিয়তা আৰ্জন কৰিছিল। স্ন'ই যোগ দিয়া সেই শোক সভাখনত ফ্ৰষ্টৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়াইছিল লিথুনিয়াৰ কবি এজনে। তেওঁ প্ৰয়াত কবিজনৰ কবিতাৰ পাণ্ডিত্য আলোচনা কৰি ফ্ৰষ্ট মানুহজন সম্পৰ্কে কৈছিল যে ৰাছিয়াৰ বন্ধু এই কবিজন মানুহ হিচাবেও আছিল

অতি মহান, উদাৰ, জ্ঞানী, মৰমীয়াল আৰু বন্ধুবৎসল।

সেই সভাত উপস্থিত থকা ৰাইজ অভিভূত হৈছিল, কাৰো কাৰোৰ চকুলোও ওলাইছিল। কিন্তু চি.পি. স্ন' তেনে আবেগ-বিহ্বল হ'ব পৰা নাছিল, তেওঁ সেই লিথুনিয়ান কবিজনৰ চকুৰে ৰবাৰ্ট ফ্ৰষ্ট মানুহজনক চাব পৰা নাছিল, কাৰণ তেওঁ লুই উইন্টাৰমিয়াৰ নামৰ বিখ্যাত লেখকজনৰ আৰু ফ্ৰষ্টৰ মাজত থকা সুদীৰ্ঘ পঞ্চাছ বছৰৰ সম্পৰ্কৰ কথা জানিছিল, তেওঁলোক দুয়োৰো মাজত চলা চিঠি-পত্ৰৰ বিখ্যাত আদান-প্ৰদানৰ কথাও জানিছিল।

আমেৰিকান লেখক লুই উইন্টাৰমেয়াৰে নিজেও এজন বিখ্যাত কবি আৰু সমালোচক। ফ্ৰষ্টতকৈ তেওঁ দহ বছৰ সৰু আছিল। ওপৰত উনুকিওৱা সেই সুদীৰ্ঘ কালজুৰি তেওঁ ফ্ৰষ্টৰ এজন অতি অনুগত আৰু নিঃস্বাৰ্থ বন্ধু আছিল। ফ্ৰষ্ট আৰু তেওঁৰ বন্ধুত্বৰ খতিয়ান ল'লে দেখা যায় যে লুই উইন্টাৰমেয়াৰে সদায় নিজৰ গভীৰ দুখ আৰু দুৰ্গতিক তুচ্ছ কৰি তেওঁৰ এই কবি বন্ধুজনৰ তুচ্ছ দুখ-দুৰ্গতিবোৰকে প্ৰাধান্য দি সদায় তেওঁৰ প্ৰতি গভীৰ সমবেদনা প্ৰকাশ কৰি চলিছিল। দুয়োৰো সেই আপুৰুগীয়া চিঠি-পত্ৰবোৰত সেই সময়ৰ সাহিত্য জগতৰ এখন সুন্দৰ চিত্ৰ ফুটি উঠিছিল, কবিতা সম্পৰ্কে তাত গভীৰ বিদগ্ধ আলোচনা আছে। কিন্তু এইবোৰ উচ্চ-চিন্তাৰ বাহক কথাবোৰৰ আঁৰত যি দুজন ব্যক্তিৰ চৰিত্ৰ ফুটি ওলাইছে, তাৰ ভিতৰত লুই ডইন্টাৰমেয়াৰে সকলোৰে শ্ৰদ্ধা আৰু মৰম আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব-কিন্তু আনজন ব্যক্তি বিখ্যাত কবি ৰবাৰ্ট ফ্ৰষ্টৰ প্ৰতি কাৰোবে তেনে ভাব নুপজিব, কাৰণ লিথুৰ্নিয়া কবিজনে বৰ্ণোৱা গুণবোৰৰ প্ৰকৃততে তেওঁ অধিকাৰী নাছিল। অতি সুন্দৰ কবিতা লেখা এই বিশ্ব-বৰেণ্য কবিজনৰ বহুত দোষৰ ভিতৰত এটা দোষ আছিল মিছা কথা কোৱা। তেওঁ নিজৰ বয়স সম্পৰ্কেও সুবিধা বুজি ফাকি দিছিল আৰু ৭৯ বছৰ বয়সত ৮০ বছৰীয়াৰ সম্বৰ্দ্ধনাটো গ্ৰহণ কৰিবলৈ কুণ্ঠিত নহৈছিল। তেওঁৰ জন্ম হৈছিল কেলিফৰ্ণিয়াত, কিন্তু তেওঁ নিউ ইংলণ্ডত জন্ম গ্ৰহণ কৰা বুলি কৈ ফুৰিছিল কাৰণ ফাৰ্মৰ জীৱনৰ প্ৰতি তেওঁৰ এক ধৰণৰ ৰোমান্টিক আবেগ আছিল যাৰ বাবে পিছত তেওঁ নিউ ইংলণ্ডত সঁচাসঁচিকৈ পাঁচখন ফাৰ্ম চলাইছিল। ৰবাৰ্ট ফ্ৰষ্টৰ পূৰ্বপুৰুষৰসকল অৱশ্যে নিউ ইংলণ্ডৰ অধিবাসী আছিল, কিন্তু তেওঁৰ ককাদেউতাক মাছাচুছেট্‌ছৰ লৰেঞ্চ চহৰলৈ উঠি আহিছিল। ৰবাৰ্ট ফ্ৰষ্টৰ এঘাৰ বছৰ বয়সত দেউতাক ঢুকাইছিল আৰু মাকে স্কুল এখনত কাম কৰি পিতৃহীন সন্তান দুটাক পোহপাল দিছিল। অকণমানি ৰবাৰ্টেও স্থানীয় কাৰখানাবোৰত ইটো সিটো কাম কৰিছিল। এইদৰে তেওঁৰ শৈশৱৰ দিনবোৰ পাৰ হৈছিল,

অৰ্থাৎ এখন উদ্যোগ নগৰীতহে তেওঁৰ সেই দিনবোৰ অতিক্ৰান্ত হৈছিল, তেওঁ কোৱাৰ দৰে শস্য-শ্যামলা, সেউজীয়া প্ৰকৃতিৰ কোলাৰ নিউ ইংলণ্ডৰ কোনো ফাৰ্মত নহয়।

সি যি কি নহওক, ফ্ৰষ্টৰ ককাদেউতাক জীয়াই আছিল আৰু কিছু পৰিমানে বিত্তবান মানুহজনে ফ্ৰষ্টক দৰকাৰৰ সময়ত সদায়ে সাহাৰ্য কৰিছিল। তেওঁ নাতিয়েকক ডাৰ্টমাউথ আৰু হাৰ্ভাডলৈ পঢ়িবলৈ পঠাইছিল, কিন্তু ক্লাছৰ ভিতৰতে চোকা ল'ৰা ৰবাৰ্ট ফ্ৰষ্টে হাইস্কুল এৰাৰ পাছতে তেওঁ বোধহয় দৃঢ়ভাৱে নিজৰ মাজতে এই সিদ্ধান্ত লৈছিল যে তেওঁ মন নোযোৱা কোনো কামেই নিজৰ ইচ্ছাৰ বিপৰীতে নকৰে। অথচ বাহিৰত এনে এক ভাও ধৰি চলিছিল যেন তেওঁ বৰ এলেহুৱা ।ফ্ৰষ্টৰ ভেমেও তেওঁক কামৰ পৰা আঁতৰাই ৰাখিছিল । তেওঁ পৰাজিত হ'ব নুখুজিছিল, গতিকে কোনো ধৰণৰ প্ৰতিযোগিতামূলক কামকে তেওঁ পছন্দ নকৰিছিল, সেইবাবে ডাটমুৰৰ দৰে প্ৰথম শ্ৰেণীৰ কলেজ এখনত তেওঁ মাত্ৰ তিনিমাহমান পঢ়িয়েই গুছি আহিছিল - কাৰো লগত প্ৰতিযোগিতাত হাৰি যোৱাটো বোধহয় তেওঁৰ মনে সহ্য কৰিব নোৱাৰিছিল। অৱশ্যে সম-সাময়িক কবিসকলৰ লগত তেওঁ মনে মনে দুৰ্ঘোৰ প্ৰতিযোগিতা চলাই থাকিছিল- আন লেখকক কিন্তু মুখ ফুটাই কেতিয়াও প্ৰশংসা কৰিব নোৱাৰিছিল।এই প্ৰশংসাত মোৰ চি.পি. স্নই নেলেখা মই আন এঠাইত পঢ়া কথা এটা মনলৈ আহিছে। আমেৰিকাৰ আন এক বিখ্যাত কবি কাৰ্ল হেণ্ডবাৰ্গে তেওঁক সদায়ে অকুণ্ঠভাৱে প্ৰশংসা কৰিছিল আৰু তেওঁ লাভ কৰা সন্মানবোৰৰ বাবে আন্তৰিক অভিনন্দন জনাই থাকিছিল, কিন্তু ৰবাৰ্ট ফ্ৰষ্টে তেওঁক তাৰ ঠিক ওলোটা ব্যৱহাৰহে কৰিছিল।

সি যি কি নহওক, ৰবাৰ্ট ফ্ৰষ্ট স্কুলত থাকোঁতেই তেওঁৰ লগত একেলগে পঢ়া এলিনোৰ নামৰ এজনী বুদ্ধিমতী আৰু ধুনীয়া ছোৱালী তেওঁ প্ৰেমত পৰিছিল। একৈশ বছৰ বয়স হোৱাত ফ্ৰষ্টে সেই ছোৱালীজনীক বিয়াও কৰাইছিল আৰু তাৰপিছত তেওঁলোকে সুদীৰ্ঘ ৪৩ বছৰ বিবাহিত জীৱনো কটাইছিল।ফ্ৰষ্টৰ ৬০ বছৰ পাৰ হৈ যোৱাৰ পিছত সেই এলিনোৰৰ মৃত্যু হৈছিল আৰু তেতিয়া তেওঁ যেন একেবাৰে ভাগি পৰিছিল। অথচ সেই বিবাহিত জীৱন এক প্ৰকাৰ কিমান অভিশাপেৰে পাৰ হৈছিল সেই কথা বৰ্ণাই চি.পি. স্নই লেখিছে ফ্ৰষ্টৰ লগত বিবাহিত জীৱনত ঘাইকৈ এলিনোৰে ইমান দুখ-যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছিল যে তেওঁৰ যন্ত্ৰণাদগ্ধ জীৱনৰ কথাবোৰৰ ইতিহাস খুচৰি বাহিৰ কৰিবৰ মনেই নেযায়, তাৰ পৰা যেন পলাই সাৰিবৰহে ইচ্ছা যায়। তেওঁলোকৰ ছটা সন্তানৰ জন্ম হৈছিল- দুটা ল'ৰা আৰু চাৰিজনী ছোৱালী। এই অভিশপ্ত পৰিয়ালৰ কাহিনী কোৱাৰ

আগতে এটা কথা কৈ থোৱা উচিত হ'ব যে ফ্ৰষ্টৰ দেউতাকৰ ৩৪ বছৰ বয়সত যক্ষ্মা ৰোগত মৃত্যু হৈছিল আৰু একমাত্ৰ ভনীয়েক পগলা হৈছিল। বিয়াৰ পিছত মিছেছ্ এলিনোৰ ফ্ৰষ্টে যেন তেওঁৰ নিজৰ পৰিয়ালটোতো সেই কাহিনীৰ পুনৰাবৃত্তি হোৱা দেখিলে- গিৰিয়েক স্নায়বিক পক্ষাঘাত ৰোগত একপ্ৰকাৰ আক্ৰান্ত হোৱা যেন অৱস্থাত থাকিল, ডাঙৰ পুতেক আৰু সৰু জীয়েকৰ মৃত্যু হৈছিল কেচুৱা অৱস্থাতে, এলিনোৰৰ আটাইতকৈ মৰমৰ জীয়েকজনীৰ নানা ৰোগৰ উপৰিও যক্ষ্মাৰোগো হৈছিল আৰু অৱশেষত তাই বিয়াৰ পিছত সন্তান জন্ম দিবলৈ গৈ মৃত্যুমুখত পৰিছিল। আন এজনী জীয়েক বিবাহিত জীৱনত অসুখী হোৱাত মগজুৰ বিকাৰত ভুগি থাকিল। আন যিটো ল'ৰা জীয়াই আছিল সি কবিতা লেখা আৰু কৃষিকৰ্ম- দুয়োটা কামতে ব্যৰ্থ হৈ নিজকে গুলীয়াই এই পৃথিবীৰ পৰা বিদায় লৈছিল। অৱশ্যে মিছেছ ফ্ৰষ্টৰ এই কথাতে ভাগ্য ভাল আছিল যে এই ট্ৰেজেডিটো ঘটাৰ আগতে তেওঁৰ মৃত্যু হৈছিল। এই ল'ৰা-ছোৱালীবোৰৰ ভিতৰত মাত্ৰ ডাঙৰ ছোৱালীজনীহে সুস্থ হৈ জীয়াই আছিল।

সন্তানৰ পৰা ইমান দুখ খুব কম তিৰোতাৰহে ভাগ্যত লেখা থাকে। কিন্তু মিছেছ ফ্ৰষ্টৰ দুখৰ পাত্ৰ পূৰ্ণ হৈ গৈছিল গিৰিয়েকৰ বাবেও। গিৰিয়েকৰ কথা-কাণ্ডই তেওঁৰ মানসিক ভাৰসাম্য প্ৰায় নোহোৱা কৰি দিছিল, আনহাতে ৰবাৰ্ট ফ্ৰষ্ট আছিল সম্পূৰ্ণ নিৰ্লিপ্ত আৰু উদাসীন, এক ধৰণৰ দাৰ্শনিক মনোভাবেৰে তেওঁ সকলো কথা গ্ৰহণ কৰি লৈছিল। বহুত বছৰৰ আগতেই তেওঁ কবিসকলৰ সম্পৰ্কে দিয়া এটা মন্তব্য যেন তেওঁৰ ক্ষেত্ৰতেই আচৰিত ভাবে প্ৰয়োগ কৰিব পাৰি- লেখকসকলে তেওঁলোকৰ লেখাতে খুব বেছি আবেগ-অনুভূতি-মনোযোগ প্ৰয়োগ কৰে বাবেই বোধহয় তেওঁলোক জীৱনৰ অন্যান্য ক্ষেত্ৰত অনুভূতি-শূন্য হৈ পৰে।

ৰবাৰ্ট ফ্ৰষ্টে তেওঁৰ বিলাসী খেয়াল পূৰ্ণ কৰিবলৈ হাবিত ফাৰ্ম পাতি পৰিয়ালটোক অবৰ্ণনীয় দাৰিদ্ৰত ডুবাইছিল। অথচ তেনে খুজি লোৱা দাৰিদ্ৰৰ প্ৰয়োজন হৈছিল কেৱল ফ্ৰষ্টৰ আত্ম-কেন্দ্ৰিক, আত্মপ্ৰেমৰ তাগিদাতহে। ঘৰ-সংসাৰ, সন্তানৰ প্ৰতি তেওঁৰ আচৰিত ধৰণৰ উদাসীনতা আছিল। ঘৰখনৰ প্ৰতি ফ্ৰষ্টৰ এই অনুভূতিশূন্য ব্যৱস্থাৱে পত্নীয়েকক অহৰহ যি মানসিক হেঁচা দি থাকিছিল সি যেন তেওঁক এক বিষাদ-প্ৰতিমাত পৰিণত কৰিছিল। ফ্ৰষ্টৰ বিৰুদ্ধে প্ৰতিবাদৰ অস্ত্ৰ আছিল মানুহজনীৰ নীৰৱতা। চি.পি. স্নু'ই লেখিছে

যে ৰবাৰ্ট ফ্ৰষ্টে কিন্তু বুজাৰ খুজিছিল যে তেওঁ ঘৈণীয়েকক খুব ভালপায়, কবিজনে এনেধৰণৰ কথা লেখিও সেই ভালপোৱা প্ৰদৰ্শন কৰিব খুজিছিল ঃ ' মোৰ কবিতাৰ আধা নিলিখা কথা হ'ল মোৰ পত্নী'। অথচ এই মানুহজনে আকৌ এনেকুৱা স্ব-বিৰোধী কথাও কৈছিল-' কবিতাইহে মোৰ জীৱনত সদায় আগস্থান অধিকাৰ কৰি আহিছে। তাৰবাবে মই মোৰ পৰিয়াল, বন্ধু- বান্ধৱকো বলিদান দিব পাৰোঁ...'

শেষত চি.পি. স্ন'ই নিলিখা এটা ঘটনাৰে এই প্ৰসংগৰ সামৰণি মাৰিম।.. থমছন নামৰ ৰবাৰ্ট ফ্ৰষ্টৰ এজন জীৱনীকাৰে তেওঁৰ ৭৪৩ পৃষ্ঠাৰ জীৱনীখনত এই কথা লেখিছে যে নীৰৱতাৰে প্ৰতিবাদ জনাই অহা এলিনোৰৰ বিষয়ে ফ্ৰষ্টে এটা কবিতাত এনেদৰে লিখিছেঃ " She in fur place
refused him any place
with the least stiffening
of her neck and silence"

মিছেছ ফ্ৰষ্টৰ মৃত্যু শয্যাত ঘৈণীয়েকৰ প্ৰতি যে তেওঁ কোনো ধৰণৰ অমানৱীয় ব্যৱহাৰ কৰা নাই এনে প্ৰতিশ্ৰুতি পোৱাৰ আশাৰে ফ্ৰষ্ট ঘৈণীয়েকৰ ৰোগ শয্যাৰ ওচৰলৈ যাব খুজিছিল। কিন্তু সুদীৰ্ঘ ৪৩ বছৰ তেওঁৰ লগত বিবাহিত জীৱন যাপন কৰা ঘৈণীয়েকে ৰবাৰ্ট ফ্ৰষ্টক তেওঁৰ কোঠালীত সোমাবলৈ অনুমতি নিদিলে আৰু তেনেকৈয়ে তেওঁ মৃত্যু বৰণ কৰিছিল।

ৰবাৰ্ট ফ্ৰষ্টৰ কবি জীৱন আৰম্ভ হৈছিল ছল্লিশ বছৰ বয়সতহে অৰ্থাৎ তেতিয়াৰ পৰাহে যশ আৰু অৰ্থই লগ দিছিল। তাৰ আগতে অৰ-তৰ আলোচনীত তেওঁৰ কবিতা প্ৰকাশ পালেও কোনেও বিশেষ মনোযোগ দিয়া নাছিল। তাৰ পিচত তেওঁ ইংলেণ্ডলৈ গ'ল আৰু তাতেই তেওঁৰ প্ৰথম কবিতাৰ পুথি প্ৰকাশ পালে আৰু বিখ্যাত কবি এজৰা পাউণ্ডে প্ৰশংসা কৰিলে। ৰবাৰ্ট ফ্ৰষ্টে কবি হিচাপে স্বীকৃতি পালে। এই বিষয়ত তেওঁ পাউণ্ডৰ ওচৰত ঋণী হোৱা উচিত। পিচত কিন্তু দুই কবিৰ ভিতৰত বিৰাট মনোমালিন্যৰ সৃষ্টি হ'ল আৰু এজৰা পাউণ্ডৰ জীৱনৰ শেষ বয়সলৈকে সেই শত্ৰুতা চলি থাকিল।

ইতিমধ্যে বছৰবোৰ বাগৰি গৈছিল আৰু দুটা মহাসমৰৰ আৰম্ভণি আৰু সমাপ্তি ঘটিছিল। ৰবাৰ্ট ফ্ৰষ্টে অৱশেষত এক ধৰণে এজৰা পাউণ্ডৰ ঋণ পৰিশোধ কৰিছিল।

পাউণ্ডক মানসিক বিকৃতিৰ অভিযোগত বেথ ছেডা জেলত ভৰাই যোৱাৰ পিচত, তেওঁক মুকুলি কৰি দিয়াৰ বাবে শিল্পী সাহিত্যিক সকলে যি আন্দোলন চলাইছিল ৰবাৰ্ট ফ্ৰষ্টে তাত আগ ভাগ লৈছিল। অৱশেষত তেওঁলোক সফল হৈছিল আৰু ফ্ৰষ্টে নিজৰ ভূমিকাৰ কথা কৈ এইদৰে মন্তব্য দিছিল - অথচ মানুহজনক মই ভালেই নেপাইছিলো। সম-সাময়িক কবি সকলৰ প্ৰতি ফ্ৰষ্ট আছিল সততে ঈৰ্ষান্বিত, মিছা কবলৈ কুণ্ঠিত নোহোৱা কবিজনে তেওঁৰ কবিতা এটা কেনেকৈ ঠাইতে বহি ঘপহকে লিখিছিল সেই কথা কৈ ইলিয়টৰ আগত ডাংকোপ মাৰিছিল অথচ কথাটো সত্য নাছিল। চি.পি. স্নই লিখিছে যে ৰবাৰ্ট ফ্ৰষ্টে ইংলেণ্ড দেশখন বা তাৰ অবিশ্বাসী কাকোৱেই ভাল নেপাইছিল। কিন্তু তেওঁ কবি হিচাপে প্ৰতিষ্ঠিত হল ইংলেণ্ডতেই । তেওঁৰ দ্বিতীয় কবিতাৰ পুথি নৰ্থ অব বোষ্টনো ইংলণ্ডতে ছপা হৈ ওলাল আৰু এইখনেই তেওঁৰ যশ আৰু বৃদ্ধি কৰিলে; অথচ তাৰ এবছৰ পিচতহে সেইখন কিতাপ নিউইয়ৰ্কে প্ৰকাশ কৰিছিল আৰু আমেৰিকাত সেইখনেই তেওঁৰ প্ৰথম প্ৰকাশিত কিতাপ আছিল। অতি বৃদ্ধ বয়সতহে ইংলেণ্ডৰ প্ৰতি তেওঁৰ মনোভাব অলপ সলনি হৈছিল; ১৯৫৭ চনত সেইখন দেশত তেওঁক যি বিপুল অভ্যৰ্থনা জনোৱা হৈছিল তাৰ পিচত বোধহয় ধাৰণা হৈছিল যে এই দেশখনৰ সপক্ষেও তেনেহ'লে কিবা অলপ কব পাৰি। চি.পি. স্নই লিখিছে যে ৰাছিয়াৰ প্ৰতিও একেদৰেই আৰু একে কাৰণতে ফ্ৰষ্টৰ মনোভাব অলপ সলনি হৈছিল। স্নই ইয়াকো লিখিছে যে তথাপিও ৰবাৰ্ট ফ্ৰষ্টে তেওঁৰ গোটেই জীৱন ইংৰাজবোৰক সঁচাকৈয়ে ভাল পাব পৰা নাছিল।

ছত্ৰিশ বছৰ বয়সত ইংলেণ্ডে ৰবাৰ্ট ফ্ৰষ্টক কবি হিচাপে প্ৰতিষ্ঠা কৰিলে। কিন্তু তেতিয়া তেওঁৰ সুদীৰ্ঘ জীৱনৰ আধাতকৈও কম দিন পাৰ হৈছিল, জীৱনৰ সেই বাকী কালছোৱাও তেওঁৰ কলম চলিয়ে থাকিল। ফ্ৰষ্টে কিন্তু লিখাৰ ব্যৱসায়িক দিশতোৰো ভাল তত্ত্বাবধান লব জানিছিল। তেওঁ ইংলেণ্ডত কিতাপৰ পৰা যিমান টকা পাইছিল, একমাত্ৰ টি. এছ. ইলিয়টৰ বাহিৰে আন আৰু কোনো কবিয়েই সিমান টকা পোৱা নাছিল। অৱশ্যে ইলিয়টৰ মৃত্যুৰ পিচত ডাইলান টমাছে কবিতাৰ পৰা তেনে পৰিমাণৰ ধন আৰ্জিব পাইছিল।

ৰবাৰ্ট ফ্ৰষ্টৰ জীৱনলৈ এটা ডাঙৰ সান্ত্বনা আৰু শান্তি আনি দিছিল আমেৰিকাৰ বিশ্ব বিদ্যালয়বোৰে। তেওঁক মিছিগান আৰু আমহাৰ্ষ্ট বিশ্ববিদ্যালয়ে প্ৰফেছৰ পাতিছিল আৰু আশী বছৰ পিচলৈকে তেওঁ কলেজবোৰত ঘূৰি ঘূৰি বক্তৃতা দি ফুৰিছিল। তেওঁ যিমান খিতাপ লাভ কৰিছিল খুব কম লেখকেই সিমান খিতাপ পাইছে বা পোৱাৰ সম্ভাৱনা

আছে। সাধাৰণতে এনে জীৱনে কবি এজনৰ কবি প্ৰতিভা ধ্বংস কৰে, কিন্তু ৰবাৰ্ট ফ্ৰষ্টৰ তেনে হোৱা নাছিল। চি.পি. স্ন'ই অকুণ্ঠ প্ৰশংসাৰ এটা কথা লিখিছে যে কবি হিচাপে ফ্ৰষ্ট অতি সাধু আছিল। অৰ্থাৎ তেওঁ নিজৰ যি কবিতা লৈ সন্তুষ্ট হ'ব নোৱাৰিছিল- সেই কবিতা তেওঁ কেতিয়াও প্ৰকাশ নকৰিছিল। ফ্ৰষ্টৰ জীৱনৰ ডাঙৰ কথা আছিল এইটোৱে যে তেওঁ মহৎ কবিতা ৰচনা কৰিব খুজিছিল। মৃত্যুৰ দিনালৈকে তেওঁ অতি নিষ্ঠা সহকাৰে কবিতাৰ মান বজাই ৰাখিবলৈ চেষ্টা কৰিছিল। কিন্তু ফ্ৰষ্টে লগতে এই কথাটোও বিচাৰিছিল যে, আনেও যেন তেওঁ মহৎ কবিতা লিখা বুলি স্বীকৃতি দিয়ে। তেওঁ টি. এছ. ইলিয়টে পোৱা স্বীকৃতি বিচাৰিলেও এই কথা হ'লে ভালকৈয়ে জানিছিল যে সেই স্বীকৃতি তেওঁ পোৱা নাছিল। সেই বাবে ইলিয়টক তেওঁ খুব হিংসা কৰিছিল। এনেকি অতি বুঢ়া বয়সলৈকেও তেওঁ ডেকা মানুহৰ দৰেই ঈৰ্ষা জ্বালাত ভুগিছিল আৰু ডেকা মানুহৰ দৰেই আশা আকাংক্ষা পূৰ্ণ হোৱাৰ উচ্চআকাংক্ষা হিয়াত পালন কৰি ৰাখিছিল। সেইবাবেই নবেল প্ৰাইজটোৰ প্ৰতি তেওঁৰ ইমান লোভ আছিল। ইলিয়টে সেই প্ৰাইজ পালে কিন্তু তেওঁ নাপালে। ফ্ৰষ্টক এই দুখে খুলি খুলি খাইছিল চি. পি. স্ন'ই এই মন্তব্য দিছে যে ৰবাৰ্ট ফ্ৰষ্টে ইতিমধ্যে সমগ্ৰ পৃথিৱীজুৰি যি স্বীকৃতি পাইছিল - তাৰ পিচত নবেল প্ৰাইজটো পোৱা হ'লেও তাৰ কোনো ইান-ডেঢ়ি নহ'লহেঁতেন। কিন্তু ফ্ৰষ্টৰ সেই উপলব্ধি কোনোপধ্যেই নহ'ল।

ৰবাৰ্ট ফ্ৰষ্টৰ মানসিকতা বুজিবলৈ তেওঁৰ নিজৰ কথাৰ উদ্ধৃতি এটা দিয়া হ'ল : মোক বন্ধু সকলে কয় বোলে মই যিহেতু দুখীয়া মানুহৰ কথা লৈ কবিতা লিখো সেই বাবে মই দুখীয়াবোৰৰ পক্ষ লব লাগে। মোৰ উত্তৰ হ'ল এয়ে যে তেওঁলোকৰ দাৰিদ্ৰ্য লৈ যদি কিবা কৰাৰ কথা ভাবিলোহেঁতেন তেন্তে তেওঁলোকৰ বিষয়ে কবিতা নিলিখিলোৱেইহেঁতেন।

চি.পি. স্ন'ই কেবাবাৰো ফ্ৰষ্টক লগ পাইছিল বুলি আগতেই উল্লেখ কৰিছো। ১৯৬০ চনত নবেল প্ৰাইছ ঘোষণা কৰাৰ ঠিক পিচতেই তেওঁ আকৌ এবাৰ কবিজনাক লগ- পাইছিল আৰু ৰবাৰ্ট ফ্ৰষ্টে তেতিয়া খোলা-খুলিকৈ তেওঁৰ হতাশা আৰু খঙৰ কথা জনাই দিছিল। সেইবাৰ নবেল প্ৰাইজটো পাব বুলি ৰবাৰ্ট ফ্ৰষ্টে বৰ আশা কৰি আছিল। তাৰ কেইমাহমানৰ পিচত আন বহুত দৰ্শকৰ লগতে চি.পি. স্ন'য়ো টেলিভিশ্যনত প্ৰেছিডেন্ট কেনেডীৰ ওচৰত থিয় হৈ অতি বৃদ্ধ ৰবাৰ্ট ফ্ৰষ্টক কবিতা এটা পঢ়ি থকা দেখিছিল। উপলক্ষ্য আছিল কেনেডী প্ৰেছিডেন্ট হোৱা আৰু তেওঁৰ থিয় হৈ জাতীয় কবিৰ সন্মানেৰে

বিভূষিত ৰবাৰ্ট ফ্ৰষ্টে পাঠ কৰিছিল তেওঁৰে স্বৰচিত কবিতা ' দি গিফ্ট আউট ৰাউট'। ওচৰত থিয় হৈ থকা কেনেডীৰ ওঠো লগে লগে কঁপি আছিল । কাৰণ ফ্ৰষ্টৰ সেই দেশপ্ৰেমমূলক কবিতাটো তেওঁৰ মুখস্থ আছিল। তাৰ পিছত তেওঁলৈ আৰু নানা ধৰণৰ সন্মান আহিছিল। ৮৮ বছৰ বয়সত তেওঁক কংগ্ৰেছৰ সোণৰ পদক দিয়া হ'ল, ৰাছিয়াত বিজয় গৌৰৱেৰে ভ্ৰমণ কৰি অহাৰ সন্মান পালে। বছৰ আগবাঢ়ি ১৯৬২চন হ'ল কিন্তু সেই বছৰো নবেল পুৰস্কাৰটো তেওঁ নাপালে। তাৰ পিচত তেওঁৰ মূত্ৰাশয় হৃৎপিণ্ড আদিৰ বাৰ্ধক্যজনিত অসুখ হ'ল আৰু দুমাহমান ভোগাৰ পিচত তেওঁৰ মৃত্যু হ'ল। ১৯৬৩ চনৰ জানুৱাৰী মাহত তেওঁৰ বিশ্বস্তম বন্ধু লুই উন্টাৰ মেয়াৰে তেওঁক মৃত্যু শয্যাত দেখা কৰিবলৈ আহিল আৰু কবি ৰবাৰ্ট গ্ৰেভছৰ চিঠি এখন পঢ়ি শুনালে - গ্ৰেভছে লেখিছে যে সেই বছৰৰ নবেল প্ৰাইজটো ফ্ৰষ্টক দিব লাগে বুলি তেওঁ প্ৰস্তাব পঠাইছে। ফ্ৰষ্ট আনন্দিত হৈছিল। তাৰ এসপ্তাহ পিচতে ৰবাৰ্ট ফ্ৰষ্টৰ মৃত্যু হৈছিল। এইদৰেই এইছ জি ওৱেলছৰ এফ আৰ এছৰ দৰেই কবি ৰবাৰ্ট ফ্ৰষ্টৰো নবেল প্ৰাইজটোৰ পৰা বঞ্চিত হ'ল।

(৩) আইন্ ষ্টাইন

" আইন্ ষ্টাইনে জীৱনত আটাইতকৈ বেছি মূল্য দিয়া উপন্যাসখন হ'ল দি ব্ৰাদাৰ্ছ কাৰামাজভ "।

চি.পি. স্নৰ ' ভেৰাইটি অব মেন' নামৰ কিতাপখনত আইনষ্টাইনৰ এই মতামতটোৰ কথা পঢ়িবলৈ পাই মই খুব উল্লাস অনুভৱ কৰিছিলো।" জীৱনতনো কেইখন উপন্যাসতে সীমাবদ্ধ নেথাকি মই নিজে এনেকৈ ভাবো যে আজিলৈকে পঢ়া সকলো কিতাপৰ ভিতৰত মোক আটাইতকৈ প্ৰভাব পেলোৱা কিতাপখন হ'ল ডষ্টয়ে ভস্কিৰ ' দি ব্ৰাদাৰ্ছ কাৰামাজভ '। যি নহওক , আইনষ্টাইনৰ এই মতামতটো জানি মই তেওঁৰ বিষয়ে নতুন আগ্ৰহ এটা অনুভৱ কৰি স্নই জনা সেই মানুহজনৰ কথাবোৰ পৰম কৌতুহলেৰে পঢ়ি গ'লো।

চি.পি. স্নই আগতে দুই-এবাৰ জনতাৰ ভিৰৰ মাজত আইনষ্টাইনক কৰমৰ্দন কৰিছে যদিও , ১৯৩৭ চনৰ আগলৈকে তেওঁৰ লগত বহি কোনো কথা-বতৰা পতাৰ সুযোগ

পোৱা নাছিল। ১৯৩৭ চনত যেতিয়া আইনষ্টাইন জাৰ্মানী ত্যাগ কৰি আমেৰিকাৰ লং আইলেণ্ডত আছিলগৈ, তেতিয়া এদিন স্ন'ৰ বন্ধু আইনষ্টাইনৰ লগত একেলগে কাম কৰি থকা লিওপণ্ড ইনফেণ্ডে তেওঁক আইনষ্টাইনৰ ওচৰলৈ লৈ গৈছিল। তেওঁলোক গৈ পোৱাৰ আগে আগে আইনষ্টাইনে নাৱেৰে ফুৰি আহিছিল আৰু তেতিয়া তেওঁ চুটি পেণ্ট এটাহে পিন্ধি আছিল। সেই সময়ত আইনষ্টাইন যথেষ্ট বৃদ্ধ, কিন্তু তথাপিও তেওঁৰ অতি মজবুত পেশী বহল শৰীৰে স্ন'ক বিস্মিত কৰিছিল। ইন্‌ফেল্ডে স্ন'ক জি এইছ হাৰ্ডি নামৰ বিশ্ববিখ্যাত অংক শাস্ত্ৰজ্ঞ মানুহ জনৰ বন্ধু বুলি পৰিচয় কৰি দিয়াৰ পিচত আইনষ্টাইনে মন্তব্য দিছিল যে হাৰ্ডি এজনে বৰ ভাল মানুহ । কিন্তু তাৰ পিচতেই তেওঁ সুধিছিল " হাৰ্ডি এতিয়াও যুদ্ধ বিৰোদী নেকি ? " ইতিবাচক উত্তৰটো শুনি আইনষ্টাইনে গহীন দুখৰ মাজেৰে কৈছিল- " ইমান ভাল মানুহ এজন যে কেনেকৈ ইমান অবাস্তৱবাদী হ'ব পাৰে মই বুজিয়েই নেপাওঁ।" আনহাতে 'স্ন' যুদ্ধ বিৰোধী নহয় বুলি শুনি আইনষ্টাইনে ভাল পালে। তাৰ পিচত তেওঁলোক তিনিজনে কেবা ঘণ্টাও ৰাজনীতিৰ কথা পাতিছিল। স্ন'ৰ মতে সেই সময়ৰ পৃথিৱীৰ সকলোবোৰ বিখ্যাত মানুহৰ ভিতৰতে আইনষ্টাইন আটাইতকৈ জ্ঞানী আছিল। ৰাজনৈতিক দৃষ্টিভংগীৰ আইনষ্টাইনৰ বিষয়ে কবলৈ হ'লে হেনো কব লাগিব যে পৃথিৱীৰ অৱস্থাৰ বিষয়ে আইনষ্টাইনৰ অতি গভীৰ অন্তৰ্দৃষ্টি আছিল আৰু সেই সম্পৰ্কে কৰা তেওঁৰ প্ৰধান প্ৰধান ভৱিষ্যৎবাণীবোৰ হেনো অন্যান্য সকলো ভৱিষ্যত দ্ৰষ্টাতকৈ বেছি মিলি গৈছিল। ঘণ্টাবোৰ পাৰ হৈ গৈছিল। নানা ধৰণৰ ছেণ্ডউইচ আৰু চোদাপানী খাই খাই তেওঁলোকে মানৱ জাতিৰ আসন্ন ভৱিষ্যতৰ বিপদৰ কথা পাতিছিল। আইনষ্টাইনৰ কথা বতৰা সকলো সময়তে এক ধৰণৰ নৈতিক অভিজ্ঞতাৰে সমৃদ্ধ আছিল। স্ন'ৰ ধাৰণা হৈছিল যে আইনষ্টাইনে মানৱ জাতিৰ যি অন্ধকাৰ ভৱিষ্যৎ দেখিবলৈ পাইছে, সেই সম্পৰ্কে তেওঁৰ কোনো দ্বিধা নাছিল বা তেওঁ অযথা ভাবপ্ৰবনো হোৱা নাছিল। তেওঁ কেবল অনুভব কৰিছিল আমি নিশ্চিত ধ্বংসৰ পথলৈ যোৱাৰ আগতে যি পাৰো কৰি যোৱাটো আমাৰ নৈতিক কৰ্তব্য।

স্ন'ই লগ পোৱা এইজন আইনষ্টাইন আছিল পকা আৰু জধলা চুলিৰে গহীন, জীৱনৰ নানা দুখ-কষ্টেৰে জৰ্জৰিত বৃদ্ধ আইনষ্টাইন। স্ন'ই আইনষ্টাইনৰ আগৰ ফুৰ্ত্তিৰ কথা শুনিছিল, কিন্তু এতিয়া সকলো অন্তৰ্হিত হৈছিল। আঠ ঘণ্টা জুৰি পতা কথা-বতৰাৰ মাজত স্ন'ই মাত্ৰ এবাৰহে তেওঁৰ ডেকা কালৰ অট্টহাঁহি শুনিবলৈ পাইছিল। এবাৰ ইটো সিটো কথাৰ পিছত স্ন'ই তেওঁ ইংলেণ্ডখন ভাল পায়নে সুধিছিল। আইনষ্টাইনে ভাল পায়

বুলি কৈছিল যে তেওঁৰ মৰমৰ ইংলেণ্ডখনৰ লগত ইংলেণ্ডৰ বহুতো মিল আছে। চাৰ্চিলৰ কথা ওলোৱাত আইনষ্টাইন তেওঁক ভাল পায় বুলি গৈছিল। স্ন'ই দুখ কৰিছিল যে তেওঁৰ নিজৰ দলৰ টোৰি সকলেই চাৰ্চিল চৰকাৰত সোমোৱাৰ বিৰোধিতা কৰিছিল। আইনষ্টাইনে বহুত ভাবি চিন্তি মন্তব্য দিছিল যে ফেঁচীবাদক পৰাজিত কৰিবলৈ হ'লে জাতীয়তাবাদকে ধৰি সকলো শক্তিকে একত্ৰিত কৰিব লাগিব। তেতিয়াই স্ন'ই সুধিছিল আইনষ্টাইনে জাৰ্মানী ত্যাগ কৰি ইংলেণ্ডত থাকিবলৈ কিয় নাহিল। " ওহোঁ, ওহোঁ!" আইনষ্টাইনে কৈ উঠিছিল। "কিয়?" স্ন'ই সুধিছিল। " তোমালোকৰ জীৱনৰ ষ্টাইলেই ইয়াৰ কাৰণ-" এই কথাষাৰ কোৱাৰ পিছতেই আইনষ্টাইনে তেওঁৰ বিখ্যাত অট্টহাঁহিটো আৰম্ভ কৰিছিল- " এই ষ্টাইল অপূৰ্ব। কিন্তু মোৰ বাবে নহয়দেই!" - আইনষ্টাইনে জীৱনত ডিনাৰ জেকেট পিন্ধি পোৱা নাই- কিন্তু ইংৰাজ সকলে খোৱাৰ সময়ত কেনেকৈ ডিনাৰ জেকেট পিন্ধিব লাগেঃ- তেওঁ ইংলেণ্ডলৈ যাওঁতে এই ডিনাৰ জেকেট আৰু বাটলাৰ অধ্যুষিত অতি সৌজন্যমূলক পাৰ্টিবোৰে তেওঁৰ মনত কি ভীতি জগাই তুলিছিলঃ- সেই বিষয়ে হাঁহি হাঁহি আইনষ্টাইনে কৈছিল যে ইংৰাজৰ 'প্ৰফেছনেল' শ্ৰেণীটোৰ বোধহয় এনেকৈ নানা পোছাকৰ ভিতৰত সোমাওঁতেই আৰু ওলাওঁতেই বেছিখিনি সময় যায়। তাৰ পিছত তেওঁ চি.পি. স্ন'ক তেওঁৰ প্ৰিয় জাৰ্মান শব্দটোৰ কথা কৈছিল- zwang অৰ্থাৎ বাধা-বাধকতা, তেওঁৰ জীৱনত কোনো নীতি- নিয়মৰ গণ্ডীত সোমাই থাকিব নোৱাৰিছিল। তেওঁৰ বাবে কোনো zwang থাকিব নোৱাৰে। এইদৰে ঘন্টাৰ পিছত ঘন্টা কথা কৈ থাকোঁতে লাহে লাহে সন্ধিয়া হৈ আহিছিল। তেতিয়াই এবাৰ আইনষ্টাইন সৃজনীমূলক কাম কৰিবলৈ হ'লে কেনে পৰিবেশৰ আৱশ্যক সেই বিষয়ে কৈছিল। তেওঁ কৈছিল যে মানুহৰ মনত অসুখী অৱস্থাত উৎকৃষ্ট সৃজনীমূলক কাম কৰাটো কোনোপধ্যেই সম্ভৱ নহয়। তেওঁ এনে কোনো পদাৰ্থ বিজ্ঞানীৰ কথা কব নোৱাৰে যি মনৰ অসুখী অৱস্থাত কিবা ভাল কাম কৰিব পাৰিছে। কেৱল বৈজ্ঞানিকেই বা কিয়, কোনো সাহিত্যিক বা সংগীত স্ৰষ্টায়ে মনৰ দুখজনক অৱস্থাত তেওঁলোকৰ উৎকৃষ্ট অবদান আগবঢ়াব নোৱাৰে অৱশ্যে একমাত্ৰ নীলছ ব'ৰৰ কথা সুকীয়া- তেওঁৰ সমসাময়িক বিখ্যাত পদাৰ্থ বিজ্ঞানী ব'ৰে মনৰ এক অতিশয় দুখৰ অৱস্থাত হাইড্ৰ'জেন বৰ্ণালীৰ ওপৰত তেওঁৰ অতি বিখ্যাত ' পেপাৰ'খন আগবঢ়াইছিল।

আইনষ্টাইনৰ এনে মতামত শুনি চি. পি. স্ন' স্বাভাৱিকতেই খুব আচৰিত হৈছিল। তেওঁ তেতিয়া প্ৰতিবাদ স্বৰূপে টলষ্টয়ৰ কথা উলিয়াইছিল. ' আনা কাৰেনিনা' লিখিবৰ

সময়ত টলষ্টয় যে গভীৰ হতাশাত নিমজ্জিত হৈ আছিল সেই কথা কৈছিল। আইনষ্টাইন কৌতূহলী হৈ উঠিছিল কাৰণ তেওঁৰ প্ৰিয় লেখকবোৰৰ এজন হ'ল টলষ্টয়। তেওঁ 'ক্লাছিকেল' সাহিত্য ভাল পায়; ৰোমাণ্টিক শিল্প কলাৰ প্ৰতি (বিশেষকৈ জাৰ্মান) তেওঁৰ গভীৰ বিৰাগ। এইদৰে তেওঁলোকে নানা ধৰণৰ কিতাপ পত্ৰৰ আলোচনা কৰিছিল আৰু তেতিয়াই আইনষ্টাইন কৈছিল যে তেওঁ আটাইতকৈ মূল্য দিয়া উপন্যাসখন হ'ল ' দি ব্ৰাদাৰ্ছ কাৰামাজভ'। তাৰ পিছত আইনষ্টাইনে আকৌ সৃষ্টিধৰ্মী কলাৰ কথা আৰম্ভ কৰিছিল আৰু পকা চুলিৰে জপৰা হৈ থকা ডাঙৰ মূৰটো জোকাৰি কৈছিল যেঃ

" পৃথিৱীখনক বুজিবলৈ হ'লে কোনো মানুহে নিজৰ সমস্যা লৈ ভাবি থাকিলে নচলিব।"

সিদিনা ৰাতি নিউইয়ৰ্কৰ নিজৰ থকা ঠাইলৈ উভতি গৈ চি.পি. স্নʼই ভাবিছিল আইনষ্টাইনে কোৱা কথাবোৰৰ লগত ব্যক্তিগত জীৱনৰ কিবা সম্বন্ধ আছে নেকি? আইনষ্টাইনৰ প্ৰথম বিয়াখন ব্যৰ্থ হৈছিল, কিন্তু দ্বিতীয়বাৰ সম্বন্ধীয়া ভনীয়েকক বিয়া কৰাই দাম্পত্য জীৱনত তেওঁ খুব সুখ পাইছিল। চিপি. স্নʼই মনৰ ভিতৰতে হিচাপ কৰি চাই দেখিলে যে ১৯০৫ চনত আইনষ্টাইনৰ পদাৰ্থ বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ওপৰত যি পাঁচখন 'পেপাৰ' প্ৰকাশ পাইছিল তাৰে তিনিখনে পদাৰ্থ বিজ্ঞানৰ ইতিহাসতে অতিশয় উচ্চস্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল। সেই সময়ত আইনষ্টাইনৰ বয়স ২৬, তেওঁৰ প্ৰথম সন্তানৰ জন্ম হৈছে। স্নʼই ভাবিলে সেইখন বিয়া অসফল হ'লেও, প্ৰথম অৱস্থাত হয়তো সন্তানৰে সৈতে দাম্পত্য জীৱনত তেওঁ সুখীয়েই আছিল। পিছৰ কালৰ সাফল্যৰ লগততো এই সুখৰ তত্ত্ব ভালকৈয়ে প্ৰয়োগ কৰিব পাৰি। যদিও মহাসমৰ আৰম্ভ হৈছিল, তথাপিও তেওঁ আনন্দৰে পৰিপূৰ্ণ হৈ আছিল। তেওঁৰ প্ৰথম গৈণীয়েক মিলেভা মেৰিকৰ চিৰ বিষন্নতাৰ বিপৰীতে দ্বিতীয় ঘৈণীয়েক এলছা আছিল প্ৰাণোচ্ছল, হাঁহি আৰু আনন্দত টগবগাই থকা। আইনষ্টাইনৰ ঘৰুৱা জীৱনলৈ লাহে লাহে বিবাদ নামি আহিছিল প্ৰথম পক্ষৰ ঘৈণীয়েকৰ পিনৰ পৰা জন্ম হোৱা এটা ল'ৰা মানসিক চিকিৎসালয়ত ভৰ্ত্তি হোৱাত আৰু এলছাৰ মৃত্যু হোৱাত। আনহাতে যুদ্ধই গ্ৰাস কৰি অনা পৃথিৱীৰ আগন্তুক ভয়াবহ ৰূপেতো তেওঁক বিবাদাচ্ছন্ন কৰি ৰাখিছিলেই।

চিপি. স্নʼই লং আইলেণ্ডৰ আইনষ্টাইনক লগ পোৱাৰ কিছুদিন পিছত দ্বিতীয় মহাসমৰৰ আগে আগে বিখ্যাত গণিতজ্ঞ জি. এইচ হাৰ্ডিক কেমব্ৰিজ বিশ্ববিদ্যালয়ত নিজৰ

ক্ৰিকেট পথাৰ বেনাৰত লগ পাইছিল। তেতিয়া তেওঁলোক দুয়ো আইনষ্টাইনৰ বিষয়ে কথা পাতি আছিল। হাৰ্ডিয়ে আইনষ্টাইনক বহুত বাৰেই লগ পাইছিল। তেনে ঘনিষ্ঠ পৰিচয়ৰ যোগেদি আইনষ্টাইন সম্পৰ্কে তেওঁৰ কি ধাৰণা হৈছিল সেই কথা হাৰ্ডিয়ে স্ন'ক কৈছিল। ক্ৰিকেটৰ এক ডাঙৰ অনুৰাগী হাৰ্ডিয়ে পৃথিৱীৰ সৰ্বোৎকৃষ্ট মানুহৰ কথা কবলৈ হ'লে কৈছিল- ব্যাডমেন শ্ৰেণীৰ মানুহ! শ্বে'পীয়েৰ, টলষ্টয়, নিউটন, আৰ্কিমিডিছকে আদি কৰি কেইজনমান মানুহ হাৰ্ডিৰ বিচাৰত বিশ্বৰ শ্ৰেষ্ঠ ক্ৰিকেট খেলুৱৈ ব্যাডমেনৰ শ্ৰেণীত পৰিছিল। স্ন'ক বেনাৰত লগ পাই কৈছিল যে তেওঁৰ জীৱন কালত মাত্ৰ দুজন মানুহেহে এই ব্যাডমেন শ্ৰেণীত পৰাৰ যোগ্যতা আৰ্জিহে আৰু সেই মানুহ দুজন হ' আইনষ্টাইন আৰু লেনিন। চি.পি. স্ন'ই লেখিছে- " মই হাৰ্ডি কোনো এজনো মানুহৰ গুণাগুণ লৈ মাত্ৰাহীন উচ্ছ্বাসিত হোৱা বিশ্বৰ মানুহ নহও, কিন্তু মহৎ শব্দটোৰ যদি কিবা অৰ্থ আছে, তেন্তে আমি লগ পোৱা মানুহবোৰৰ ভিতৰত এইজনেই হ'ল আটাইতকৈ মহৎ।"

হাৰ্ডিয়ে কৈছিল যে ভাল, নম্ৰ আৰু জ্ঞানী- আইনষ্টাইনৰ ক্ষেত্ৰত প্ৰযোজ্য এই তিনিটা বিশেষণ কোনো এজন সাংবাদিকে হেনো নাকচ কৰি দিছিল। কিন্তু তেওঁ স্ন'ক সুধিছিল - আইনষ্টাইনৰ চৰিত্ৰ ইয়াতকৈ উপযুক্ত আন কিবা শব্দেৰে বুজাব পাৰিনে? স্ন'ই চিন্তা কৰি চাইছিল এৰা, এই কেইটা বিশেষণ আইনষ্টাইনৰ গাত খুব খাটে। কিন্তু তথাপিও যেম সম্পূৰ্ণ নহয়, তথাপিও যেন আৰু কিবা কবলৈ বাকী থাকি যায়। স্ন'ই নানা ধৰণৰ বিশেষণ প্ৰয়োগ কৰি চাই শেষত ঠিক কৰিছিল যে ' সহজে বিচলিত নোহোৱা'- এই বিশেষণেৰেও আইনষ্টাইনক বিভূষিত কৰিব পাৰি। অন্ততঃ লং আইলেণ্ডত আইনষ্টাইনৰ লগত সুদীৰ্ঘকাল কথা পাতি তেওঁৰ তেনে ধাৰণাই হৈছিল।

আইনষ্টাইনে বুঢ়া বয়সত নিজৰ বিষয়ে লেখা কথা কেইটামানৰ বিষয়ে চিন্তা কৰি চাই স্ন'ই লিখিছে যে একমাত্ৰ স্পিনোজা বা তেনে দুই এজন মানুহৰ বাহিৰে আন কম লোকেহে নিজৰ সম্পৰ্কে এনেদৰে ভাবিলেহেঁতেন। উল্লেখযোগ্য যে আইনষ্টাইনৰ ভগৱানৰ ধাৰণাৰ লগত স্পিনোজাৰ ভগৱানৰ ধাৰণাৰ মৌলিক মিল এটা আছে- সেই বিষয়ে নিজেও কৈছে। অৱশ্যে সৰ্ব্বসাধাৰণে জানে যে আইনষ্টাইনে ভগৱান শব্দটো নানা প্ৰসঙ্গত ব্যৱহাৰ কৰিছিল, কিন্তু দৰাচলতে বাৰ বছৰ বয়সৰ পৰাই তেওঁ আমাৰ প্ৰচলিত ধাৰণাৰ ভগৱানত বিশ্বাস এৰিছিল। মাজ বয়সত আইনষ্টাইনে লেখিছে - সমস্ত প্ৰাণী জগতৰ

মাজৰ সু-সামঞ্জস্যতে হৈ উঠা স্পিনোজায় ভগৱানৰ এই কৰা বিমন্ত মানুহৰ সকলো কৰ্ম আৰু ভাগ্যক নিয়ন্ত্ৰণ কৰো বুলি ভগৱানক হ'লে মই বিশ্বাস নকৰোঁ।"

বৃদ্ধ বয়সত নিজৰ সম্পৰ্কে লেখা কথাবিনিত আইনষ্টাইনৰ জীৱন দৰ্শন এইদৰে প্ৰকাশ পাইছে।

' মই কোনো দিনেই পুৰাপুৰি ভাবে কাৰো হৈ পোৱা নাই - নাই কোনো দেশৰ, নাই কোনো ৰজাৰ, নাই কোনো বন্ধুবৰ্গৰ - এনেকি নিজৰ পৰিয়ালৰো।

মোৰ বাহিৰা ব্যক্তিগত অৱস্থাই মোৰ চিন্তা-ভাৱনা বা আবেগ-অনুভূতিত খুব সামন্য অংশহে গ্ৰহণ কৰিছে। বেছিভাগ মানুহেই গোটেই জীৱন জুৰি যি আশা আৰু আকাঙ্খাৰ পিচত ধাবিত হয়, তাৰ অসাৰতা মই অতি চেলেণ্ডীয়া কালতে উপলব্ধি কৰিব পাৰিছিলোঁ। সুখ আৰু স্বাচ্ছন্দ্য মোৰ বাবে কেতিয়াও জীৱনৰ প্ৰধান লক্ষ্য বুলি পৰিগণিত হোৱা নাই। মই পাইঁৰৰ উচ্চাকাঙ্খাৰ লগতহে তেনে লক্ষ্যক " একে শ্ৰেণীতে থব খোজোঁ।"

আইনষ্টাইনে আৰু কৈছিল - " আনৰ বাবে জীয়াই থকাতহে জীৱনৰ সাৰ্থকতা।"

এইজন আইনষ্টাইনৰ প্ৰতি চি.পি. স্ন'ৰ অগাধ শ্ৰদ্ধা।

সমাপ্ত